# THE AECIAN

Vol. XXXIV



Editor : Amardeep Kalita

## Our Ex-Editors

Sharushij Ch. Das
Purnananda Kalita
Rohini Kr. Bora
Nurul Amin
Amulya Kr. Goswami
Krishnananda Das
Bhabendra Nath Patowary
Satish Tahbildar
Manoranjan Sharma
Shyam Shundar Deka
Imtiaz Ali
Bichitra Barman
Hemendra Bora
A.H. Zahir
Karuna Bhattacharya
Pranab Kr. Bora
&
Trailokya Dev Sharma
Altaf Mujid
Chandan Kr. Bora
Ritunjay Bhuyan
Upananda Kakoti
Ahshanul Hussain
Bhupati Deka
Uttam Saikia
Diganta Hazarika
Pranab Kr. Nath
Ratul Goswami
Navajyoti Gogoi
Kishor Kr. Pathak
Abhijit Kalita

# The Aecian

Vol. XXXIV (1994-95)

# এইচিয়ান

(Annual Publication)

**Prof. In-Charge**
*Makhan Lal Das*
**Editor**
*Amardeep Kalita*

ASSAM ENGINEERING COLLEGE
GUWAHATI 781013

# THE AECIAN

# এইচিয়ান

***Editor :***
Amardeep Kalita

***Prof. In-Charge :***
Prof. Makhan Lal Das
Deptt. of Chemical Engg.

***Chairman :***
Dr. Anup Das
Deptt. of Mechanical Engg.

***Members :***
Prof. Arup Sharma
Deptt. of Civil Engg.
Dr. Pradyut Goswami
Deptt. of Electrical Engg.

Saumitra Sushil Sharma
Ismail Hossain
Pranab Sinha
Rintumoni Dutta

***Cover :***
Planning : Amardeep Kalita
Design : Abhijit Konwar

***Illustrations :***
Abhijit Konwar
Neelanjan Dasgupto
Amardeep Kalita

***Photo Feature :***
Hemanta Kr. Sharma
Benjamin Kaman

***Printed At :***
Shree Guru Press.
Maligaon, Guwahati-11

***D.T.P. Composed At :***
Computer World
Panbazar, Guwahati - 1

**ACKNOWLEDGEMENT :**

Deba Kanta Handique
Jahnu Baruah
Prof. Arup Mishra
Prof. B.C. Bhuyan
Prof. P.K. Bordoloi
Prof. P.K. Mahanta
Phukan Mahanta
Fuleswari Brahma
Dhanjit Das

Abhijit Konwar
Deepal Phukan
Srimanta Bordoloi
Benjamin Kaman
Hamanta Kr. Sharma
Neelanjana Mahanta
Neelanjan Dasgupto
Kallol Pratim Nath
Jolly Da & Bobby Da

Ashish, Himangshu, Diganta (Barman), Anjan, Gope, Harjinder, Amitava, Bobby, Sharmistha, Prantor, Sudipta, Sepon, Bishnu Bahadur, Sirish, Pranab, Raju, Bhaskar, Binoy, Lunse, Vijay, Phukan, Pranjit, Swgwmdao, Debesh, Chowken, Manash, Dhruba, Ujjwal, Rajdeep, Mrinalkanti, Diganta, Ravisankar, Navajit, Kaustav, Hikmat, Sanjib Mech, Rajib, Manirul and all other wel wishers.

Staff and workers of Shree Guru Press and Computer World.

## সেই মৃত্যু অপৰাজেয় ..................

এই সংখ্যাৰ 'এইটিয়ান' উছৰ্গা কৰিছোঁ অকাল মৃত্যুক সাৱটি লোৱা আমাৰ মহাবিদ্যালয়ৰ দুই কৃতি ছাত্ৰ সীমান্ত শইকীয়া আৰু বিশ্বজিত ফুকনৰ সোঁৱৰণত।





সীমান্ত শইকীয়া



বিশ্বজিত ফুকন

আৰু আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ -

- মহেশ্বৰ নেওগ
- আশাপূৰ্ণা দেৱী
- দেৱকান্ত বৰুৱা
- মহেন্দ্ৰ বৰা
- শক্তি চট্টোপধ্যায়
- দুৰ্গেশ্বৰ বৰঠাকুৰ
- বিজয় শংকৰ দাস

আৰু জীৱনক মহিয়ান কৰি চিৰবিদায় লোৱা জ্ঞাত অজ্ঞাত প্ৰতি জনাকে।

## .............. মৃত্যুওতো এটা শিল্প

## সেই মৃত্যু অপৰাজেয় ................

এই সংখ্যাৰ 'এইচিয়ান' উছৰ্গা কৰিছোঁ অকাল মৃত্যুক সাবটি লোৱা আমাৰ মহাবিদ্যালয়ৰ দুই কৃতি ছাত্ৰ সীমান্ত শইকীয়া আৰু বিশ্বজিত ফুকনৰ সোঁৱৰণত।





সীমান্ত শইকীয়া



বিশ্বজিত ফুকন

আৰু আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ -

- মহেশ্বৰ নেওগ
- আশাপূৰ্ণা দেৱী
- দেৱকান্ত বৰুৱা
- মহেন্দ্ৰ বৰা
- শক্তি চট্টোপাধ্যায়
- দুৰ্গেশ্বৰ বৰঠাকুৰ
- বিজয় শংকৰ দাস

আৰু জীৱনক মহিয়ান কৰি চিৰবিদায় লোৱা জ্ঞাত অজ্ঞাত প্ৰতি জনকে।

................ মৃত্যুওতো এটা শিল্প

# Assam Engineering College



# MESSAGE

Prof. S.P. Bhattachar
Principal,
Assam Engineering Coll
Jalukbari, Guwahati - 7



It gives me immense pleasure to find that the current issue of the college magazine "AECIAN" is being brought out by Sri Amardeep Kalita, Secretary, Magazine Section, inspite of many constraints, mainly financial. In this connection, I gratefully acknowledge the contribution of Rs. 15,000.00 from the State Level Advisory Committee for Students and Youth Welfare, Assam towards the cost of publication of the magazine with an assurance of releasing another Rs. 5,000.00 after publication. I hope, the magazine will reflect the literary activities of our students and serve as a vehicle of art and humour of our budding engineers.

I thank the Editorial Board, contributors and workers and above all the Magazine Secretary for their untiring efforts in bringing out the issue successfully.

26.3.96

(Prof. S.P. Bhattacharyya)

এই সংখ্যাত আছে / This issue presents

সম্পাদকীয়

## অসমীয়া শিতান

**প্ৰবন্ধ**


অন্ধবিশ্বাসৰ আনুষ্ঠানিক শিক্ষা / দেৱকান্ত সন্দিকৈ 1
সাহিত্যত মৌলিকতা আৰু নন্দনতাত্ত্বিক সৌন্দৰ্য / মুকুল মহন্ত 11
বিপ্লৱী সংস্কৃতি / ইছমাইল হোছেইন 23
কবিতা আৰু পাঠক / ৰূপজ্যোতি হাজৰিকা 41
ঐতিহ্যমণ্ডিত তৈলচিত্ৰ - মনালিছা / সুস্মিতা চক্ৰবৰ্তী 42
নিষিদ্ধ গ্ৰন্থ / কল্যাণ নাথ 52
বিপৰ্যস্ত শৈশৱ / শশাংক শেখৰ শৰ্মা 57
নাট্যাভিনয়ত ট্ৰেজেডি বিচাৰ / দেৱ কুমাৰ মহন্ত 66


**গল্প**


গ্ৰহনাস্ত / শৰ্মিষ্ঠা শইকীয়া 14
অৰুণাভৰ অনুভূতিৰে এগছা / শ্ৰীমন্ত বৰদলৈ 18
প্ৰতীক্ষা / ব্ৰজেন্দ্ৰ কুমাৰ তালুকদাৰ 55
মদাৰ ফুলৰ ৰং / ৰূপজ্যোতি হাজৰিকা 62
অপেক্ষা / প্ৰতাপ হাজৰিকা / 65
যেতিয়া আবেলি নামে / জ্যোতিস্মিতা চেঙাপ 68


**অ-উপন্যাস**


প্ৰসৱ বেদনাত এজন লিখক আৰু এখন উপন্যাসৰ ব্লু-প্ৰিন্টৰ প্ৰস্তুতিপৰ্ব / বিন্টুমণি দত্ত 26


**সাক্ষাতকাৰ**


জাহ্নু বৰুৱা : সাগৰ এতিয়া নিচেই কাষত 3


**কবিতা**


তুলাচানীত তুলি দিওঁ নিজস্ব সত্ত্বা(মনিদীপা দেৱী) / 44, নিবনুৱা (কমলজিত কলিতা) / 45, বেগিং (সঞ্জীৱ সমৰ ডেকা) / 45, ৰাজপথে আজি কয়(ৰাণীকান্ত গোস্বামী) / 45, সাম্প্ৰদায়িকতা (ইছমাইল হোছেইন) / 45, তিনিটা অনুচ্চ স্বৰ (ৰশ্মি ছেত্ৰী)/ 46, একাকীত্ব (লিপিকা দেৱী) / 47, বয়ঃসন্ধি : এক নষ্টালজিয়া (ৰুক্মী দাস) / 47, নিৰন্তৰতাই মোক জোকায় (জয়ন্ত কুমাৰ দাস) / 47, যুদ্ধৰ সময় (প্ৰশান্ত কুমাৰ বৰুৱা) / 48, তোমাৰ কথা (বেঞ্জামিন কামান) / 49, বাম গঁগে (কৃষ্ণ পেগু) / 49, গুৱাহাটীৰ ছবি (নীলাঞ্জনা মহন্ত) /49, পৰিভ্ৰমণ (কমলজিত মেধি) /50, প্ৰেম (চিন্ময় চৌধুৰী) / 51


## English Section

**Articles**


Employment scenario of engineering students in Assam / Dr. P.K. Bordoloi & B. Goswami - 71
Changes required in the constitutional set up of India / A. Majumdar - 83

The Aecian

এই সংখ্যাত আছে / This issue presents


Scientific basis of Homoepathy / Prof. N. Nag 86
Calendar - Its formation & development / Wahidul Amin 93
Chemistry & chemical art among the ancients / K.P. Sarma 95
Virtual reality / Anit Dhekial Phukan 98
The Indian ideal of secularism / Nayan Kr. Kalita 104
Illaiyaraja - Taking music to her Majesty / Pallab Kr. Borah 106
Reactive power management / Bobby Richong 108

**Short Story**

Oops ! A sister / Suranjita Khound 80
An evening with her / Chinmoy 91

**Poetry**

To a brighter day (Bidisha Nath) / 100, Feelings (Nazreen Rahman) / 101, My struggle (Tanushree Borgohain) / 101, Charisma (Tridip Basumatary) / 102, Endless wait (Shyamal Baishya) / 102, Wild cries (Sanjeev Kr. Das) / 103

## Bodo Section

**Sungdw Swlw**

Shangwthe / Kamal Brahma 115

**Raythay**

Habpisa Houa dao (Raju Mashahary) / 117, Duga (Mahesh Narzary) / 118, Phwimal (Phungkha Boro) / 118

## বিবিধ

Words of Wisdom 119
অলপমান আলাপ ঃ স্রষ্টাৰ সৈতে 121
Squaring a number 122

**প্ৰাচীৰ পত্ৰিকাৰ পাতৰ পৰা**

Friends (Pema Topgyal) / 123, The Cascade (Paramita Goswami) / 123, আধুনিক প্ৰেম আৰু ব্যক্তিবাদ (পঙ্কজ কুমাৰ পাঠক) / 124

**পুৰণি এইচিয়ানৰ পাতৰ পৰা**

এক-দুই-তিনি (কবিতা) / নৃপেন দত্ত / 125, Picasso (Poetry) / Devabrata Das / 125

Life (Short Story) / Nirod Das 126
এক্স্ ভাৰ্চেচ আলফা (চুটি গল্প) / পল্লৱ কুমাৰ চৌধুৰী 129

Deepal's Cartoon page 132
In the Spotlight 133
Editorial Board 139
AEC at a glance 140
Secretarial reports 143

স্বৰ্গগত ছাত্ৰবন্ধু সীমান্ত শইকীয়া আৰু বিশ্বজিত ফুকনৰ সোঁৱৰণত

# গীত

বন্ধু ল'লা বিদায়
সীমাৰ সিপাৰ ধিয়াই,
যেন এপাহি
ফুলি উঠা ফুল -
অকালতে সৰি যায় ॥

মানৱ মনৰ কলুষতা দেখি,
জীৱন পৰত সততাৰে যুঁজি,
সত্যৰ মাথো সমাধি দেখি,
জীৱন মূল্য শূন্য বুজি,
হয়তো ল'লা বিদায় -
জীৱন সীমান্ত চাই ॥

লোভাক নুধাৰে মলিন পৃথিৱী,
আমিয়ে গঢ়িম সুন্দৰ ধৰণী,
নিৰৱে নেথাকো সত্যৰ পূজাৰী,
সমাজ গঢ়াৰ আমিয়ে সেনানী,
আহিবানে পুনৰায়
ধৰাৰ বুকুলৈ ধিয়াই ॥

✦ অৰূপ কুমাৰ শৰ্মা
অধ্যাপক, চিভিল ইঞ্জিনীয়াৰিং বিভাগ

# সম্পাদকীয়

**লিখকৰ দায়বদ্ধতা ঃ** সৃষ্টিধৰ্মী সাহিত্যত সদায়েই যুগৰ প্ৰভাৱ বিদ্যমান। সেয়েহে উনবিংশ শতিকাৰ প্ৰাক্‌কালৰ কিছুমান গল্প কথকথাৰ সাধুৰ দৰে লাগিলেও সেই যুগৰ মানুহৰ ধ্যান ধাৰণা, সমাজ দৰ্শন আদিৰ পৰিপ্ৰেক্ষিতত তেনে ধৰণৰ কাহিনীয়েই হয়তো প্ৰাসংগিক আছিল। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ৰ সাহিত্যত সেয়েহে আমি আন্দোলন আৰু বিদেশী বহিষ্কাৰ 'ইচ্ছা'টোৰ প্ৰভাৱ দেখিবলৈ পাওঁ। তাৰ পিছৰ নিনষ্টেইটীত যেতিয়া পৰিবৰ্তনকামী বিপ্লৱী মানসিকতা এটাৰ উত্থান হৈছিল তেতিয়া আকৌ ৰাজনৈতিক শোষণ, বঞ্চনা আৰু শোষকৰ বিৰুদ্ধে প্ৰতিবাদৰ ধাৰাই অসমীয়া সাহিত্যৰ জগতখনত স্থানলাভ কৰিছিল। এনে প্ৰক্ৰিয়া সহজাত। স্বাভাৱিক আৰু বাস্তৱসন্মতও।

আমাৰ মহাবিদ্যালয় আলোচনীখনৰ বিগত কেইটামান সংখ্যাৰ ৰচনাৰাজিৰ ওপৰত ভিত্তি কৰিয়েই প্ৰসংগটো উত্থাপন কৰিবলগীয়া হ'ল। বিশেষকৈ পুৰণি এইচিয়ান সমূহৰ গল্পবোৰৰ ওপৰত আলোকপাত কৰিলে বহু পৈণত আৰু সম্ভাৱনাপূৰ্ণ হাতৰ পৰশ অনুভৱ কৰিব পাৰি। সেই গল্পবোৰত ঠাই পাইছে বিভিন্ন বিষয়- কু-সংস্কাৰ, দৰিদ্ৰতা, মহাজনৰ শোষণৰ পৰা আৰম্ভ কৰি জটিল মানবীয় মনস্তত্ব; পৰিয়াল এখনৰ সৰু-সুৰা সুখ-দুঃখৰ পৰা আৰম্ভ কৰি প্ৰেম-বিৰহ আদি বিষয়বস্তুৱেই মূলত ঃ ছুই গৈছে এই গল্পসমূহক। কিন্তু মূলবিষয় বা themeৰ ৰূপত ৰাজ্য/দেশৰ জটিল সামাজিক/ৰাজনৈতিক পৰিস্থিতিৰ চাপ তাত তকুত পৰা ধৰণে কম। মূলতঃ ৰোমাণ্টিক আৰু ফেণ্টাছী তথা ফিক্‌চনধৰ্মী এই ৰচনাবোৰৰ ওপৰত দেশে আজি সন্মুখীন হোৱা কঢ় বাস্তৱ সমস্যাৰাজিৰ প্ৰভাৱ যথেষ্ট নহয়। .... তাৰমানে আমাৰ লিখকসকলে দেশৰ বাস্তৱ সমস্যাবোৰ অনুধাৱন কৰিব পৰা নাই নেকি ? নে আমাৰ আবাসীক জীৱন আৰু টেকনিকেল শিক্ষাই আমাক যান্ত্ৰিক কৰি তুলিছে ? নে আমি অভিযন্তা হোৱাৰ স্বপ্নত আত্মমগ্ন হৈ এখন বেলেগ স্বৰ্গৰাজ্যত বাস কৰি আছোঁ য'ত বাহিৰৰ (!) কোনো কথাই আমাক স্পৰ্শ কৰিব নোৱাৰে। ..... বিষয়টো চিন্তনীয়। আজি আমি চিনেমা, টেলিভিশ্বন আদিত সি বৈষয়িক (worldy)আৰু প্ৰেমসৰ্বস্ব কাহিনীৰ পয়োভৰ দেখোঁ তাৰ পৰা সমাজৰ সুফল কিমান সহজেই অনুমেয়। লিখকসকলে যিহেতু সহজেই জনসাধাৰণৰ মনত চিন্তাৰ খোৰাক যোগাব পাৰে, গতিকে তেওঁলোকে সমাজৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাক সদায়েই আগস্থান দিব লাগে। নহ'লে 'সাহিত্য সমাজৰ দাপোণ'হৈ নাথাকে। ...... আমাৰ নতুন চাম লিখকে বিষয়টোক গুৰুত্ব সহকাৰে লোৱা উচিত।

**মেলেৰিয়া আৰু আমি ঃ** যোৱাবছৰটোত আমাক সকলোকে কন্দুৱাই থৈ আমাৰ মহাবিদ্যালয়ৰ দুজন কৃতি ছাত্ৰ মেলেৰিয়াজনিত ৰোগত মৃত্যুবৰণ কৰে। প্ৰায় একে সময়তে ঘটা এই দুৰ্ভাগ্যজনক ঘটনা দুটাই আমাক যেনেকৈ মৰ্মাহত কৰিলে, তেনেকৈ শঙ্কিতও কৰিলে। মেলেৰিয়াৰ জীৱাণুবাহক মহৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে মহাবিদ্যালয় কতৃপক্ষই আমাৰ আবাসীক চৌহদটোৰ পৰিস্কাৰ পৰিচ্ছন্নতাত গুৰুত্ব দিলে। ছাত্ৰাবাসবোৰত এবিধ ৰাসায়নিক দ্ৰব্যও ছটিওৱা হ'ল। কতৃপক্ষই লোৱা এনে ব্যৱস্থা নিশ্চয় উৎসাহজনক; কিন্তু তাৰ পৰা মহৰ উপদ্ৰৱ হ'লে অলপো নকমিল।

আন আন ৰোগৰ দৰে মহজনিত ৰোগো সকলোঠাইতে আছে; কিন্তু নামনি অসমৰ কিছুমান ঠাইত প্ৰতিবছৰে জাতীয় উৎসৱৰ অহাদি মেলেৰিয়াৰ তাণ্ডৱ আৰম্ভ হয়। ইয়াৰ বাবে সুকীয়া এটা চৰকাৰী বিভাগ থকাৰ পিছতো মেলেৰিয়াত আক্ৰান্ত মানুহৰ সংখ্যা কমা নাই। গুজৰাটত প্লেগৰ প্ৰাৰ্দুভাব হোৱাৰ লগে লগে যুদ্ধকালীন ক্ষীপ্ৰতাৰে ব্যৱস্থা লোৱা হ'ল; প্লেগ আহিল আৰু গ'ল। অসমৰ মেলেৰিয়া পীড়িত অঞ্চলবোৰতো একে ধৰণৰ ব্যৱস্থা ল'ব পৰা নাযায়নে ? এই দেশখনত উগ্ৰপন্থী, চৰকাৰী বাহিনী, পথদুৰ্ঘটনা, সমাজবিৰোধী আদি এশ এবুৰি আওমৰণে মৰিব পৰা উপায়ৰ পৰা হাত সাৰি কোনোমতে প্ৰাণটো লৈ জীয়াই থকা মানুহখিনিয়ে সাধাৰণ (!) মহ এবিধলৈ ভয় কৰিও জীয়াই থাকিব লাগিব নেকি ? আমাৰ প্ৰশাসনত এনে কিছুমান মানুহৰ প্ৰয়োজন আহি পৰিছে যিয়ে জীৱনৰ মূল্য বুজি পায়। ....'দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য' ! দুহেজাৰ চনলৈ আৰু কেইটা দিন বাকী ?

**ছাত্ৰ আৰু ৰাজনীতি ঃ** ৰাজনীতিৰ প্ৰকৃত সংজ্ঞা কি ? ৰাজনীতি আজি 'খেলা' বস্তু আৰু নিৰ্বাচন 'ভটা' বস্তু। নীতিবিবৰ্জিত এই ৰাজনীতিত আদৰ্শৰ স্থান সদায় পিছত। কিছুমানৰ মতে ৰাজনীতিক এটা সহজ logicৰ দ্বাৰা উপস্থাপন কৰিব পাৰি। x,y আৰু z তিনিটা দলৰ ভিতৰত x, yৰ শত্ৰু; (সেয়া প্ৰতিদ্বন্দ্বী ? যদি শত্ৰু, কিহৰ ভিত্তিত ? আদৰ্শৰ ভিত্তিত নে ?) আৰু x, z বো শত্ৰু। গতিকে নীতি আদৰ্শৰ কথা নাই y আৰু z বন্ধু হ'বই লাগিব। তাৰ মাজত আমি সাধাৰণ ৰাইজ - সকলো সময়তে যেন আবেগতেই ভটি ভাহি আছোঁ, যুক্তিৰ স্থান সকলোতকৈ পিছত। ...এনে অৱস্থাত ছাত্ৰৰ কৰ্তব্য কি ? অৰাজনৈতিক চৰিত্ৰৰ হৈয়ো ৰাজনৈতিক চিন্তা-চৰ্চা কৰিব পাৰি। আজি এটা ছাত্ৰ আন্দোলনৰ ফলশ্ৰুতিতেই অসমৰ ৰাইজে পাইছে দুখনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই. আই. টি, গেছ ক্ৰেকাৰ, শোধনাগাৰ। ..... দেশৰ কথা ভাবিলেই ৰাজনীতি কৰা নুবুজায়। পিছে মনকৰিবলগীয়া কথা হ'ল নেতা (!) হোৱাৰ প্ৰৱণতাই আজি কিছুমান ছাত্ৰক পঢ়া-শুনাৰ পৰা বহু আতৰাই নিছে। নেতা হ'বলৈতো Marksheetৰ প্ৰয়োজন নাই। বাকীবোৰ ছাত্ৰই বাৰু এনেকৈয়ে মুক হৈ থাকিব নেকি ? .... ৰাজনীতি নকৰাকৈয়োতো নেতা হ'ব পাৰি।

**প্ৰতিবেদন ঃ** এইচিয়ানত সাধাৰণতে আলোচনী সম্পাদকৰ (Secretary, Magazine Section) প্ৰতিবেদন নাথাকে। মোৰবোধেৰে আলোচনী সম্পাদক (Magazine Secretary) আৰু এইচিয়ান আলোচনীখনৰ সম্পাদক (Editor, AECIAN)- দুটা বেলেগ বস্তু হোৱা উচিত। লগতে আলোচনীখনৰ ওপৰিও নিয়মীয়াকৈ সুকীয়া এখন Technical Journal থকা উচিত।

আলোচনী সম্পাদকৰ পদত নিৰ্বাচিত হৈ গৌৰবান্বিত বোধ কৰিছোঁ। আমাৰ কাৰ্যকালৰ অন্তৰ্গত 'মহাবিদ্যালয় সপ্তাহ'ত সাহিত্য/সুকুমাৰ কলাৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিতহয়। কিন্তু দুৰ্ভাগ্যজনক ভাবে প্ৰতিযোগীৰ সংখ্যা কম আছিল। অৱশ্যে চিত্ৰ/আলোকচিত্ৰ প্ৰদৰ্শনীত প্ৰতিযোগী তথা দৰ্শকৰ সংখ্যাই আমাক যথেষ্ট উৎসাহিত কৰিছে। প্ৰতিযোগিতা সমূহৰ বিচাৰকমণ্ডলী, প্ৰতিযোগী আৰু আন সকলোলৈ আমি আন্তৰিক ধন্যবাদ যাচিছোঁ। লগতে পৰৱৰ্তী সম্পাদকলৈ আমাৰ শুভকামনা থাকিল।

**আমাৰ আলোচনীখন ঃ** অতিথি শিতানত মাত্ৰ এটা প্ৰবন্ধ সন্নিবিষ্ট কৰি আমাৰ মহাবিদ্যালয়ৰ একমাত্ৰ বাৰ্ষিক মুখপত্ৰখনি কেৱল মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকৰ লিখনিৰে সজোৱা হৈছে। লগতে বড়োভাষাৰ শিতান এটা সংযোজন কৰিব পাই আনন্দিত হৈছোঁ। এখন টেক্নিকেল মহাবিদ্যালয়ৰ আলোচনী হোৱা হেতুকে সেই একেটা পৰিসৰৰ ভিতৰৰ লিখনীৰ প্ৰাচুৰ্য হোৱাতো স্বাভাৱিক। আলোচনীখনে মহাবিদ্যালয়ৰ উঠি অহা লিখকচামৰ প্ৰতিভা বিকাশৰ সুযোগ দিলে আৰু ই সকলোৰে 'ভাললগা' হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব।

'এইচিয়ান'খন পাঠকৰ হাতত তুলি দিয়াত পলম হোৱা বাবে আমি দুঃখিত। মূলতঃ লিখনি, আলোকচিত্ৰ আৰু সম্পাদকীয় প্ৰতিবেদন পলমকৈ পোৱা বাবে আলোচনীখনৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱেই লেহেমিয়া গতিত আৰম্ভ হয়। মাজতে সম্পাদকৰ বাবে নিৰ্ধাৰিত পুজিৰ সাত হেজাৰ টকা নোপোৱা বাবে সমগ্ৰ প্ৰক্ৰিয়াটোৱেই স্থবিৰ হৈ পৰিছিল। শেষত কতৃপক্ষৰ প্ৰচেষ্টাত আৰ্থিক সংকট দূৰ হয়। আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি তোলাত আমি চেষ্টাৰ কৃপণালি কৰা নাই। তথাপিও ভুল ত্ৰুটী ৰৈ যাব পাৰে। আমাৰ প্ৰচেষ্টা সফল হ'লে সুখী হ'ম।

**অন্ততঃ** ধৰণীত নতুন পোহৰ নামিব/ শংকা নাই/ ডাৱৰৰ সীমাৰেখা ফালি জীৱন জ্বলিব।



# অন্ধবিশ্বাসৰ আনুষ্ঠানিক শিক্ষা

❑ দেৱকান্ত সন্দিকৈ

এইটো এতিয়া নিশ্চিত যে ধৰ্ম ঈশ্বৰকে আদি কৰি নানা ধৰণৰ অন্ধবিশ্বাস কুসংস্কাৰ লগত লৈয়ে ভাৰতবৰ্ষই একবিংশ শতিকাত প্ৰবেশ কৰিব। ইয়াৰ কাৰণে অলপো দুঃখিত বা লজ্জিত নহৱলৈ সকলো সময়তে আমাৰ এই বহুব্যৱহৃত যুক্তি আছেই যে পৃথিৱীৰ সকলো দেশতে কমবেছি পৰিমাণে অন্ধবিশ্বাস কুসংস্কাৰ আছে, ধৰ্ম আছে ঈশ্বৰ-বিশ্বাস আছে। গতিকে আমিও অন্ধবিশ্বাসী হোৱাটো একো দোষৰ কথা নহয়। সেয়েহে কোনোদিন আমি আমাৰ মাজৰ অন্ধবিশ্বাস কুসংস্কাৰবোৰ আঁতৰ কৰাৰ প্ৰচেষ্টা হাতত নলওঁ, পৰিবৰ্ত্তে নানা অপযুক্তিৰে হয় সেইবোৰ অন্ধবিশ্বাসেই নহয় বুলি প্ৰমান কৰিবৰ চেষ্টা কৰো, নহয় সেইবোৰ আন দেশতো আছে বাবে আমাৰ মাজত থাকিলেও একো নহয় বুলি কোৱাৰ প্ৰয়াস কৰো।

যদিও কোৱা হয় যে ভয়াবহ দৰিদ্ৰতা, নিৰক্ষৰতা, কুশিক্ষা আদিয়েই আমাৰ সমাজ জীৱনৰ সৰ্বত্ৰ বিয়পি থকা অন্ধবিশ্বাস কুসংস্কাৰৰ মূল কাৰণ, কথাটো কিন্তু সত্য নহয়। আমাৰ দেশৰ অতি ধনবান, ক্ষমতাবান আৰু শিক্ষা-দীক্ষাত আগবঢ়াসকলৰো সৰহভাগেই অবিশ্বাস্য ধৰণেৰে অন্ধবিশ্বাসী হোৱা কথাটোৱে আন ধৰণৰ কথাহে প্ৰমাণ কৰে। সন্দেহ নাই যে দাৰিদ্ৰ্য, নিৰক্ষৰতা তথা কুশিক্ষা সমাজ সভ্যতাৰ সুষম বিকাশৰ পথৰ বাধাস্বৰূপ, কিন্তু ই অন্ধবিশ্বাস কুসংস্কাৰৰ মূল কাৰণ নহয়।

মাদক দ্ৰব্যৰ সৰ্বনাশী নিচাৰ দৰে অন্ধবিশ্বাস কুসংস্কাৰৰো এবিধ অতি ক্ষতিকৰ অথচ আৰামী নিচা আছে। এই নিচাই উচ্চ শিক্ষিত লোকৰ মনতো যুক্তিৰ জন্ম হ'বলৈ নিদিয়ে, সম্পদশালী লোকৰ মনতো নিজৰ সম্পদৰক্ষাৰ স্বাৰ্থত এই নিচাই এক ভুৱা নিৰাপত্তা প্ৰদান কৰে। নিজৰ প্ৰতিভা আৰু পৰিশ্ৰমৰ ফলত জীৱনত সকলো পোৱা সকলে, আৰু নিজৰ আলস্য বা অদক্ষতাৰ দোষত জীৱনত একো নোপোৱা সকলেও নিয়মিত ভাৱে নানাধৰণৰ অন্ধবিশ্বাসজনিত কুসংস্কাৰ পালন কৰি "মনৰ সন্তুষ্টি" (?) লভে। এই সন্তুষ্টিটো মাদক দ্ৰব্য সেৱন কৰি পোৱা তৃপ্তিৰ দৰেই ক্ষতিকৰ। এই সন্তুষ্টিয়ে সত্যৰ আহৰণত বাধা দিয়ে। সত্যক বিচাৰি পাব নোৱাৰিলে মানুহে অসত্য আৰু অজ্ঞানতাৰ আন্ধাৰত খপ্জপাই ফুৰিব লগা হয়।

> **অন্ধবিশ্বাস কুসংস্কাৰৰ আনুষ্ঠানিক শিক্ষাৰ পাঠ আমাৰ শিক্ষাপ্ৰতিষ্ঠানবোৰতে আৰম্ভ হয়। কিন্তু এখন ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰছাত্ৰীসকল অন্ধবিশ্বাসী হোৱাৰতো কোনো কাৰণ নাই। অতি বুদ্ধিমান, প্ৰতিভাশালী তথা মেধাবী ছাত্ৰ ছাত্ৰীসকলৰে একাংশ ইঞ্জিনীয়াৰিং পঢ়িবলৈ আহে। তেওঁলোকে এই কথা বুজি নোপোৱাৰ কোনো কাৰণ নাই যে সৰস্বতী নামৰ "বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী" এগৰাকী নাথাকে। বা সকলো যন্ত্ৰ-পাতিৰ লগতে সমগ্ৰ বিশ্বখন তৈয়াৰ কৰা বিশ্বকৰ্মা নামৰ দেৱতা এজনো নাথাকে।**

অন্ধবিশ্বাস কুসংস্কাৰৰ পৰা লাভ কৰা এনেকুৱা ভুৱা তৃপ্তিৰ আৱেজত আচ্ছন্ন হৈ থকা অৱস্থাতেই গনেশৰ নিৰ্জীৱ মূৰ্তিয়ে গাখীৰ খোৱা ধৰণৰ ঘটনা ঘটে! সমাজ গঢ়িবলৈ উপদেশ দিয়া বুদ্ধিজীৱী একোজনেও ঘটনাটো সঁচাকৈ "অলৌকিক" (?) ভাৱে ঘটিছিল বুলি বিশ্বাস কৰে আৰু ঘটনাটো ঘটাৰ প্ৰকৃত বৈজ্ঞানিক কাৰণটো বিশ্লেষণ কৰি দেখুওৱা বিজ্ঞানী সকলকহে সন্দেহৰ চকুৰে চায়! যিখন ভাৰতবৰ্ষত উচ্চশিক্ষিত বুদ্ধিজীৱী তথা ডক্টৰেট ডিগ্ৰী ধাৰী সকলৰো মানসিকতা এনেকুৱা সেইখন ভাৰতবৰ্ষই আজিয়েই অন্ধবিশ্বাস কুসংস্কাৰৰ পৰা মুক্ত হব পাৰিব বুলি আশা কৰিব পাৰিনে? কিন্তু বহু হতাশাগ্ৰস্ত বুদ্ধিজীৱীয়ে ভবাৰ দৰে কোনোকালেই আমি অন্ধবিশ্বাস-কুসংস্কাৰৰ পৰা মুক্ত হব নোৱাৰিম বুলি মত পোষণ কৰাটোও ঠিক কথা নহয়। ভৱিষ্যত মানে কেৱল আমাৰ জীৱনৰ ভৱিষ্যত বা এশদুশ বছৰৰ ভৱিষ্যত নুবুজায়। অন্তহীন ভৱিষ্যতৰ কোনোবা এটা কালত সকলো প্ৰকাৰৰ অন্ধবিশ্বাস কুসংস্কাৰৰ পৰা মুক্ত, ঈশ্বৰ ধৰ্মহীন, কেৱল যুক্তি আৰু বিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত মানৱ সমাজ এখন আছেই। আমি কেৱল আমাৰ চিন্তাচৰ্চাক, আচাৰ আচৰণক ভৱিষ্যতৰ সেই সমাজখন অভিমুখে আগুৱাই ৰাখিব লাগে।

এতিয়া প্ৰশ্ন হ'ল- এখন ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ ছাত্ৰীসকলে ভৱিষ্যতৰ তেনেকুৱা এখন সমাজৰ আধাৰশিলা স্থাপনত আগভাগ লৈ আনৰ বাবে এক সুস্থ আদৰ্শ হব পাৰিবনে? নিশ্চয় পাৰিব।

ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ শিক্ষানুষ্ঠানতে সৰস্বতী পূজা আৰু কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানবিলাকত বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হয়। অৰ্থাৎ অন্ধবিশ্বাস কুসংস্কাৰৰ আনুষ্ঠানিক শিক্ষাৰ পাঠ আমাৰ শিক্ষাপ্ৰতিষ্ঠানবোৰতে আৰম্ভ হয়। কিন্তু এখন ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰছাত্ৰীসকল অন্ধবিশ্বাসী হোৱাৰতো কোনো কাৰণ নাই। অতি বুদ্ধিমান, প্ৰতিভাশালী তথা মেধাবী ছাত্ৰ ছাত্ৰীসকলৰে একাংশ ইঞ্জিনীয়াৰিং পঢ়িবলৈ আহে। তেওঁলোকে এই কথা বুজি নোপোৱাৰ কোনো কাৰণ নাই যে সৰস্বতী নামৰ "বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী" এগৰাকী নাথাকে। বা সকলো যন্ত্ৰ-পাতিৰ লগতে সমগ্ৰ বিশ্বখন তৈয়াৰ কৰা বিশ্বকৰ্মা নামৰ দেৱতা এজনো নাথাকে।

বিশ্বৰ যিবোৰ আগবঢ়া দেশে বিভিন্ন যন্ত্ৰপাতি আৱিষ্কাৰ কৰিছে, নানা যুগান্তকাৰী বৈজ্ঞানিক তত্ত্ব আৱিষ্কাৰ কৰিছে তেওঁলোকেতো আমাৰ দৰে বিশ্বকৰ্মাপূজা নাপাতে। কিন্তু আমি ২৪ ঘণ্টা অব্যাহত ভাৱে বিজুলী যোগানৰ ব্যৱস্থাকে কৰি লব নোৱাৰা দেশত বিশ্বকগৰ্মা পূজা পতাৰ ধুম ! ভাবিলে আচৰিত নালাগেনে ? এনেকুৱা অন্ধবিশ্বাস কুসংস্কাৰৰ কবলত নিবক্সৰজন পৰাতো বিশেষ চিন্তা কৰিব লগা কথা নহয়, যিমান চিন্তা কৰিবলগীয়া ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ-ছাত্ৰীসকলেও সৰস্বতী পূজা, বিশ্বকৰ্মা পূজাৰ নিচিনা কুসংস্কাৰবোৰ পালন কৰি যুক্তি আৰু বিজ্ঞানক বিসৰ্জন দিয়াটো।

যি অদমনীয় ছাত্ৰশক্তিয়ে সামান্য এটা ঘোষণাৰেই সমগ্ৰ ৰাজ্য এখনৰ জনসাধাৰণৰ অসুবিধাৰ সৃষ্টি কৰি "বন্ধ"ৰ আহ্বান দিব পাৰে, সেই ছাত্ৰ শক্তিয়ে নিজৰ শিক্ষানুষ্ঠানখনৰ পৰা সৰস্বতী পূজা বিশ্বকৰ্মা পূজাৰ নিচিনা কুসংস্কাৰবোৰ আঁতৰ কৰি লব নোৱাৰাৰ কাৰণ কি ? সমাজৰ কি শক্তিয়ে তেওঁলোকক কুসংস্কাৰাচ্ছন্ন হৈ থাকিবলৈ বাধ্য কৰাইছে ? ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে যদি অসমৰ বাকী আটাইবোৰ শিক্ষানুষ্ঠানৰ সন্মুখত এটা সুআদৰ্শ দাঙি ধৰি নিজৰ কলেজত ভৱিষ্যতে কোনোদিনে সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা নাপাতিবলৈ সিদ্ধান্ত লয় কোনো তেওঁলোকক বাধা দিব ? যি সকলে বাধা দিব তেওঁলোকৰ চৰিত্ৰ আৰু স্বাৰ্থও সকলোৰে দেখি থৰ্কাকৈ উলঙ্গ হৈ ওলাই পৰিব। - যি সকলে ... ধৰণৰ অন্ধবিশ্বাস কুসংস্কাৰ প্ৰ... সমাজত নিজৰ শ্ৰেণী-আধিপত্য ... কৰাৰ লগতে ব্যক্তিগত জীৱিকাৰ ... নিশ্চিত কৰি লৈছে, তেওঁলোকৰ ... ওফৰাই দি সমাজত যুক্তি আৰু ... মানসিকতা প্ৰতিষ্ঠা কৰিবলৈ আগ... লাগিব ইঞ্জিনীয়াৰিং কলেজৰ মে... ছাত্ৰ-ছাত্ৰীসকলেই।

যিকোনো কাম প্ৰথমে কৰি ... পথ দেখুওৱাজনকে বাটকটীয়া ... আমি আশা কৰিম সমাজৰ বুকুৰ ... অন্ধবিশ্বাস কুসংস্কাৰ দূৰ কৰাৰ ... পদক্ষেপ হিচাপে নিজৰ শিক্ষানুষ্ঠান... পৰা সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা নি... দি অসম ইঞ্জিনীয়াৰিং কলেজৰ ছা... ছাত্ৰীসকলে অসমৰ আন... শিক্ষানুষ্ঠানৰ আগত নিজকে যুক্তি ... বিজ্ঞান মানসিকতাৰ বাটকটীয়া ... প্ৰতিষ্ঠা কৰিব পাৰিব।

সন্দিকৈদেৱৰ ঠিকনা :
Meterological Centre
Guwahati Airport
Guwahati- 781015

OOO

# জাহ্নু বৰুৱা ঃ সাগৰ এতিয়া নিচেই কাষত

কিছু বছৰ আগৰ কথা। অসমৰ পৰা এজন ল'ৰা গৈছিল পুণালৈ, উদ্দেশ্য-পুনা film Instituteত ভৰ্তি হোৱা। কলেজত পঢ়ি থাকোতেই কথাছবি মাধ্যমটোলৈ আকৰ্ষণ জন্মে। Instituteত ভৰ্তিৰ বাবে Interviewত অৱতীৰ্ণ হ'ব লাগে। Interview দিবলৈ গৈ দেখে বেছিভাগ প্ৰাৰ্থীয়েই উচ্চশিক্ষিত- M.Sc., M.A., Ph.D., ইত্যাদি, লগতে এই লাইটোত যথেষ্ট অভিজ্ঞও। তেনেক্ষেত্ৰত Interview টো সম্পৰ্কে ল'ৰাজন যথেষ্ট pessimistic হৈ আছিল। ইতিমধ্যে এজন জ্যোতিষীয়ে হাত চাইহেনো কৈ থৈছেই যে তেওঁৰ হাতৰ ভাগ্যৰেখা হেনো শক্তিশালী নহয়, ট্ৰেভেল লাইনো নাই! তদুপৰি ল'ৰাজনে ভালদৰে ইংৰাজী বা হিন্দী ক'ব নাজানে। এই সকলোবোৰ মিলাই এক চুড়ান্ত হীনমন্যতাৰ মাজতে ল'ৰাজন Interview Boardৰ সন্মুখত উপস্থিত হ'ল।

Interview boardত আছে Instituteৰ অধ্যক্ষ, তিনিজন অধ্যাপক, বি.আৰ.চোপ্ৰা আৰু আন চাৰিগৰাকী কথাছবি জগতৰ বিখ্যাত ব্যক্তি। তেওঁলোকে ল'ৰাজনক দুটামান প্ৰশ্ন সোধাৰ পাছত এজনে সুধিলে, "তুমি বাৰু মৃনাল সেনৰ ছবি চাইছানে ?"

"হয়; এখন আৰু আধা।"

"আধা কিয় ?"

"ভাল নালাগিল। সেইকাৰণে আধা চাই বাদ দিলো।"

"আচ্ছা তুমি মৃনাল সেনক কেনেকুৱা film maker বুলি ভাবা ?"

"film maker হিচাবে তেওঁক ভাল নালাগে।" ল'ৰাজনৰ পোনপটীয়া উত্তৰ।

প্ৰায় দুই তিনি মিনিটমান সময়ৰ ভিতৰতেই ল'ৰাজনৰ Interview শেষ হ'ল। অৱশ্যে আন বহুতো সাক্ষাত প্ৰাৰ্থীকেই আধাঘন্টা বা পঞ্চল্লিশ মিনিটমানকৈ প্ৰশ্ন সোধা হৈছিল। বাহিৰত বৈ থকাবোৰে ভিতৰত কি হ'ল সোধাত ল'ৰাজনে সকলো কথা ভাঙি-পাতি ক'লে। তেতিয়া কোনোবা এজনে ক'লে যে Interview boardত মৃনাল সেনো আছিল। কথাশুনি ল'ৰাজন আৰু নৰ'ল, পোনে পোনে ৰেলষ্টেচন- চিনেমা লাইনটোত সোমোৱাৰ আশা সুদূৰ পৰাহত। পিছত গধুলি সময়ত উৰীয়া ল'ৰা এজনে আহি খবৰ দিলেহি যে selection তেওঁ পাইছে।

এই ল'ৰাজন আনকোনো নহয়, 'সাগৰলৈ বহু দূৰ'ৰ যোগেদি অসম আৰু অসমীয়াৰ নাম সাত সাগৰ তেৰ নদীৰ সীপাৰলৈ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বিশিষ্ট পৰিচালক জাহ্নু বৰুৱা। ইতিমধ্যে চলচ্চিত্ৰৰ মক্কা হলিউদত প্ৰদৰ্শিত 'সাগৰলৈ বহুদূৰ' ট'ৰ'ন্টো, ছানছেবাষ্টিয়ান, মিউনিখ, ছিদনী, চিকাগো, নাণ্ট, লণ্ডন আদি দহখন আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছে।



যোৱা বছৰ শ্ৰেষ্ঠ পৰিচালকৰ বাবে স্বৰ্ণ কমল বটা বিজয়ী শ্ৰীবৰুৱাৰ সাক্ষাৎকাৰ এটা ল'বৰ বাবে সম্পাদনা সমিতিৰ তৰফৰ পৰা মই আৰু ফুকন মহন্ত ছাৰ উপস্থিত হৈছিলোঁগৈ বৰুৱাৰ ৰাজগড় পথৰ কাৰ্য্যালয়ত। 'সাগৰলৈ বহু দূৰ' তেতিয়াও মুক্তি পোৱা নাই। অনুজপ্ৰতিম ৰাজজ্যোতিয়ে ইতিমধ্যে আমি যোৱাৰ কথা আগতীয়াকৈ জনাইছিল। একান্ত ঘৰুৱা পৰিবেশত প্ৰায় ডেৰঘন্টামান সময় আমি তেওঁৰ সৈতে কথা পাতিছিলোঁ। সাৱলীলভাৱে যুক্তি, প্ৰজ্ঞা আৰু অভিজ্ঞতা ভৰা ভাষাত তেওঁ

আমাক ন ন তথ্য জানিবলৈ দিছিল। আমি প্ৰথম প্ৰশ্ন সুধিছিলো -

? আপুনি বোলছবিৰ জগতত কেতিয়া আৰু কেনেকৈ প্ৰবেশ কৰিলে ?

● মই কথাছবিলৈ আহিলোঁ এই মাধ্যমটো শক্তিশালী বাবে। মই আগতে বুজা নাছিলোঁ বা তেনেকুৱা পৰিবেশ পোৱা নাছিলোঁ। B. Barooah Collegeত পঢ়ি থাকোতে তেতিয়াৰ Guwahati Cine Club এ এখন বিদেশী ছবিৰ Festival পাতিছিল। তাত ৰোমানিয়াৰ ছবি এখন - নাম A bomb was stolen- চোৱাৰ সুযোগ পাইছিলোঁ। ছবিখন Sub-title কৰা। গতিকে বুজিবলৈ সিমান দিগদাৰী পোৱা নাছিলোঁ। ছবিখন মই এবাৰেই চাইছোঁ কিন্তু ইমান আকৰ্ষিত হৈছিলোঁ যে ক'বলৈ ভাষা নাই। এইখন আছিল Neuclear power সম্পৰ্কত এখন satire (প্ৰহসন)। Neuclear bomb এটা Musiumত থোৱা হৈছিল, দৰ্শকৰ বাবে। সেইটো চুৰি হ'ল। চৰকাৰৰ বিপদ হ'ল, ইয়াক যদি কোনোবাই ফুটাই দিয়ে গোটেই পৃথিবী ধ্বংস হৈ যাব। ই কিমান ধ্বংসাত্মক জনসাধাৰণক জানিব দিবও নোৱাৰি। গতিকে মনে মনে বিচাৰ খোচাৰ আৰম্ভ হ'ল। শেষত bomb এটাৰ পৰা কিমান destructive কাম হ'ব পাৰে তাকে দেখুওৱা হৈছে। শেষত মাত্ৰ পাচ মিনিট আছে। ইয়াত ইয়াকে দেখুওৱা হৈছে যে যদি এটা Power,- after all it's a power, misuse কৰা যায় তেন্তে কি হ'ব পাৰে, আনহাতে ভাল কামত যদি ব্যৱহাৰ কৰিব পৰা যায় তেন্তে বহু উন্নয়ণমূলক কাম কেনেকৈ কৰিব পৰা যায় সেইটো বস্তু ৯০ মিনিটৰ ছবিখনত সুন্দৰকৈ দেখুৱাইছে অথচ যিটো আমি দহবছৰ ধৰি এটা class roomত বুজাই থাকিলেও কোনেও নুবুজিব। গতিকে এই মাধ্যমটোৰ প্ৰতি আকৰ্ষণ তেতিয়াৰ পৰাই। মাধ্যমটো এটা Neuclear bombৰ নিচিনাই। আজি যি হৈছে।

? চিনেমা মাধ্যমত ?

● হয়। এই মাধ্যমটো কিমান misuse কৰা হৈছে। অথচ ইয়াক সদব্যৱহাৰ কৰা হ'লে আমি কিমান উপকৃত হলোহেতেন। মাধ্যমটোৰ অপব্যৱহাৰৰ মাত্ৰা আজি ইমানেই বেছি হৈছে যে কোনোবাই যদি এই মাধ্যমটো আগত ৰাখি দুখ কিবা এটা কৰে তেওঁ বহুত পিছত থাকি যায়।

? আপুনি ক'লে যে মাধ্যমটো শক্তিশালী বাবে আপুনি চিনেমা বাছি ল'লে। কিন্তু DIRECTORS মাধ্যমটো কিয় বাছি ল'লে ?

● চিনেমা হ'ল Director's Medium। আমি ইংৰাজীত কওঁ Director বুলি বা অসমীয়াত পৰিচালক বা নিৰ্দেশক বুলি, ফ্ৰেন্স ভাষাত কোৱা হয় Realisator বুলি অৰ্থাৎ যি Realise কৰে; কিন্তু Director বুলি নকয়। আন বহুতো ভাষাত কয় creator বুলি। Directorটো HolyWoodৰহে শব্দ।

? আপুনি মাজতে চিনেমা নকৰো বুলি কৈছিল- কিন্তু সিদ্ধান্তটো এতিয়া change কৰিলে। ইয়াৰ কাৰণ কি ?

● মানুহৰ জীৱনত পৰিবৰ্তন হয়েই। এটা সময়ত আক্ৰোশ এটা হৈছিল চিনেমা কৰিনো কি লাভ। যাৰ বাবে চিনেমা কৰোঁ তেওঁলোকে যদি নাচায়; কিন্তু মই পিছত ভাবি চাইছোঁ যে এইটো নহয়, মাধ্যমটোৰ প্ৰতি মোৰ যি কৰ্তব্য কৰি যাব লাগে যাৰ বাবে কৰিছোঁ তেওঁলোকে চাওঁক বা নাচাওক সেইটো তেওঁলোকৰ কৰ্তব্য, কিন্তু মই এই কাৰণেই ভূগিলো যে কথাছবি মাধ্যমটো হৈছে খুব Expensive medium, কম খৰচৰ Medium হ'লে কথা নাছিল। মোৰ একমাত্ৰ ইচ্ছা দৰ্শকে মই কৰা চিনেমা চাওক। আজি হৈছে কি - One is exploiting the other. আমি যে নিজৰ নিজৰ কাম কৰি থাকো তেতিয়া কোনে কাক exploite কৰিছোঁ চিন্তা নকৰোঁ।

আকৌ Intention আৰু Entertainment এই দুটা বস্তুৰ প্ৰশ্ন যেতিয়া উঠে আমি মাত্ৰ Entertainmentৰ কথা ভাবোঁ। মই যদি ৰসগোল্লা এটা আপোনাক দিওঁ সেইটো খাই যিটো সোৱাদ পাব সেইটো Entertainment কিন্তু মই কিয় এইটো খাবলৈ দিছোঁ সেইটো হ'ল Intention। যেতিয়ালৈকে আমি এই Intention কথাটো বুজিব নোৱাৰোঁ তেতিয়ালৈকে Exploited হৈ থাকিম। আমাৰ দৰ্শক আজি ইমানেই Exploited হৈছে যে তেওঁলোকে বুজি নাপায় যে তেওঁলোকৰ ৰুচি অনুযায়ী কিছুমান ৰসগোল্লা দি থকা হৈছে। তেওঁলোকে

মই যদি ৰসগোল্লা এটা আপোনাক দিওঁ সেইটো খাই যিটো সোৱাদ পাব সেইটো Entertainment কিন্তু মই কিয় এইটো খাবলৈ দিছোঁ সেইটো হ'ল Intention। যেতিয়ালৈকে আমি এই Intention কথাটো বুজিব নোৱাৰোঁ তেতিয়ালৈকে Exploited হৈ থাকিম। আমাৰ দৰ্শক আজি ইমানেই Exploited হৈছে যে তেওঁলোকে বুজি নাপায় যে তেওঁলোকক ৰুচি অনুযায়ী কিছুমান ৰসগোল্লা দি থকা হৈছে। তেওঁলোকে আমোদ পাইছে পাওক, যেতিয়া বুজি পাব যে ৰসগোল্লা খাই খাই তেওঁলোক নাওঠ হৈ গ'ল That will be too late.

আমোদ পাইছে পাওক, যেতিয়া বুজি পাব যে ৰসগোল্লা খাই খাই তেওঁলোক নাওঠ হৈ গ'ল That will be too late। যেতিয়া দৰ্শকে Intentionটো বুজি পাব পাৰে তেতিয়াই বহুত বিনি সমস্যাৰ সমাধান কৰিব পৰা যায়।

**? এই ক্ষেত্ৰত আপুনি নিশ্চয় সস্তীয়া ছবিবোৰলৈকে টোৱাইছে। ইয়াৰ বিপৰীতে সচেতন দৰ্শকক দৰকাৰ সুস্থ কলাসন্মত ছবি। আমাৰ ধাৰণা সুস্থ কলাসন্মত ছবি কিছুক্ষেত্ৰত আমনিদায়ক হয় আনহাতে সস্তীয়া ছবিবোৰ মনোৰঞ্জক। আমি এনেকুৱা ছবি তৈয়াৰ কৰিব নোৱাৰোঁ নেকি যি কলাসন্মত অথচ মনোৰঞ্জক ?**

● কথাটো হৈছে কি- যি বিলাক মনোৰঞ্জন এতিয়া দিয়া হৈছে সেইবিলাক নাথাকক সেইটো নহয় কিন্তু দৰ্শক সেই আমোদৰ মাজতে আবদ্ধ হৈ থকাটো উচিত নহয়, তেতিয়া তেওঁলোকৰ লোকচান।

আজি সমাজৰ যিটো Taste বা ৰুচি ইমান তললৈ গ'ল কিয় ? আগতেতো ইমান তললৈ যোৱা নাছিল। Sixties ত তো ইমান তললৈ যোৱা নাছিল। এতিয়া কিয় গ'ল ? মানুহে সেইটো চিন্তা কৰিছে জানো ?

মানুহৰ এটা Inclination আছে- যিটো বেয়া অৰ্থাৎ Deterioration সেইফালে ই স্বাভাৱিকতে আকৰ্ষিত হয়। আমি সমাজ পাতিছোঁ এইবাবেই যাতে আমি নিত্য-নতুন কিছুমান উপাদান যোগ দি ইয়াক Uplift কৰিব পাৰোঁ। বিপৰীতে যদি আমি ইয়াক ধৰি নাৰাখো তেন্তে ই সদায় তললৈ গৈ থাকিব।

আমাক আমোদ লাগে। যিমানে আমোদ পাওঁ আমি সিমানে ভাল পাওঁ। কিন্তু ইয়াৰ বাবে মই কিমান তললৈ গৈছোঁ সেইটো Realise নকৰোঁ। আমি সমাজ পাতি লৈছোঁ এইবাবেই যাতে মানুহ এটা নিৰ্দ্দিষ্ট মাত্ৰাৰ তললৈ যাব নোৱাৰে। তাৰ বাবে কিছুমান ছবি-কাঠি ঠিক কৰা আছে ; যাতে আমি প্ৰত্যেকে সমাজৰ এজন সভ্য ব্যক্তি হিচাবে থাকিব পাৰোঁ।

প্ৰশ্নটো হৈছে মনোৰঞ্জক ছবি-সুস্থ ছবি, বেয়া-ভাল দুইটা থাকিব লাগিব। থাকিলে তুলনামূলক অধ্যয়ন সহজ হ'ব। কিন্তু দৰ্শকসকলে বেয়া কি তাক উপলব্ধিয়ে কৰিব পৰা নাই অথবা এক নিৰ্দিষ্ট মাত্ৰাৰ পৰা তেওঁলোক আগবাঢ়িব পৰা নাই।

এখন ছবি-শ্বোলে। ছবিখনত গব্বৰ সিং এজন Criminal, তেওঁক এৰেষ্ট কৰাৰ Process টো ইয়াত দেখুওৱা হৈছে। আঢ়ৈ ঘণ্টাৰ ছবি। এখন সফল আৰু জনপ্ৰিয় ছবি। কিন্তু ছবিখনত গববৰ সিঙক গ্ৰেপ্তাৰ কৰাৰ গোটেই Processটোত আমি কি দেখিলোঁ। আঢ়ৈ ঘণ্টাত কিমান মানুহ মাৰি দিলোঁ ? তেজ দেখুৱালোঁ ! আঢ়ৈ ঘণ্টাত আঢ়ৈ হাজাৰত কৈ বেছি গুলীবৰ্ষণ কৰা হ'ল। এতিয়া সমাজে এইটো ক'ব পাৰে নেকি যে ইয়াৰ কু প্ৰভাৱ সমাজত পৰা নাই ? আঢ়ৈ ঘণ্টাত কিশোৰ এজনে যদি ইমান গুলীয়াগুলী চাবলগীয়া হয় তাৰ অশুভ প্ৰতিক্ৰিয়া এটা নহ'বনে ? আজি কিয় যিকোনো ঘটনা এটা হ'লেই গুলীয়াগুলী চ'লে ? আমাৰ যি সংযম শক্তি বা চিন্তা শক্তি তাক মষিমূৰ কৰাত এনে ছবিয়ে কি প্ৰভাৱিত কৰা নাই। নিশ্চয় কৰিছে। তাকে এতিয়া উপলব্ধি কৰি পেলাই আমোদৰ ছবিৰ পৰা আঁতৰি আহিব লাগে। মই এইটো কোৱা নাই যে 'শ্বোলে' চাব নালাগে, মাত্ৰ এইটোহে ক'ব খুজিছোঁ যে চাওতে বুজিব লাগিব যে- এইখন ছবিহে তাত আঢ়ৈ হাজাৰ গুলী খৰচ কৰিলে কি হ'ল। অন্যথায় গুলীয়াই সমস্যা এটাৰ সমাধান কৰি দিয়া এই Process টোলৈ আমি ঢাল খামেই।

**? এখন ছবি যদি বেছি মনোৰঞ্জক কৰি পেলোৱা যায় তেন্তে ছবিখনৰ গভীৰতা হ্ৰাস পায় নেকি ?**

● মনোৰঞ্জক বোলা বস্তুটো দৰ্শক এজনৰ Intention ৰ ওপৰত নিৰ্ভৰ কৰে। কিছুমান Cheap entertaiment আছে যিবোৰে এজনক আমোদ দিলেও আন এজনক নিদিবও পাৰে। এনেকুৱা মনোৰঞ্জনো আছে যি সক কথা এটাৰ দ্বাৰা হুহুঁৱাই দিব পাৰে। তাক গোটেই দিনটো মনত পেলাই পেলাই হাঁহি থাকিব পাৰি। কিন্তু অইন এজনো সেইটোত নাহাঁহিবও পাৰে। সেইটো দৰ্শকৰ Intelligence লৈ কথা। আজি ইংৰাজী ছবি বেছি ভাগতে Dialogue ৰ দ্বাৰা Humonr সৃষ্টি কৰা হয়- সেইবোৰ বুজিবলৈ Intelligence ৰ দৰকাৰ। তেওঁৰ Inetlligence যদি সেই levelত নাথাকে তেন্তে তেওঁ তাৰ দ্বাৰা Entertained নহ'ব। তেনেদৰে অসমীয়া ছবিত আমি কিছুমান caricature অৰ্থাৎ অঙ্গী ভঙ্গীৰ দ্বাৰা হুহুঁৱাবলৈ চেষ্টা কৰোঁ। কিছুমানে হাঁহে কিছুমানে কিন্তু আমনি পায়। গালিও পাৰে। গতিকে দৰ্শকৰ চেতনাৰ মান লৈ কথা। অকল আমোদত ডুব গৈ থকাটোৰে আমাৰ ভুল। ইয়াৰ উৰ্দ্ধত গৈ ছবিখন ভালদৰে উপভোগ কৰিব পাৰি যিটো সুবিধা আমি সদায়ে হেৰুৱাই পেলাইছোঁ।

**? আপুনি ছবি কৰিলে ছবিৰ বক্তব্য বা Artistic representation কোনটোক বেছি গুৰুত্ব দিয়ে ? ইয়াৰ অন্তৰত কিবা Message থাকে নেকি ?**

● মই কোনো ধৰণৰ Message তেনেকৈ দিব নোখোজোঁ। মোৰ মনৰ ভাব বা প্ৰতিক্ৰিয়া কোনো এটা বিষয়বস্তুৰ আলমত মই দাঙি ধৰোঁ। তাতকৈ বেছি মই একো নকওঁ বা একো Solution দিব নোখোজোঁ।

ছবি হ'ল এটা মাধ্যম। মাধ্যমটোক মই যেতিয়া অস্ত্ৰ হিচাবে তৈয়াৰ কৰোঁ - ইয়াৰ কিছুমান Aesthetic element বা Approach

মই প্ৰয়োগ কৰোঁ। মই এটা বিশেষ বিষয়বস্তু লৈ ছবি কৰিলে এইটোত সদায়ে গুৰুত্ব দিওঁ যাতে দৰ্শকে ছবিখনৰ বিষয়বস্তুটো বুজিব পাৰে।

সমাধান মই কেতিয়াও দিব নিবিচাৰোঁ, সেইয়া মোৰ কাম নহয়। মই সমাজৰ এজন ব্যক্তি, মই সমাধান দিয়াটো উচিত নহয়।

? তথাপি Intellectualityৰ ফালৰ পৰা আপুনি যিহেতু Upper levelত আছে আপুনি Solution এটা দিয়া উচিত।

● মই সমস্যাটো কি দৃষ্টিকোণেৰে চাইছোঁ তেনেহে দেখুৱাব খুজিছোঁ।

? 'হালধীয়া চৰায়ে বাওঁধান খায়'ত আপুনি শেষৰ ফালে উপন্যাসৰ সৈতে সংগতি নেৰাখি কিবা এটা বিশেষ সমাধান দিব খুজিছে নেকি ?

● হালধীয়া চৰাইত সেইখিনি Message ......

? ঠিক Message নহয় - এই যে ৰমেশ্বৰে মাটিখিনি ঘূৰাই পালে ?

● চাওক। writer এজনৰ target হ'ল এটা বিশেষ Intelectual level, তেওঁৰ readers class, পঢ়ুৱৈ সমাজ হ'ল যি লিখিব পাৰে, পঢ়িব পাৰে। তেওঁলোকে বহু কথাই বুজিব পাৰে। আনহাতে মোৰ দৰ্শক অশিক্ষিত, হোজাও হ'ব পাৰে। 'Zero' ৰ পৰা 100% - যিকোনো Intellectual levelৰ হ'ব পাৰে। মোৰ দায়িত্ব বেলেগ। গতিকে যি Negative Noteত কিতাপখন শেষ হৈছে তাক মই দেখুৱাব নোখোজোঁ। মই সমাজক এইটো দেখুৱাব খোজোঁ যে সকলো সমস্যাৰে একোটা সমাধান আছেই যদিও মই বিশেষ একো Massage দিব নোখোজোঁ, তথাপি মই এইটো ক'ব খুজিছিলোঁ যে তোমালোকৰ সমস্যা থাকিব পাৰে কিন্তু সমস্যা সমাধানৰ কিবা এটা নহয় কিবা এটা ....

? আশা ......

● আশা থাকেই। 'হালধীয়া .......'ত মই এইটোকে কৰিছিলোঁ। তাৰ ফলত মই কিছুমান change কৰিছোঁ। .....

? হ'লেও Bureaucrat এজনৰ পৰা এইটো Universal নহ'ল .........

● Bureaucrat হ'লেই যে বেয়া হ'ব আৰু খেতিয়ক হ'লেই যে ভাল হ'ব এনে নহয়। বা স্বাধীনতা আন্দোলনৰ কথা যদি ভাবোঁ মানেই বেয়া আৰু ভাৰতীয় হ'লেই ভাল হ'ব এনেকুৱা নহয়। তাত সদায় এটা Neurality থাকিবই লাগিব।

? অসমৰ সাম্প্ৰতিক সমস্যাৰ পটভূমিত 'ৰোজা', 'Bombay' আদিৰ নিচিনা ছবি কৰাৰ ইচ্ছা আপোনাৰ আছেনে ?

● অকল মই বুলিয়েই নহয়, এইন ছবি নিৰ্মাতাইও কৰাটো উচিত। কিন্তু কথাটো হৈছে অসমৰ প্ৰত্যেকটো বস্তুৱেই এতিয়া খুব Sensitive হৈ আছে। বিশেষকৈ আমাৰ সংযম শক্তিটো। যুৱ সমাজৰ মাজত সহনশীলতা একেবাৰে হ্ৰাস পাইছে। ছবি এখন যদি মই কৰোঁ কৰবাত নহয় কৰবাত এটা sectionক আঘাত দিয়াও হ'ব পাৰে। আঘাত পালেও যুক্তি-তৰ্ক বা কথোপকথনৰ দ্বাৰা আমি সমস্যাটো সমাধান কৰিব পাৰোঁ। কিন্তু আজিৰ সমাজত এনেকুৱা হৈছে যে মই যদি কিবা এটা বুজাব খোজোঁ মোৰ অফিছটোকেই ভাঙি থৈ গুছি যাব। মইতো চিৰদিন নেথাকোঁ - কেইটামান ভাল বস্তু দি থৈ যাম বুলি ভাবিছোঁ। মোক যদি কোনোবাই মাৰি থৈ যায় তেনেহ'লে এই বাটটো বন্ধ হৈ যাব।

? Commercial বা Art filmৰ প্ৰতি দৰ্শকৰ যি সহাঁৰি ইয়াৰ পাৰ্থক্য চকুত পৰা বিধৰ। এই পাৰ্থক্য হ্ৰাস কৰাৰ বাবে এক্ধৰণৰ Parallel Movieৰ কথা ভাবিব নোৱাৰিবনে ?

● মোৰ বোধেৰে Commercial, Art film এইবিলাক দিয়া হৈছে দৰ্শকৰ ৰুচিৰ ওপৰত নিৰ্ভৰ কৰি। মই আচলতে এইবোৰৰ পক্ষপাতী নহওঁ। Film হ'ল এটা মাধ্যমহে- কোনে কেনেকৈ প্ৰয়োগ কৰিছে তাৰ ওপৰত কথা। মই এখন ছবি কৰিলে দৰ্শকে মোৰ উদ্দেশ্য কি জানিব খোজাটো উচিত আৰু এজন Commercial ছবি নিৰ্মাতাৰ উদ্দেশ্য কি দৰ্শকে বিশ্লেষণ কৰা উচিত। মই ভাবোঁ আমাৰ চিত্ৰনিৰ্মাতাসকলৰ উদ্দেশ্য যেতিয়া দৰ্শকে বুজি পাব তেতিয়া ওলাই পৰিব যে কথাছবিক মাত্ৰ দুটা ভাগতহে ভাগ কৰিব পাৰি। এবিধ হ'ল- দৰ্শকে নিৰ্মাতাৰ যোগেদি কৰা ছবি। অৰ্থাৎ তেওঁলোকৰ ৰুচি অনুযায়ী নিৰ্মিত ছবি। আনকথাত ক'বলৈ গ'লে দৰ্শকৰ ৰুচিয়েই হৈছে ছবিখনৰ নিৰ্মাতা। আৰু আনবিধ ছবি হৈছে এজন নিৰ্মাতাৰ ছবি যিয়ে নিজৰ ৰুচি অনুযায়ী ছবিখন নিৰ্মান কৰে। দৰ্শকক তেওঁ কি ধৰণৰ ছবি দেখুওৱা উচিত তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ ছবি নিৰ্মান কৰে।

কথাছবিক মাত্ৰ দুটা ভাগতহে ভাগ কৰিব পাৰি। এবিধ হ'ল- দৰ্শকে নিৰ্মাতাৰ যোগেদি কৰা ছবি। অৰ্থাৎ তেওঁলোকৰ ৰুচি অনুযায়ী নিৰ্মিত ছবি। আনকথাত ক'বলৈ গ'লে দৰ্শকৰ ৰুচিয়েই হৈছে ছবিখনৰ নিৰ্মাতা।

আৰু আনবিধ ছবি হৈছে এজন নিৰ্মাতাৰ ছবি যিয়ে নিজৰ ৰুচি অনুযায়ী ছবিখন নিৰ্মান কৰে।

এতিয়া কথাটো হৈছে আমি শিল্পী কাক কওঁ - যি গঢ় দিব পাৰে সিয়েই শিল্পী, যিজনে Destroy কৰে সি শিল্পী নহয়। মই যদি নিজকে শিল্পী বুলি কওঁ মই গঢ় দিব পাৰিব লাগিব।

বহুত দেশত শিল্পী শব্দটোক পথ প্ৰদৰ্শক বুলি কয়- যি সমাজক পথ দেখুৱাব পাৰে। গতিকে আমি যদি নিজকে পথ-প্ৰদৰ্শক বুলি ক'ব খোজোঁ তেনেহ'লে Extension of reality অৰ্থাৎ বাস্তৱত যিটো ঘটি আছে তাক Extend কৰি দিয়া- সেই Extensionত দৰ্শক/সমাজ যাতে সোমাব পাৰে-তাৰ ব্যৱস্থা কৰা - এই কামত প্ৰবৃত্ত হ'ব লাগিব। কিন্তু বাস্তৱৰ যিটো levelত সমাজ আছে তাৰ তললৈ নহয়। মই আগতে কোৱাৰ দৰে তললৈ যোৱাৰ Inclinationটো সদায় আছেই- ধৰিহে ৰাখিছোঁ কোনোমতে। মই যদি শিল্পী হিচাবে আৰু তললৈ যোৱাতহে সহায় কৰোঁ তেনেহ'লে মই শিল্পী নহওঁ- মই Businessman হে। Businessman এজনে চিনেমা মাধ্যমটোক প্ৰয়োগ কৰিছে নিজৰ লাভৰ বাবে আৰু তাৰ মূল উপাদান হৈছে দৰ্শকৰ ৰুচি। দৰ্শকে নিজৰ কৰ্তব্য পালন কৰিলে এই Classificationটো নিজেই বুজিব।

**? 'সাগৰলৈ বহুদূৰ' আপোনাৰ শেহতীয়া সৃষ্টি। 'পাপৰি', অপৰূপা'ত আপুনি নাৰীকেন্দ্ৰিক মানবীয় দিশ কিছুমান ফুটাই তুলিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছিল। পৰৱৰ্তী কালত 'হালধীয়া চৰাই.....' বা 'ফিৰিঙতি'ত জটিল সামাজিক পৰিবৰ্তনৰ চিত্ৰ দাঙি ধৰিবলৈ সচেষ্ট হোৱা যেন লাগে। 'সাগৰলৈ বহুদূৰ'ত আপুনি কি ধৰণৰ সমস্যা দেখুৱাবলৈ চেষ্টা কৰিছে ?**

● আগতে মই এজন ব্যক্তিৰ সমস্যাৰ্কলৈ ব্যক্তিগত সমস্যা এটাক Universalise কৰিব চেষ্টা কৰিছিলোঁ। 'সাগৰলৈ বহুদূৰ'ত Universal সমস্যা এটাক ব্যক্তি এজনৰ দৃষ্টিকোণেৰে দেখুৱাব চেষ্টা কৰিছোঁ।

**? 'সাগৰলৈ বহুদূৰ' নামটোত Universal কিবা এটা থকা যেন লাগে ......|**

● 'সাগৰ'খন হ'ল এটা symbol। যি সাগৰৰ ওচৰত আছে তেওঁ সাগৰ পাৰ হ'ব পাৰে। তেওঁৰ দৃষ্টিকোণৰ পৰা এটা লক্ষ্যৰ লগত বিজাই ল'ব পাৰে। অসমৰ পৰা সাগৰ বহু দূৰৈত। অসমীয়া সমাজত কেনেকুৱা এটা জাগৰণ হ'লে এনেকুৱা এটা achievement পাব পাৰে তাকে মই দেখুৱাব খুজিছোঁ।

**? এনেকুৱা ছবি কৰাৰ আপোনাৰ ইচ্ছা আছে নেকি যিখনে আমাৰ অসমৰ Social conflict- অৰ্থাৎ সামাজিক দ্বন্দ্ব সমূহ, যেনে- মহুৰ হ'লেও ঔদ্যোগীকৰণৰ ফলত হোৱা পৰিবৰ্তন আৰু তাৰ ফলশ্ৰুতি হিচাবে ভোগবাদৰ প্ৰভাৱত পৰা মানুহ- আনহাতে গাওঁ অঞ্চলত এতিয়াও বৰ্তি থকা সম-সম্পৰ্কবোৰ ......**

● আছে। মোৰ মনত বহুত ধৰণৰ প্ৰতিক্ৰিয়া হয়। কিন্তু যেতিয়া বিষয়বস্তু এটা বাছিবলৈ যাওঁ বহু কথাই জুমুৰি দি ধৰে। বিষয়বস্তুক কাহিনীলৈ পৰিবৰ্তন কৰাত কিছু কষ্ট হয়। কিছুমান সম্পৰ্ক মই এতিয়াও অনুধাৱন কৰিব পৰা নাই, অধ্যয়ন চলাই আছোঁ। ক'ত ভুল হৈছে মই বিচাৰি উলিয়াব চেষ্টা কৰিছোঁ।

স্বাধীনতাৰ পিছত যেনেধৰণৰ socio-economic development হ'ব লাগিছিল -তেনেধৰণৰ হোৱা নাই। গুজৰাটৰ চৰ্দাৰ বল্লভ ভাই পেটেলৰ নিচিনা নেতা অসমত নাছিল। কোনো নেতৃত্ব দিয়া মানুহ নাছিল অসমৰ Socio-economic development চাবলৈ। ফলত কি হৈছে আমি দেখিছোৱেই। অসমৰ Natural resource- বিশেষকৈ চাৰিবিধ সম্পদ চাহ, কয়লা, তেল আৰু কাঠৰ ওপৰত মই ছবি এখন কৰিম বুলি ভাবি আছোঁ।

**? 'বনানী' খন অলপ তেনেধৰণৰ আছিল নেকি ?**

● সেইখনৰ approachটো অলপ বেলেগ আছিল।

সম্পদক আমি ইমান neglect কৰিলোঁ, বিশেষকৈ আমাৰ শিক্ষাৰ ক্ষেত্ৰত, যাৰ ফলত যিটো generationএ আমাক শাসন কৰিছে তেওঁলোকৰ এই সম্পদৰ প্ৰতি কোনো মৰম নাই, কোনো আন্তৰিকতা নাই। এইটো মাতৃ আৰু শিশুৰ সম্পৰ্কহীনতাৰ সৈতেহে বিজাব পাৰি। জাপানত কি হৈছে ? প্ৰতিজন জাপানীয়ে প্ৰতিটো জাপানী বস্তুক নিজৰ কেঁচুৱাৰ দৰে মৰম কৰে। আমিও আমাৰ ল'ৰা-ছোৱালীক এই শিক্ষা দিব পাৰিলোহেতেন কাৰণ স্বাধীনতা আমাৰ হাতৰ মুঠিত আছিল।

অসমৰ Teak (চেগুন গছ) যে one of the costliest in the world মই বাহিৰলৈ গৈহে গম পাইছোঁ। অসমৰ কোনো text bookত গম পোৱা নাই। মই যদি জানিলোঁহেতেন কৰবাত নহয় কৰবাত মোৰ এটা attachment আহিলহেতেন। অসমত এনেকুৱা মাটি-পানী-বায়ু আছে যাৰ ফলত এই costliest teak উৎপন্ন হয়। যাৰ দ্বাৰা অসমে চলি থাকিব পাৰে ! শাসক গোষ্ঠীৰ ইয়াৰ সৈতে কোনো attachment নাই বাবে ইয়াক বেচি দিবলৈ বা smuggleout কৰাবলৈ কুণ্ঠা বোধ নকৰে। অথচ ইয়াক লৈ অসমত এটা ডাঙৰ ইণ্ডাষ্ট্ৰী হয়। তেনেদৰে পেট্ৰ'লিয়াম কয়লা, চাহ- agricultrre ৰ দিশত যদি চাবলৈ যোৱা হয় ধানখেতিক বাদ দিও চাহবাগানেই কিমান আছে .......

অথচ আমি চাহখেতি কেনেকৈ কৰে, ইয়াৰ দাম কেনেকুৱা, কোনো কেনেকৈ বিক্ৰী কৰে, export কৰে একো

নাজানো । যদি জানিলোঁহেঁতেন আমি এই দিশত কিবা নহয় কিবা এটা কৰিব পাৰিলোহেঁতেন । Existing systemত চাহ বাগানত আমাৰ বহুত লোকচান হৈছে । এইবোৰ দিশত এই অনবৰত ভাবি আছোঁ, ভাল কৰিবলৈ হ'লে কি কৰিব লাগিব ।

*Engineering Collegeৰ কথা কৈছোঁ । ইয়াৰ চাৰিটা কি- পাঁচটা branch । যোৰহাটৰ খনবো । কিন্তু মই এতিয়া জবৌ আমাৰ যি climatic zone আৰু natural resourse, ইয়াৰ ওপৰত ভিত্তি কৰি এটা research wing খুলি কিবা এটি Constructive technology develop খুলি কিবা এটি কৰিব পৰাহেঁতেন । যেনে- Assam type* ঘৰ । Britishএ ইয়াত ঘৰ বান্ধিছিল ইয়াৰ available materialsৰ দ্বাৰা । কি ধৰণৰ ঘৰ ইয়াত উপযোগী হ'ব সেইটো তেওঁলোকে জানিছিল ।

এজন খেতিয়কক ঘৰ বন্ধাৰ বাবে মূলত ঃ কি প্ৰয়োজন ? বাহঁ,কাঠ আৰু বেত । আমি যদি Engg. college research wing এটা খুলি উপৰি উক্ত বস্তু তিনিটা কেনে ধৰণে কিমান পৰিমানে লাগে বুজাই দিব পাৰিলোহেঁতেন তেন্তে ঘৰে ঘৰে বেতৰ বাঁহৰ আৰু কাঠৰ বাৰী হ'লহেতেন আৰু self- sufficient হ'লহেতেন । তাৰ সলনি আজি গাৱে-ভূঞে হৈছে কি- concrete building, যিটো নেকি not applicable at all আৰু wrong thing in a wrong place এইটো angle ত মই বহুদিন ধৰি ভাবি আছোঁ ।

**? কোনো লেখকৰ কিবা চাইছে নেকি ?**

● চাই আছোঁ । যদি সেই একেই angleৰ পৰা কোনোৱাই কিবা লিখে তেন্তে মই গ্ৰহন কৰিম ।

**? বৰ্তমান অসমীয়া চিনেমাৰ মান (standard) কমি গৈছে নেকি বাৰু ?**

● অসমীয়া বুলিয়েই নহয়, সকলোতে কমিছে । গোটেই ভাৰতবৰ্ষতে আনকি, দুখৰ বিষয় ইৰান, ভিয়েটনাম আদি দেশতো কমি আহিছে য'ত বহুত পিছত চিনেমা শিল্প আৰম্ভ হৈছিল । আনহাতে China, Tiwan আদি ইমান আগুৱাই গৈছে নহয় ক'বলৈ ভাষা নাই । Entertainment তেওঁলোকেও কৰিছে, কিন্তু ক'ৰবাত নহয় ক'ৰবাত এটা নিয়ম কৰি লৈছে মাধ্যমটো যাতে অপব্যৱহাৰ নহয় । আমি ভাৰতবাসীয়ে এবছৰতেই ৮০০-১০০০ ছবি তৈয়াৰ কৰা বুলি গৌৰৱ কৰিলে কি হ'ব ! Qualityৰ ফালৰ পৰা ১% ও নহয় । কিন্তু বাহিৰত কথাটো ওলোটা ।

**? অসমীয়া চিনেমা যে হলত নচলে বা দৰ্শকেও অসমীয়া চিনেমা নাচায় ইয়াৰ বাবে কি ব্যৱস্থা ল'ব পাৰি ? চলচিত্ৰ নীতি বা অন্য কোনো পৰিবৰ্তন .... ?**

● নীতি হয় on demand । নীতি নিজে তৈয়াৰ কৰিবলৈ যোৱাটো ভুল । Policy maker বিলাকে নীতি নিৰ্দ্ধাৰণ কৰিবলৈ কামটো যান্ত্ৰিক ভাৱেহে কৰে ।

দৰ্শকে ছবি নাচায়, এই কথাটো ক'বলৈ বৰ উদ্ভু দ্ভিন্ন ছবি নাচায় সেইটো আমি কমেই বিশ্লেষণ কৰোঁ । অসমীয়া জাতিক আমি যৰচী জাতিৰ সৈতে মিলাব গ'লে ভুল হ'ব । অসমীয়া জাতিটো যৰচী বা আমেৰিকা-জাতিৰ তুলনাত ইমান Under developed হৈ আছে, socio-economically ইমান তলত আছে যে আমি কথাবিলাক সেইটো ফালৰ পৰাহে বিশ্লেষণ কৰিব লাগিব । আমি দেখিছোঁ যে যি জাতিৰ ত্যাগ বেছি সেই জাতিয়েহে ওপৰলৈ উঠি গৈ আছে । আমেৰিকাই যে ইমান উন্নতি কৰিছে একে ৰাতিৰ ভিতৰতে হোৱা নাই । গোটেই পৃথিৱীকে expolit কৰিছে হয় , কিন্তু নিৰ্দিষ্ট কাৰ্যসূচীৰ ভিত্তিত long term planning ৰ দ্বাৰা গোটেই পৃথিৱীকে বশ কৰিব পাৰিছে । আমাক কিন্তু ভুকুতে কলটো পকাব লাগে । অকল অসমীয়া বুলি নহয় গোটেই ভাৰততে একে অৱস্থা । আমাৰ এই মানসিকতা মূলধন কৰি আমেৰিকাই আমাক সুন্দৰভাৱে exploit কৰি আছে । Brain লৈ গুছি গৈছে । অকল আমেৰিকাতে ১৫,০০০ ভাৰতীয় Brain এ কাম কৰি আছে । আমি এইটো নকওঁ যে তেওঁলোকে আমেৰিকাৰ হকেহে কাম কৰি আছে । তেওঁলোক গ'ল - ত্যাগ বোলা বস্তুটো তেওঁলোকৰ নাই । আজি মই Bombay ত থাকি কিয় অসমীয়া ছবি কৰি থাকিব লাগে । মইও সদায় offer পাও, ছবি কৰাৰ । মইও মৰি যাম, তেওঁলোকেও মৰি যাব, স্পিলবাৰ্গও মৰি যাব । কিন্তু মই ভালদৰে জী থাকিম-মোৰ কৰ্তব্য আছে- কৰ্তব্যৰ পৰা অব্যাহতি লৈ মই যি মনোকষ্ট পাম তাৰ পৰা মই সদায় আতৰি আছোঁ । মই Bombay ত থাকিও অসমীয়া ছবি কৰিছোঁ-ত্যাগৰ ফালৰ পৰা কথাটো চিন্তা কৰিছোঁ । মই ত্যাগ কৰিবই লাগিব । নহ'লে "হালধীয়া চৰায়ে...." প্ৰথম আন্তৰ্জাতিক পুৰস্কাৰ নাপালেহেতেন । এই কামটো মই নকৰা হ'লেও কোনোৱাই কৰিলেহেতেন - হয়তো দুই চাৰি বছৰ দেৰী হ'লহেতেন । কিন্তু কোনোবাই নহয় কোনোবাই কামটো আৰম্ভ কৰিবই লাগিব ।

ছবিঘৰ বিলাকৰ মালিকসকলৰ ত্যাগ থাকিব লাগিব । নিজৰ জাতি বা সংস্কৃতিৰ বাবে তেওঁলোকে এইখিনি ত্যাগ স্বীকাৰ কৰিবই লাগিব ; লোকচান বুলি ভাবিব নালাগিব । লোকচান বুলি ভবাৰ দিনাই ত্যাগৰ প্ৰশ্নটো শেষ । চিনেমা কৰি মোৰ নিজৰ কিমান লোকচান হৈছে মই কিন্তু ভবা নাই । প্ৰত্যেকে যদি তেনেকৈ ভাবে জাতিটো উঠি আহিব । অসমীয়া ছবি চোৰা-নোচোৰাৰ প্ৰশ্নটোও তাতেই নিহিত হৈ আছে । ত্যাগ বোলা বস্তুটো জনসাধাৰণৰ পৰা একেবাৰে আঁতৰি গ'ল । এটা জনজাগৰ

নহ'ল। leadership নোলাল। ত্যাগ বোলা বস্তুটো আমি সদায় লোকচান বুলিয়ে ভাবিলোঁ। যিদিনাৰ পৰা আমি ত্যাগ স্বীকাৰ কৰিব পাৰিম সেইদিনাৰ পৰাই U-turn এটা ল'ব পাৰিম।

**? অনা-অসমীয়া ছবি নকৰে নেকি ?**

● নকৰোঁ বুলি কোৱা নাই, কৰিম। হিন্দি ছবি, বঙালী আনকি উৰীয়া ছবিৰো offer মই পাইছোঁ। মালয়লম যাব মই 'ম' টোও নাজানোঁ। তাৰো offer পাইছোঁ। কিন্তু offer পালেই যে মই কৰিব লাগিব সেইটোও নহয়; অসমীয়া জাতিটোক, চিনেমা জগতখনক মই কিছু বৰঙনি দি যাব খুজিছোঁ-যিদিনাই মই ভাবিম যে মোৰ কাম শেষ হৈছে বা Fullfilment হৈছে সেইদিনাই আন ছবিত মই হাত দিম।

**? এগৰাকী অভিনেতা বা অভিনেত্ৰীৰ মনপৰশা অভিনয়ৰ বাবে প্ৰশংসাৰ পাত্ৰ কোন ? অভিনেতা বা অভিনেত্ৰী নে পৰিচালক ?**

● পৰিচালকৰ নিশ্চয় কিছুমান Contribution থাকে। নহ'লে একেজন অভিনেতা বা একেজনী অভিনেত্ৰীয়ে বেলেগ বেলেগ পৰিচালকৰ তলত বেলেগ বেলেগ ফলাফল নেদেখুৱালেহেতেন। অভিনেতা বা অভিনেত্ৰীৰ অভিনয় কৰিব পৰা নিম্নতম প্ৰতিভা থাকিবই লাগিব; বাকীখিনি পৰিচালকৰ অধ্যয়ন বা জ্ঞানৰ পৰিসৰৰ ওপৰত নিৰ্ভৰ কৰিব। 'মলয়া', 'ইন্দ্ৰবনিয়া', বা 'বিষ্ণু খাৰঘৰীয়া'ৰ ক্ষেত্ৰত মই যি Discipline maintain কৰিছোঁ অইন পৰিচালকৰ সৈতে সেইটো নিমিলিবও পাৰে। অভিনেতা বা অভিনেত্ৰী এগৰাকীক মই প্ৰাথমিক পৰ্য্যয়ত কিছুমান সৰু-সুৰা দায়িত্ব দিওঁ। ইন্দ্ৰ বনিয়াক দুমাহ আগৰ পৰা খেতিয়ক এজনলৈ পৰিবৰ্তিত কৰা আদি এইবোৰ মোৰ trade secret। বহু ক্ষেত্ৰত হয় কি তেওঁ নিজেই নেজানে কেনেধৰণৰ ফল পাইছে। উদাহৰণ স্বৰূপে- মলয়াৰ ক্ষেত্ৰত। তেওঁ নিজে হ'ল collegeৰ শিক্ষয়িত্ৰী আৰু মোক লাগে ('ফিৰিঙতি'ত) সৰু সৰু ল'ৰা-ছোৱালীৰ শিক্ষয়িত্ৰী যি নেকি নিজেই স্কুলখন স্থাপন কৰিছে। এই যে change of temperament এইটো অধ্যয়ন অবিহনে সম্ভৱ নহয়। গতিকে পৰিচালক হিচাবে মইহে চাব লগিব। মলয়াই সেইটো গম নাপাবও, সেইটো মোৰ কৰ্তব্য। কিন্তু college শিক্ষয়িত্ৰী এগৰাকীৰ aristocracy ভাঙিবৰ বাবে যিটো temperament change হ'ব সেইটো সুক্ষ্ম। সেইটো মই নকওঁ, তাক performanceতহে গম পোৱা যাব। এতিয়া মলয়াই দাখন ল'লেও voice আদি কৰি কেনেধৰণৰ action হ'ব লাগিব সেইটো মইহে জানোঁ। নিজে পতা স্কুল এখন যদি কোনোবাই ভাঙিবলৈ আহে তেতিয়া নিৰ্মাতা বা মাতৃ গৰাকীৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হ'ব - সেইকন সাধাৰণতে বুজিবলৈ দিগদাৰ- এইখিনি মই উলিয়াই ল'ব লাগিব। মলয়াই best actress পুৰস্কাৰ পোৱাৰ অন্তৰালত মোৰ contribution থাকিব পাৰে, পৰিচালকৰ contribution থাকিবই; কিন্তু মূল কথা হৈছে পৰিচালকৰ দায়িত্ব সমগ্ৰ ছবিখনৰ প্ৰতি, totalityৰ প্ৰতি, তেওঁৰ performance ভাল কৰাৰ প্ৰতি নহয়। তেওঁৰ প্ৰতিভাৰ ওপৰত ভিত্তি কৰি সজাই পৰাই মই তেওঁক ছবিখনত উলিয়াইছোঁ, গতিকে পৰিচালকে কোৱাটো উচিত নহ'ব যে মোৰ কাৰণেহে পুৰস্কাৰটো পাইছে। তেনেদৰে অভিনেতা বা অভিনেত্ৰী এগৰাকীয়েও ভবা উচিত নহয় যে তেওঁৰ কাৰণেই পুৰস্কাৰটো পাইছে। এনেকুৱা ক্ষেত্ৰত সদায় এটা percentageৰ কথা থাকেই।

**? আপুনি নতুন প্ৰতিভাক সুযোগ দিব বা আবিস্কৃত কৰিব খোজেনে ?**

● নতুন প্ৰতিভাৰ বাবে মই চেষ্টা কৰোঁ। মোৰ কষ্ট হয় যদিও তেনেধৰণৰ challenge মই ভাল পাওঁ।

**? 'এবাবাটৰ সুৰ'ত ডঃ ভূপেন হাজৰিকাই জ্যোতি প্ৰসাদৰ মানসিকতাক প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল যেন লাগে। অসমৰ আন এগৰাকী প্ৰতিভাশালী সাংস্কৃতিক, ৰাজনৈতিক পুৰুষ বিষ্ণুৰাভাৰ ব্যক্তিত্বই আপোনাক ছবি এখন কৰাৰ বাবে প্ৰভাবান্বিত কৰিছে নেকি ?**

● মই এতিয়াও ভবা নাই অৱশ্যে। কিন্তু definitely কৰিব লাগে। বিশেষকৈ তেনেধৰণৰ চৰিত্ৰ আমাৰ সমাজত খুব বিৰল। আজিৰ সমাজৰ বিশৃংখলতাৰ বাবে আমি নিজে দায়ী। কিন্তু সেই সময়ৰ বিশৃংখলতাৰ বাবে সমাজ দায়ী নাছিলে। এনে অৱস্থাতো বিষ্ণু ৰাভাই- অকল বিষ্ণু ৰাভাই কিয় .......

**? শংকৰদেৱেও ....**

● ইমানখিনি কৰিব পাৰিছিলে আৰু তেওঁলোকৰ চিন্তাধাৰা ইমান ওপৰত আছিলে যে নিজকে তুলনা কৰিলে বৰ সৰু যেন লাগে। মই অৱশ্যে বৰ্তমান আমাৰ সমাজৰ যিবোৰ Pollution আৰম্ভ হৈছে সেইবোৰ বিষয়বস্তুৰেহে ছবি কৰিব বিচাৰোঁ। তেওঁলোকৰ কথা ভবা নাই।

**? শেষত আপোনাৰ জীৱনৰ স্মৰণীয় ঘটনা এটি ক'ব নেকি ?**

● স্মৰণীয় ঘটনা বহুতেই আছে। মই Bombayত যেতিয়া struggle কৰি থাকোঁ - struggle মানে কি আৰু কাম-চাম কৰি থাকোঁ- নিজা Production Centre এটা আছিল। Documentary আৰু Short film কৰিছিলোঁ। বেছি ভাগ কাম নিজেই কৰিছিলোঁ। স্কুটাৰ এখন আছিলে- গোটেই বিলাক বস্তু অনা-নিয়া মই নিজেই কৰিছিলোঁ। প্ৰায়ে মই laboratory লৈ যাওঁ। যেনেকে- তেনেকে যাওঁ, হাৱাই চেন্দেল, টি-চাৰ্ট- ইস্ত্ৰি-চিস্ত্ৰি

তেওঁলোকে ইতিপূৰ্বে বহুলভাৱে স্বীকৃত আৰু গৃহীত আংগিককেই ব্যৱহাৰ কৰিব লাগিব। তথাপি কোনোবা লেখকে যদি ভাবে যে গল্প, উপন্যাস বা নাটক আদি সৃষ্টিৰ বাবে সৰ্বজন স্বীকৃত পৰম্পৰা গত আংগিকৰ সলনি তেওঁ নতুন পৰীক্ষামূলক আংগিক ব্যৱহাৰ কৰিব, তথাপি সাংঘাটিক কিম্বা এটা নতুনত্ব দেখুওৱাৰ সুযোগ তেওঁ নাপাব। কাৰণ এনেবিধ আংগিক ইতিমধ্যে অইন কলা মাধ্যমত ব্যৱহৃত হ'ব পাৰে। কথাটো খোলোচা কৰা ভাল। গল্পকাৰ দেৱব্ৰত দাসে যদি ভাবে যে তেওঁ তিনিটা বা ততোধিক উপগল্পৰ সমাহাৰেৰে এটা গল্প ৰচনা কৰিব যিটো গল্পৰ বিশেষ কোনো জুমুঠি তেওঁৰ হাতত নাই; অৰ্থাৎ ইটোৰ হাত সিটোৰ গাত আৰু অইনটোৰ ভৰি কোনোবাটোৰ শৰীৰত লগাই শেহান্তৰত এটি মূৰ লগাই এটা পূৰ্ণ অৱয়ৱৰ গল্প-প্ৰতিমা তৈয়াৰ কৰিব তেতিয়া কিনো নতুন আংগিকৰ সৃষ্টি হ'ল ? কাৰণ এনেবোৰ আংগিক ইতিপূৰ্বে নাটক বা চিনেমাত ব্যৱহাৰ কৰা হৈছেই। আকৌ কোনোবা নাট্যকাৰে যদি এটা সূত্ৰধাৰৰ চৰিত্ৰৰে নাটকৰ দুটা অংকৰ মাজৰ জটিল মুহূৰ্ত কিছুমান জপিয়াই পাৰ হ'ব খোজে তেতিয়াও এই আংগিকত কিবা মৌলিকতা বা নতুনত্ব থকা বুলি ক'ব নোৱাৰি কাৰণ এনেবিধ আংগিকৰ পৰীক্ষা কেইবাশ বছৰ আগতে কৰা হৈছে। সেইদৰে ওজাপালি বা থিয়নামেৰে নতুনত্ব আনিব খুজিলেও তেনে আংগিকৰ নতুনত্ব ক'ত ? লেখকৰ মৌলিকতা ক'ত ?

লেখকৰ মৌলিকতা সমাজৰ সত্য উদ্ঘাটনত। লেখকৰ মৌলিকতা সাৰ্থক বিষয়বস্তু নিৰ্বাচনত। লেখকৰ মৌলিকতা তেওঁৰ উপস্থাপনাত বা পৰিৱেশনাত। তেওঁৰ ভাষাৰ যাদুত আৰু ৰচনাশৈলীত।

লেখকৰ সৃষ্টিশীল ক্ষমতাৰ বহিঃপ্ৰকাশ ঘটে তেতিয়াই যেতিয়াই তেওঁ পাঠকক চিন্তাৰ সুযোগ দিব পাৰে, এটা আৱিষ্কাৰৰ চেতনা মনলৈ আনি দিব পাৰে। নীলডম্বৰ 'সংগ্ৰাম' নপঢ়ালেকে আমি কেনেকৈ জানিম যে শ্ৰেণীবিদ্বেষে ভাল পোৱাৰ তীব্ৰ বাসনাকো কেনেকৈ অবদমিত কৰি ৰাখিব পাৰে। দস্তভয়েস্কিৰ 'পাপ আৰু প্ৰায়চিত্ত' নপঢ়ালেকে আমি কেনেকৈ উপলব্ধি কৰিম যে পাপকাৰ্য সংঘটিত কৰাৰ পিছত এটা মানুহ কেনেকৈ তিলে তিলে অনুতাপত দগ্ধ হ'ব পাৰে। ৰবীন্দ্ৰনাথৰ 'কাবুলীৱালা' নপঢ়ালেকে আমি কেনেকৈ গম পাম যে পিতৃস্নেহ গোটেই পৃথিৱীতে একেইভাৱে নিজ পুত্ৰীৰ বাবে ব্যাকুল।

> **লেখকৰ মৌলিকতা ক'ত ?**
> **লেখকৰ মৌলিকতা সমাজৰ সত্য উদ্ঘাটনত। লেখকৰ মৌলিকতা সাৰ্থক বিষয়বস্তু নিৰ্বাচনত। লেখকৰ মৌলিকতা তেওঁৰ উপস্থাপনাত বা পৰিৱেশনাত। তেওঁৰ ভাষাৰ যাদুত আৰু ৰচনাশৈলীত।**
> **লেখকৰ সৃষ্টিশীল ক্ষমতাৰ বহিঃপ্ৰকাশ ঘটে তেতিয়াই যেতিয়াই তেওঁ পাঠকক চিন্তাৰ সুযোগ দিব পাৰে, এটা আৱিষ্কাৰৰ চেতনা মনলৈ আনি দিব পাৰে।**

লেখকৰ কৃতিত্ব এইখিনিতেই যে তেওঁ ঐতিহাসিক বা সাম্প্ৰতিক কালৰ বিভিন্ন অদৃশ্য যোগসূত্ৰ সমূহ আৱিষ্কাৰ কৰিব পাৰে আৰু পৰৱৰ্তী কালত তেওঁৰ লেখাত ইয়াক পৰিস্ফুট কৰিব পাৰে। কিন্তু সামাজিক সত্যসমূহ সকলোৰে দৃষ্টিগোচৰ হোৱাকৈ পকা আঙুৰৰ দৰে ওলমি নাথাকে অথবা নিৰ্মল পানীৰ দৰে ফটফটীয়া হৈও নাথাকে। যিকোনো সমাজ ব্যৱস্থা নিৰ্বিশেষে সত্য উদ্ঘাটন কঠিন, ফলশ্ৰুতিত সংঘটিত ঘটনা সমূহৰ আন্তঃসংযোগৰ অদৃশ্য সূত্ৰজাল আৱিষ্কাৰ কৰা আৰু জনমানসত বা মূলতঃ পাঠক শ্ৰেণীক পঠিয়ন নিয়াৰ পৰাকৈ বা নিস্তাজগতত আলোড়নৰ সৃষ্টি কৰিব পৰাকৈ উপস্থাপন কৰাটো অতি দুৰূহ কৰ্ম। লেখকৰ মৌলিকতা ইয়াতেই নিহিত। এই কাম তেওঁ সুচাৰুৰূপে সম্পন্ন কৰিব পাৰে। ইয়াৰ বাবে লেখকৰ সমাজ জিজ্ঞাসাৰ একান্ত প্ৰয়োজন। তেওঁৰ এটি অধ্যয়ন পিপাসু মন থকাৰ উপৰিও কৰ্ণপটহ অতন্দ্ৰ প্ৰহৰীৰ দৰে মুক্ত থাকিব লাগিব। তদুপৰি তেওঁৰ মস্তিষ্ক হ'ব লাগিব সদা জাগ্ৰত যাতে তাৎপৰ্যপূৰ্ণ কোনো ঘটনা তেওঁৰ চকুৰ আগৰ পৰা সাৰি যাব নোৱাৰে। সমাজ বিকাশৰ মূল নিয়মসমূহ সন্দৰ্ভত তেওঁ অবগত হ'লে ভাল বাবে তেওঁ দ্বান্দ্বিক চেতনা সমৃদ্ধ প্ৰেৰণাদায়ক সাহিত্য ৰচনা কৰিব পাৰে। অৱশ্যে এই সম্পৰ্কে বিতৰ্কৰ অৱকাশ আছে।

যি কোনো মৌলিক সৃষ্টিশীল লেখক সমাজ বাস্তৱতাৰ স্বৰূপ উদঘাটনৰ বাবে সচেষ্ট হ'ব লাগিব যদিও বাস্তৱতা সম্পৰ্কে কোনো পূৰ্বধাৰাণাৰ বশবৰ্তী হোৱা উচিত নহ'ব কাৰণ তেতিয়া হ'লে তেওঁ বিদ্যায়তনিক পৰিমণ্ডল অতিক্ৰম কৰিব নোৱাৰিব। তেওঁৰ সৃষ্টি মৌলিকতাবিহীন আৰু নন্দনতাত্ত্বিক দৃষ্টিকোণৰ পৰা তাৎপৰ্যবিহীন হ'বও পাৰে। সমাজৰ এজন অনুকাৰক বা এজন অদক্ষ শিল্পীৰূপে তেওঁ পৰিগণিত হ'ব পাৰে। এজন মহান লেখকৰ লিখনী শক্তি বা উপস্থাপন পূৰ্বনিৰ্দিষ্ট বা ইতিপূৰ্বে আয়ত্বাধীন কোনো ধাৰণাৰ ওপৰত নিৰ্ভৰ নকৰে; বৰং সামাজিক সমস্যাসমূহৰ নিখুঁট, স্বাধীন পৰ্যবেক্ষণ বা অনুসন্ধান আৰু নতুন দিশ তথা বিকশিত সম্পৰ্ক সমূহৰ আৱিষ্কাৰতহে।

লেখক সমাজত এটা পৰম্পৰাগত ধাৰণা আছে যে যিকোনো মৌলিক

তাৎপৰ্যপূৰ্ণ শিল্পীয়ে এটা বিশেষ অৱস্থাত সমগ্ৰতা, সম্পূৰ্ণতাৰ প্ৰতিনিধিত্ব কৰে। ইয়াৰ দ্বৈতে শিল্পীৰ বিভিন্ন অংশৰ সমন্বয়পূৰ্ণ সুষম বিকাশৰ প্ৰশ্নটো আহেই। কিন্তু আচল কথাটো হ'ল এজন প্ৰকৃত শিল্পীয়ে তেওঁৰ সৃষ্টিৰ অন্তৰ্লীন ঐক্যক ধৰাই ৰাখিব বিচাৰে যাতে ই পাঠক বা দৰ্শকৰ মনোজগতত গভীৰ চাপ পেলায়, যাতে চৰিত্ৰ সমূহৰ বিকাশত প্ৰতিকূলতাই স্থান নেপায়।

বিপৰীতে মানুহৰ জীৱনৰ পথ পোনপটীয়া আৰু নিমজ নহয়; ই সমগ্ৰতা আৰু সম্পূৰ্ণতাৰ বিৰোধী। গতিকে স্বাভাৱিকতেই লেখকৰ প্ৰচেষ্টাই বাৰে বাৰে বাস্তৱতাৰ ওখোৱা মোখোৰা শিলত উজুটি খায়। কিন্তু যিমান জীৱন্ত আৰু চমৎকাৰিতাৰে লেখকে জীৱনকে এই বৈপৰীত্য সমূহ প্ৰকাশ কৰিব পাৰে সিমানেই তেওঁ আদৰ্শগত সমগ্ৰতা আৰু আনুষঙ্গিক ধাৰণাবোৰৰ মাজত সংযোগ সেতু তৈয়াৰ কৰিব পাৰিব।

ভাল বা মৌলিক সাহিত্য সৃষ্টিৰ বাবে লেখকৰ আত্মসংযমৰো প্ৰয়োজন। কাৰণ লেখক এগৰাকীৰ চেতনাৰ স্তৰ নিঃসন্দেহে সৃষ্ট চৰিত্ৰ সমূহতকৈ আগবঢ়া। আকৌ চৰিত্ৰ সমূহৰ মাজতে চেতনাৰ স্তৰ ভিন্ ভিন্। 'সেউজী পাতৰ কাহিনী'ত নৰেশ্বৰ আৰু চনীয়াৰ দুই বিপৰীত প্ৰকৃতিৰ সমান্তৰাল চৰিত্ৰাংকনেৰে উপন্যাসৰ কাহিনীভাগ আগবাঢ়িছে। দুই চৰিত্ৰৰ চেতনা আৰু উপলব্ধিৰ স্তৰ একে নহয়। সেইবাবে চনীয়া এই বহল পৃথিৱীত হেৰাই গ'ল। এনেকুৱা এটা ধাৰণা আমি লেখকৰ পৰা পাওঁ যে যেতিয়া হয়তো দুয়োৰো উপলব্ধি আৰু চেতনাৰ বৈপৰীত্য কমি আহিব এনে এটা সময়ত দুই চৰিত্ৰৰ পুণৰমিলন হ'ব। সেয়েহে বিৰিঞ্চি কুমাৰ বৰুৱা আমাৰ সময়ৰ মহালেখক। টলষ্টয়ৰ 'আন্না কাৰেনিনা'তো লেভিন আৰু আন্না কৰেণিনাৰ আপেক্ষিকভাৱে স্বাধীন আৰু বিপৰীতমুখী দুই চৰিত্ৰ সমসাময়িকভাৱে বিকাশ লাভ কৰিছে। দুই চৰিত্ৰৰ অন্তৰ্নিহিত বুজাপৰা আমি উপলব্ধি কৰোঁ অথচ দুই চৰিত্ৰৰ বিকাশত পৰস্পৰৰ প্ৰতিবন্ধকো হোৱা নাই।

লেখকৰ সৃষ্টিশীল ক্ষমতা কলাবস্তুৰ নন্দনতাত্ত্বিক সৌন্দৰ্যবোধ নে শ্ৰম আৰু কঠোৰ অনুশীলনৰ দ্বাৰা প্ৰাপ্ত হয়? যদিও শ্ৰমৰ এই ক্ষেত্ৰত এটা বিশেষ ভূমিকা থাকে তথাপি শ্ৰমেই সৃষ্টিশীলতাৰ মূল কাৰণ হ'ব নোৱাৰে। কাৰণ শ্ৰমত কোনো নান্দনিক চেতনা প্ৰোথিত নহয়। শ্ৰমত অনন্দনতাত্ত্বিক উপাদানসমূহে নন্দন-তাত্ত্বিক বৈশিষ্টসমূহ এনেদৰে ঢাকি ৰাখে যে শ্ৰম যান্ত্ৰিকতালৈ পৰ্যবসিত হয়। অৱশ্যে এইটো স্বীকাৰ্য যে ইতিহাসে ঢুকি পোৱা দিনৰে পৰা কলাই মানুহৰ নন্দনতাত্ত্বিক প্ৰয়োজন পূৰণ কৰি আহিছে, যি কলা আকৌ শ্ৰমৰ বিৱৰ্তনৰ হেতুকে সৃষ্টি হৈছে।

কলাৰ ব্যাখ্যাত ভিন্নতা কিয়? নন্দনতাত্ত্বিক চেতনাৰ ভিন্নতাৰ বাবে? এটি মাত্ৰ কলাবস্তুৰ ক্ষেত্ৰত দেশ বা কাল ভেদে ভিন ভিন ব্যাখ্যাটো হয়েই বৰং একে দেশ বা একেসময়তে বাস কৰা মানুহৰ মাজতো ভিন্ন দৃষ্টিকোণ আৰু ৰুচিবোধৰ বাবে কলাৰ ব্যাখ্যাত বৈসাদৃশ্য প্ৰকট হয়। (উল্লেখনীয় যে কলাৰ ক্ষেত্ৰত আটাইতকৈ ভিন্ন ব্যাখ্যাৰ থলী হ'ল সংগীত আৰু কম পৰিসৰৰ সুযোগ থকা ক্ষেত্ৰ হ'ল কথাছবি। আধুনিক কবিতা ইয়াৰ মধ্যৱৰ্তী স্থানত আছে।)

পাশ্চাত্যৰ আধুনিকতাবাদী সকলে বিশ্বাস কৰে যে বীভৎসতাক বীভৎসতাৰেহে অংকন কৰিব পাৰি। অৰ্থাৎ পুঁজিবাদী সমাজৰ যি নিৰন্তৰ অৱক্ষয়ী মূল্যবোধ তাক অৱক্ষয়ী কলাৰ সাহায্যতহে প্ৰতিষ্ঠাপিত কৰিব পাৰি! বাৰবণিতাক অশ্লীল সাহিত্যৰেহে স্বচ্ছন্দে তুলি ধৰা যায়, মোৰাভিয়াৰ 'লা ৰোমানা'ৰে নহয়। ইতিমধ্যে পশ্চিমত এই দৃষ্টিভংগীয়ে কলাৰ বিভিন্ন মাধ্যমসমূহক প্ৰায় পণ্যৰ পৰ্যায়লৈ অৱনমিত কৰাইছে। প্ৰকৃতপক্ষে জীৱনৰ নঞাৰ্থক দিশটো প্ৰতিফলিত কৰিবলৈ হ'লেও আমি যোগাত্মক পন্থাহে অৱলম্বন কৰিব লাগিব। নহ'লে কলাৰ অৰ্থ কি? কলা উকা বাস্তৱতা নহয়, ই সত্য আৰু সৌন্দৰ্যৰ অন্বেষণ।

চাবলৈ গ'লে সত্য আৰু সুন্দৰৰ মাজত বিশেষ বিৰোধ নাই। (**The beautiful must be true to itself-Hegel**) সাহিত্যত ইহঁত ইটো সিটোৰ পৰিপূৰক। তেনেদৰে সাহিত্যত মৌলিকতা আৰু নন্দনতাত্ত্বিক সৌন্দৰ্যৰ মাজতো খুব এটা বিৰোধ নাই যাৰ বাবে কেতিয়াবা অনুবাদ সাহিত্যইও মৌলিক সাহিত্যৰ মৰ্যদা লাভ কৰে আৰু তথাকথিত মৌলিক সাহিত্যও নিস্প্ৰাণ সাহিত্য হিচাবে পৰিগণিত হয়। এই সন্দৰ্ভত অৱশ্যে বিস্তৰ আলোচনাৰ অৱকাশ আছে। ✚

---

আমি মাত্ৰ এটা অভিজ্ঞতাৰ পৰাই তাৰ অন্তৰ্নিহিত শিক্ষাখিনি আহৰণৰ চেষ্টা কৰা উচিত; তেতিয়া আমি সেই তপত ষ্টোভত বহা মেকুৰীজনীৰ দৰে হ'ম। তাই কেতিয়াও পুনৰায় তপত ষ্টোভত বহিবলৈ নাযায়, কিন্তু তাই কেতিয়াও চেঁচা ষ্টোভতো নবহে।

-মাৰ্ক টোৱেইন

চুটি গল্প

জীৱনত কেতিয়াবা এনেকুৱা কিছুমান মুহূৰ্ত আহি পৰে যেতিয়া জীৱনটো আমাৰ বাবে কেৱল এক প্ৰশ্ন হৈ ৰয়। এনে সময়তে বহুতো যুক্তিকৰ আৰু অযুক্তিকৰ প্ৰশ্নৰ মাজেৰে আমি কেতিয়াবা শুদ্ধ আৰু কেতিয়াবা অশুদ্ধ পথেৰে গতি কৰিবলৈ লওঁ। কেতিয়াবা এনেকুৱা মুহূৰ্তবোৰতে আমাক, একো একোজন পথ-প্ৰদৰ্শকৰো প্ৰয়োজন হৈ পৰে। এনে একোজন পথ প্ৰদৰ্শকৰ অভাৱতেই আমি উন্মাদ হৈ পৰোঁ অনিচ্ছা সত্বেও পথ সলাই বিপথে গতি কৰিবলৈ লওঁ।

মোৰ এনে অনুভৱ হৈছে এই সময়ত মই যেন এজন পথ প্ৰদৰ্শকৰ প্ৰয়োজন বোধ কৰিছোঁ। জীৱনৰ তিক্ত সকলো মুহূৰ্ত ম্লান কৰি নতুন ৰূপত নিজকে সজাবলৈ মন গৈছে মোৰ। তথাপি মই সংকুচিত হওঁ; কেইদিনমানৰ পৰা মই মোৰ ভিতৰৰ মানুহজনীক লৈ বৰ অসন্তুষ্ট হৈ পৰিছোঁ। তথাপি নিজৰে ভিতৰলৈ গমি চাই কোনোবাখিনিত মোৰ মনৰ সৰলতাখিনি দেখা পাওঁ। মোৰ এনেকুৱা অনুভৱ হয় মানুহে যেন মোৰ সৰলতাখিনিৰ সুযোগ লবলৈ চেষ্টা কৰে। এনেধৰণৰ চিন্তাই মোক বৰ জটিল কৰি তোলে আৰু তেতিয়াই মই বৰ অসহায় অনুভৱ কৰোঁ।

মোৰ মনৰ এনে অশান্তিৰ আভাস মোৰ স্বামীয়ে পায়নে নাপায় নাজানোঁ। স্বভাৱতে তেওঁ মানুহজন গহীন। খুব কম কথা কয়। প্ৰয়োজনীয় দুই এটা কথাৰ বাহিৰে মোৰ লগতো তেওঁ কথা নাপাতে।

আজি এবছৰে মই এই মানুহজনক বুজিবলৈ চেষ্টা কৰি আছোঁ। কিয়জানো তেওঁৰ কোনো কথাতে মই পুলক অনুভৱ নকৰোঁ। কেতিয়াবা মোৰ এনে অনুভৱ হয়, মাত্ৰনিশাৰ নিবিড়তাৰকণৰ বাহিৰে মানুহজনক যেন মোৰ অকণো প্ৰয়োজন নাই। তথাপি মই এই মানুহজনক দোষ দিব নোৱাৰোঁ। কাৰণ তেওঁ মোক এজন উচ্চ পদস্থ বিষয়াৰ স্ত্ৰী হোৱাৰ সম্পূৰ্ণ সন্মান আৰু মৰ্যদা প্ৰদান কৰিছে। মোক কোনো কথাতে আজিলৈকে দুখ দিয়া নাই। তথাপি মই নিজকে প্ৰশ্ন কৰোঁ, মই সন্তুষ্টনে?

মা-দেউতাৰ পচন্দ মতেই বিয়া হৈছিলোঁ মোৰ স্বামী সৌৰভ চলিহাৰ লগত। মা-দেউতাই চাই দিয়াৰ পাছত মোৰ পচন্দ অপচন্দৰ কোনো প্ৰশ্নই নাছিল কাৰণ আজিলৈকে এনেকুৱা একো কথাই নাছিল যিটো মই নিজে কৰাৰ অধিকাৰ বিচাৰিছোঁ।






◆ শৰ্মিষ্ঠা শইকীয়া
অষ্টম ষাণ্মাসিক

অধিকাৰ সাব্যস্ত কৰিবলৈও মই কোনোদিনে যত্ন কৰা নাছিলোঁ কাৰণ মই নিজকে এটা আইডিঅ'লজিৰ মাজত জীয়াই ৰখাৰ চেষ্টা কৰিছিলোঁ। কেতিয়াবা মই নিজকে নিজেই বুজি পোৱা নাছিলোঁ। মোৰ ভিতৰৰ মনটো আৰু মোৰ বাহিৰৰ মানুহজনী দুয়োটাৰে মাজত মই কেতিয়াবা বৰ বিসংগতি দেখা পাইছিলোঁ। মনে নিবিচৰাকৈয়ে মই এনে কিছুমান কাম কৰিছিলোঁ, যিবোৰ নিচেই কাষৰ মানুহবোৰক সন্তুষ্ট কৰি তুলিছিল। মই কেৱল তেওঁলোকৰ মৰমৰ প্ৰকৃত মূল্য দিয়াৰ প্ৰচেষ্টাত ব্ৰতী আছিলোঁ।

এনেকুৱা কিছুমান সময় আছিল, আজিৰ পৰা আঠ ন বছৰ আগৰ সময়- মই জীৱন দৰ্শনৰ ন ন ভাৱেৰে নিজকে সম্পূৰ্ণ কৰি তোলাৰ চেষ্টা কৰিছিলোঁ। প্ৰেম, অনুৰাগ, মানৱীয়তা, স্নেহ - এনেধৰনৰ শব্দবোৰৰ ভাৱগধুৰ অৰ্থই মোৰ মন-গহ্বৰত এনেধৰনে খোপনি পুতিছিল যে সেইবোৰৰ পৰা নিজকে উলিয়াই আনি বৰ্তমানৰ লগত খাপ খুৱাবলৈ মোৰ বাবে বৰ কঠিন হৈ পৰিছিল। তেতিয়া মই অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰী। বন্ধুমহলৰ এনেধৰনৰ আলোচনাই মোৰ যেনেকৈ এখন বহল পৃথিৱীৰ সন্ধান দিছিল, তেনেকৈ মোক নিজকে নিজৰ পৰা আঁতৰাই কোনোবা অদূৰত ওলোমাই ৰাখিছিল। এনেকুৱা সময়বোৰতে মোৰ ভিতৰৰ মনটো বৰ সাহসী হৈ উঠিছিল আৰু মোৰ নিজৰ জীৱনটোক কিছুমান ৰহস্যৰে সজাই তোলাৰ বাসনা জাগিছিল।

সৰুৰেপৰা মা-দেউতাৰ ছাঁতেই ডাঙৰ হৈছিলোঁ। আজি পৰ্যন্ত মা-দেউতাৰ মততেই চলি আছোঁ। কব নোৱাৰোঁ, এই কথাটোৱে মোক বৰ অশান্তি দিছিল, মাজে সময়ে। জীৱনত মই অকলে আগবাঢ়ি যাব বিচাৰিছিলোঁ, স্বাধীনভাবে নিজৰ মনে বিচৰা ধৰণে জীয়াই থাকিব বিচাৰিছিলোঁ। বহুত কথাত মই নিজৰ আৰু মোৰ ঘৰখনৰ মানুহবোৰৰ চিন্তাধাৰাৰ অমিল পাইছিলোঁ। তথাপি মই একো প্ৰতিবাদ কৰা নাছিলোঁ। কাৰণ, মোৰ যে সেই আইডিঅ'লজি, সকলোৰে ওচৰত নিজকে নিখুঁত ৰূপত চিনাকী দিয়াৰ আইডিঅ'লজি, সেইটোৱে মোক চাৰিওফালৰ পৰা জুমুৰি দি ধৰিছিল। কেতিয়াবা কোনোবা এক মুহূৰ্তত মই বৰ উচ্চাকাংক্ষী হৈ উঠিছিলোঁ। মোৰ মনটোৱে সমাজত জীয়াই থাকিবলৈ, সমাজত নিজৰ এক মৰ্যদা বজাই ৰাখিবলৈ বহুত কিবাকিবি কৰিবলৈ হবিয়াস কৰিছিল। কিন্তু মই এনে কাৰাগাৰৰ মাজত সোমাই আছিলোঁ, য'ৰ পৰা ওলাই অহাৰ সাহস গোটাব পৰা নাছিলোঁ। প্ৰকৃতাৰ্থত, মনেৰে সাহসী হলেও, কামেৰে মই বৰ ভীৰু আছিলোঁ। সত্য এইটোৱেই যে মই বৰ অশান্তিত জীয়াই আছিলোঁ। মোৰ ষষ্ঠ ইন্দ্ৰিয়টো কেতিয়াবা বৰ সংসাহসী হৈ উঠিবলৈ চেষ্টা কৰিছিল। সমাজ, পৰিবেশ, পৰিয়াল আৰু মোৰ কৃত্ৰিম আইডিঅ'লজি, এই সকলোবোৰে মোক ঠেলি নি এক চক্ৰবেহুৰ মাজত সুমুৱাই পেলাইছিল।

বি.ই পাচ কৰাৰ পাছতেই মোৰ বিয়া ঠিক হৈছিল। মোৰ পিতৃ-মাতৃয়ে ভাবিছিল মই সুখত থাকিম। ঘৰত যিদৰে একোৰে অভাৱ অনুভৱ নকৰাকৈ আছোঁ, ঠিক অন্য এখন ঘৰতো মই সেইদৰে সুখত থকাতো তেওঁলোকে বিচাৰিছিল। মই মান্তি হৈছিলোঁ। অমান্তি হোৱাৰ মোৰ কোনো স্থলেই নাছিল কাৰণ মোৰ কেনো প্ৰেমিক নাছিল। ঠিক প্ৰেমিক নাছিল বুলি নকওঁ, মই কাৰো সৈতে প্ৰেম কৰা নাছিলোঁ। প্ৰেমত পৰা নাছিলোঁ বুলি কোৱাৰ ধৃষ্টাতাও মোৰ নাই।

মোৰ মনত পৰে, প্ৰণয় মোৰ জীৱনলৈ অহা প্ৰথম পুৰুষ। ঠিক প্ৰেমিক ৰূপত নহয়, বন্ধুৰ ৰূপতহে। আৰু আমাৰ বন্ধুত্বই প্ৰেমৰ পৰিণতি পোৱাৰ প্ৰাৰম্ভণিতে মই তাৰ ওচৰৰ পৰা আঁতৰি আহিলোঁ। ঠিক বুজাবুজিৰ মাজেৰে নহয়, মই পলাই আহিছিলোঁ। কাৰণ মোৰ সন্দেহ হৈছিল প্ৰণয়ে জানোচা মোৰ নিচেই কাষৰ মানুহবোৰক সন্তুষ্ট কৰিব নোৱাৰিব। প্ৰণয়ৰ মাজতেই কেৱল মই এজন মানুহ দেখা পাইছিলোঁ, মই বিচৰা এজন প্ৰকৃত মানুহ। এইয়ে মই আঁতৰি আহিছিলোঁ , এই ঘটনাই মোৰ মনত দিনে দিনে কিছুমান অভিযোগ, অভিমান স্তুপীকৃত কৰিছিল, মোৰ ঘৰখনৰ প্ৰতি, আৰু মই নিজকে সদায় এখন আৱৰনেৰেআৱৰি ৰাখিছিলোঁ। নিজকে ঢাকি ৰাখিছিলোঁ যদিও মোৰ মনে বিচাৰিছিল, মোৰ ঘৰখনে, মোৰ নিচেই কাষৰ মানুহবোৰে যেন মোক আৱৰণ খুলি জুমি চাওঁক। কেতিয়াবা মই নিজকে নিজেই প্ৰশ্ন কৰিছিলোঁ, মোৰ এইযে অভিমান ই কাৰ ওচৰত, মোৰ ঘৰখন, সমাজখন, নে মোৰ কৃত্ৰিম আইডিঅ'লজিটোৰ ওপৰত। উত্তৰত মই একোৱেই পোৱা নাছিলোঁ, কেৱল কেইটামান উজাগৰী নিশা আৰু কিছু শ্বাসৰুদ্ধ মুহূৰ্ত।

মোৰ বিয়া হৈ গৈছিল সৌৰভ চলিহাৰ লগত। প্ৰথমে মোৰ খুব ভয় লাগিছিল। মই মোৰ জীৱনটোৰ বাকী সময়চোৱা এনে এজন মানুহৰ লগত কটাবলৈ সিদ্ধান্ত লৈছোঁ, যিজনক মই বিয়াৰ আগৰ দুই তিনিদিনৰ বাহিৰে কেতিয়াও লগ পোৱা নাই। লগে লগে মোৰ সেই কলেজীয়া দিনৰ তথাকথিত উচ্চ চিন্তাধাৰা আৰু দুঃসাহসী কথাবোৰ কেৱল কিছুমান শূন্যৰ দৰে মোৰ চাৰিওফালে ভাঁহিবলৈ ধৰিছিল।

বিয়াৰ পাছত মই বৰ সুখত আছোঁ; মোৰ ঘৰখনে বিচৰাৰ দৰেই, একোৰে অভাৱ অনুভৱ নকৰাকৈ সুখত আছোঁ। আজিলৈক সৌৰভৰ লগত কোনো কথাতেই মোৰ মতানৈক্য হোৱা নাই। সৌৰভে মোৰ কোনো কথাতে আজিলৈকে প্ৰতিবাদ কৰা নাই। মোৰ কেৱল আনন্দই আনন্দ ! কিন্তু তথাপি মই নিজকে কেতিয়াবা প্ৰশ্ন কৰো- মই সঁচাকৈয়ে সুখীনে ?

কিয়জানোঁ, মই কেতিয়াবা অকলে কান্দিবলৈ বিচাৰোঁ, দুসাজমান ভাত নাখাই, পেটৰ ভোকটো অনুভৱ কৰিবলৈ বিচাৰোঁ।

আজি এবছৰে সৌৰভক মই নিচেই কাষৰ পৰা এদিনো পাব পৰা নাই। সপ্তাহৰ প্ৰায় প্ৰতিটো দিনেই তেওঁ ব্যস্ত থাকে। তাৰ বাবে মই অকনো দুখ নকৰোঁ। তথাপি মোৰ ষষ্ঠ ইন্দ্ৰিয়ই বাৰে বাৰে মোক প্ৰশ্ন কৰে, মই সুখীনে ?

বিয়াৰ পাছতেই মোৰ জীৱনৰ এটা অধ্যায় শেষ হ'ল। সেই কলেজীয়া দিনৰ অধ্যায়টো। আজি দোমোজাত থকা মন এটা অলীক চিন্তাধাৰাৰে পুষ্ট কৰি তোলা অধ্যায়টো। আৰু লগে লগে মোৰ মাজৰ পৰা এজনী নতুন মানুহৰ জন্ম হ'ল।

সৌৰভৰ লগত মোৰ দিনবোৰ গতানুগতিক ভাৱেই পাৰ হ'ল। অফিচ আৰু ঘৰ এই দুইটা আস্থানৰ মাজতেই আৱদ্ধ হৈ ৰ'ল মোৰ জীৱন। জীৱনৰ কোনো ৰহস্যই নাছিল, কোনো নতুনত্বই নাছিল। কেতিয়াবা কলেজীয়া দিনৰ উচ্চ (!) চিন্তাধাৰাৰে নিজকে সজাই তোলাৰ কল্পনাবোৰ মনলৈ আহিলে মোৰ এনে অনুভৱ হৈছিল - জীৱনটোযেন কেৱল এটা 'শূন্য'ৰ বাহিৰে আন একো নহয়।

নাজানোঁ, কিয়জানো সৌৰভৰ মাজত মই প্ৰণয়ক বিচাৰি ফুৰিছিলোঁ আৰু বাৰে বাৰে হতাশ হৈ পৰিছিলোঁ। দুইজন মানুহৰ মাজত অকনো মিল নাই, তথাপি মই সৌৰভক ভালপাওঁ, কাৰণ সৌৰভ মোৰ স্বামী, সৌৰভক মই ভাল পাবই লাগিব।

আজি ছমাহ মান হ'ল, মোৰ সহকৰ্মী এজনৰ লগত মোৰ ঘনিষ্ঠতা গঢ়ি উঠিছে। কব নোৱাৰোঁ কিয় জানো অতি কম দিনৰ ভিতৰতে তেওঁক মই বহুতখিনি বুজি পাইছিলোঁ। তেওঁৰ চিন্তাধাৰা, তেওঁৰ দৃষ্টিভঙ্গীৰ লগত মোৰ এক অবুজ মিল দেখা পাইছিলোঁ। এনে সময়তে মোৰ অনুভৱ হৈছিল মোৰ মাজত লুকাই থকা কলেজীয়া দিনৰ মানুহজনী যেন আকৌ জন্ম লব খুজিছে।

মোৰ এই সহকৰ্মী ঋত্বিক কাকতিৰ লগত মোৰ ঘনিষ্ঠতা বাঢ়ি গ'ল। সহকৰ্মী যদিও ঋত্বিক মোতকৈ বয়সত সৰু। তেওঁৰ সৈতে বৰ্তমানৰ সমাজ ব্যৱস্থা, ৰাজনীতি, জীৱন, চেক্স আদিৰ আলোচনা মই নিসংকোচে কৰিব পৰা হলোঁ। তেওঁৰ ইটো সিটো কামত মোৰ সহযোগিতা আহি পৰিল আৰু লগে লগে মোৰ সেই আধৰুৱা আশাবোৰ মই ঋত্বিকৰ যোগেদি পূৰণ কৰিবলৈ ধৰিলোঁ।

লাহে লাহে মই ঋত্বিকক বুজিবলৈ যত্ন কৰিলোঁ। মই মানুহৰ মাজত জীয়াই থাকিব বিচাৰোঁ, ঋত্বিকেও। সঁচাকথা কবলৈ গলে ঋত্বিকৰ প্ৰতিটো কথাই মোক তেওঁৰ পিনে আকৰ্ষিত কৰিছিল। ঋত্বিকে মানুহৰ মূল্য বুজি পায়, জীৱনৰ নিঃকিন দৰিদ্ৰতাকনো উপলব্ধি কৰিব পাৰে। এনেকুৱা অনুভৱ হৈছিল মোৰ জীৱনৰ অপূৰ্ণ কোনোবাখিনি যেন পূৰ্ণ হৈ উঠিছে।

প্ৰকৃতাৰ্থত, মই এজন বন্ধু বিচাৰোঁ। ক'ব নোৱাৰো কিয়জানো, মোৰ মনে মোৰ মাজত লুকাই থকা প্ৰকৃত মইটোক জীয়াই ৰাখিব বিচাৰে। সেয়ে মোৰ মনে বিচৰাৰ দৰে মই ঋত্বিকৰ লগত এক নিভাঁজ বন্ধুত্ব গঢ়ি তুলিছিলোঁ। মোৰ এনে অনুভৱ হৈছিল ঋত্বিক আৰু মোৰ এক প্ৰকৃত বুজাবুজিৰ মাজেৰে যেন গঢ়ি উঠিছে আমাৰ নিবিড়তা।

সৌৰভৰ অভাৱখিনিতে মই ঋত্বিকৰ পৰা পূৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। সেয়ে মোৰ বিবেকে বাৰে বাৰে শাস্তি দিয়া সত্ত্বেও মোৰ মনে কৈছিল মই যেন ভুল কৰা নাই। ঋত্বিক আৰু মোৰ ঘনিষ্ঠৰ বিষয়ে সৌৰভে নাজানিছিল বুলিয়েই মোৰ বিশ্বাস আৰু নজনাটোৱেই মই বিচাৰিছিলোঁ কাৰণ মই মোৰ অন্তৰৰ 'মই' জনীক জীয়াই ৰাখিব খুজিছিলোঁ।

মোৰ মনত পৰে ঋত্বিকৰ লগত এদিন মই বহু দূৰলৈ গৈছিলোঁ। তেওঁলোকৰ বিষয়ে জানিবলৈ ঋত্বিক আৰু মোৰ প্ৰবল হেপাহ আছিল। ঋত্বিক শিশুক মানুহ সৈন্যৰে সৈন্যৰে তেওঁৰ শিখাত সহায় কৰাৰ সুযোগো আছে। সৈন্যৰে সৈতে মিলাত আমি দুয়ো অফিচৰ পাছত বাটিৰে বাটিৰে তাতে গৈছিলোঁ।

উভতি অহাৰ পথত সন্ধিয়া লাগিছিল। আমাৰ দুয়োৰে মাজত একো কথা-বতৰা হোৱা নাছিল। মানুহৰ জীৱনলৈকো এক নুতন অভিজ্ঞতা হৈছিল মোৰ। এনেকৈয়েতো মানুহ জীয়াই থাকে। কথাবোৰ ভাবি ভাবি আহি থাকোতে মই অনুভৱ কৰিছিলোঁ ঋত্বিকে গাড়ীখন বৰ বেগাই চলাইছে।

"লাহেঁকৈ ঋত্বিক, বৰষুণ দি আছে। ভালকৈ চলোৱা।" ক'বনোৱাৰো এক মুহূৰ্তৰ বাবে ঋত্বিকক মোৰ বৰ অচিনাকী অচিনাকী লাগিছিল। অস্বাভাৱিকভাৱে ঋত্বিকে গাড়ীখন মাজবাটতে ৰখাই দিছিল। জনশূন্য বাটত ঋত্বিকৰ এনেকুৱা কাণ্ডই মোক বৰ আচৰিত কৰিছিল। মই কিবা ক'বলৈ লোৱাৰ আগতেই, হঠাৎ ঋত্বিকে মোৰ বাহুত ধৰি জোকাৰি জোকাৰি কৈছিল,

"মই তোমাক ভাল পাওঁ ৰাণী। আজি মোক তোমাৰ বৰ প্ৰয়োজন হৈছে, বৰ প্ৰয়োজন হৈছে।"

বহুত সময়লৈকে মই নিথৰ হৈ পৰিছিলোঁ। হঠাৎ জ্ঞান হোৱাত মই ঘপক্ কৰে গাড়ীৰ পৰা নামি অকলে অকলে ঘৰ পাইছিলোহি। কিয়জানো মই ঋত্বিকক একেবাৰেই বুজি নোৱাৰিলোঁ। মোৰ মূৰটো ঘূৰোৱা যেন অনুভৱ হৈছিল। সৌৰভৰ সন্মুখত থিয় হ'বলৈ মোৰ লাজ লাগিছিল। ক'ব নোৱাৰাকৈয়ে মোৰ কান্দোন ওলাই আহিছিল।

"মানুহবোৰে কিয় নুবুজে মই এজন বন্ধু বিচাৰো, যেনে

[illegible] বন্ধু ।" মোৰ এনেকুৱা অনুভৱ হৈছিল মোৰ সেই ঋত্বিকৰ 'লজিটোৱে যেন মোক ইতিকিং কৰি হাঁহিছে ।

বহু খেলিমেলি চিন্তাই মোৰ মনটোক জুমুৰি দি ধৰিলে । মোৰ ভাব হ'ল মই যেন মানুহৰ অনুভূতিবোৰ লৈ খেলা কৰিছোঁ । কেৱল নিজৰ মনৰ শান্তিৰ বাবে মই ঋত্বিকক মহৰাৰ দৰে ব্যৱহাৰ কৰিলোঁ নেকি ? ঋত্বিকে বাৰু কি বিচাৰিছিল ? সেইবে ঋত্বিকে কেতিয়াবা কৈছিল, "তোমাক আজি বৰ ধুনীয়া লাগিছে, You are really fantastic, Raniba" এইবোৰ যে ঋত্বিকৰ দুৰ্বল মনৰ পৰিচয় আছিল, মই বুজিব পৰা নাছিলোঁ নেকি ?

আজি দুদিনে মই বৰ অনুশোচনাত ভুগিছোঁ । ক'বনোৱাৰোঁ কিয় মোৰ ষষ্ঠ ইন্দ্ৰিয়ই এতিয়া, মোক প্ৰশ্ন কৰিছে, "মই বাৰু কি বিচাৰিছিলোঁ ?" প্ৰণয়ৰ ওচৰৰ পৰা পলাই অহাৰ দৰেই মই ঋত্বিকৰ ওচৰৰ পৰাও পলাই আহিছোঁ নেকি ? কথাবোৰ ভবাৰ লগে লগে মোৰ নিজকে বৰ ঘিণ লাগি গ'ল ।

সৌৰভক মোৰ সকলো কথা কৈ দিবৰ মন গৈছে । কিন্তু আজি দুদিনে চেষ্টা কৰা সত্ত্বেও মই দেখোন একোৱেই ক'ব পৰা নাই ? মোৰ এনেকুৱা অনুভৱ হৈছে মোৰ বিবেকটোৱে সুযোগ পাই যেন মোৰ ওপৰত অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিছে; আৰু মই পলাই ফুৰিছোঁ; কেৱল পলাই ফুৰিছোঁ ।

তথাপি কিয়জানো বাৰে বাৰে জুমি চাইও মোৰ কোনোবাখিনিত মই মনৰ কিঞ্চিত পৱিত্ৰতা বিচাৰি পাইছোঁ । কাৰণ মই নিজকে ভাল পাওঁ । মোৰ যে এই দেহটো আৰু মনটো দুয়োটাৰে প্ৰতি শ্ৰদ্ধা আছে মোৰ, মই দুয়োটাকে চিনি পাওঁ । সেয়ে বোধকৰো এতিয়া কৰবাৰ পৰা এসোপা সাহস আহি মোৰ মনত সঞ্চিত হৈছেহি । মই লাহে লাহে সৌৰভৰ ওচৰ পালোঁগৈ । সৌৰভক দেখাৰ লগে লগে বহুত অভিমান আহি মোৰ মনত থুপ খালেহে । মোৰ এনে অনুভৱ হ'ল, মানুহজনে কিয় একো কথাই জানিবলৈ ইচ্ছা নকৰে ?

"মই দুদিন অফিচলৈ যোৱা নাই আপুনি জানেনে ?"

মোক ঘপহ কৰে এনেকৈ দেখি সৌৰভ নিশ্চয় আচৰিত হ'ল । বহুত সময় তেওঁ মোৰ মুখলৈ চাই ৰ'ল । তাৰ পাছত লাহেকৈ ক'লে,

"জানো !"

"কিয় যোৱা নাই আপুনি সোধা নাই কিয় ?"

তেওঁ একো নামাতিলে । ভূত, ভৱিষ্যত একো নভাবকৈ মই মোৰ ছ মাহৰ অভিজ্ঞতা তেওঁৰ আগত কৈ গ'লোঁ, আৰু আজি দুদিনৰ আগৰ ঋত্বিকৰ ব্যৱহাৰৰ কথাও নিসংকোচে কৈ দিলোঁ । কিথাখিনি কৈ মই বহুত সময় উচুপি থাকিলোঁ, নিজকে বৰ দোষী অনুভৱ কৰিলোঁ ।

"ৰাণী, তোমাৰ কথাবোৰ মই জানো ।" মই অৱশ্যে আচৰিত হ'লোঁ । তাৰ মানে ইমানদিনে সৌৰভে সকলো কথাই জানিছিল ।

"জানি শুনিও মই তোমাক একোৱেই সোধা নাই । কাৰণ মোৰ তোমাৰ ওপৰত বিশ্বাস আছিল, তুমি যে এদিন উভতি আহিবা ।"

ক'বনোৱাৰো কিয় সৌৰভৰ কথাবোৰে মোৰ অন্তৰখন চুই গ'ল । বুকুৰ কোনোবাখিনি যেন শোকত খুন্দা মাৰি ধৰিলে । অথচ মই কান্দিব নোৱাৰিলোঁ । মনে মনে মই সৌৰভৰ কথাবোৰ শুনি গলোঁ ।

"মানুহৰ জীৱনলৈ এনেকুৱা কিছুমান দুঃসময় আহে যেতিয়া নিজকে কাবু কৰি ৰখাটো কষ্টকৰ । তথাপি মানুহ আবেগৰ বশ হৈ পৰাতো উচিত জানো ?"

সৌৰভৰ প্ৰশ্নবোধক দৃষ্টিটো মই সহ্য কৰিব নোৱাৰিলোঁ । মোৰ ভিতৰত এতিয়া তেওঁলৈ চকু দাঙি চোৱাৰ অকণো সাহস নাই । সৌৰভে আকৌ ক'লে,

"ঋত্বিক ডেকা মানুহ । তেওঁ ভুল কৰিব খুজিছিল । কিয়জানো কিছুমান পুৰুষে নাৰীক কেৱল 'নাৰী'ৰ ৰূপতহে দেখা পায় । ই পুৰুষৰ এটা দুৰ্বলতা । সেয়ে তুমি ঋত্বিকক ক্ষমা কৰি দিবা ।"

মোৰ শৰীৰৰ সকলো শক্তি শেষ হৈ যোৱা যেন অনুভৱ হ'ল । লাহে লাহে মই মাটিত বহি পৰিলোঁ । সৌৰভে মোৰ চকুলৈ চাই ৰ'ল ।

"মই তোমাক বুজি পাওঁ, ৰাণী । সেয়ে কওঁ, মনে বিচাৰিলেও আমি কিছুমান কাম কৰিব নোৱাৰোঁ । তুমি কি বিচৰা বা কি বিচাৰিছিলা সেইয়া জানিও মই তোমাক একোৱেই দিব পৰা নাছিলোঁ ।"

মোৰ কান্দোনটো কিয় জানো বুকু ফালি ওলাই আহিল । মোৰ ইচ্ছা হ'ল, সৌৰভক যেন কম, "মই বুজিলোঁ সৌৰভ । মোক আৰু একো কব নালাগে ।" তথাপি মই সৌৰভক বাধা নিদিলোঁ । সৌৰভে কৈ গ'ল ।

"ৰাণী, এইযে তুমি মোৰ আগত কথাখিনি ক'লা । মোৰ মনে তাকেই বিচাৰি আছিল । এতিয়া তোমাক লৈ মোৰ অকণো আক্ষেপ নাই, অকণো আক্ষেপ নাই ।"

বহুত সময় মই সৌৰভলৈ চাই বলোঁ । ইমান দিনে মইতো এইজন মানুহ বিচাৰিয়ে হাহাঁকাৰ কৰি ফুৰিছিলোঁ । মোৰ এনেকুৱা লাগিল বহুত মৰম যেন সিঁচি দিম এই মানুহজনৰ ওপৰত । ক'বনোৱাৰাকৈয়ে মোৰ হাঁহি আৰু কান্দোন দুয়োটা মিশ্ৰিত ভাৱে ওলাই আহিল ।

◆ ◆ ◆

# অৰুণাভৰ অনুভূতিৰে এসন্ধ্যা



◆ শ্ৰীমন্ত বৰদলৈ
তৃতীয় ষাণ্মাসিক

অৰুণাভৰ অনুভূতিবোৰ তেতিয়া বিশৃংখল হৈ পৰিছিল। ৰাজ্যিক পৰিবহণ নিগমৰ মাজে মাজে ষ্টাৰ্ট বন্ধ হৈ যোৱা বাছখনৰ একেবাৰে শেষৰ চিটত বহি যোৱা অৰুণাভৰ চকু নিবদ্ধ হৈ আছিল বাৰিষাৰ পানীৰে পৰিপূৰ্ণ হৈ থকা ব্ৰহ্মপুত্ৰৰ জলৰাশিৰ ওপৰত। বিক্ষিপ্ত চিন্তা কিছুমানে তাৰ মনৰ মাজত এক প্ৰবল জোৱাৰৰ সৃষ্টি কৰিছিল। ইতিমধ্যে গুৱাহাটী মহানগৰীয়ে নিশাৰ পোছাক পৰিধান কৰিবলৈ ব্যস্ত হৈ পৰিছে। ব্যস্ততা পূৰ্ণ ফঁচী বজাৰখনেও হাতত হাত ধৰি ঘূৰি ফুৰা প্ৰেমিক-প্ৰেমিকাৰ অস্পষ্ট কথা-বতৰা তথা গাড়ী-মটৰৰ তীব্ৰ সংকেত ধ্বনিৰে সৃষ্টি হোৱা গতানুগতিক গধূলিটো উপভোগ কৰাৰ বাবে ব্যস্ত হৈ আছিল।

"অলপ ভালদৰে বহিবিচোন .....।" নদীপৰীয়া বতাহজাকে ভাগৰুৱা বাচ খনত এক টোপনি আনি দিব পৰা পৰিৱেশ ৰচনা কৰিছিল আৰু সেই পৰিৱেশ টোকে সম্পূৰ্ন উপভোগ কৰি লেতেৰা কাপোৰ পিন্ধি থকা ফেৰিৱালাজনে কাষৰ আসনতে বহি যোৱা ডেকা লৰাজনৰ গা-টোকে গাৰুৰদৰে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিলহে তেতিয়া। তাৰ অৱচেতন মনৰ আৰামদায়ক পৰিকল্পনা ডেকাজনৰ একেষাৰ কথাতে বাদ দিবলগীয়া হ'ল। গতানুগতিক দিনবোৰৰ দৰে কিন্তু আজি বাচখনত সিমান ভীৰ নাছিল। আঁওহটীয়া ঠাইখনলৈ যোগাযোগৰ মাধ্যম মাত্ৰ পৰিবহন নিগমৰ অৱস্থা নোহোৱা এই বাচ কেইখনহে। এই বাচবোৰৰ অৰ্ধেক আসনৰে গাদীবোৰ নাই। সিদিনাখন এজন বন্ধুৱে কথা প্ৰসঙ্গতে অৰুনাভক কৈছিল, "এই যে বাচৰ চিটবোৰ দেখিছে, সেইবোৰ আমি কি কৰো জান, ৰাতিনাইট বাচত আহিলে হোষ্টেলৰ ওচৰত খিৰিকিৰে পেলাই দিওঁ, তাৰপিছত সেইবোৰ ক্ৰমৰ চকীত পূৰা ফিটিং হৈ যায় ........।"

ক'ৰবাৰ পৰা অহা এটা ভেহ্ ভেচীয়া গোন্ধে অৰুণাভৰ নাকৰ আগভাগ চুই গ'ল। সি ভীষন অস্বস্তি বোধ কৰিলে। ইফালে সিফালে চাই সি দেখিলে তাঁহাতৰ হোষ্টেলৰ ওচৰতে গুমটি্ দোকান এখন দি জীৱিকা নিৰ্বাহ কৰা অনিলৰ বেগৰ পৰা টোপ্-টোপকৈ কিবা পানী পৰি আছে। সি অনিলক কাষলৈ মাতি আনি সুধিলে-"অই অনিল, তই বেগত কি আনিছ, ইমান বেয়া গোন্ধাইছে।" অনিলে কলে, " বুজিছে অৰুণাভ দা, অলপ সস্তাতে পল্টন বজাৰলৈ যাওঁতে মাছ কেইটামান পালো, তাকে ইয়াতে লৈ আনিছো। তাঁহাতে দাম নকমায় হে নকমায়, বাপ্পেকে মইয়ো নেৰিলো। সিহঁতে বুজিয়ে পোৱা নাই অমৃকা কি ? বুজিছে এই মাছ কেইটা একেবাৰে তাজা ....।" নাক চুই

যোৱা ডুংকটো পোজকটোৰ পৰা অৰুনাভৰ বুজিবলৈ বাকী নাথাকিল মানুহেইটো কিমান তাজা !

বাচখন লাহে ধীৰে মহানগৰীৰ ষ্ট্ৰীট্ লাইটৰ পোহৰৰ নিবিড় সান্নিধ্যৰে আঁতৰাই গৈ থাকিল । ঝিৰ ঝিৰীয়া বতাহৰ পৰশত টোপনি আহিছিল যদিও কাৰোবাৰ কটুক্তিৰ ভয়ত সেই লোভ ত্যাগিবলৈ হ'লেও বাদ দিবলগীয়াত পৰিল অৰুনাভে ।

(২)

"আলো অন্ধকারে যাই মাথার ভিতরে
স্বপ্ন নই, কোন একবোধ কাজ করে ।
স্বপ্ন নই শান্তি নই- ভালোবাসা নই,
হৃদয়ের মাঝে একবোধ জন্ম লয় ।......"

জীৱনানন্দদাশৰ "বোধ" কবিতাটিৰ ভাল লগা শাৰী কেইটা মুখেৰে আওঁৰাই আহি থাকোতে কেতিয়ানো বাছখন কলেজ ষ্টপেজত বৈ গ'ল অৰুনাভে ধৰিবই নোৱাৰিলে । গা-টো ভালদৰে ভাঙি সি বাচৰ পৰা নামি প্ৰথমেই হাতগড়ীটোলৈ চালে -আঠ বাজিছে । নিশাৰ ভাত সাজ খাবলৈ এতিয়াও বহু সময় আছে । একেকোবে ভাত সাজ খাই উঠি পঢ়িবলৈ বহাৰ পৰিকল্পনা লৈ এই সময় ছোৱা কলেজৰ গেটৰ ওচৰত থকা পিলাৰটোত বহি কটাবলৈ সিদ্ধান্ত ল'লে ।

(৩)

"Verse, fame and Beauty are iriknse indeed
But death inlenser- Death is fife's high need"
- Keats

অৰুনাভ স্বভাৱতে বৰ কল্পনা প্ৰৱন । সি কল্পনাৰে গঢ়ি পিটি নিটোল কৰি লব বিচাৰে দৈনন্দিন জীৱনত মানুহে পাই থকা সতেজ নিস্তেজ সকলোবোৰ অনুভূতি আৰু অনুভৱক । সেয়ে এই সময়খিনিকো সি বাস্তৱৰ পৰা আঁতৰাই লৈ যাব বিছাৰিছে । এইয়া তাৰমতে হেনো একপ্ৰকাৰৰ স্বাৰ্থপৰতাহে । মাজে মাজে অৰুনাভে চিন্তা কৰিবলৈ একো বিষয় নাথাকিলে, কিয় আজি তাৰ চিন্তা কৰিবলৈ একো নাই তাকে চিন্তা কৰি বহু সময় পাৰ কৰি দিয়ে । বাচখনে শেষৰটো ষ্টপেজত যাত্ৰীক নমাই অহা বাটে উভটি গ'ল । অলপ আগতে নিকা হৈ থকা বতাহ খিনিক বাচখনে এৰি যোৱা দুগৰ্ন্ধময় ধোঁৱাখিনিয়ে চুই গ'ল । সি লাহেকৈ পেণ্টৰ পকেটৰ পৰা ৰুমালখন উলিয়াই নাকটো ঢাকি পাৰহৈ যোৱা বাছখনৰ বেকলাইটৰ একেবাৰে ক্ষীৰ্ণপোহৰ খিনিলৈ দৃষ্টিৰ আঁতৰ নোহোৱা পৰ্যন্ত চাই ৰ'ল ।

যদিও এই পৰিবেশটোৰ লগত চিনাকী হোৱা অৰুনাভৰ বৰ বেছিদিন হোৱা নাই, তথাপি কিয় জানো তাৰ এই পৰিবেশটোৰ প্ৰতি ইমান দুৰ্বলতাই গঢ় লৈ উঠিছে । বুজি পোৱা হোৱাৰে পৰা এই ঠাইখনৰ নাম সি শুনি আহিছে । সৰুতে সাধাৰণজ্ঞানৰ পৰীক্ষাত বহুবাৰ সি এই ঠাইখনৰ নাম উল্লেখ কৰি আহিছে । বহু কবি সাহিতিকৰ নান্দনিক বৰ্ণনাৰ পৰা সি অভিভূত হৈছে বহুবাৰ । এই কলেজলৈ অহাৰ আগতে এই পৰিবেশ তাৰ বাবে আছিল শাৰী শাৰী বৃক্ষৰ বুকুত শুই থকা কৃষ্ণচূড়া ফুলবোৰৰ হৃদয়ত মৰমৰ উষ্ণ সুৱাস ঢালি বৈ যোৱা এজাক বতাহ, যি বতাহজাকে কাষৰ সেউজী পাহাৰৰ উঠন বুকুত খুন্দা খাই উভতি আহি প্ৰাণচঞ্চল ডেকা গাভৰুৰ মন পৰশত ৰচনা কৰে আত্মনা অনুভৱৰ অবুজ জোৱাৰ তোলা এক সৃষ্টিধৰ্মী পৰিবেশ । বাস্তৱত কিন্তু চিৰযৌৱনা সেই জালুকবাৰীখন সি নাপালে । সধবা জালুকবাৰী যেন বিধবা হ'ল - তাৰমনত অজানিতে এনে এটা ধাৰণাই জন্ম ল'লে । লগৰ বন্ধু-বান্ধৱৰ লগত যেতিয়া সি আবেলিৰ বেলিৰ মুনিচুনি হেঙুলী আভাৰ তলেৰে ফুৰিবলৈ ওলাই আহে, তেতিয়া তাৰ মনত কিছুমান বিমূৰ্ত, নিৰ্বাক অনুভৱে জন্ম লাভ কৰে - এইয়া যেন সি বিচৰা জালুকবাৰী নহয় । কোনোবাই যেন তাক আভুৱা ভাৰিছে এই পৰিবেশটোৰ লগত পৰিচয় কৰাই দি । এনেবোৰ ভাৱনাক উপলব্ধিৰ শীৰ্ষত ৰাখি মহাবিদালয়ৰ আবাসিক অঞ্চলবোৰলৈ যোৱা পথটোত থকা কাঠৰ দলং খনত ভেজা দি সি চাই থাকে কেতিয়াবা দূৰৈৰ মেঘালয়ৰ অস্পষ্ট পাহাৰবোৰলৈ ।

(৪)

" ............................
............ মোৰ বন্ধুবোৰে মণিপুৰ অথবা মিজোৰামত
শিকলিবোৰ ছিঙাৰ সময়ত ........................
আপাটনী যুৱকৰ মাঁকে খেতিত অথবা
আঘোন হঁালৈৰ ধাননি পথাৰত
অশ্ৰুবোৰ অস্ত্ৰ হোৱাৰ সময়ত
মোৰ অথবা প্ৰসেন আংগামীৰ কাঁড়ত
বলীয়া হাতীটো আহত হোৱাৰ সময়ত
..................................................
...... তেওঁ অহাৰ মই গোন্ধ পাঁও .......... ।
..............................................
- ৰাজেন শৰ্মা

তাৰ মনত পৰিল শৈশৱৰ বন্ধু অৰিন্দ্ৰমলৈ । সি বৰ ভাল কবিতা আবৃত্তি কৰিছিল । তাৰ এতিয়াও কাণত ভাঁহি উঠে অৰিন্দ্ৰমৰ গুৰুগম্ভীৰ স্বৰ্‌ত ৰাজেন শৰ্মাৰ সেই কবিতাটি ।

অৰুনাভৰ বন্ধুৰ সংখ্যা তেনেই সীমিত । সি প্ৰত্যেকটো বিষয়কে বিশ্লেষণ কৰে গুণগত দিশটোৰ ফালৰ পৰাহে, সংখ্যাগত দিশৰপৰা নহয় । শৈশৱ-কৈশোৰৰ দিনকেইটা সি অৰিন্দ্ৰমৰ লগত বহু অন্তৰংগ মুহূৰ্তৰ সুমধুৰ অভিজ্ঞতাৰে পাৰ কৰিছিল ।

অৰুনাভহঁতৰ ঘৰৰ নাতিদূৰত এখন চাহ-বাগিছা আছে। সেইখনৰ প্ৰতি দুয়োটা বৰ দুৰ্বল আছিল। সিহঁতে চাহ-বাগিছাখনৰ ওচৰ পালে নিজৰ মাজতে অঁপেনত মগজুৰে কথা পাতিছিল এটি কলি দুটি পাতৰ কথা। অৰিন্দম আৰু অৰুনাভ উভয়েই ভাল ফুটবল খেলিছিল। দুই এজাক বৰষুণে বোকাময় কৰি তোলা অৰুনাভৰ ঘৰৰ সম্মুখৰ পথাৰ খনত সিহঁতে বোকা পানী খচকি আনন্দত আত্মহাৰা হৈ পৰিছিল। স্কুলৰ পৰা উভটি আহিয়েই বহী-কলম অ'ত ত'ত পেলাই সিহঁতে পোনচাটেই দৌৰ মাৰিছিল বোকাময় পথাৰখনৰ ফালে- তেতিয়া সিহঁতৰ সম্মুখত হেজাৰটা প্ৰতিবন্ধকে দেখা দিলেও যেন সিহঁতে তাক আনায়েসে অতিক্ৰম কৰিব। সেইদিনবোৰ সঁচাকৈয়ে বৰ মধুৰ আছিল, কেনেকৈ স্কুললৈ যাওঁতে লোকৰ বাৰীৰ বগৰী, মধুৰি আদিত ফৰ্মুটি মাৰিছিল, কেনেকৈ নিজৰ মাজত কাজিয়া কৰি ইটোৱে সিটোৰ ভুকু-ঢকা আদি খাইছিল - এই সকোলবোৰ ঘটনা তাৰ চকুৰ আগত জল্‌জল্ পট্‌পট্‌কৈ ভাঁহি উঠিছিল। এই মধুৰ অভিজ্ঞতাবোৰ সকলোৰে আগোচৰতে স্বাৰ্থপৰভাৱে অৰুণাভে উপভোগ কৰি আত্মসন্তুষ্টি লভে। সেই অৰিন্দমক সি বহুবছৰ লগ পোৱা নাই। সি সৰুৰে পৰা এক প্ৰতিবাদী মানসিকতাৰে গঢ় লৈ উঠিছিল। যিটো বয়সত অৰুনাভৰ মগজুৱে মাৰ্ক্সবাদ লেনিন বাদ তথা অৰ্থনৈতিক শোষণ আদি শব্দবোৰৰ অৰ্থ ঢুকিয়েই পোৱা নাছিল, তেতিয়াই অৰিন্দমে তাক বুজাইছিল, -"বুজিছ অৰুনাভ, মাৰ্ক্সবাদ এটি সুসামঞ্জস্য আৰু সু সংহত মতবাদ, ইয়াৰ আছে অঙ্গাঙ্গীভাৱে সংশ্লিষ্ট তিনিটা উপাদান- দৰ্শন, ৰাজনৈতিক অৰ্থনীতি আৰু বিজ্ঞান সম্মত সাম্যবাদ ....."।

চাহ বাগিছাৰ মাজে মাজে গৈ থাকোতে অৰিন্দমে তাক কৈছিল চাহপাতৰ বুকুত থকা অৰ্থনীতিৰ চহকী সম্ভাৱনাৰ কথা। সি দূৰৈৰ মগলু, তৰবৰীহতঁৰ লাইনৰ ফালে আঙুলিয়াই কৈছিল, "সেই যে মানুহচাম দেখিছ, সিহঁতৰ জীৱনটো কেনেকুৱা জান, ৰাষ্টাত ঘূৰি-ফুৰা কুকুৰ-মেকুৰীৰ দৰে- যাৰ জীৱনৰ আয়ুস ৰেখা নিৰ্ভৰ কৰে কেৱল গাড়ী-মটাৰৰ খুন্দাৰ ওপৰত। এইচাম মানুহক একেটা উদ্যোগিক আৱেষ্টনীৰ মাজত মালিকবোৰে ৰাখি থয়। শিক্ষা-দীক্ষাটো বাদহৈ, জীয়াই থকাৰ নুন্যতম আহিলাখিনিৰো যোগান ধৰিবলৈ টান পায়। বুজিছ অৰুনাভ, এই মানুহবোৰক মালিক গোষ্ঠীয়ে শিক্ষা-দীক্ষা নিদিয়ে এইকাৰণেই যে শিক্ষা দীক্ষাৰে আলোকিত হৈ এই সহজ-সৰল মানুহ চামে তেওঁলোকৰ বিৰুদ্ধে এদিন প্ৰতিবাদৰ সবল ধ্বজা বহন কৰে বুলি। শোষন, ন্যায় অধিকাৰ আদি শব্দবোৰ ভালদৰে বুজি নোপোৱা আজি যদি মগলু ওৰাং এ তাৰ দা খন মালিকৰ ফালে টোৱাই ৰাতিৰ ভাতসাজাৰ যোগাৰ কৰি দিবলৈ চিঞৰি চিঞৰি টেঁটুফালি থাকে, তেতিয়া কি হ'ব জান। মই আগতে কোৱা কুকুৰ-মেকুৰীবোৰৰ দৰে। বুজিছ, এই মানুহচামৰ জীৱন-মৰণৰ তুলাচনীখন এই মালিকবোৰৰ হাততেই আছে .....।"

যদিও অৰিন্দমে এই কথাবোৰ অৰুনাভক কৈ থাকে, তাৰ মগজুত কিন্তু এইবোৰ একো নোসোমায়, তথাপি সি সকলো কথাই বুজি পোৱাৰ দৰে অৰিন্দমৰ প্ৰতিটো কথাতে ইতিবাচক সহাঁৰি দি মূৰ দুপিয়াই গৈ থাকে।

অৰিন্দমৰ সৈতে অৰুণাভে ডিব্ৰুগড় ৰেলৱে ষ্টেচনলৈ গ'লে অৰিন্দমে কিছুমান এনে কথা কয় যিবোৰ কথাই আজিকালিও তাৰ মনত খুন্দিয়াই থাকে। এদিনাখন ষ্টেচনত ফাটি-চিটি উৰলি যোৱা কাপোৰ-পিন্ধি থকা এগৰাকী অস্থি-চৰ্মসাৰ মহিলাৰ ফালে আঙুলিয়াই অৰিন্দমে তাক কৈছিল, "সেই মানুহজনীৰ কাষলৈ গৈ টায়াৰ আৰু ফটা কাপোৰৰ জুইত সিজোৱা দুপৰীয়াৰ ভাত সাজ চাই আহঁগৈচোন।" অৰিন্দমৰ কথামতে সি গিমানে মানুহজনীৰ কাষলৈ আগবাঢ়ি গৈছিল, সিমানেই এটা দুৰ্গন্ধই তাক চানি ধৰিছিল। মুখৰ পৰা ওলাই আহিব ধৰা বমি বমি ভাবটোক সি থুঁলে পৰিণত কৰি ইফালে-সিফালে থুৱাই নাকত ভালদৰে সোপা দি মানুহজনীয়ে সিজোৱা বস্তুখিনি চাই আহিছিল। অৰিন্দমে তাক কৈছিল, "অৰুনাভ, তই তাইৰ ভাগৰ পৰা অলপ ভাত খাব পাৰিবি নে ?" সি সেমেনা-সেমেনিকৈ অৰিন্দ্ৰক নেতিবাচক উত্তৰ দিছিল। তেতিয়া অৰিন্দমে কৈছিল, "তই কিয় ? মই তথা আমি গঢ়া এই ভণ্ড সমাজখনৰ কোনো এজনেও এইবোৰ খাব নোৱাৰে, সাধাৰণ অৰ্থত এইবোৰ আমাৰ বাবে অভক্ষ্য। অথচ, চা-চোন এই মানুহজনী আৰু তাইৰ পৰিয়ালৰ বাবে এইবোৰেই ভোক নিবাৰণৰ একমাত্ৰ সম্বল। তই মাছ আৰু শাক-পাচলিৰ বজাৰত এইচাম মানুহৰে ল'ৰা-ছোৱালীবোৰে কেনেদৰে খাদ্যৰ সন্ধান কৰি ফুৰে দেখিছ নে নাই ? থু, খেকাৰ, বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ থকা পদপথ তথা জাৱৰৰ দ'মত কেনেকৈ ইহঁতে খোৱা বস্তুৰ বাবে কাজিয়া কৰি চিঞৰ-বাখৰ কৰি থাকে দেখিছ, এবাৰ ভাবি চানচোন এই মানুহবোৰৰ জীৱনৰ কথা। এই জীৱনবোৰক আমি সিহঁতৰ বাবে অভিশাপ বুলি ঘৰিয়ালৰ চকুপানী টোকো। আচলতে সেইটো সঁচা নহয় জান অৰুনাভ। সিহঁত আমাতকৈ বহু সুখী, তাঁহাতে জীৱনত জটিলতা শব্দটোৰ ব্যৱহাৰৰ কথা কেতিয়াও চিন্তা নকৰে। সিহঁতৰ চিন্তাবোৰ একেবাৰে সহজ সৰল জটিলতা বিহীন। কিন্তু আমাৰদৰে মানুহবোৰ অভাৱী নহ'লেও, ভালদৰে জীয়াই থাকিবৰ বাবে সকলো খিনি সুবিধা পোৱাৰ পাছতো আমি অসুখী। আমি তথাকথিত এই সভ্য-সমাজৰ মানুহবোৰ মানসিক-নৈতিকভাৱে সম্পূৰ্ন কোঙা; আমি সকলোৱে আমাৰ অন্তৰৰ মানৱীয় গুণবোৰক এটা এটাকৈ কবৰ দিছোঁ। আমিবোৰ ইমানেই স্বাৰ্থপৰ যে এইচাম মানুহৰ কথা চিন্তা কৰিবলৈ অকণমানো

সময় উলিয়াব নোৱাৰো । আমি কেৱল নিজক লৈয়ে ব্যস্ত । আমি পাই থাকিলেও টেটুৰ গুৰি পূৰ নোহোৱালৈকে চিঞৰি থাকো । "You know Arunabh. We are totally selfish. we can think only for ourselves not for others......" এনেদৰে কৈ থাকে অৰিন্দ্ৰমে বহুকথা অনৰ্গলভাৱে । অৰুণাভে কথাবোৰ শুনি যায় নীৰৱে । সি বহুদিন মন কৰিছে, এনেধৰণৰ কথাবোৰ কওঁতে অৰিন্দ্ৰমৰ মুখখন খঙ আৰু ক্ষোভত টিকটিকীয়া ৰঙা হৈ পৰে । অৰুণাভে তাৰ কান্ধত ধৰি তাৰ তীব্ৰ মানসিক যাতনাবোৰক উপশম কৰিবৰ বাবে সান্ত্বনা দি ওভোটাৰ বাটত খোজ পেলাব ধৰে ।

সেই অৰিন্দ্ৰমকে সি বহুদিন লগ পোৱা নাই । সি নাজানে অৰিন্দ্ৰম ক'ত, কেনেদৰে থাকে । যোৱাবছৰ গুৱাহাটীৰ পানবজাৰৰ শ্বেখ-ব্ৰাদাৰ্চৰ ওচৰত অৰিন্দ্ৰমক সি শেষবাৰৰ বাবে লগ পাইছিল । পুৰণি বন্ধুক লগ পাই দুয়োটাই আনন্দত মুখেৰে একো ক'ব পৰা নছিল । তাৰপিছত উভয়ে উভয়ক নিজৰ মনৰ মাজত সংগোপনে অতদিনে সাঁচি ৰখা অতবোৰ কথা এটাৰ পাছত এটাকৈ কৈ গৈছিল । সেই লগপোৱাই তাহাঁতৰ মাজত শেষ লগপোৱা আছিল । তাৰপিছত অৰুনাভে আৰু তাৰ খবৰ পোৱা নাই । এতিয়া তাৰ কাণত ভাঁহি উঠে অৰিন্দ্ৰমৰ কণ্ঠত অকালতে প্ৰাণ হেৰুৱা বঙালী কবি সুকান্তৰ কথাবোৰ -

"........... বাঁচতে ইচ্ছা করে, ..... কিন্তু মৃত্যু ঘনিয়ে আসছে, প্রতিদিন ষড়যন্ত্র করছে সভ্যতার সঙ্গে । তবু একটা বিরাট পরিবর্তনের মূল্য যে দিতেই হবে । ........

আবার পৃথিবীতে বসন্ত আসবে, গাছে ফুল ফুটবে । শুধু তখন থাকব না আমি, থাকবো না আমার ক্ষীণতম পরিচয় । তবুতো জীৱন দিয়ে এক নতুনকে সার্থক করে গেলাম । ......."

(৫)

ইতিমধ্যে কলেজৰ লাষ্ট বাচ খন অহাবাটে উভটি গ'ল । অৰুনাভে নিস্তব্ধতাৰ সতে' মিতিৰালি পাতি আজি নিজকে বৰ সুখী যেন অনুভৱ কৰিছে । পৰিশ্ৰান্ত জীৱনটোৰ যে অলপ বিশ্ৰামৰ প্ৰয়োজন সি অতদিন ব্যস্ততাৰ বাবে অনুভৱেই কৰিব পৰা নাছিল । তাৰ অভাৱী অনুভৱে যেন নিজৰ অস্তিত্বৰ কথা একমাত্ৰ জালুকবাৰীৰ এই নিৰৱতাখিনিৰ বাবেই উপলব্ধি কৰিলে । সমস্যাবহুল এই পৃথিৱীখনৰ বিষয়ে অলপ অচৰপ জানিয়েই সি বৰ বিভ্ৰান্ত হৈ পৰিছে । জীৱনত সি এনে এটা মুহুৰ্ত আজিলৈকে উপভোগ কৰা নাই যিটো সম্পূৰ্ন চিন্তাৰ পৰা মুক্ত । সি যদিও বাহিৰত সকলোৰে সৈতে হাঁহি-স্ফুৰ্তিৰ মাজেৰে অতিবাহিত কৰে, কিন্তু সি কঢ়িয়াই লৈ ফুৰা মানসিক অন্তৰ্দ্বন্দৰ বিশাল ক্ষেত্ৰখনৰ বিষয়ে কোনোদিনেই কাকো জনাবলৈ প্ৰয়োজন অনুভৱ নকৰে । সি এই পৃথিৱীখনৰ প্ৰতিটো বিষয়কে অলপ বেলেগ দৃষ্টিভঙ্গীৰে চায় । দৈনন্দিন জীৱনত প্ৰতিটো সিদ্ধান্তক গ্ৰহণ কৰাৰ আগতে সি সুক্ষ্মাতি-সুক্ষ্মভাৱে বিষয়বস্তুক বিশ্লেষণ কৰি চায় । অৱশ্যে সি কেতিয়াও নিজৰ সিদ্ধান্তবোৰক সম্পূৰ্ণ শুদ্ধ বুলি দাবী নকৰে, তাৰমতে সকলো মানুহৰ চিন্তা কৰাৰ অধিকাৰ আছে আৰু প্ৰত্যেক মানুহে সেই অধিকাৰৰ সদব্যৱহাৰ কৰি নিজৰ যুক্তি আৰু বিবেকৰ মাধ্যমেৰে নিজৰ দৃষ্টিত যিটোকে উচিত বুলি গন্য কৰে তাকে নিজৰ সিদ্ধান্ত বুলি দাঙি ধৰিবলৈ কুণ্ঠাবোধ কৰিব নালাগে । অৱশ্যে এই সিদ্ধান্তবোৰত অনেকখিনি ভুল ভ্ৰান্তি থাকি যায়, যিবোৰক সিদ্ধান্ত দাঙি ধৰাজনেও অনুধাবন কৰিব নোৱাৰে । সেইকাৰণেই অৰুনাভে তাৰ বন্ধু অলকেশে মদ খাই উদ্ভণ্ডালি কৰিলেও মাত্ৰ নীৰৱ দৰ্শক হৈ থাকে ।

অলকেশে বৰ বেছি মদ খায় যদিও অৰুনাভে ল'ৰাটোক বেয়া নাপায় । সেই অলকেশেই অত্যাধিক মদ্যপান কৰি তাক কৈছিল, "অৰুণাভ, সকলোবোৰ মদাহীয়েই বেয়া নহয় আৰু এটা কথা মনত ৰাখিবি মদ খোৱা নোখোৱাৰ ওপৰতে মানুহ এজন ভাল নে বেয়া তাক কোনেও ক'ব নোৱাৰে । মানুহক ভাল বেয়া চিনিব পাৰি কেৱল তাৰ দুষ্কাৰ্য্যৰ পৰাহে, মই এই যে মদবোৰ খাইছো মইটো কাকো অপকাৰ কৰিব খোৱা নাই । Only Iam going to destroy myself । অৱশ্যে এইবোৰ টকা মা-দেউতাহঁতে কষ্টেৰে উপাৰ্জন কৰা টকাহে, মোৰ নিজৰ উপাৰ্জন নহয় । Iam extremely sorry with them for these types of nonsense activities. অৰুণাভ, আমি গঢ়া এই ভণ্ড সমাজখনত কিমান মানুহে ভদ্ৰতাৰ ষ্টাম্প মাৰি ঘূৰি ফুৰে জান ? নাজান, আৰু তহঁতে এই জন্মত জানিবলৈ খুজিলেও নোৱাৰ । তহঁতি ভদ্ৰ মানুহবোৰেতো মোক মদ খাই থকা দেখিলে তহঁতৰ গান্ধীজীৰ সেই তিনি-বান্দৰৰ চকু ঢাকি থকা বান্দৰটোৰ কথা মনত পেলাই চকুত কাপোৰ বান্ধিবলৈহে চেষ্টা কৰ আৰু তহঁতৰ কিছুমানেতো আমাক লেতেৰা জাৱৰ-জোথৰৰ দৰে গণ্য কৰি মনৰ ভিতৰতে থুৱাই থৈ যায় । বুজিছ, আমি গান্ধীজীৰ আদৰ্শ ল'ব নাযাওঁ । তহঁতৰ গান্ধীজীয়েতো কেৱল বেয়া কথা নক'বা, বেয়া বস্তু নাচাবা আৰু বেয়া কথা নুশুনিবা বুলিহে কৈ গ'ল, কিন্তু তেওঁতো কোনোদিন নিশাৰ অন্ধকাৰত ব্যভিচাৰেৰে নিজৰ আচল ৰূপ দাঙি ধৰা চামটোৰ বাবে কৈ নগ'ল, যে বোপাই, তহঁতি বেয়া কথা চিন্তা নকৰিবি, বেয়া কাম নকৰিবি বুলি । বুজিছ, These Three monkeys are not symbol of purity. এইবোৰ সকলো ভণ্ডামি বুজিছ, ইয়াৰ বাহিৰে আন একো নহয় ... ।"

অলকেশে নিজৰ কথাৰ মাজতে অলপ ৰৈ মদেৰে পৰিপূৰ্ণ গ্লাচটোত সোহা এটা মাৰিলে, "অৰুণাভ, তহঁতৰ দৰে আমিও এখন সুন্দৰ পৃথিৱী ৰচনা কৰিব বিচাৰো, সেইখন পৃথিৱীত

# বিপ্লৱী সংস্কৃতি

◆ ইজমাইল হোছেইন
তৃতীয় ষাণ্মাসিক

চীন-বিপ্লৱৰ নেতা মাও চে তুঙে এক লেখাত উল্লেখ কৰিছিল যে বিপ্লৱী-সংস্কৃতি জনসাধাৰণৰ ব্যাপক সংখ্যাকৰ বাবে এটা বৰ ক্ষমতাশালী বৈপ্লৱিক অস্ত্ৰ। (Revolutionary Culture is a Powerful revolutionary weapon for the broad masses of the people.)। ১৯৪৯ চনত সংঘটিত হোৱা চীন-বিপ্লৱৰ ক্ষেত্ৰত এইকথা বহু পৰিমাণে ফলিয়াইছেও। পৃথিৱীৰ যিবোৰ দেশত সমাজ-বিপ্লৱ সংঘটিত হৈছে সেইবোৰৰ নেতৃত্ব বহনকাৰী লোকসকলৰ সিংহভাগেই জনসাধাৰণৰ সাংস্কৃতিক জীৱনৰ সৈতে জড়িত। বহু ক্ষেত্ৰত তেওঁলোক একো একোজন সফল লিখক বা শিল্পীও। ১৯১৭ চনৰ ৰুছ-বিপ্লৱৰ নেতা ভ্লাদিমিৰ ইলিচ লেনিন, ভিয়েতনামৰ কমিউনিষ্ট নেতা হোচিমিন, কিউবা-বিপ্লৱৰ নেতা ফিডেল কাষ্ট্ৰো একো একোজন শক্তিশালী লিখকো। ফ্ৰেড্ৰিক এঙ্গেলছে সমাজ-বিপ্লৱৰ তত্ত্বগত দিশত উচ্চমানৰ লেখা আগবঢ়োৱাৰ উপৰিও তেওঁ সুন্দৰ ছবি আঁকিছিল। সেয়ে, কলম, তুলিকা আৰু কণ্ঠক সমাজ ৰূপান্তৰৰ অস্ত্ৰৰূপে প্ৰয়োগ কৰিবলৈ এওঁলোক যত্নপৰ হৈছিল। সাধাৰণতে মানুহক হত্যা কৰাৰ যি দুটা মূল অস্ত্ৰৰ কথা কোৱা হয় তাৰ ভিতৰত বন্দুক আৰু কলম অন্যতম। কিন্তু মাও চে তুঙৰ মতে "আটাইতকৈ কৌশলপূৰ্ণ ছদ্মবেশী উপায়েৰে ৰক্তপাত নোহোৱাকৈ কৰা হত্যা কলমৰ দ্বাৰাই কৰা হয়।"

> বিপ্লৱী-সংস্কৃতিৰ বাবে যিদৰে এটা বৈপ্লৱিক মতবাদ অপৰিহাৰ্য, তেনেদৰে বিদ্ৰোহাত্মক মন এটাৰো প্ৰয়োজন। বিষ্ণু প্ৰসাদ ৰাভাই কোৱাৰ দৰে বিপ্লৱ যিদৰে কটা-খোঁচা নহয় তেনেদৰে বিপ্লৱী-সংস্কৃতিও বিজুলী ঢেৰেকণি নোহোৱাকৈ বৰষুণ অহাৰ দৰে এটা পৰিঘটনা নহয়। বিপ্লৱী-সংস্কৃতিৰ পৰিবেশ এটা সমাজত গঢ়ি উঠিবলৈ হ'লে সমাজৰ কেৰোণবোৰ প্ৰথমতে নিৰ্ণয় কৰিব লাগিব। কাৰণ, কেৰোণ অবিহনে বিদ্ৰোহৰ পৰিস্থিতিৰ সৃষ্টি নহয় আৰু বিদ্ৰোহ অবিহনে বৈপ্লৱিক-সংস্কৃতিয়েও গতি লাভ নকৰে।

মাওচে তুঙে যি বিপ্লৱী-সংস্কৃতিৰ কথা কৈছিল, তাৰ বাবে তেওঁ জনসাধাৰণৰ মাজলৈ গোৱা, জনসাধাৰণৰ পৰা শিকা আৰু জনসাধাৰণৰ পৰা শিকোৱাৰো পোষকতা কৰিছিল। তাৰ মানে বিপ্লৱী-সংস্কৃতি তেতিয়াহে গঢ়ি উঠে যেতিয়া জনসাধাৰণৰ জীৱন-যাত্ৰাৰ প্ৰতিফলন সাংস্কৃতিকভাৱে ঘটে। আনহাতে লেনিনে এই বিপ্লৱী সংস্কৃতিৰ উত্থান আৰু বিকাশৰ বাবে মূল উপাদানৰূপে বিপ্লৱী মতবাদ গ্ৰহণ কৰিবলৈ জনসাধাৰণ আৰু সংগঠনসমূহক নিৰ্দেশ দিছিল। লেনিনৰ মতে, "বিপ্লৱী মতবাদ নাথাকিলে কোনো বিপ্লৱী আন্দোলনেই সম্ভৱ হ'ব নোৱাৰে।"

বিপ্লৱী মতাবাদ সেইসকলেহে গ্ৰহণ কৰিব পাৰে যিসকলৰ বিদ্ৰোহ কৰাৰ প্ৰবৃত্তি থাকে। সমাজতাত্ত্বিক ৰবাৰ্ট লিণ্ডাৰে বিদ্ৰোহ কৰাৰ প্ৰবৃত্তিক মনুষ্যত্বৰ এটা প্ৰধান লক্ষণ বুলি অভিহিত কৰিছে। তেওঁৰ মতে মানুহৰ দৰে জীয়াই থাকিবলৈ হ'লে মানুহে বিদ্ৰোহ কৰিবই লাগিব।

বিপ্লৱী-সংস্কৃতিৰ বাবে যিদৰে এটা বৈপ্লৱিক মতবাদ অপৰিহাৰ্য, তেনেদৰে বিদ্ৰোহাত্মক মন এটাৰো প্ৰয়োজন। বিষ্ণু প্ৰসাদ ৰাভাই কোৱাৰ দৰে বিপ্লৱ যিদৰে কটা-খোঁচা নহয় তেনেদৰে বিপ্লৱী-সংস্কৃতিও বিজুলী ঢেৰেকণি নোহোৱাকৈ বৰষুণ অহাৰ দৰে এটা পৰিঘটনা নহয়। বিপ্লৱী-সংস্কৃতিৰ পৰিবেশ এটা সমাজত গঢ়ি উঠিবলৈ হ'লে সমাজৰ কেৰোণবোৰ প্ৰথমতে নিৰ্ণয় কৰিব লাগিব। কাৰণ,

কেৰোণ অবিহনে বিদ্ৰোহৰ পৰিস্থিতিৰ সৃষ্টি নহয় আৰু বিদ্ৰোহ অবিহনে বৈপ্লৱিক-সংস্কৃতিয়েও গতি লাভ নকৰে।

অকল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ সমাজ-জীৱনৰ বিভিন্ন দিশত কেৰোণবোৰ এনেকৈ শিপাইছে যে ইয়াৰ নিৰাময়ৰ বাবে যেন সাংবিধানিক কাঠামোৰে ভিত্তিত গঢ়ি উঠা গণতান্ত্ৰিক পদ্ধতিবোৰ অকামিলা হৈ পৰিছে। বিশেষকৈ অসমৰ সমাজ-জীৱনৰ কেৰোণবোৰে জনসাধাৰণৰ স্বাভাৱিক জীৱন-ব্যৱস্থা দুৰ্বিসহ কৰি তুলিছে। দুৰ্নীতি, স্বজন-প্ৰীতি, লুণ্ঠন, সামাজিক-সাংস্কৃতিক অৱক্ষয়, ৰাজনৈতিক বঞ্চনা আৰু ভণ্ডামী আদিৰ প্ৰকোপত কাঠ এডাল ঘূণে খাই শেষ কৰাতকৈও অধিক ঠুনুকা হৈ পৰিছে আমাৰ সমাজ ব্যৱস্থাৰ ভেটি। এনে পৰিবেশত স্বাভাৱিকতেই আমাৰ সমাজ-জীৱনত বিদ্ৰোহাত্মক পৰিবেশ এটাৰ সৃষ্টি হোৱা প্ৰয়োজন; কিন্তু দেখা গৈছে যে স্বাৰ্থ আৰু প্ৰলোভনৰ পিছে পিছে দৌৰি জনসাধাৰণে বিদ্ৰোহৰ কথা পাহৰি গৈছে, সকলো কথা সহজভাৱে গ্ৰহণ কৰি লৈছে যেন অনুমান হৈছে। জনসাধাৰণৰ এনে নীৰৱতা আৰু নিৰ্লিপ্ততাৰ বাবেই লুণ্ঠনকাৰীয়ে লুণ্ঠন কৰিছে, হত্যাকাৰীয়ে হত্যা কৰিছে, ধৰ্ষণকাৰীয়ে ধৰ্ষণ কৰিছে, দুৰ্নীতিকাৰীয়ে অবাধে দুৰ্নীতি কৰি আছে আৰু সাম্প্ৰদায়িক শক্তিয়ে ছেগ বুজি ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায়ৰ নামত মানুহবোৰক ভাগ ভাগ কৰি আছে।

জনসাধাৰণক ধৰ্ম-বৰ্ণ নিৰ্বিশেষে একেটা মঞ্চত গোট খুৱাই বৈপ্লৱিক-ক্ৰিয়া-কাণ্ডত জড়িত কৰাৰ অন্যতম পথ হ'ল সাংস্কৃতিক সমন্বয়। আনহাতে বিপ্লৱী-সাংস্কৃতিৰ উত্থানৰ সৈতে মানুহৰ যুক্তি প্ৰয়াসৰ সম্পৰ্ক থাকে। এনে অৰ্থত যুক্তি-প্ৰয়াসী বিভিন্ন সম্প্ৰদায়ৰ মানুহবোৰক একেলগে একত্ৰিত কৰিবলৈ হ'লে ইজনে-সিজনৰ কাষ চাপিব লাগিব আৰু পৰস্পৰে পৰস্পৰক বুজাৰ চেষ্টা কৰিব লাগিব। সমাজৰ যিকোনো স্তৰতে বৈপ্লৱিক-পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ হ'লে আমি প্ৰথমতে শ্ৰেণী-দৃষ্টিভঙ্গীৰ গুৰুত্ব উপলব্ধি কৰিব লাগিব। কাৰণ, আমি যিসকলক লৈ শ্ৰেণী-সংগ্ৰামৰ সপোন ৰচোঁ, সেইসকল নিপীড়িত আৰু অৱহেলিত লোকৰ হাততেই থাকে বৈপ্লৱিক অস্ত্ৰ আৰু বিপ্লৱৰ পৰিস্থিতি সৃষ্টিৰ বাবে অপৰিহাৰ্য ক্ষোভ; যাক আমি বিদ্ৰোহী-মানসিকতা বুলিও কওঁ। অন্যায়, অবিচাৰ, শোষণ, নিপীড়ণৰ বিৰুদ্ধে শোষিত-নিপীড়িতসকলৰ মনত সৃষ্টি হোৱা ক্ষোভ আৰু তাৰ বিস্ফোৰণৰ দৰে শক্তিশালী শাণিত অস্ত্ৰ সম্ভৱত আন একোৱেই থাকিব নোৱাৰে। এই অস্ত্ৰক সঠিকভাৱে নিৰ্দ্দিষ্ট পৰিসৰত ব্যৱহাৰ কৰিবলৈ হ'লে নিপীড়িতসকলৰ মাজত চেতনা বৃদ্ধি কৰিব লাগিব। চেতনা বৃদ্ধি কৰাৰ প্ৰধান চৰ্ত হৈছে উপযুক্ত শিক্ষা। কাৰণ, যিমানদিনে জনসাধাৰণৰ ব্যাপক অংশ অশিক্ষিত হৈ থাকিব সিমানদিনে তেওঁলোকৰ ওপৰত প্ৰয়োগ কৰা নিৰ্যাতনৰ চাবি-কাঠি খোলাটো সম্ভৱ নহ'ব।

বিপ্লৱী-সংস্কৃতি সন্দৰ্ভত আলোচনাৰ পাতনি মেলাৰ পিছত প্ৰশ্ন হ'ব পাৰে সংস্কৃতি মানেনো কি ? সংস্কৃতি অৱসৰ-বিনোদনৰ এটা সামগ্ৰী অথবা বিলাসী প্ৰদৰ্শন নহয়। সংস্কৃতি হ'ল জীৱনৰ সৈতে যুক্ত এটা উপাদান, যাৰ সফল প্ৰয়োগে সমাজ এখনৰ গতি নিৰ্ণয় কৰে। সংস্কৃতিৰ প্ৰয়োগৰ ক্ষেত্ৰত স্থানীয় সমাজৰ অৱস্থাৰ মূল্যায়ন অৱশ্য প্ৰয়োজনীয় কথা। সমাজৰ স'তে খাপ নেখালে সংস্কৃতি অপ-সংস্কৃতিত পৰিণত হ'ব পাৰে। সংস্কৃতিৰ সফল প্ৰয়োগে শাসক-শোষক আৰু স্বৈৰাচাৰী শ... মুৰ-কামোৰণিৰো সৃষ্টি কৰিব পা... ইহুদি জাতি নিধনত আত্মনিয়োগ... ফেচিবাদৰ শিৰোমণিৰূপে পৰিচ... কৰা জাৰ্মানীৰ হিটলাৰে সংস্কৃতিৰ ... শুনিলেই হাতত পিষ্টল তুলি লৈ ... নিঃশেষ কৰাত লাগিছিল। এনে ... প্ৰকৃত সংস্কৃতিৰ গুৰুত্ব আৰু ... সেই কথা অতি সহজতে বুজিব পাৰি ... বিপ্লৱী গণশিল্পী বিষ্ণুৰাভাই ... কৃষ্টি' শীৰ্ষক আলোচনাত সংস্কৃতিৰ ... আগবঢ়াই কৈছিল যে, "... প্ৰয়োজনত যাৰ জন্ম, ... সংগ্ৰামত যি শকতি, জীৱন-যাত্ৰাৰ ... উদ্দেশ্য সিদ্ধিত যি মুকুতি ... কৃষ্টি, প্ৰকৃত সংস্কৃতি, (Real) ... কাল্চাৰ। জীৱন-যাত্ৰাৰ ঘাত-প্ৰতিঘাত... যেনেকৈ কৃষ্টিৰ ৰূপান্তৰ হয়, সংস্কৃতি... আলম লৈ জীৱন-যাত্ৰাও তেনেকৈ ... আগুৱাই যায়। গতিকে জীৱন-যাত্ৰাৰ ... লগত কৃষ্টি-সংস্কৃতি ওতঃপ্ৰোতভাৱে ... জড়িত।' ৰাভাৰ মতে, "অসমীয়া ... সংস্কৃতি আৰু সভ্যতা নিৰ্বাতি... নিষ্পেষিত দুখীয়া কৃষক ... অসমীয়াইহে আজিও অৱহেলিত... জীয়াই ৰাখিব পাৰিছে, বিবিলেক... আজিও আমি গৌৰৱ অনুভৱ কৰি... পাৰো, অসমীয়া বুলি জগতত চিনাকি... পাৰো। গতিকে অসমীয়া জাতিৰ ... এই হোজা দুখীয়া গাঁৱলীয়া ... হাততহে।'

অসমীয়া সংস্কৃতিৰ শ্ৰেণী... অৱস্থাত নিৰ্ণয় কৰি তাক সমাজ ... অস্ত্ৰৰূপে ব্যৱহাৰ কৰাৰ বৈপ্লৱিক ... পদ্ধতি আজিও হাতত লোৱা হো... নাই। সেই কাৰণেই অৰ্থনৈতিক শ্ৰেণী... বিভাজন আৰু শোষণ যুগ যুগ ... অব্যাহত থকাৰ পিছতো বৈপ্লৱি... পৰিৱৰ্তনৰ কথা অসমৰ জনসাধাৰণে... গভীৰভাৱে চিন্তা কৰিব পৰা নাই...

জ্যোতিপ্ৰসাদ আগৰৱালাই কোৱাৰ দৰে হকে যুঁজকাৰী জনগণৰ সৰ্বাত্মক মুক্তিৰ অৰ্থে আৰু শ্ৰেণীপ্ৰভু বুৰ্জোৱাহঁতৰ কবলে মুক্তি দিব নোৱাৰা মানে আজিৰ সমাজত প্ৰকৃত অৰ্থত মহৎ শিল্প-সাহিত্যৰ সৃষ্টি অসম্ভৱ', তেনেদৰে সমাজৰ নিপীড়িত আৰু অৰ্থনৈতিকভাৱে শোষিত লোকৰ প্ৰগতি আৰু সমৃদ্ধিৰ পথে মুক্তি দিব নোৱাৰিলে বাস্তৱিক অৰ্থত প্ৰকৃত আৰু বৈপ্লৱিক সংস্কৃতি গঢ়ি তোলা অসম্ভৱ।

অসমখন বিভিন্ন জাতি-গোষ্ঠীৰ মিলনৰ বাসভূমি। ইয়াৰ এটা জনগোষ্ঠীৰ লগত আন এটা জনগোষ্ঠীৰ জীৱন-যাত্ৰা আৰু সমাজ পদ্ধতিত ভিন্নতা থকা স্বত্বেও এওঁলোকৰ মাজত অৰ্থনৈতিক শ্ৰেণী-বিভাজনৰ ৰেখাডাল একেই। সেয়ে এওঁলোকৰ মাজত শ্ৰেণীগত অৱস্থান স্থিৰ কৰি এওঁলোকৰ সমাজ-জীৱনৰ লগত জড়িত সংস্কৃতি আৰু কৃষ্টিৰ এটা বৈপ্লৱিক জাগৰণ আনিব লাগিব আৰু তাৰ বাবে সকলো জনগোষ্ঠীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ অনুভূতিক শ্ৰদ্ধা জনাব লাগিব। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিক্ষাযো আমাক নতুন পথ-নিৰ্দ্দেশনা দিয়াত সহায় কৰিব পাৰে। তেওঁৰ মতে '....... যি অৰ্থনীতিৰ দ্বাৰা জনতাই সংস্কৃতি গঢ়িবলৈ সুবিধা নেপায় সেই অৰ্থনীতি অনুপযোগী; সংস্কৃতিক অৰ্থনীতি নহয়। সি দুষ্কৃতিমূলক অৰ্থনীতি।' জ্যোতি প্ৰসাদ আগৰৱালাই দুষ্কৃতিমূলক সংস্কৃতিৰ বাবে চিনাক্ত কৰিছে সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদক। 'এই দুযোটা পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণৰূপ' বুলিও তেওঁ অভিহিত কৰিছে। আনহাতে, সংস্কৃতিৰ সৈতে বিপ্লৱৰ সম্পৰ্ক ফহিয়াই দেখুৱাই তেওঁ কৈছে যে, 'ৰাজকীয় বা যাজকীয় শক্তি বা নকৈ মুখা পিন্ধি ওলোৱা সেই দুই শক্তিৰেই জনতাক ভুৰা দিয়া সংস্কৰণৰ পৰা জনশক্তিৰ হাতলৈ মানৱৰ সংস্কৃতিৰ সৃষ্টিৰ প্ৰধান আহিলা ৰাষ্ট্ৰক - শাসনযন্ত্ৰক আনিবলৈ যি জনতাৰ প্ৰচণ্ড চেষ্টা সিয়েই গণ বিপ্লৱ। আচল বিপ্লৱৰ উদ্দেশ্য সদায়েই সেই মহান সাংস্কৃতিক অৱস্থা সমাজলৈ অনাটোৱেই। সেই কাৰণেই সংস্কৃতিৰ সৈতে বিপ্লৱৰ সম্বন্ধ।' অৱশ্যে এই সংস্কৃতি জনগণৰ সংস্কৃতি (People's Culture) হ'ব লাগিব; ই বজাৰুৱা সস্তীয়া পণ্য সংস্কৃতি (Mass Culture) হ'ব নেলাগিব। কাৰণ, জনগণৰ সংস্কৃতিৰ সৈতে মতাদৰ্শগত সংগ্ৰামৰ বিপৰীতে বুৰ্জোৱা শ্ৰেণীৰ বিকাশ আৰু সমৃদ্ধিৰ পোষকতা কৰে। এনে পণ্য-সংস্কৃতি বা বুৰ্জোৱা-সংস্কৃতি খ্ৰীষ্টোফাৰ ক'ড্ৱেলৰ ভাষাত মৃত্যুমুখী কল্প-কাহিনী (Bourgeoise Culture is dying of a myth.) আৰু ই সাংঘাতিকভাৱে ৰুগ্ন (Seriously ill)।

এই মৃত্যুমুখী কল্প-কাহিনীৰ ৰুগ্ন-সংস্কৃতিৰ বিপৰীতে আমি বিপ্লৱী-সংস্কৃতিৰ পথ কিদৰে সৃষ্টি কৰিম আৰু কোনেই বা এই দায়িত্ব ল'ব। এই সন্দৰ্ভত মাও চে তুঙে কৈছে ঃ "বিপ্লৱ আৰম্ভ হোৱাৰ আগতেই বিপ্লৱী-সংস্কৃতিয়ে মতাদৰ্শৰ দিশৰ পৰা বিপ্লৱৰ পথ প্ৰস্তুত কৰে। বিপ্লৱৰ সময়ত এই বিপ্লৱী-সংস্কৃতি সাধাৰণ বিপ্লৱী ফ্ৰণ্টৰ মাজত এক গুৰুত্বপূৰ্ণ আৰু অৱশ্য প্ৰয়োজনীয় ফ্ৰণ্ট বিপ্লৱী-সাংস্কৃতিক কৰ্মীসকল হৈছে এই সাংস্কৃতিক ফ্ৰণ্টৰ বিভিন্ন স্তৰৰ সেনাধ্যক্ষ।"

মাও চে তুঙ, লেনিন, বিষ্ণুবাভা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি সমাজতাত্ত্বিকসকলৰ শিক্ষাৰ পৰা দীক্ষা লৈ আন্তৰ্জাতিক বিপ্লৱী-সংস্কৃতিৰ সৈতে সামঞ্জস্য ৰাখি আমাৰ দেশৰ, আমাৰ সমাজৰ সংস্কৃতিক স্বকীয় বৈশিষ্ট্যৰ ভিত্তিত শ্ৰেণীগত আৰু বিপ্লৱী চৰিত্ৰ প্ৰদান কৰিব পাৰিলে প্ৰকৃতাৰ্থত বিপ্লৱী-সংস্কৃতি হৈ পৰিব বিপ্লৱৰ আৰু মুক্তিৰ অন্যতম ৰণকৌশল।

* * *

সাহস এটা স্ব-বিৰোধী সংজ্ঞা। জীয়াই থকাৰ প্ৰবল বাসনাই যেতিয়া মৰিবৰ কাৰণে প্ৰস্তুতিৰ ৰূপ লয় তাকেই আমি সাহস বুলি কওঁ।

-জি.কে.চেষ্টাৰটন

অ- উপন্যাস



(নীলাঞ্জনা আৰু অমৰদীপলৈ মৰমেৰে)

: প্ৰস্তাৱনা :

নিৰ্ভেজাল অনুকৰণ অথবা চুৰি ।

আমেৰিকান সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ উইলিয়াম তেৱাৰ
বাৰোজ। তেওঁৱেই প্ৰথমবাৰৰ বাবে উপন্যাস আৰু গল্পত 'কাট-
আপ্' নামৰ এক নতুন পদ্ধতি ব্যৱহাৰ কৰে। আলোচনী অথবা
বাতৰি কাকতৰ আপাতদৃষ্টিত কোনো সংগতি নথকা কিছুমান
অংশ কেঁচিৰে কাটি উকা-কাকতত সেইবোৰ আঠাৰে জোৰা দি
মাজে মাজে নিজৰ বক্তব্যাত সংযোজন কৰি তেওঁ এক অদ্ভুত
ধৰণৰ লেখাৰ পদ্ধতি উদ্ভাৱন কৰিছিল যি এতিয়া কাট্-আপ্
পদ্ধতি বুলি জনাজাত।

এই উপন্যাসখনো প্ৰকৃততে সেই কাট্-আপ পদ্ধতিৰে
এক নিৰ্ভেজাল অনুকৰণ।----

লেখাৰ এটা বিশেষ কৌশল বা ফৰ্ম যেতিয়া এবাৰ প্ৰকাশ
হৈ ওলায়, তেতিয়া সি আৱিষ্কাৰক লিখকজনৰ এদিনীয়া সম্পত্তি
হৈ নাথাকে - সেয়া হৈ পৰে বিভিন্ন লিখকৰ পৰীক্ষা-নিৰীক্ষাৰ
সঁজুলি; সি ৰূপান্তৰিত হয় একো একোটা গিনিপিগলৈ। অৱশে
লিখনী এটাৰ ফৰ্মলৈ পৰীক্ষা-নিৰীক্ষা কৰিব পৰা ডাঙৰ সাহিত্যিক
মই নহয়। পদ্ধতিটোৰ জনপ্ৰিয়তাই বহুদিনৰ পৰাই মো
মোহাচ্ছন্ন কৰি ৰাখিছে- সেইবাবেই উপন্যাসখনৰ বাবে এ
পদ্ধতি ব্যৱহাৰ কৰিবলৈ মই চেষ্টা কৰিছোঁ।

# প্ৰথম বেদনাত এজন লিখক আৰু এখন উপন্যাসৰ ব্লু-প্ৰিণ্টৰ প্ৰস্তুতি পৰ্ব

ৰিণ্টুমনি দত্ত।
অষ্টম মানাসিক

...... এজন ঔপন্যাসিক প্ৰকৃততে এজন কাহিনীকাৰ। কাহিনীৰ জৰিয়তে তেওঁ জীৱনৰ বিভিন্ন ৰং-বিৰঙৰ টুকুৰাবোৰ যোৰা দিয়ে। ফলস্বৰূপে কেতিয়াবা সৃষ্টি হয় এক ৰঙীণ ক'লাজ অথবা এখন মায়াবী দাপোনৰ-য'ত আমাৰ স্মৃতি অথবা কল্পনা সমূহ প্ৰতিফলিত হয় এক অতুলনীয় অথবা মোহনীয় ৰূপত। সেই দাপোনত আমি দেখা পাওঁ সুঠাম যৌৱনৰ আঁৰৰ অস্থিচৰ্মসাৰ হৃদয়; হৃদয়তসংগোপনে গোট খাই থকা কেতবোৰ মিঠা সপোন আৰু অনানা বহুতো.....।

.... লিখাৰ সাৰ্থকতাও বোধহয় এইখিনিতেই।

....... বাস্তৱ আৰু কল্পনাৰ এটা মিঠা ককটেলৰ অবিহনে এই সাৰ্থকতাৰ সন্ধান কৰাটো মৰীচিকা খেদাৰ সমাৰ্থক।

কল্পনাত মই সিদ্ধহস্ত নহয়, তদুপৰি উপন্যাস লিখাৰ এয়া মোৰ প্ৰথম প্ৰচেষ্টা।প্ৰকৃততে উপন্যাস এখন লিখিবলৈ কি কি উপাদানৰ প্ৰয়োজন সেই বিষয়ে মই সম্পূৰ্ণ অজ্ঞ। তাতকৈও ডাঙৰ কথা, মোৰ এই প্ৰচেষ্টা স্বভাৱ প্ৰণোদিত নহয়; সম্পূৰ্ণৰূপে উদ্দেশ্য প্ৰণোদিত- (অমৰদীপ, তোক দিয়া কথা ৰাখিলোঁ)। তথাপিও উপন্যাসখনে কাৰোবাৰ মনত যদি অকণমাণো চিন্তাৰ খোৰাক দিব পাৰে, তেন্তে মোৰ প্ৰচেষ্টা সফল হোৱা বুলি ভাবিম।

## এক ঃ লিখকৰ কিছুমান নিৰৰ্থক মন্তব্য

আজিকালি গল্প বা উপন্যাসৰ কোনো নিজস্ব সীমাৰেখা নাই, কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। প্ৰথম কথা, মানুহৰ জীৱনৰ ধাৰাবাহিকতা নোহোৱা হৈছে। জন্মৰ পৰা মৃত্যু নামৰ সেই অৱধাৰিত শব্দটোলৈকে জীৱনৰ গতি নিমজ নহয়। জীৱনৰ প্ৰতিটো স্তৰতে সঞ্চিত হয় কিছুমান স্মৃতিৰ-তিতা আৰু মিঠাৰ এক ইনচেপাৰেবল মিশ্ৰণৰ। ইয়াৰ পৰাই জন্ম হয় গল্প, উপন্যাস, কবিতা আদিৰ। গতিকে জীৱনৰ ধাৰাবাহিকতাত প্ৰতিবন্ধকে দেখা দিয়াৰ লগে লগে গল্প-উপন্যাসৰ ধাৰাবাহিকতাও ক্ৰমাৎ হেৰাই গৈছে। ফলশ্ৰুতিস্বৰূপে উপন্যাস আজি পৰিণত হৈছে কিছুমান অসংলগ্ন ঘটনা বা গল্পৰ সমষ্টিত।

তদুপৰি মানুহৰ অনুভূতি সদায় আৰোপিত; শীলভদ্ৰই ক'বৰ দৰে সময় আৰু পৰিস্থিতিৰ এটা বিশেষ Function অথবা ফলন। বহুক্ষেত্ৰত ই নিৰ্ভৰ কৰে সমাজখনৰ সামাজিক মূল্যবোধ, অৰ্থনৈতিক আৰু ৰাজনৈতিক অবস্থাৰ ওপৰত।

গতিকে উপন্যাস বুলিলেই এটা সুপৰিকল্পিত কাহিনী, বোধগম্য ঘটনাক্ৰম, ঘটনাক্ৰমৰ সংগতি আদি আশা কৰাটো বৰ্তমান এক দুৰাশাৰ বাদে আন একো নহয়। এতিয়া আমাৰ সময় হৈছে নগ্ন বাস্তৱৰ সন্মুখীন হোৱাৰ। লিখা-মেলাৰ ক্ষেত্ৰত বৰ্তি থকা কিছুমান হিপক্ৰিচী শেষ কৰিবৰ সময় হ'ল নেকি?

..... এতিয়াহি কৈ পেলাওঁ, এই উপন্যাসখনত মোৰ অৰ্থাত লিখকৰ ভূমিকা সম্পূৰ্ণ অপাংক্তেয়। পৰিস্থিতিয়েই নিৰ্দ্ধাৰণ কৰি দিছে সকলোবোৰ চৰিত্ৰৰ ভৱিষ্যত- তাত মোৰ কৰিব লগা একো নাই। কিন্তু উপন্যাসখনৰ ঘটনাৰাজিক সম্পূৰ্ণভাৱে পাঠকৰ হাতত গতাই দিয়াৰ পক্ষপাতী মই নহয়। সেইবাবে পাঠকে বিৰক্তি অনুভৱ কৰিলেও, উপন্যাসখনৰ মাজে মাজে মই ভুমুকি মাৰিম।

## দুই ঃউপন্যাসখনৰ শুভাৰম্ভ-অমৰদীপৰ কবিতাৰ এটুকুৰাৰে

".....উৰিষ্যাত গোলাপী বিগেট্ৰিছ নামৰ এগৰাকী মহিলাই

বিশ টকাত নিজৰ সন্তানটি বিক্ৰী কৰিলে।"

".... নিহতসকললৈ এককালীন সাহাৰ্য "

"... কোটি টকীয়া ঘাটি বাজেট।"

".... আমানত কেলেঙ্কাৰী।" "... আই. এ. এছ. বিষয়াক শাস্তি।"

সভ্যতাৰ অসভ্য আৰ্তনাদবোৰ,<br>
টুপী পিন্ধা বান্দৰবোৰৰ অট্টহাস্য,<br>
জীৱন্ত নবকংকালবোৰৰ আৰ্তচিৎকাৰ -<br>
মাতৃৰ ভ্ৰূণস্থ সন্তানটি কঁপি উঠিল।<br>
সি হেনো জন্ম নলয় ...<br>
...মানুহৰ ক্ৰমহ্ৰস্বমান দৰৰ গ্ৰাফবোৰ,<br>
উন্নয়নৰ সোপান পৰিকল্পনাবোৰ,<br>
প্ৰস্তাৱ সমৰ্থনৰ ব্যৱস্থাসমূহ-<br>
নিবনুৱা যুৱক জন ত্ৰাসিত হ'ল;<br>
সি হেনো আত্মঘাতী হয়..."

## তিনি ঃ উপন্যাসখনৰ খচৰা প্ৰস্তুতি

এই উপন্যাসখন আৰম্ভ কৰাৰ সময়ত মই উপন্যাসখনৰ এটা খচৰা প্ৰস্তুত কৰি লৈছিলো। খচৰাটো আছিল এনেধৰণৰ-

ক ঃ এটা প্ৰেমৰ গল্পৰ এছোৱা

খ ঃ লামা দাৰ কথা (যোৱাবাৰ গৰমৰ বন্ধত ডিগবৈত ট্ৰেইনিং কৰিবলৈ যাওঁতে তাত আমাক থাকিবলৈ দিয়া গেষ্ট-হাউচটোৰ চকীদাৰ আছিল লামা দা। উপন্যাসখনৰ এই অংশত তেওঁৰ বিষয়ে লিখাৰ পৰিকল্পনা আছিল )

গ ঃ দৈনিক কাকত এখনত পঢ়া এটা বাতৰিৰ সাৰাংশ আৰু কিছুমান প্ৰাসংগিক চিন্তা

ঘ ঃ এটা ইন্টেলেকচুৱেল আড্ডা

ঙ : এটা সাধু আৰু এজন বিপ্লৱী

চ : আৰউইন শ্বৰ BOROUGH OF CEMETER-IES গল্পটোৰ অংশবিশেষ

ছ : বেশ্যা কেইজনীমানৰ কথা

এনেকুৱা আপাতদৃষ্টিত কোনো সংগতি নথকা সাত টুকুৰা বাৰে-বিংকৰা ঘটনাৰ সমাহাৰেৰে এখন উপন্যাস সৃষ্টি কৰাৰ দুৰাশাৰে এই খচৰাটো প্ৰস্তুত কৰিছিলো। উপন্যাসখনৰ সমাপ্তিৰ বিষয়ে তেতিয়াও ভবা নাছিলো; এতিয়াও ভবা নাই।

**চাৰি :- প্ৰেম এটা হাইকু কবিতা**

"-- দুবৰি ফুলাৰ বতৰত
চকুপানী হাঁহি হোৱালৈকে বাট চাবা।
ডালিম পকিলেই আমি যাম
প্ৰেমৰ স্বৰ্ণ-মন্দিৰলৈ,
আৰু গাম প্ৰেমৰ আবহ সংগীত,... "

"-- তথাপিতো সখা বুলি, বন্ধু বুলি এবাৰ যাক সাবটি ধৰিছো, মামা; শত শত কুৰু পুত্ৰ, সহস্ৰ পাণ্ডৱ, লক্ষ লক্ষ যাদৱ সেনানীয়ে নোৱাৰে ছিঙিব সেই বন্ধুত্বৰ ডোল, নোৱাৰে ছিঙিব সেই প্ৰীতিৰ বান্ধোন,-- '- সি সংলাপটো কৈ শেষ কৰাৰ লগে লগে 'আগৰ মানুহ বহি দিয়ক' জাতীয় চিঞৰবোৰ আৰু অজস্ৰ হাত-চাপৰিৰ কলৰৱে নামঘৰ মুখৰিত কৰি তুলিলে।

-আজি শঙ্কৰ জন্মোৎসৱৰ উপলক্ষে অমৰহঁতৰ নামঘৰত 'শকুনিৰ প্ৰতিশোধ' ভাওনাখন পাতিছে। অমৰেও এটা চৰিত্ৰৰ ভাও দিছে- কৰ্ণ। এমাহ জোৰা আখৰাৰ পিছত আজি ভাওনা।

সংলাপটো কৈয়েই অমৰে চাৰিওফালে এবাৰ চকু ফুৰালে- ক'ৰবাত কিজানি তাৰ চিনাকি চকুহাল দেখা পায়েই। নাই ক'তো দেখা নাপালে সি-ক'ৰবাত সম্ভৱ লাজতে আঁৰ হৈ বহি আছে।

-আজি এমাহমান আগৰ পৰা অমৰহঁতৰ 'ফাইলটোৰ' গাত থৰকাচুটি নাই। ইফালৰ পৰা সিফাললৈ দৌৰাদৌৰি, অ'ত নাটক বিচৰা, ত'ত ধনু বিচৰা- মুঠৰ ওপৰত এক অনাহক ব্যস্ততা। জন্মোৎসৱ আয়োজন কৰিবলৈ পতা সভাখনতে গাঁৱৰ বুঢ়াসকলে ভাওনাখন পতাৰ দায়িত্ব অমৰহঁতক দিলে। তেতিয়াৰ পৰা সিহঁতৰ গাত তত্ নাই। পাণ্ডুলিপি যুগুতোৱা, ভাওনাৰ চৰিত্ৰসমূহ ভাগ-বিতৰণ কৰা আদি সকলো কাম সিহঁতেই কৰিছে। সৰুৰেপৰা কণদাইটিৰ মুখেৰে কৰ্ণৰ সংলাপ শুনি অমৰৰ মনত এক দুৰ্বাৰ আকাংক্ষাই জন্ম লৈছিল- এই ভাওটো ল'বলৈ। গতিকে এই সুবিধাটো সি কোনোপধ্যেই তাৰ হাতৰ পৰা যাব নিদিলে।

আগতেও যেতিয়া গাঁৱত ভাওনা হয়, তেতিয়াও অমৰহঁতৰ অৱস্থা এনেকুৱাই হয়। কিন্তু তেতিয়া সিহঁতে কোনো ভাও নাপায়। সাধাৰণতে তেতিয়া সিহঁতৰ ভাগত কাৰোবাৰ বাবে কাঁড় বনোৱা, কাৰোবৰ ধনুত ৰঙা-নীলা কাগজ লগোৱা ইত্যাদি কাম পৰে। কিন্তু সিহঁতো সহজে এৰা ভকত নহয়- ভাও নোপোৱাৰ বেদনা আঁতৰাবলৈ সিহঁতে প্ৰফুল্লদাহঁতৰ ভঁৰালৰ আগফালটোকে বাচি লয় ভাওনা কৰিবলৈ। তাতে সিহঁতে ভাওবিলাক ভাগ-বতৰা কৰি জেওঁৰা খৰিক অস্ত্ৰ হিচাপে লৈ যুদ্ধ কৰে। অৱশ্যে চৰিত্ৰবিলাকৰ ভাগ-বতৰা কৰাটো সিহঁতৰ বাবে ইমান সহজ প্ৰক্ৰিয়া নহয়- ইয়াৰ কাৰণ মূলতঃ তিৰোতাৰ চৰিত্ৰকেইটা কোনেও তিৰোতাৰ চৰিত্ৰকেইটাৰ ভাও দিব নিবিচাৰে। ফলস্বৰূপে সৃষ্টি হয় এক খণ্ডযুদ্ধৰ। শেষত অৱশ্যে সিহঁতে এই চৰিত্ৰকেইটা বাদ দি ভাওনাখন কৰেগৈ।

সেইদিনকেইটাত দুপৰীয়া অমৰে মাক-দেউতাকহঁতে ভাত খোৱাৰ আগতেই লৰা-লৰিকৈ ভাত খাই বিচনাত কাতি হয়। চকুৰ পতা জপাই থয় যদিও কাণদুখন থিয় কৰি ৰাখে মাক-দেউতাকহঁত ভাত-পানী খাই বিচনালৈ অহাৰ শব্দ শুনিবলৈ। ঘৰৰ আন মানুহবিলাক টোপনি যোৱা গম পালেই সি হাতত সাৰে ভৰিত সাৰে ওলাই যায় পদূলিমুখলৈ আৰু যেতিয়া দেখে যে তেতিয়ালৈকে কোনেও গম পোৱা নাই, তেতিয়া সি দৌৰ মাৰে প্ৰফুল্লদাহঁতৰ ভঁৰালৰ মুখলৈ। কেতিয়াবা যদি কেনেবাকৈ ধৰা পৰি যায়, তেতিয়া মাকে তাক ভালদৰে কাণমলা কেইটামান দি আকৌ শুৱাই থয়।

প্ৰফুল্লদাহঁতৰ ভঁৰালৰ সমুখত সিহঁত গোটেই কেইটাই লগ হৈ যাৰ যি বচন মনত থাকে তাৰেই সিহঁতে ভাওনা কৰে। প্ৰফুল্লদাহঁতৰ গৰুক দানা দিয়া টিনটোকে খোল হিচাপে লৈ সিহঁতে ভীমক প্ৰবেশ কৰায় আৰু ভীম হোৱাটোৱে বচন মাতে-"ভীম ভীম নকৰিবি ভীমৰ আগত, হাড়ে-মুৰে ভাঙি দিম গদাৰ কোবত।"

ভাওটো পাই অৱশ্যে অমৰ প্ৰয়োজনতকৈ অলপ বেছিয়েই সুখী হৈছে। অৱশ্যে ইয়াৰ এটা বিশেষ কাৰণো আছে। আজি দুমাহমান আগৰপৰা অমৰ প্ৰেমত পৰিছে। মানিকদাইটিহঁতৰ ঘৰত আজি দুমাহমান আগৰপৰা ছোৱালী এজনী আছেহি। এদিন দুপৰীয়া নৈত গা-ধুবলৈ যাওঁতে তাৰ ছোৱালীজনীৰ লগত 'চাৰিচকুৰ মিলন' ঘটিল আৰু তেতিয়াৰ পৰা 'প্ৰথম দৰ্শনতেই প্ৰেম'।(এই 'চাৰিচকুৰ মিলন'আৰু 'প্ৰথম দৰ্শতেই প্ৰেম' বাক্যদুটা সি অলপদিনৰ আগত উপন্যাস এখনত পঢ়িছে) সি তাৰ লগৰ ল'ৰাকেইটাৰ পৰা ইতিমধ্যে তাইৰ বিষয়ে সবিশেষ উলিয়াই লৈছে। তাইৰ নাম মমি-মানিক দাইটিহঁতৰ শেৱালি বাইদেউৰ ছোৱালী অৰ্থাৎ মানিকদাইটিৰ নাতিনীয়েক। ক্লাছ নাইনৰ পৰীক্ষা

হি বজাত ফুৰিবলৈ আহিছে ।

তাৰ প্ৰেমৰ কথাটো প্ৰথতে সি কাকো ক'ব পৰা নাছিল- প্ৰকৃততে এক প্ৰকাৰৰ লাজে তাক আগুৰি ৰাখিছিল । অৱশেষত এদিন সি সাহ-পিত গোটাই কথাটো ৰাজীৱক ক'লে । ৰাজীৱে তাক দিহাটো দিলে- তাৰ অভিনয় যদি ভাল হয়, তেন্তে ছোৱালীজনী তাৰ প্ৰেমত পৰাটো খাটাং । তেতিয়াৰ পৰা অমৰৰ ৰাতত্ত নাই । দিনে-ৰাতিয়ে তাৰ এটাই চিন্তা- কি দৰে অভিনয় ভাল কৰিব পাৰি । স্কুললৈ সি সদায় কিতাপৰ মাজত নাটকৰ বচন লিখা কাগজখন সুমুৱাই লৈ যায় । অকণমান অকলশৰীয়া মুহূৰ্ত পালেই বচন কেইটা আওঁৰায় । ভাওটো লওঁতেই মাকে তাক কৈয়াই দিছে-পঢ়াৰ সময়ত এইবোৰ কথা নচলিব । গতিকে ঘৰত সি একপ্ৰকাৰৰ বিশেষ সাৱধানতা অৱলম্বন কৰিব লগা হৈছে । তথাপিও অকনমান সুৰুঙা পালেই সি কিতাপৰ মাজত কাগজখন লৈ বচনকেইটা মুখস্থ কৰে ।

সম্ভৱতঃ ছোৱালীজনীও অমৰৰ প্ৰেমত পৰিছে । নহলেনো অমৰৰ চকুৱে চকুৱে পৰিলেই তাই লাজ লাজ হাঁহি এটা মাৰি আঁতৰি যায় কিয় ? সি পঢ়া উপন্যাসখনতো প্ৰেমৰ সূত্ৰপাত এইদৰেই হৈছিল ।

--- অৱশেষত অমৰৰ সেই বহু আকাংক্ষিত দিনটো আহি পালেই । তাৰ বাবে অনা পোছাকযোৰ তাৰ যথেষ্ট পছন্দ হৈছে । অৱশ্যে 'ড্ৰেছ' আনিবলৈ যাওঁতেই সি ফণীন্দ্ৰদাইহঁতক কৈ পঠাইছিল-তাক এযোৰ 'ৰয়েল ড্ৰেছ' লাগিব বুলি ।.....

--- তাৰ ভাও যতদূৰসম্ভৱ ভালেই হৈছিল । কাৰণ তাৰ প্ৰথম দৃশ্যটো শেষ হোৱাৰ লগে লগে গোটেই নামঘৰটো দৰ্শকৰ হাত-চাপৰিৰে মুখৰিত হৈ পৰিছিল । প্ৰতিটো সংলাপ কৈয়েই সি চাৰিওফালে এবাৰ চকু ফুৰাইছিল- কিজানিবা ক'ৰবাত তাৰ চিনাকি চকুযোৰ দেখেই । কিন্তু নাই- ক'তো দেখা নাপালে সি। সম্ভৱতঃ ছোৱালীৰ স্বভাৱজাত লাজটোৰ বাবে তাই ক'ৰবাত আঁৰত বহি আছেগৈ ।

পিছদিনাখন ৰাতিপুৱাটো তাৰ মুখৰ ৰং আঁতৰাওতেই গ'ল । ভাড়িবোৰ ইমান বেয়াকৈ আঠা দি লগালে- আঁতৰাওতে তাৰ মুখৰ ছাল ছিগি যাব যেন লাগিছিল । চাফ-চিকুণ হৈয়েই সি মাণিকদাইটিহঁতৰ পদূলিমুখ পালেগৈ- তাৰ ভাও মমিয়ে কেনে পালে তাৰ এটা খবৰ কৰাৰ আশাত । তাক চকা- মৰকৈ পদূলিমুখত দেখিয়েই মাণিকদাইটিহঁতৰ আইতাই মাত লগালে- " কোন ঔ সেইটো ? আমাৰ বাপুকণৰ ল'ৰাটো নহয় জানো? চাওঁ, অলপ এইফালে আহচোন ..." সি গৈ চোতাল পোৱাৰ লগে লগে বুঢ়ীয়ে তাৰ গালে মুখে হাত ফুৰাই কলে-"হেৰৌ, কালি পৰহিলৈকে কোলাতে সৰুপানী চুইছিলি; এতিয়াই ইমান ভাল ভাও কৰিব পৰা হ'লি নে ? মাৰৰ পেটতে শিকি আহিছিলি নেকি ঐ বোপাই ? হওক দে, মই সন্তোষ পালোঁ এতিয়া -- ।"

তাৰ মানে তাৰ ভাও সঁচাই ভাল হৈছিল । উঃ, এইবিলাক কথাকে যদি সি মমিৰ মুখৰ পৰা শুনিলেহেঁতেন-- । সুবিধাবুজি সি মাত লগালে, "আইও, খুড়ীদেউহঁত নাহি নেকি ?"....

"...... আছে অ' বোপাই, বৰাৰ টেঙা খাই আছে । যা তযো ভিতৰলৈকে যা, অকণমান খাব পাৰিবি । টোপনি খতিত ভাল লাগিব ।"....

সুবিধাটো পায়েই সি পোনচাটেই গৈ পাকঘৰ পালেগৈ । তাক খুড়ীয়েকে মুঢ়া এটাতে বহিব দিলে । প্লেট এখনত অলপমান ৰবাব টেঙা লৈ সি লাহেকৈ সুধিলে- "খুড়ী, ভাওনা কেনেকুৱা লাগিল ?"

".... কিনো ক'বি অ' । আমাৰ ফুটা কপালত তোৰ ভাও চোৱাটো লিখাই নাছিল হ'ব পায় ! ভাওনা চাবলৈ ওলাওঁতেই আমাৰ মমিজনী চুব নোৱাৰা হ'ল । তাইকনো অকলে এৰি যাওঁ কেনেকৈ বাৰু ? গতিকে মনৰ আশা মনতে মাৰ গ'ল । মানুহৰ মুখতহে শুনিছো, তোক ভাও হেনো বৰ ভাল হৈছিল .... ।"

খুড়ীয়েকে কোৱা বাকী কথাবোৰ তাৰ কাণত নোসোমাল । চক্ৰবৃদ্ধি হাৰ সুতৰ দুই পৃষ্ঠাজোৰা এটা অঙ্ক পৰীক্ষা হলত একঘণ্টা সময় জুৰি কৰি, শেষৰ অংশটোত যোগ-বিয়োগ কৰোতে ভুল কৰি অহা যেন লাগিছিল অমৰৰ ।

**পাঁচ ঃ মানৱতাৰ মৃত্যু অথবা জন্মত এটা এপিটাফ অথবা অলপমান চেলিব্ৰেচন**

"ইয়াত জীৱন মানে
আততায়ীৰ ছুৰীকাঘাতত নিহত যুৱকৰ
মৃতদেহৰ চৌপাশে উবুৰি খাই পৰি থকা
নিশাৰ কিছুমান উলংগ শব্দ;
ইয়াত হৃদয় মানে
বহাগ আহি থমকি ৰোৱা সৰু গাওঁখনৰ
বিহুৱা ডেকাৰ দেহ আৰু মনৰ ভিতৰলৈ
সোমাই যোৱা অসহ্য বিষটো ।
সকলোতে দেখিছোঁ-
জীৱনক জ্বলাই-গলাই
প্ৰচণ্ড ধুমুহা অনাৰ আয়োজন;...."
(ৰবীন্দ্ৰ বৰা-'ইয়াত')

ডিগবৈৰ সাতনং বাংল'ৰ কাঠৰ মজিয়াত বহি মানুহজনে মোক কৈ গৈছিল কথাবিলাক । বেদনা-গ্ৰস্ত চকুকেইটাৰ পৰা

দুটোপাল চকুলো বৈ আহিছিল- মানুহজনৰ গালৰ ওপৰেদি- কিন্তু সেই চকুকেইটাত নাছিল প্ৰতিহিংসাৰ দাবানল অথবা প্ৰতিশোধপূৰণৰ দুৰ্বাৰ ইচ্ছা । ....

যোৱাবাৰ গৰমৰ বন্ধত কলেজৰ পৰা ট্ৰেইনিং কৰিবলৈ গৈছিলো তৈজনগৰী ডিগবৈলৈ । আমাক থাকিবলৈ দিয়া হৈছিল এই বাংলা'টোত- আমাক মানে মই আৰু দুটা ল'ৰাক । ইংৰাজসকলৰ আভিজাত্য আৰু গৌৰৱৰ ধ্বজাবহনকাৰী, প্ৰকৃতিৰ আশীষধন্য ডিগবৈলৈ গৈ প্ৰথমে লগ পোৱা মানুহজনেই আছিল, পিছলৈ আমাৰ অতি মৰমৰ লামা দা- এই বাংলা'টোৰ চৌকিদাৰ । দিনে দিনে লামা-দাৰ লগত মোৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল আৰু আহিবৰ সময়ত এদিন তেওঁ মোক কৈছিল তেওঁৰ জীৱনৰ এটা দুৰ্য্যোগপূৰ্ণ মুহূৰ্তৰ কথা-

"-- সেয়া ১৯৮৭ চনৰ কথা । ৰিফাইনেৰীত নতুনকৈ চাকৰিপোৱা তিনিজন ইঞ্জিনিয়াৰক থাকিবলৈ দিয়া হৈছিল এই বাংল'টোতে । তিনিওজন সৰু সৰু ল'ৰা- মোৰ ল'ৰাৰ বয়সৰ হ'ব । ল'ৰাকেইটা খুব মৰম লগা আছিল । সেইবাবে হয়তো প্ৰথমৰ পৰাই মোৰ পৰিবাৰ আৰু মই সিহঁতক খুউব মৰম কৰিছিলোঁ । আমিতো পঢ়া-শুনা নজনা মানুহ । সেইবাবে পঢ়া-শুনা মানুহলৈ ভক্তি ওপজে ।...

দুটা ল'ৰা-ছোৱালী, পৰিবাৰ আৰু মোৰ এটা সৰু পৰিয়াল । ল'ৰাটোৱে ৰিফাইনেৰীত যোগালী কাম কৰে; পৰিবাৰ আৰু ছোৱালীজনীয়ে ঘৰৰ কাম কৰে আৰু মই চকিদাৰ কৰোঁ ।

---- সেই বিশেষ দিনটোত ঘৰত ছোৱালীজনীৰ বাহিৰে কোনো নাছিল । পৰিবাৰ আৰু মই গৈছিলোঁ বিয়া এখন খাবলৈ; ল'ৰাটো গৈছিল তাৰ কামত । সেই ল'ৰাতিনিটাৰ হাততে ছোৱালীজনীৰ দ্বায়িত্ব দি গৈছিলোঁ । উভটি আহোঁতে দূৰৰ পৰাই দেখিলোঁ, আমাৰ ঘৰৰ চোতালত অজস্ৰ মানুহ । উৎকণ্ঠাত দৌৰি আহি যি দেখা পালোঁ, তাৰ আগতেই মোৰ মৃত্যু হোৱাহেঁতেন হয়তো মই শান্তি পালোঁহেঁতেন ।--- ছোৱালীজনী তাইৰ কোঠাৰ ভিতৰতে চিপজৰী লৈ ওলমি আছে । ... তাইৰ ওলমি থকা ভৰিদুখনত ধৰি কান্দি কান্দি মোৰ পৰিবাৰ অচেতন হৈ পৰিছিল । তাইক বুজোৱাতো বাদেই, মোৰ অশ্ৰুসিক্ত চকুকেইটাক বাধা দিবলৈ কোনো ভাষা বিচাৰি পোৱা নাছিলোঁ মই ।....

--- পিচদিনা গম পাইছিলো, সেই পশুতিনিটাই হেনো মোৰ ছোৱালীজনীৰ ইজ্জৎ কাঢ়ি ল'লে -- সিহঁত তিনিটা পলাল ।

----দুদিনমান পিছত সিহঁতৰ মাক-বাপেক আহিছিল মোৰ ওচৰলৈ । ক'লে বোলে, পুলিচত খবৰ দিব নালাগে; ল'ৰাকেইটাৰ জীৱনবোৰ ধ্বংস হৈ যাব । ময়ো ভাবিলো- মোৰ ছোৱালীজনীটো মৰিয়েই গ'ল । মই নো জীয়াই থকা মানুহকেইটাৰ জীৱনবোৰ কিয় ধ্বংস কৰোঁ ! ভৱিষ্যতে সিহঁতে ভাল হওক-তাকেই আশা কৰোঁ । মোৰ ল'ৰাটোৱে মানি ল'ব খোজা নাছিল । যি নহওক, ডেকা তেজতো । মোৰ লগত তৰ্কা-তৰ্কি কৰি সি ঘৰ এৰিয়েই গুচি গ'ল ।

--- মনত পৰিলে এতিয়াও মনটো বৰ বেয়া লাগে । বৰ মৰম লগা আছিল ছোৱালীজনী । সেই পোন্ধৰ বছৰ বয়সৰ ছোৱালীজনীকো কোনোবাই বেয়া চকুৰে চাব পাৰে, মই ভাবিবই পৰা নাছিলোঁ... ।"




--- চকুপানীখিনি মোহাৰি মানুহজন গুচি গৈছিল আৰু মোক দি গৈছিল চিন্তাৰ কিছু সমল । মানুহৰ পাষাণ বিবেক আৰু উদাৰ, বিশাল হৃদয়ৰ এই মিশ্ৰিত কাহিনীটো মই বহুতসময়লৈকে হজম কৰিব পৰা নাছিলোঁ ।

--- আমাৰদৰে কিছুমান তথাকথিত শিক্ষিত মানুহেই পৰিয়ালটোলৈ নমাই আনিছিল কাল অমানিশা । অথচ কি নিবিড়ভাৱে পৰিয়ালটোৱে আকৌ আমাক আঁকোৱালি লৈছে।

...ৰ আহিছিল আমাৰ বিছনাৰ ওপৰত, আমাৰ তথাকথিত
...ৰ ওপৰত।

...ৰ অনুশোচনা এই মানুহজনে মোৰ স্মৃতিৰ টোপোলাত
...হৈ থাকিব।

**দৃশ্য ?:- অৱনী চক্ৰৱৰ্তীৰ কবিতাৰ এটুকুৰা**

"... মানুহজনীয়ে তপত ভাতৰ পাতত মুখ মাচায়।
... দিনৰ পাইপৰ অন্ধকাৰত উঠনিচাই
টোপোলা এটাত উত্তেজনা বান্ধি সাঁজলগা পৰত
ওলাই যায়। ৰাতিৰ আতিশয্যৰ টোপোলাটো আদিম
প্ৰিয়তমা ওঠ আছিল। বুকু পোলি থোৱা দৃষ্টি
এতিয়া সামাজিক কুৰ্ণী।
... প্ৰেমৰ কবিতা মোৰ ফালি পেলাওঁ।
গুৰিজ্জৰ হাতত গুজি দিওঁ জন্ম নিৰোধক।
মই নেকড়া নহয়। ইছাবেলা পেহীৰ জীয়েক নহয়।
...ী, শুহি লোৱা
তোমাক উজাৰি উদি কৰি লোৱা ৰাতি কেৰাহী।
এনেকুৱা কাঁহীতে আমি ভাত খাওঁ।
...ৰ সীহৰ দৰে এই সপোন।
আজিৰ ৰাতিৰ হাঁহাকাৰতে বিচাৰোঁ
ষীযোদ্ধেনৰ আঙুলি।"

**দৃশ্য :- আৰউইনশ্বৰ BOROUGH OF CEMETER-IES গল্পটোৰ অংশবিশেষ**

আৰ্থিক দুৰ্দশাৰ সময়। দিনৰ হাড়-ভঙা পৰিশ্ৰমৰ পিছত দুখী টেক্সিচালক কেইজনমান গোট খাইছে এখন বিয়েৰ বাৰৰ সমুখত। পৰিশ্ৰমৰ ক্লান্তি দূৰ কৰিবলৈ সকলোৰে ইচ্ছা অলপমান বিয়েৰ খোৱাৰ- অথচ সৰহসংখ্যকৰ ওচৰত এগিলাচ বিয়েৰ কিনিবো পইচা নাই। আৰ্থিক দুৰ্দশাৰে জৰ্জৰিত সেই টেক্সি চালক কেইজনৰ এজন- ইলিয়াচ্। গোটেই দিনটো টেক্সি চলাই তেওঁ পাইছে তিনি ডলাৰ পঞ্চাশ চেণ্ট। টেক্সিৰ মালিকক তাৰপৰা দিব লাগিব দুই ডলাৰ পঞ্চাশ চেণ্ট। তেওঁৰ বন্ধু পেলানগিওৰো একেই অৱস্থা। দৰিদ্ৰতাৰ নিৰৱচ্ছিন্ন হেঁচাত সিহঁত ক্লান্ত, অৱসন্ন। দিনৰ পিচত দিন এনেকৈয়ে চলি আছে।

হঠাৎ সকলোবোৰ পাহৰি দুয়োজনে বাৰত মদ খাবলৈ আৰম্ভ কৰিলে। পাহৰি গ'ল মালিকৰ কথা, ঘৰত প্ৰতীক্ষাৰত পৰিয়ালটোৰ কথা। বাৰটেণ্ডাৰক পকেটৰ সকলো পইচা দি উপস্থিত সকলোকে মদ দিবলৈ নিৰ্দেশ দিলে। মদখাই সকলোৰে পৰমানে স্ফূৰ্তি কৰিলে। তাৰপিছত দুয়োজন ওলাই গৈ নিজ নিজ গাড়ীত উঠি বিপৰীত দিশৰ পৰা গাড়ী চলাই আহি পৰস্পৰক খুন্দা মাৰিবলৈ ধৰিলে। বহুত সময় এইদৰে পৰস্পৰে পৰস্পৰক খুন্দা মাৰি দুয়ো নষ্টাৰে দুয়োখন গাড়ী সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলালে। তেতিয়াৰে পুতুলি-পুতুলি হৈ দুয়োজনে নামি আহি পৰস্পৰৰ হাতত ধৰি জোকাৰিবলৈ ধৰিলে।

--- চমুকৈ গল্পটোৰ কাহিনীভাগ ইমানেই। গল্পটোৰ মানৱীয় দিশসমূহৰ বিষয়ে পাঠকক চিন্তা কৰিবলৈ স্বাধীনতা দি মই মুখ নোখোলা থাকিলোঁ।

**আঠ :- লিখকৰ কিছুমান তিতা-মিঠা নষ্টালজিয়া**

যোৱাবাৰ এইচিয়ানত এটা গল্প লিখিছিলোঁ। যদিও আগতেও বহুতো গল্প লিখিছিলোঁ, সেইবোৰে মোৰ বাকচৰ তল শুৱনি কৰাৰ বাহিৰে অন্য বিশেষ কাম কৰিব পৰা নাছিল। সাধাৰণতে কিবা এটা লিখাৰ সময়ত মই অলপ বেছি পৰিমাণে স্বাৰ্থপৰ হৈ যাওঁ। ফলস্বৰূপে লিখনীসমূহ সম্পূৰ্ণৰূপে আত্মজৈৱনিক হৈ পৰে। মোৰবোধেৰে লিখকৰ ব্যক্তিগত সম্ভ্ৰম-গোপনতাক আবৃত্ত ৰাখি স্ব-অভিজ্ঞতাক ব্যক্ত কৰিবৰ মাধ্যম হিচাপে আত্মজৈৱনিক লিখনীহে অধিক সুচল। তদুপৰি, মোৰ দৃঢ় ধাৰণা যে এই আটাইতকৈ ভালদৰে জনা বস্তুটো হ'লো মই নিজে। যি যি কি নহওক, এনে কেতবোৰ কাৰণতে মোৰ সৃষ্টিসমূহত ভিৰ কৰেহি জীৱনৰ বিভিন্ন প্ৰান্তৰত সন্মুখীন হোৱা কেতবোৰ স্ব-অভিজ্ঞতাই আৰু সেইবাবেই হয়তো ফুকন মহন্ত চাৰে এইবিলাকত কাহিনীৰ গুৰুত্বৰ অভাৱ অনুভৱ কৰে। এসোপামান নিজৰ কথাৰে কিবা এটা লিখাৰ নিজৰ স্বাৰ্থপৰতাত নিজেই লজ্জিত হওঁ। যোৱাবাৰেই প্ৰথম মোৰ গল্প কোনোবা আলোচনীত ওলাইছিল। গল্পটোৱে এইচিয়ানসকলৰ পৰা লাভ কৰা মিশ্ৰিত প্ৰতিক্ৰিয়া বিলাক আছিল এনেধৰণৰ-- "ৰিণ্টু, কি হ'ৰ' টিকা লিখিছ বে", "অই, পৰ্ণগ্ৰাফী মেগাজিনত লিখিবলৈ ল' বেচ ইনকাম কৰিব পাৰিবি", "ৰিণ্টু, গল্পটো বাৰু তোমাৰ অধঃপতিত জীৱনৰ এক লুক-ঢাক নোহোৱা দলিল নেকি ?", "ৰিণ্টু, বেচ সাহসী লিখনী এটা পঢ়িলো, ভাল লাগিল", ইত্যাদি।

যি কি নহওক, এই বিতৰ্কৰ মাজত থাকিও মই লাভ কৰিছিলোঁ এক প্ৰকাৰৰ তৃপ্তি-একপ্ৰকাৰৰ প্ৰশান্তি।

কৈশোৰতেই চিনাকি হৈছিলোঁ ফ্ৰয়েডৰ লগত- সেই বয়সত ভয়ঙ্কৰভাৱে নিষিদ্ধ 'যৌনতা' নামৰ শব্দটোৰ লগত। অৰ্ধজীৰ্ণ ফ্ৰয়েডীয় দৃষ্টিভংগীৰে ভৰা এটা স্পৰ্শকাতৰ মন লৈ প্ৰৱেশ কৰিছিলোঁ যৌৱনত। মাজে মাজে ভাবো, কৈশোৰৰ সেই অপৰিপক্ক চিন্তা- শক্তিৰে ফ্ৰয়েডৰ দৰে জটিল মনোবিজ্ঞানী এজনৰ মুখামুখি নোহোৱাহ'লেই হয়তো যৌৱন মোৰ বাবে হৈ

পৰিলেহেঁতেন অধিক মধুৰ, বেচ সংগোপনে ফ্ৰয়েডে নাৰী আৰু মোৰ মাজত তৈয়াৰ কৰিছিল এক অভেদ্য প্ৰাচীৰ। এই প্ৰাচীৰখনক আৰু কটকটীয়া কৰি পেলাইছিল এই মহাবিদ্যালয়খনে। লাহে লাহে সকলো নাৰীৰ চকুতে মই দেখা পাইছিলো কিবা এক অতৃপ্তিৰ বেদনা, একপ্ৰকাৰৰ wanton hunger.

এই অভেদ্য দেৱাল অতিক্ৰম কৰি মাজে মাজে এক অদৃশ্য শক্তিয়ে ভুমুকি মাৰিছিল মোৰ হৃদয়ত। ডিগবৈত থকাৰ সময়ছোৱাত এই প্ৰাচীৰখন আৰু শিথিল হৈ পৰিল। কিছুমান গোপন দুৰ্বলতাৰ সুযোগ লৈ সেই অদৃশ্য শক্তিটোৱে লাহে লাহে হৃদয়খনক তাৰ বশীভূত কৰি পেলালে। তাৰ বাৰম্বাৰ আঘাতত খহি পৰিল ফ্ৰয়েডে নিৰ্মাণ কৰা সেই যৌনতাৰ অভেদ্য প্ৰাচীৰখন। শ্বাসৰোধ কৰি এদিন আৱিষ্কাৰ কৰিলোঁ, এই দুৰ্বাৰ আক্ৰমণ মোৰ বাবে অতি তৃপ্তিদায়ক-অতি মধুৰ। লাহে লাহে উপভোগ কৰিবলৈ আৰম্ভ কৰিলোঁ এই মধুৰ আবেগটোক। কিন্তু-----

হয়টো দেৱচৌধুৰীয়ে ঠিকেই কৈছিল,- "যৌৱনৰ এনেকুৱা মুহূৰ্ত্তবোৰ ভয়ঙ্কৰভাৱে Vulnerable কাৰণ এনেকুৱা মুহূৰ্ততে মানুহৰ আৰম্ভ হয় মোহ গ্ৰস্ততা আৰু এই মোহগ্ৰস্ততাকে প্ৰেম বুলি প্ৰতীয়মান কৰাৰ বাবে বাৰে বাৰে নাৰী আৰু আৰু পুৰুষে চেষ্টা চলায়।

**ন ঃ প্ৰসংগত এটা বাতৰি আৰু কিছুমান প্ৰাসঙ্গিক চিন্তা**

দৈনিক অসম ঃ-

নগাঁও, ২৮ জানুৱাৰী, (নিজা বাতৰি দিওঁতা) ঃ- ছোৱালীজনীৰ নাম অনিমা দাস। বয়স ১৪ বছৰ। ঘাঁহী হাইস্কুলৰ নৱমমানৰ ছাত্ৰী। দেউতাক গাথিৰাম দাসে ঠেলা চলাই বহু কষ্টেৰে সংসাৰ চলাইছিল। এইবাৰ পৰীক্ষাৰ ফিজ ৭০ টকা দিব নোৱাৰাত অনিমাই পৰীক্ষাৰ ফল জানিব পৰা নাছিল। পৰীক্ষাৰ ফল নোপোৱাৰ দুখত অনিমাই চলন্ত অৱস্থাত থকা কপিলী ইণ্টাৰচিটী ৰেলৰ আগত শেনছোৱাৰ ওচৰত জাপ দি আত্মহত্যা কৰিলে। অনিমাই আত্মহত্যা কৰাৰ পিচত অনিমাৰ মৃতদেহ নগাঁৰৰ হয়বৰগাঁৱলৈ অনা হয়। হয়বৰগাৰৰ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষা কৰি মৃতদেহ পিতৃক ঘূৰাই দিয়ে যদিও চৰকাৰী চিকিৎসালয়খনত ৮০ টকা দিবলগীয়া হোৱাত এটা দিন পুনৰ মৰণোত্তৰ পৰীক্ষা কৰা গৃহত অনিমাৰ মৃতদেহ থৈ খুজি-মাগি ৮০ টকা যোগাৰ কৰি অৱশেষত দেউতাকে নিজৰ ঠেলাগাড়ী খনতেই অনিমাৰ মৃতদেহটো ঘাঁহীৰ ঘৰলৈ লৈ যায়গৈ। অনিমাৰ ঘৰত মাক অচিনবেমাৰত এটা বছৰ ধৰি শয্যাগত। জীয়েকৰ মৃতদেহ চিতাত তুলিয়েই গাথিৰাম পুনৰ ঠেলা লৈ নিজৰ জীৱন সংগ্ৰামত নামি পৰিছে।

--- এয়া মাথো এটা বিশেষ দিনৰ বাতৰি এখনৰ এটা বাতৰিহে। এনেকুৱা শত-সহস্ৰ বাতৰিয়ে আজি উপচাই পেলাইছে বাতৰি কাকতৰ প্ৰতিপৃষ্ঠা।

-উপন্যাসখনৰ এই অংশটোৰ নাম দিছিলোঁ "প্ৰসংগত এটা বাতৰি আৰু কিছুমান প্ৰাসঙ্গিক চিন্তা"। বাতৰিটো মই ওপৰোক্ত কাকতখনৰ পৰা পৰিবেশন কৰিলোঁ। বাতৰিটো পঢ়ি উদয় হ'ব পৰা চিন্তাখিনি অৰ্থাৎ 'প্ৰাসঙ্গিক চিন্তা' অংশটোৰ বিষয়ে আপোনালোকে ভাবক-লিখক হিচাপে এইকণ স্বাধীনতা মই আপোনালোকক দিলোঁ।

**দহ ঃ- আডডাত এমুঠি ইণ্টে-টৰ্চাৰ আৰু এজন ঋতুদাৰ**

উহ, কোনোমতে ট্ৰেইনখন পালেহি এথোন। কম দৌৰা-দৌৰিখন হোৱা নাই- ভাতকেইটাও শান্তিত খাবলৈ নাপালে সি। টোপনি চিকুণ পুৰা বুলি মানুহে এনেয়ে নকয়-তাকো এই নৱেম্বৰৰ বাতিপুৱা। ভাগ্য ভাল বুলিহে ট্ৰেইনখন পালেহি এথোন। এতিয়া শান্তিত বহিবলৈ পালেই হয়---।

সদায় সদায় বাৰু এই মানুহবোৰ ক'লৈ যায়- সি ভাবিলে। কেতিয়াও ভালদৰে বহিবলৈ চিট এটা পোৱা নাযায়। মানুহবোৰৰ বাৰু সদায় ইমান কি কাম ওলায় ?- অ' চিট এটা আছে। হ'ব, কোনোমতে কঁকালটো পোনাই বহি যাব পাৰিলেই হ'ব। চিটটোত বহিবলৈ গৈ হে সি দেখিলে, ইতিমধ্যে কোনোবাই চিটটো চাহেৰে একাকাৰ কৰি গৈছে। হ'ব, কিবা প্ৰকাৰে বহিব পাৰিলেহ হ'ল। পকেটৰ পৰা ৰুমালখন উলিয়াই চিটটো ভালদৰে মোহাৰি সি চাৰিওফালে এবাৰ দৃষ্টি নিক্ষেপ কৰিলে। কোনেও তাক লক্ষ্য কৰা যেন নেদেখি সি ৰুমালখন পুনৰ পকেটত ভৰাই থ'লে। চিটটোতে হেলান দি বহি সি পকেটৰ পৰা চাৰ্মিনাৰ এডাল উলিয়াই তাত অগ্নি-সংযোগ কৰি কোঠাটোৰ চাৰিওফালে পুনৰ এবাৰ চকু ফুৰালে। প্ৰায়বিলাকেই অনা-অসমীয়া মানুহ। মাত্ৰ তিনিজন মানুহ তাৰ অসমীয়া যেন লাগিল। তাৰে এজনে একান্তমনে কিতাপ এখন পঢ়ি আছে আৰু বাকীদুজন কথাত মচগুল। চাৰ্মিনাৰটোত এটা দীঘলীয়া হোপা মাৰি সি মানুহজনৰ কথাবিলাকত মনোনিবেশ কৰিবলৈ চেষ্টা কৰিলে -

"--- বুজিছা, কালি 'ক্ৰাইঙ -গেম' খন চালো- সেই যে লুই জৰ্ডানৰ চিনেমাখন। আয়াৰলেণ্ডৰ উগ্ৰপন্থী সংগঠন এটাৰ কাহিনী-লগত অলপমান স্টকহম চিনড্ৰম ভৰাই দিছে। কাহিনীটোত বিশেষ জোৰ নাই; কিন্তু direction সঁচাকৈয়ে টেৰিফিক্ হৈছে। অকল Direction ৰ জোৰতেই এখন সফল চিনেমা বনাইছে।"-এজনে ক'লে।

"--নহয় হে। এই অসমীয়া ডিৰেক্টৰ কেইটাই জোৰ-জবৰদাস্তি এটা Ideology Impose কৰিবলৈ যায়। মাধ্যমটোৰ

কলাত্মক দিশবোৰৰ প্ৰতি লক্ষ্য নাৰাখি অকল যদি নীতি-শিক্ষাৰ মাধ্যম হিচাপেহে তাক ব্যৱহাৰ কৰে, তেন্তে দৰ্শক বিৰক্ত হোৱাটোৱেই স্বাভাৱিক, নহয় জানো ? লুই জৰ্ডান, গডাৰ্ড বা বুনুৱেলৰ চিনেমা চোৱা-তুমি তেনেদৰে বিৰক্ত নোহোৱা । ইমানে বুজিলে যাব নালাগে, তুমি মৃণাল সেন বা ঋত্বিক ঘটকৰ কথাই জনাটোন । আদৰ্শ এটাতো কাকো জোৰ-জবৰদস্তি জাপি দিয়া বস্তু নহয় ।”

ট্ৰেইনখনৰ গতি লাহে লাহে কমি আহিল । ষ্টেশ্যান এটা পাই পালে সম্ভৱ। ট্ৰেইনখন ৰোৱাৰ লগে লগে চানাচুৰ, কিতাপ বিক্ৰী কৰা মানুহ ইত্যাদিৰে ডবাটো ভৰি পৰিল । চানাচুৰটোৰ লৰা ভজা-বাদাম এটকাৰ লৈ সি চোবাবলৈ আৰম্ভ কৰিলে । মানুহ দুজনেও দুটকাৰ বাদাম কিনিলে ।

লাহে লাহে ট্ৰেইনখনে পুনৰ গতি কৰা আৰম্ভ কৰিলে । অনা-অসমীয়া মানুহকেইটাই নিজৰ ভিতৰতে গীত জুৰিছে-এটা অৰ্দ্ধ-বিহাৰী ভাষাত। কিতাপ পঢ়ি থকা মানুহজনে কিতাপখন জপাই টোপনি যাবলৈ চেষ্টা কৰিছে। মানুহজনো পুনৰ কথাত মগ্ন হ'ল। ট্ৰেইনখনৰ বিকট শব্দবিলাকক আওকাণ কৰি, সিয়ো পুনৰ নিমগ্ন হ'ল মানুহদুজনৰ কথা-শুনাত-

“--- এই অসমখনৰ কি হৈছে বাৰু ! কালি পেপাৰত পঢ়িলো ৰাস্তাৰ মাজতে পাচঁ-বছৰীয়া ছোৱালী এজনীক মাকৰ সৈতে কোনোবা অততায়ীয়ে হত্যা কৰিলে । মানুহ গৰাকীয়ে পানী বিচাৰি চিঞঁৰি আছিল । পানী অলপ মুখত দিয়াটো দেই, ওচৰে-পাজৰে থকা কোনো এজন মানুহে মানুহজনীক হস্পিতাললৈ নিয়াৰ প্ৰয়োজনীয়তাটোও অনুভৱ নকৰিলে ।”

“--- নক'বা আৰু । বৰ্তমানৰ যুব-মানসিকতা যে কোনফালে গতি কৰিছে ঃ দেশখনক এটা পৰিবৰ্তনৰ প্ৰয়োজন হৈছে বুজিছা। এই বুদ্ধিজীৱীকেইটাই চৰকাৰ, ৰাজনীতি আদি কৰিয়েই মৰিব । এইবোৰ ঘটনাৰ প্ৰতি সিহঁতৰ কাণ-সাৰেই নাই। তুমি মই খুব বেছি ক' বহে পাৰো; বিপ্লৱ এটা যেতিয়ালৈকে mass নহয়,সিটো কেতিয়াও সফল নহয় ।”

“.... এই অধঃ পতিত যুব মানসিকতাৰ বাবে mainly এই সস্তীয়া ফৰ্মুলামাৰ্কা হিন্দী ছবিবোৰো কিছু পৰিমানে দায়ী বুজিছা। আঢ়ৈ-ঘণ্টা জুৰি ধৰ্ষণ, বোমাবৰ্ষণ, গুলীয়া-গুলী আদিৰে ভৰপূৰ চিনেমা এখন চাই অপৰিপক্ক মনবিলাক সেইবোৰলৈ আকৰ্ষিত হোৱাটো খুবেই স্বাভাৱিক। সস্তীয়া প্ৰেম, মৰা-মৰি,ধৰ্ষণ আদি নহলে চিনেমাই বনাব নোৱাৰে. সিহঁতে। কিমান ভাল ভাল বিষয় আগত পৰি আছে । এই ধৰা child labour -কেনে এটা appealing topic . কিন্তু এনেবোৰ মনদীয় বিষয়ক কোনেও পাত্তাই নিদিয়ে । আমি আকৌ গৰ্ব কৰো, আমাৰ ভাৰতবৰ্ষত আটাইতকৈ বেছি চিনেমা নিৰ্মিত হয় বুলি ! Quality বিশিষ্ট চিনেমা তুমি এক শতাংশও বিচাৰি নোপোৱা । চীন বা টাইৱানৰ কথা ভাবাচোন; আমাৰ দেশতকৈ বহুত পিছত সিহঁতৰ তালৈ এই সংস্কৃতিটো গৈছে। অথচ সিহঁতৰ চিনেমা এতিয়া মানদণ্ডৰ ফালৰ পৰা কিমান আগবাঢ়ি গৈছে।”

ট্ৰেইনখনৰ গতি আকৌ লাহে লাহে কমি আহিবলৈ ধৰিলে । আৰু এটা ষ্টেচন আহিল সম্ভৱ ।

ট্ৰেইনখন ভালদৰে ৰ'বলৈ পোৱাৰ আগতেই চানাচুৰ, ফেৰীৱালা আদিৰে পুনৰ ট্ৰেইনখন ভৰি পৰিল। তদুপৰি নতুনকৈ উঠিবলৈ অহা যাত্ৰীবোৰে আছেই । মানুহবিলাকৰ বিশৃঙ্খল কোলাহলবোৰত সি এক প্ৰকাৰৰ অস্বস্তি অনুভৱ কৰিলে । ফেৰীৱালাটোৰ পৰা চাহ একাপ লৈ সি এটা চিগাৰেট জ্বলালে । অন্ধ বৃদ্ধ এগৰাকী উঠি দেহবিচাৰ গীত জুৰি য় কিবা এটা গাবলৈ আৰম্ভ কৰিছে । সি পকেটত খেপিয়াই চালে, খুচুৰা পইচা বিচাৰি। আধলি এটা পাই বৃদ্ধজনলৈ আগবঢ়াই দিলে। মানুহদুজন বাদাম চোবোৱাত ব্যস্ত । বাদামৰ বাকলিবিলাকে ট্ৰেইনৰ মজিয়াখনত এক স্তুপীকৃত আকাৰ গ্ৰহণ কৰিছে ।

প্লেটফৰ্মত মানুহবিলাকৰ অনাহক ব্যস্ততা । কিছুমান দৃষ্টি বিভিন্ন ডবাসমূহৰ ওপৰত নিবদ্ধ। হয়তো অপেক্ষাৰত- কোনোবা আত্মীয়ৰ প্ৰতীক্ষাত। বাহিৰলৈ ভুমুকি মাৰি চাই সি সময় সম্বন্ধে এটা অনুমান কৰিবলৈ প্ৰয়াস কৰিলে । এঘাৰ মান বাজিল সম্ভৱ। কোনোবা ষ্টেচনত ট্ৰেইনখন বহুসময় ৰখাই নথ'লে সি সময়তেই পাব লাগে ।

এজন তেৰবছৰ মান বয়সীয়া ল'ৰাই ডবাটো ঝাড় দিবলৈ আৰম্ভ কৰিছে। পোছাকত মলিনতা- দৰিদ্ৰতাৰ চাপ সুস্পষ্ট । মানুহদুজনে ভৰি দুটা অলপ দাঙি দি চাফাকৰিবলৈ সুবিধা কৰি দিলে । তেওঁলোক দুজনে কিবা কথা পাতি আছে । কিন্তু মানুহবিলাকৰ হুলস্থূলত সি একো শুনিবলৈ পোৱা নাই । সি মনত অলপ অনুসন্ধিৎসা অনুভৱ কৰিলে তেওঁলোকৰ কথাবিলাক শুনিবলৈ ।

ঝাড় দিয়া ল'ৰাটোৰ কাম শেষ হ'ল হ'ব পায় । সি যাত্ৰীবিলাকৰ ওচৰত হাত-পাতি তাক অলপ আৰ্থিক সাহায্য দিবলৈ অনুৰোধ জনাইছে। সি দুটকীয়া এটা পকেটৰ পৰা উলিয়াই ল'ৰাটোৰ হাতত দিলে । কিছুমান যাত্ৰীয়ে তাক পইচা দিছে; কিছুমানে খুচুৰা পইচা নাই বুলি কৈ তাক প্ৰতীয়মান কৰাবলৈ এশটকীয়া নোট এখন উলিয়াই দেখুৱাইছে ।

ল'ৰাটো লাহে লাহে গৈ সেই মানুহদুজনৰ ওচৰ পালেগৈ । আনমানুহবিলাকক কৰাৰ দৰে সি তেওঁলোককো অনুৰোধ কৰিলে । মানুহদুজন নিজৰ মাজত কথাত ব্যস্ত ।

বহুসময়লৈকে একো সহাঁৰি নিদিয়া দেখি ল'ৰাজনে আকৌ এবাৰ অনুৰোধটো কৰিলে- এইবাৰ অলপ জোৰকৈয়ে। মানুহদুজনৰ তেতিয়াও সহাঁৰি নাই। অকণমান সহায় হাতখন আগবঢ়াই থাকি ল'ৰাজন আনমানুহৰ ফালে আগবাঢ়ি গ'ল।

ট্ৰেইনখনে লাহে লাহে গতি কৰা আৰম্ভ কৰিলে। যেখীত্ৰালাবোৰ' ল'ৰাজন, চানাচুৰ সকলো লৰা-লৰিকৈ ডবাটোৰ পৰা নামি গ'ল। মানুহদুজনৰ কথা তেতিয়াও চলি আছে।

এইবাৰ কিন্তু সি তেওঁলোকৰ কথাবিলাকৰ প্ৰতি কোনো প্ৰকাৰৰ আকৰ্ষণ অনুভৱ নকৰিলে--- ।

**এঘাৰ ঃ- সাহিত্যৰ মৃত্যু অথবা অপমৃত্যু, দেৱচৌধুৰী আৰু পাঠকলৈ এটি মুকলি প্ৰশ্ন**

"---- সম্ভৱ কবি আৰু সমালোচক শ্ৰী নলিনীধৰ ভট্টাচাৰ্যৰ কোনোবা এটা প্ৰবন্ধত পঢ়িবলৈ পাইছিলোঁ যে পশ্চিমৰ কৰবাত ইতিমধ্যে কোনোবাই সাহিত্যৰ মৃত্যু ঘোষণা কৰিছে। কথাষাৰ পঢ়ি মই বহুতো সময়লৈ স্তব্ধ হৈ ৰৈ গৈছিলোঁ। .....

---দুৰ্ভাগ্যক্ৰমে সহজ পাৰ্থিব সফলতাৰ বাবে সাহিত্যক অপ্ৰাসঙ্গিক বুলি মনৰ এচুকত ভাবিবলৈ আৰম্ভ কৰা লোকৰ সংখ্যাটো দিনক দিনে বাঢ়ি গৈ আছে আৰু সচাঁকৈয়ে সেয়েহে মোৰদৰে সাহিত্যপ্ৰেমীয়ে কেতিয়াবা গভীৰ আতংকৰে ভাবিবলগীয়া হৈছে, সেই যে পশ্চিমত কোনোবাই সাহিত্যৰ মৃত্যু ঘোষণা কৰাৰ স্পৰ্দ্ধা দেখুৱাইছে, শেষত গৈ তেওঁৰ সেই নিদাৰুণ ঘোষণায়েই সত্য বুলি পৰিগণিত হ'ব নেকি ? ....

---গল্প, উপন্যাস অথবা কবিতাও আজিৰ পৃথিৱীৰ দ্ৰুতগামী মানুহৰ বাবে তেনে এক obsolete সামগ্ৰীলৈ ৰূপান্তৰিত হোৱাৰ উপক্ৰম হৈছে নেকি যাৰ বাবে নিতান্ত স্বাভাৱিক ভাবে ঘোষণা কৰাৰ প্ৰয়োজন হৈ পৰিছে সাহিত্যৰ মৃত্যু ? সাহিত্যৰ মৃত্যু সংবাদে যদিওবা মোক প্ৰথমতে সম্পূৰ্ণৰূপে স্তব্ধ আৰু হতাশ কৰি দিছিল, তাৰ পিছত কিন্তু মই ভাবিবলৈ আৰম্ভ কৰিলোঁ- যদিহে সাহিত্যৰ সচাঁকৈয়ে মৃত্যু হয়, পৃথিৱীত যদি কেতিয়াও গল্প, উপন্যাস, কবিতা ৰচনা নহয়, তেনেহ'লে এই পৃথিৱীতনো এনে কি অঘটন ঘটাৰ সম্ভাৱনা আছে, যাৰ বাবে আমি যিকোনো প্ৰকাৰে সাহিত্যক জীয়াই ৰাখিবই লাগিব ? আৰু যদি কোনো অঘটনেই নঘটে; গল্প, উপন্যাস, কবিতা নপঢ়াকৈয়েও যদি পৃথিৱীৰ মানুহে বেছ দপদপাই জীয়াই থাকিব পাৰে, তেন্তে সাহিত্যৰ মৃত্যু হ'লেওনো তাত দুখ কৰিবলগীয়া কি আছে ! ......

--- ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ৰ কথা ।--- ছুটীৰ দিন আছিল সেইদিনা । --- সকলোকে আন্দামানৰ জিমখানাৰ পথাৰত একগোট হ'বৰ বাবে আহ্বান বতাহত ভাঁহি আহিল। সেই আহ্বান আছিল জাপানীসকলৰ। ---

--- অত্যাচাৰৰ ভয়ত সেই দ্বীপপুঞ্জৰ সকলো পাৰি... আহি গোট খালে জিমখানাৰ পথাৰত। চক্ৰাকাৰে থিয় হৈ ... শ শ আতঙ্কিত, স্তব্ধ মানুহক সঙ্গীনধাৰী জাপানী সৈনাই ... দি আছে আৰু সেই পথাৰৰ মাজত সকলোৰে ভয়াৰ্ত দৃষ্টি... সম্মুখত জাপানী সৈনাই শাস্তি-প্ৰদান কৰিছে এজন প্ৰতি... ভাৰতীয় মানুহক। কঁকালত এটা সৰু জাঙিয়াৰ বাহিৰে শৰীৰ... অইন কোনো বসন নোহোৱা মানুহজনৰ ওপৰত আহি পৰিছে... একোটা চাবুকৰ আঘাত আৰু প্ৰতিটো আঘাততে বহীৰ দ... ছিটিকি ছিটিকি পৰি মানুহজনে আৰ্তনাদ কৰিছে।

--- সেই ছটফটনি শেষ কৰি দিবৰ বাবে তাৰ ভৰি এখনে... মটমটাই ভাঙি দিয়া হ'ল। আকাশ বতাহ সকলো বিদীৰ্ণ কৰি... শৰীৰৰ সমস্ত শক্তিৰে মানুহজনে শেষবাৰৰ বাবে আৰ্তনাদ কৰি... উঠিল- পানী, পানী। ....

হঠাতে ভয়াৰ্ত সেই মানুহৰ জুমৰ পৰা মাত্ৰ আঠু পৰ্যন্ত... মলিয়ন কাপোৰেৰে আবৃতা এগৰাকী জংলী তৰুণী নাৰী চিংকাৰ... কৰি আগুৱাই গ'ল সেই মানুহজনৰ ওচৰলৈ, মূৰৰ ওপৰত জঁট... বান্ধি থোৱা চুলি, বুকুত ফটাছিটা ব্লাউজ।

--- জুমৰ পৰা কোনোবা এজনে দৌৰি গৈ ওচৰৰ এঘৰৰ পৰা লোটা এটাত পানী লৈ আহিল। তৰুণীজনীয়ে মানুহজনৰ হাতৰ পৰা পানীৰ লোটাটো লৈ আগবাঢ়ি গ'ল খোলা পথাৰত পৰি ৰোৱা লোকজনৰ ওচৰলৈ, কিন্তু পানীখিনি ঢালি দিয়াৰ আগতেই উন্মত্ত সেই জাপানী সৈন্য দুজনৰ লাঠি আহি পৰিল লোটাটোৰ ওপৰত। মাটিৰ ওপৰত পৰি বাগৰি গ'ল পানী।

ক্ৰমশঃ ক্ষীণ হৈ অহা কণ্ঠস্বৰেৰে পুনৰ লোকজনে গেঙনিৰ সুৰত উচ্চাৰণ কৰিলে- পানী, পানী তৰুণীজনীৰ চাৰিওফালে তেতিয়া শ-শ নিৰ্বাক, ভয়াৰ্ত, আতঙ্কিত অচিনাকি মানুহ। এক মুহূৰ্তৰ বাবে যেন সেই নাৰীৰ দুচকুত অগনি জ্বলি উঠিল আৰু তাৰ পিছ মুহূৰ্ততে কোনো ফালে ভ্ৰুক্ষেপ নকৰি নিজৰ বুকুৰ মলিয়ন ব্লাউজ এক টান মাৰি ফালি পেলালে আৰু দুগ্ধ ভৰ্তি এটা স্তন গুজি দিলে সেই তৃষ্ণাৰ্ত লোকজনৰ দুই ওঁঠৰ মাজত।"

---- মই এটা কথা গভীৰভাৱে বিশ্বাস কৰো যে সেই জংমী তৰুণীজনী অবিহনে এই বিশ্বত মানুহ কেতিয়াও মানুহ হৈ জীয়াই থাকিব নোৱাৰে আৰু সাহিত্য হ'ল সেই প্ৰধান (প্ৰায় একমাত্ৰ ) শক্তি যিয়ে সেই তৰুণীজনীক জীয়াই ৰাখিব পাৰে।

সেই জংলী তৰুণীজনীক জীয়াই ৰাখিবৰ বাবেই জীয়াই থাকিব লাগিব, জীয়াই ৰাখিব লাগিব, জীয়াই থাকিব গল্প, উপন্যাস, কবিতা।

প্ৰসংগপ্ৰান্তৰত লিখক ঃ- দশম গুৱাহাটী গ্ৰন্থমেলাত এখন

সুন্দৰ, চিত্তাকৰ্ষক বেটুপাতৰ কিতাপ দেখি আগবাঢ়ি গৈছিলো জাৰ্নাল এম্প'ৰিয়ামৰ ষ্টলৰ ফালে। কিতাপখন হাতত লৈয়েই দেখিছিলোঁ, ছপা আখৰত মোৰ অন্যতম প্ৰিয় লেখক ফনীন্দ্ৰ দেৱচৌধুৰীৰ নাম। নাজানো কিয়, কিন্তু দেৱচৌধুৰীৰ কিতাপ খুলি ক'লেই মই হৃদয়ত একপ্ৰকাৰৰ উৎকণ্ঠা তথা আবেগ অনুভৱ কৰো। এই উৎকণ্ঠাই মোক সদায় বাধ্য কৰে একে বহাতে কিতাপখন শেষ কৰিবলৈ।

'হোমেন বৰগোহাঞি মুৰ্দাবাদ' নামৰ এই কিতাপখনো একে বহাতে শেষ কৰিছিলোঁ। আবেগৰ তাড়ণাতএমাহমান সময়ৰ ভিতৰতে চাৰিবাৰ পঢ়ি পেলাইছিলোঁ - সেই কিতাপখনৰে 'জংলী তৰুণী আৰু তৃষ্ণাৰ্ত মানুহ' তথা 'হোমেন বৰগোহাঞি মুৰ্দাবাদ' শীৰ্ষক ৰচনা দুখন পঢ়ি ইমানেই আপ্লুত হৈছিলোঁ যে পাঠকক দেৱচৌধুৰীৰ ভাষাৰে সাহিত্যৰ প্ৰয়োজনীয়তা সম্বন্ধে অৱগত কৰোৱাৰ লোভটো সামৰিব নোৱাৰিলোঁ। সেইবাবেই সেই ৰচনা দুখনৰ নিৰ্বাচিত অংশ কেইটুকুৰামান উপন্যাসখনৰ এটা অংশ হিচাপে বুটলি ল'লো।

শেষত এইচিৰ পাঠকসকললৈ এটি মুকলি প্ৰশ্ন, ওপৰৰ কথাখিনি পঢ়ি উঠি সাহিত্যৰ মৃত্যুৰ দৰে এটা হৃদয়বিদাৰক সংবাদ আপোনালোকে সহ্য কৰিব পাৰিবনে ?

**বাৰ ঃ- মোৰ অৰ্থাৎ লিখকৰ কিছুমান অপ্ৰয়োজনীয় অথবা নিৰৰ্থক মন্তব্য**

আগতেই কৈছো, উপন্যাসখনত মোৰ অৰ্থাৎ লিখকৰ ভুমিকা সম্পূৰ্ণ অপাংক্তেয়। উপন্যাসখনৰ কাহিনীভাগক (প্ৰকৃততে কোনো কাহিনীয়েই নাই) সম্পূৰ্ণ ৰূপে পাঠকৰ হাতত গতাই দিয়াৰ পক্ষপাতী নহয় বাবেই মাজে মাজে মই ভুমুকি মাৰিছো।

সৰুতে এটা কাহিনী পঢ়িছিলোঁ- নাৰ্চিচাছৰ বিষয়ে- নিজৰ প্ৰতি প্ৰয়োজনাধিক প্ৰেমেই যাৰ মৃত্যুৰ কাৰণ হৈছিল।-- আচলতে প্ৰতিজন মানুহেই কমবেছি পৰিমাণে নাৰ্চিচিষ্টিক। সকলো মানুহেই কম বেছি পৰিমাণে নিজকে ভাল পায়-হয়তোবা তাতে ক'ৰবাত মাত্ৰাৰ তাৰতম্য ঘটে। নিজক ভাল নোপোৱা মানুহে আনকো ভাল পাব নোৱাৰে- সেই কথা ধ্ৰুৰূপ। এনে মানুহবিলাকে নিজৰ ভিতৰত কঢ়িয়াই ফুৰে এক প্ৰকাৰৰ evil-ness; অপৰাধপ্ৰৱণতাৰ বীজ। অন্যহাতে নিজকে খুব বেছি ভাল পোৱা মানুহবিলাকো আত্মকেন্দ্ৰিক হয়। তেওঁলোকেও নিজৰ ভিতৰত সংগোপনে সাঁচি ৰাখে আন একপ্ৰকাৰৰ evilness। আনকো যে ভাল পাব পাৰি, সেয়া তেওঁলোকৰ সপোনৰো অগোচৰ। আত্মকেন্দ্ৰিকতাই তেওঁলোকৰ আত্মসন্মানবোধ ধীৰে ধীৰে লুপ্ত কৰি আনে। আত্মসন্মানবোধ ৰহিত মানুহ এজনে আনক সন্মান কৰাৰ প্ৰশ্নই আহিব নোৱাৰে।

তদুপৰি স্বাৰ্থহীনতাও প্ৰকৃততে এক প্ৰকাৰ ইনডাইৰেক্ট স্বাৰ্থপৰতা। ----

---- উপন্যাসখনত এতিয়ালৈকে যিমানবিলাক চৰিত্ৰৰ অঙ্কণ কৰিলোঁ, প্ৰতিটোৱেই কম বেছি পৰিমাণে স্বাৰ্থপৰ অথবা স্বাৰ্থহীন। প্ৰকৃততে মই নিজেই সন্দিহান-স্বাৰ্থপৰ হোৱাটো শ্ৰেয় নে স্বাৰ্থহীন হৈ ইনডাইৰেক্ট স্বাৰ্থপৰ হোৱাটো শ্ৰেয়।

**তেৰ ঃ- প্ৰসংগত এজন বিপ্লৱী, এটা সাধু আৰু হেমাঙ্গ বিশ্বাসৰ কবিতাৰ এটুকুৰা**

"এন্ধাৰ জুপুৰীত/ লেমৰ টিমিক-ঢামাক পোহৰত/
সুধিলোঁ, খুৱা কেনে পাইছে ?/
এটি ক্ষীণ আঙুলিৰে উদ্ধিত/ চেপাদি উলিয়াইছিল
মাথো / এযাৰ মাত / বৰ কষ্ট কমৰেড।"

[ হেমাংগ বিশ্বাস ]

স্কুটাৰখনৰ ষ্টাৰ্ট বন্ধ কৰাৰ লগে লগে চাৰিওফালৰ পৰা এজাক শব্দহীনতাই তাক পৰিবেষ্টিত কৰি পেলালে। হয়তো তাক পুৰণা মডেলৰ বাজাজ চুপাৰখনৰ বিকট শব্দবিলাকেহে ইমানসময়ে পৰিবেশটো শব্দমুখৰ কৰি ৰাখিছিল। আজি ষ্ট্ৰীট লাইটটোও জ্বলি থকা নাই, ফিউজেই হ'ল সম্ভৱ। সিহঁতৰ ক্লাবটো সম্পূৰ্ণৰূপে আন্ধাৰত ডুবি আছে, ওচৰৰ ঘৰটোৰ পৰা ভাঁহি অহা পোহৰৰ দুই এটা টুকুৰাই ঠাই ডোখৰত কিছু আলোকৰ যোগান ধৰিছে। বৰ্মনৰ দোকানখনো বন্ধ, সমগ্ৰ পথটোত তাৰ বাহিৰে এটাও জনপ্ৰাণী নাই; কেৱল টেলিফোনৰ খুটাকেইটাই সিহঁতৰ একাকীত্ব ঘোষণা কৰি পথটোক পহৰা দি থিয় হৈ আছে- নিশব্দময় এক লেণ্ডস্কেপ।

ক্লাবৰ বাকী সদস্যাকেইটা এতিয়াও আহি পোৱা নাই সম্ভৱ। চাৰ্মিনাৰ এডাল জ্বলাই সি সস্কুটাৰখনৰ ওপৰতে বহি ৰ'ল। দিনবোৰ কিবা বৈচিত্ৰহীন হৈ পৰিছে তাৰ বাবে- ৰাতি এটা বজালৈকে প্ৰেছত কাম, ৰাতিপুৱা ন-দহ বজালৈকে পৰ্য্যাপ্ত পৰিমাণে কপাহ আৰু পোহৰৰ অভাৱত কাঠৰ দৰেটান হৈ পৰা বিচনাখনৰ সান্নিধ্য, সন্ধিয়া হ'লেই ক্লাবলৈ অহা এয়াই তাৰ দৈনিক ৰুটিন। কোনো বৈশিষ্ট নাই। একঘেয়ামীৰে ভৰা জীৱনটোৰ প্ৰতি বিতৃষ্ণা ওপজিছে তাৰ। কেতিয়াবা ভাবে, সাংবাদিকৰ চাকৰিটো এৰি দিয়াই তাৰ বাবে শ্ৰেয় হ'ব সম্ভৱ! কিন্তু এই চাকৰিটো এৰিদিলে সি জানো অন্য চাকৰি পাব। তাৰ দৰ্মহাৰ সাতশটকাৰ ওপৰতে নিৰ্ভৰ কৰিছে ভায়েকটোৰ ভৱিষ্যৎ; বেমাৰী দেউতাকৰ আয়ুস। সেইবাবে চাকৰিটো ত্যাগ কৰা সম্ভৱ নহয় তাৰ বাবে।

সন্মুখৰ পৰা অহা গাড়ীখনৰ হে'ড লাইটৰ তীব্ৰ পোহৰে চকু চাট মাৰি ধৰাত সি বাস্তৱলৈ ঘূৰি আহিল। বহুত দেৰি ভাবি আছিল সম্ভৱ; চিগাৰেটটো পুৰি আহি অন্তিম পৰ্য্যায় পালেহি। গাড়ীখনৰ পোহৰৰ তীব্ৰতাৰ পৰা চকুকেইটা ঘূৰাই লৈ সি পুনৰ অন্যমনস্ক হৈ পৰিল।

মৃদু শব্দ এটা কৰি গাড়ীখন তাৰ ঠিক কাষতেই ৰ'লহি। স্বাভাৱিক উৎকণ্ঠাৰে সি গাড়ীখনৰ ফালে ঘূৰি চালে। ড্ৰাইভাৰৰ ফালৰ ডাৰ্ক গ্লাছখন লাহে লাহে নামিবলৈ ধৰিলে। আন্ধাৰত সি আৰোহীজনৰ মুখখন ভালদৰে ধৰিব নোৱাৰিলে। দৰ্জাখন খুলি আগন্তুকজন লাহে লাহে তাৰ ফালে আগবাঢ়ি আহিল। "আৰে', এই যে প্ৰণব। ভূতৰ দৰে ক'ৰ পৰা ওলালিহি হঠাতে।"- আৰোহীজনৰ মুখখন দৃষ্টিগোচৰ হোৱাৰ লগে লগে সি চিঞৰি উঠিল।

স্কুলৰ বন্ধু প্ৰণবক বহুদিনৰ মূৰত হঠাতে দেখা পায় তাৰ মনটো উৎফুল্লিত হৈ উঠিল। বহুত সময়লৈকে পৰস্পৰে পৰস্পৰক সাবটি ধৰি থাকিল। লাহে লাহে তাৰ মনটো উৰা মাৰিছিল স্কুলৰ সেই মিঠা দিনবোৰলৈ---।

--- বন্ধুত্ব কি বস্তু জনাৰ আগতেই তাৰ বন্ধুত্ব স্থাপন হৈছিল প্ৰণবৰ লগত। যদিও সিহঁত দুয়োটাৰে মাজত মতাদৰ্শৰ আকাশ-পাতাল পাৰ্থক্য আছিল, তথাপিও খুবেই অন্তৰংগ আছিল দুয়ো। প্ৰণবৰ দুচকুত আছিল এমুঠি ৰঙীন সপোন নিজৰ আদৰ্শেৰে সমাজখনক নতুনকৈ গঢ়াৰ সপোন দেখিছিল সি। বিৰাট আশাবাদী আছিল প্ৰণব- হয়তো এই গুণটোৰ বাবেই সি প্ৰণবৰ প্ৰতি আকৃষ্ট হৈছিল।

মেট্ৰিক পৰীক্ষা নিদিয়াকৈ প্ৰণব অন্তৰ্দ্ধান হৈছিল ঘৰৰপৰা। ঘৰৰ মানুহে বহুত বিচাৰ-খোচাৰ কৰিও তাৰ কোনো সম্ভেদ নাপালে। বহুতদিনৰ মূৰত সি তাঁলৈ এখন চিঠি দিছিল- সি হেনো নিষিদ্ধ উগ্ৰপন্থী সংগঠন এটাত যোগদান কৰিলে। অৱশ্যে খবৰটো তাৰবাবে বিশেষ আশ্চৰ্যকৰ নাছিল যোৱাৰ কিছুদিন আগৰপৰা প্ৰণবে তাক এটা আভাস দিছিল।

সেই চিঠিখনৰ পিছত তাৰ একো খবৰ পোৱা নাছিল সি। অৱশ্যে সি মাজে মাজে সম্পাদিত কৰিছিল প্ৰণবৰ নাম সম্বলিত কেতবোৰ বাতৰি, ---

এইবোৰ কথা মনত পৰাৰ লগে লগে একপ্ৰকাৰৰ অনুসন্ধিৎসাই তাক পুণৰ বাস্তৱলৈ ঘূৰাই আনিলে। মৌনতা ভংগ কৰি সি প্ৰণবক সুধিলে," তই উগ্ৰপন্থী সংগঠনটোত এতিয়া আছনে ?" তাৰ আকস্মিক প্ৰশ্নটোত ক্ষণিকৰ বাবে হতভম্ব হৈ পৰিছিল হয়তো প্ৰণব। এক অবুজ চাৱনিৰে বহুসময় তাঁলৈ একেৰাহে চাই থাকি সি ক'লে, " নাই। চাৰেণ্ডাৰ কৰিলোঁ। এই মেটেৰিয়েলিষ্টিক পৃথিৱীত আবেগ-অনুভূতি আদিৰ ক... নাই বুজিছ- যত সব হিপ'ক্ৰিচী। কোনো কাম নাই এই বিদ্ৰো... সংগ্ৰামৰ। সকলোতে ৰাজনীতিৰ মেৰপাক।--- "

--- আৰু কিবা-কিবি কৈ গৈছিল সি। কিন্তু তাৰ কাণত... নোসোমাল। তাৰ মনত পৰিছিল প্ৰাইমেৰী স্কুলত পঢ়া এটা... সাধুলৈ- শিয়াল এটাৰ এবাৰ আঙুৰ খাবলৈ মন যোৱাত সি... বিচাৰি বিচাৰি আঙুৰৰ গছ এজোপা উলিয়ালে। কিন্তু আঙুৰবিলাক বহুত ওপৰত আছিল । সি বহুসময় চেষ্টা কৰিলে-জঁপিয়াই আঙুৰ ছিঙিবলৈ। কিন্তু সফল ন'হল। ওভটি যাওঁতে সি মন্তব্য কৰি গ'ল-আঙুৰবিলাক টেঙা।

**চৈধ্য :- মানুহ আৰু মানুহবিষয়ক কিছুমান অৰ্থহীন চিন্তা অথবা হস্তক্ষেপ**

বিষয় : এইচি আৰু ছাত্ৰাবাস :- ৰেগিঙৰ ভয়ত পলাই ফুৰাৰ পৰা এই বিদায়ৰ মুহূৰ্তলৈকে সুদীৰ্ঘ চাৰিটা বছৰ ইয়াতে কটালোঁ। হয়তো জীৱনৰ আটাইতকৈ মূল্যবান সময়খিনি চাৰিবছৰীয়া এই সময়খিনিৰ ওপৰতে নিৰ্ভৰ কৰিছে আমাৰ ভৱিষ্যত জীৱন। কি পালো, কি হেৰুৱালো, তাৰ উত্তৰ সময়ে দিব। এটা কথা নিশ্চিত, এইচিয়ে আমাক প্ৰকৃত অভিযন্তা হ'বলৈ নিশিকালেও, জীৱনৰ বিভিন্ন প্ৰান্তৰত সঞ্চিত অভিজ্ঞতাবোৰ এক নতুন ৰূপত চালি-জাৰি চাবলৈ শিকালে। আত্ম-সমালোচনা কৰিবলৈ শিকিলোঁ, আত্মসংশোধন কৰিবলৈও শিকিলোঁ। আত্মসংশোধনৰ বাবে নিজক প্ৰশ্ন কৰিবলৈ শিকিলোঁ। বুজি পালোঁ, আনক ফাঁকি দিয়াটো সহজ, কিন্তু নিজকে ফাঁকি দিয়াটো হয়তো পৃথিৱীৰ আটাইতকৈ কঠিন কাম।

পৰিচিত হ'লো বিভিন্ন ঠাইৰ পৰা অহা বিভিন্ন মতাদৰ্শৰ মানুহৰ লগত, অন্তিম উদ্দেশ্য একেই হ'লেও প্ৰত্যেকৰে একোটা নিজস্ব আদৰ্শ আছে- আছে একোটা নিৰ্দিষ্ট দৃষ্টিভংগী।

আৰু ছাত্ৰাবাস। বহুতো সপোন, বহুতো স্মৃতিৰ সাক্ষী ছাত্ৰাবাসবোৰ প্ৰকৃততে দূৰৰপৰা বুজিব নোৱাৰা এটা নিকায় অথবা system। নতুন বিচনা, টেবুল, চকী, কাগজ, কলম, চিগাৰেট আদিৰ স'তে স্বাক্ষৰিত এক অলিখিত চুক্তি। দিনং চিঞৰ-বাখৰ, দূৰৰ পথেদি পাৰ হৈ যোৱা কোনোবা বিপৰীত লিঙ্গক উদ্দেশ্য কৰা ল'ৰামতীয়া দুষ্টামি, নিশাৰ নিতাল ক'ৰিডৰ তাৰ মাজতে দূৰৰ পৰা ভাঁহি অহা কোনোবা বেসুৰা গানং ক'লি, ডাইনিং হ'লৰ বিনা কাৰণৰ হুলস্থূল -আদিৰ নামেই ছাত্ৰাবাস। আচলতে ছাত্ৰাবাস আৰু বহুতো কিবা-কিবি।

আৰু ছাত্ৰাবাস , জীৱন গঢ়াৰ কমাৰশাল এই ছাত্ৰাবাসবোৰেই আড্ডাক ৰূপান্তৰিত কৰে কেতবোৰ নতুন চিন্তাধাৰালৈ। সুপ্ত হৈ থকা বহুতো প্ৰতিভাক পথ প্ৰদৰ্শন কৰাৰ

ৰাটকটীয়া এই ছাত্ৰাবাসবোৰেই জন্ম দিয়ে পৰৱৰ্তী জীৱনৰ বহুতো শিল্পী-সাহিত্যিক অথবা খেলুৱৈৰ সপোন দেখা, সপোন ভঙাৰ ধনী এই ছাত্ৰাবাসবোৰে । প্ৰত্যেকটো নিদ্ৰাবিহীন নিশাতে প্ৰতিটো ক্ৰমতে জন্ম হয় কেতবোৰ মিঠা সপোনৰ । এই সপোনবোৰৰ দৈৰ্ঘ্য পিছদিনা পুৱালৈকে। মনৰ কোনোবা কোণত সঞ্চিত হৈ থকা এই সপোনবিলাকৰ নিৰ্জীৱ সাক্ষী ছাত্ৰাবাসবোৰে বহুদিনৰ পিছতো আমাক টানি নিব নষ্টালজিয়াবোধৰ এক মধুৰ মাদকতালৈ ।

বিষয় ঃ প্ৰেম আৰু যন্ত্ৰনা ঃ- মাজে মাজে বিভ্ৰান্ত, দিশবিহীন এই জীৱনটো পুনৰ নতুনকৈ আৰম্ভ কৰাৰ এক তীব্ৰ বাসনাই মোক পীড়িত কৰে । পুনৰ উভটি যাবলৈ মন যায় কৈশোৰলৈ । অৱশ্যে এই ৰচনাৰ মুখ্য উদ্দেশ্য স্মৃতিচাৰণ নহয় । বিষয়বস্তু প্ৰকৃততে অন্য কিবা-কিবিহে ।

সন্মুখত অন্তহীন সৌন্দৰ্য্য, অনন্ত বিস্ময় লৈ, ৰূপকথাৰ স্বপ্ন আৰু উৰ্মিল যন্ত্ৰণাৰ সমাহাৰ কৈশোৰতেই চিনাকি হৈছিলো প্ৰেম' নামৰ এই বিশেষ শব্দটোৰ লগত। হয়তো ঠিকেই, 'প্ৰেমেই হয়তো জীৱনৰ মূল উদ্যোগ' ।জীৱনটোও হেনো প্ৰেম আৰু কামনাৰ ককটেল । কৈশোৰৰ সেই প্ৰেমৰ সৈতে হোৱা নিষিদ্ধ চিনাকিটোৰ পিছতে চিনাকি হৈছিলো ফ্ৰয়েডৰ সেই বয়সত ভয়ংকৰভাবে নিষিদ্ধ যৌনতা নামৰ শব্দটোৰ। মোৰ অলক্ষিতেই মোৰ আৰু নাৰীজাতিৰ মাজত ফ্ৰয়েডে গঢ়ি তুলিছিল এক অভেদ্য দেৱাল ।

কিন্তু লাহে লাহে এই দেৱালখন খহিবলৈ আৰম্ভ কৰিলে ।কিবা এক অদৃশ্য শক্তিয়ে বলপূৰ্বকভাবে বুকুৰ ভিতৰত প্ৰবেশ কৰি হৃদয়খনত এক মিঠা মিঠা লগা পীড়া জাগ্ৰত কৰিলে। লাহে লাহে ময়ো উপভোগ কৰিবলৈ আৰম্ভ কৰিলো! এই মিঠা পীড়াবিধক । সেয়া অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ দ্বিতীয় বৰ্ষৰ কথা ।

প্ৰয়োজনীয় প্ৰকৃত মৰম-চেনেহ পোৱাত অভ্যস্ত হ'লে জীৱনৰ প্ৰতি যি আত্মপ্ৰত্যয় জাগে আৰু ক'তো এই আত্মপ্ৰত্যয় পাব নোৱাৰি ।...........

"মনৰ এক চিৰস্থায়ী অতৃপ্তিৰ নাম প্ৰেম, হৃদয়ৰো কি যে আকাঙ্ক্ষা ! তোমাৰ শৰীৰ চুই অহা বতাহখিনিত ই হেনো চুমা খায় ! তুমিতো জানাই, প্ৰেমৰ অনুভৱ মানেই বুকুত এটা বিষ,, অথচ কি যে বাঞ্ছিত মধুৰ ।"

আৰু যৌৱন ঃ-কিবা এটা অস্থিৰতা, কিবা এটা অদম্য অনুভূতি। যৌৱনে কবিতা লিখে-মানুহ, ফুল আৰু জীৱনৰ মিঠা কবিতা । ই হৃদয়ৰ পৰা হৃদয়লৈ সেতু নিৰ্মাণ কৰে- প্ৰেমৰ, হয়তো জীৱনৰ আটাইতকৈ মধুৰতম সময়ছোৱা- এই যৌৱন, এইচিৰ পৰা বিদায় লোৱাৰ আগে আগে ভাবিছো ; হয়তো এই যৌৱনকালটোক উপভোগ কৰিবলৈ এইচিতকৈ ভাল স্থান আৰু একোৱেই হ'ব নোৱাৰে ।

বিষয় ঃ আত্মশোধন আৰু প্ৰতিশোধ ঃ- অপৰাধ সদায় দুই ধৰণে সংঘটিত হয়। অপৰাধ কৰি জীয়াই থাকিবলৈ এজনক সামাজিক পৰিবেশ অথবা পৰিস্থিতিয়ে বাধ্য কৰাব পাৰে অথবা এজনৰ স্বাভাৱিক অপৰাধ প্ৰবণতাই তেওঁক সকলো সময়তে উদ্বুদ্ধ কৰি ৰাখিব পাৰে । আলোচনাৰ বিষয় অপৰাধ নহয়; অপৰাধ এটা কৰাৰ পৰৱৰ্তী অৱস্থাছোৱাহে ।

অপৰাধ এটা সংঘটিত কৰাৰ পিছত প্ৰতিজন অপৰাধীয়েই সন্মুখীন হয় একপ্ৰকাৰৰ আত্মগ্লানিৰ। হয়তো কিছুমানৰ ক্ষেত্ৰত সেই আত্মগ্লানি আহে বহু পলমকৈ । 'অপৰাধ' নামৰ এই শব্দটোৰ পৰা অথবা অপৰাধ কৰাৰ আত্মগ্লানিটোৰ পৰা পৰিত্ৰাণ পাবলৈ সহজ প্ৰক্ৰিয়া দুটা হ'ল নিজকে প্ৰতিটো কাম কৰাৰ আগত বা পিছত প্ৰশ্ন কৰা অথবা ডায়েৰী লিখা । পৃথিৱীৰ ভিতৰত আটাইতকৈ টান কাম নিজক ফাঁকি দিয়াটোৱেই । আত্মসংশোধনৰ বাবে এই উপায়টোতকৈ আন কিবা উপায় থাকিব নোৱাৰে বুলি মই মনে-প্ৰাণে বিশ্বাস কৰো। ডায়েৰী লিখাটোও আত্মসংশোধনৰ আন এক ভাল উপায় । প্ৰথমাৱস্থাত হয়তো প্ৰত্যেকেই নিজকে ফাঁকি দি নিজৰ বিষয়ে তিতা কথাবিলাক লিপিবদ্ধ কৰাৰ পৰা বিৰত থাকিব পাৰে; কিন্তু সেই মিছা কথাবোৰৰ আয়ুস খুবেই চুটি হয় । লাহে লাহে প্ৰত্যেকেই বিবেকৰ পৰা একপ্ৰকাৰৰ তাগিদা অনুভৱ কৰে, তিতা সত্যবিলাক লিপিবদ্ধ কৰাৰ বাবে ।

নিৰ্মম আত্মপ্ৰতিশোধো আত্মসংশোধনৰ আন এক ভাল উপায় ।

সুখ-দুখ আৰু অন্যান্য বিষয়ক ঃ- আত্মপ্ৰেম হৈছে অভ্যাসজাত পাপবোধৰ বিপৰীতধৰ্মী । এই আত্মপ্ৰেম সোমাই থাকে আত্মকেন্দ্ৰিকতাত - নিজকে ভাল পোৱাৰ অভ্যাসত আৰু আনৰদ্বাৰা ভালপোৱাৰ বাসনাত। অতিমাত্ৰা আত্মপ্ৰেম অথবা আত্মকেন্দ্ৰিকতা ভাষণ অনিষ্টকৰ । এনে মানুহবিলাকে নিজৰ ভিতৰত কঢ়িয়াই থাকে একপ্ৰকাৰৰ evilness অপৰাধপ্ৰৱণতাৰ বীজ । আনকো যে ভাল পাব পাৰি, সেয়া তেওঁলোকৰ বাবে সপোনৰো অগোচৰ। মানুহ অসুখী হোৱাৰ অন্যতম মূল কাৰণ এই আত্মকেন্দ্ৰিকতা ।

প্ৰতিযোগিতামূলক মনোভাৱ এটা অন্তৰত গভীৰভাবে কঢ়িয়াই থকা মানুহবিলাকো প্ৰায়ে অসুখী হয়। প্ৰতিযোগিতামূলক সফলতাকে মানব জীৱনৰ প্ৰধান সুখৰ আকাৰ বুলি ধৰি লোৱা মনোভাবটোৱেই এনে দুখবোধৰ কাৰণ । এই সমস্যা এতিয়া

অকল এজন ব্যক্তিৰেই নহয় আৰু কোনো মানুহেই ব্যক্তিগতভাৱে এই সমস্যা সমাধান কৰিবও নোৱাৰে। এই সমস্যাৰ উত্তৰ হৈছে মানুহৰ জীৱন-দৰ্শনৰ পৰাই। এই জীৱন-দৰ্শনৰ মতে জীৱনটোৱেই এখন অৰিয়া-অৰি, এখন কাজিয়া, এটা প্ৰতিযোগিতা, য'ত কেৱল বিজয়ীজনকহে পুৰস্কৃত কৰা হয়। প্ৰতিযোগিতাকে যদি জীৱনৰ চূড়ান্ত লক্ষ্য বুলি ধৰি লোৱা হয়, তেন্তে মানৱ-সমাজ হয়তো আৰু বেছি দিন নিটিকিব। ইয়াৰ মহৌষধি হৈছে এটা সুস্থ, সুনিৰ্দিষ্ট জীৱন বাচি লোৱা আৰু জীৱনৰ মানবীয় প্ৰমূল্যবিশিষ্ট বিষয়বোৰৰ ওপৰত বেছি ধ্যান দিয়া।

এইটো সত্য যে মানুহৰ সুখ-দুখবিলাক প্ৰায়ক্ষেত্ৰতে আৰোপিত-সময় আৰু পৰিস্থিতিৰ এটা বিশেষ ফলন (Function)। সুখ নিৰ্ভৰ কৰে আংশিকভাবে চাৰিওফালৰ ঘটনাবোৰৰ ওপৰত আৰু আংশিকভাবে নিজৰ ওপৰত। কিছুমান বস্তু মানুহৰ সুখবোধৰ বাবে অতীব প্ৰয়োজনীয়। প্ৰেম, বাসস্থান, আহাৰ, আদি কেতবোৰ সাধাৰণ বস্তুৰ অবিহনে অতি অসাধাৰণ মানুহো সুখৰ পৰা বঞ্চিত হ'ব পাৰে।

ৰাছেলে কৈছিল-"যিজন সুখী মানুহ তেওঁ মণ্ময় নহয় তন্ময়; তেওঁ কল্পনাৰ বহণেৰে ধৰাক বাউলী নকৰে।তেওঁ সত্যক সদায় সত্য বুলিয়েই ভাবে।"

সুখী জীৱন প্ৰকৃততে শ্ৰেষ্ট জীৱনৰ সমাৰ্থক।

**পোন্ধৰ ঃ- খচৰাটোৰ শেষ প্ৰস্তাবটোৰ ওপৰত যৎকিঞ্চিত- হে' নাৰী, তুমি অৰ্ধ-আকাশ**

বেশ্যাৰ সম্বন্ধে ইতিমধ্যে বহুতো গল্প বা উপন্যাস লিখা হ'ল। হোমেন বৰগোহাঞিৰ 'সুবালা', দেবব্ৰত দাসৰ 'প্ৰতীক্ষা' আৰু বহুতো দেশী-বিদেশী লিখকৰ এনে চৰিত্ৰ এতিয়া প্ৰায়বিলাক পাঠকৰে পৰিচিত। প্ৰত্যেকজন লিখকৰে নিজস্ব শৈলীক বাদ দিলে সকলোবোৰ একধৰণৰ পাৰ্মুটেশ্বন-কম্বিনেশ্বন-আৰ্থিক দুৰ্দশা, প্ৰতিকূল পৰিস্থিতি, এজন খলনায়কৰ আবিৰ্ভাব আৰু এজনী বেশ্যাৰ জন্ম তেন্তে আকৌ এনে কাহিনীৰ প্ৰাসঙ্গিকতা ক'ত ? ---

এইটো প্ৰকৃততে কাহিনী নহয়-তিতা বাস্তৱহে। কিছুদিনৰ আগতে পুনাত পঢ়ি থকা এজন অসমীয়া ল'ৰাৰ সৈতে চিনাকি হৈ বহুতো কিবা-কিবি কথা পাতিছিলো । কথাপ্ৰসংগত তেওঁ কৈছিল উচ্চ শিক্ষাৰ বাবে বাহিৰলৈ পঢ়িবলৈ যোৱা তাৰ দুজনীমান বান্ধৱীৰ কথা-সিহঁতৰ জীৱন সম্বন্ধীয় কেতবোৰ তিতা সত্য।

---- অসমৰ পৰা উচ্চ শিক্ষাৰ বাবে যোৱা সেই অসমীয়া ছোৱালী কেইজনী হেনো পৰিণত হ'ল একোজনী বেশ্যালৈ। কিন্তু এই বৃত্তিটোক সাবটি লোৱাৰ কাৰণ বৰগোহাঞিৰ বা দেবব্ৰত দাসৰ কল্প-কাহিনীৰ নায়িকাৰ দৰে নহয়; সিহঁতৰ ভাষাত জীৱনটোক ভিন্ন ৰূপত উপভোগ কৰিব বিচাৰে সিহঁতে। সকলোৱে মাজত বিলাহি দিব বিচাৰে সিহঁতৰ দেহৰ স্বেদবিন্দুবোৰৰ সোৱাদ। খলা-বমা, প্ৰতিটো কেঁকুৰি উপলব্ধি কৰক নিৰ্মমভাৱে।---

--- হয়তো সিহঁতে বিচাৰে, সকলোৱে কওক, অসমীয়া ছোৱালীবোৰ খুবেই আগবঢ়া।---

-- হয়তো আৰু কোনো লেখকৰ কলমৰ পৰা নিগৰিত নহ'ব কোনোবা বেশ্যাৰ দুখৰ ৰাতিৰ এলিজি।-- অসমকো আৰু কোনেও হয়তো হাবি-জংঘলৰ দেশ বুলি নক'ব।

**যোল্ল ঃ- নাৰী আৰু পুৰুষৰ বন্ধুত্ব সম্পৰ্কে মোৰ কেতবোৰ পৰীক্ষামূলক মন্তব্য**

পশ্চিমৰ কোনোবা এগৰাকী বিদুষীৰ মতে,- " Men may be friends, but women can anly be acquaintances."

-নাৰী আৰু পুৰষৰ বন্ধুত্ব- আজিকালি বহুতৰে বাবে এটা গৰম টপিক। মই চিন্তাবিদ বা বুদ্ধিজীৱী নিশ্চয় নহয়; কিন্তু মই এজন সুবিধাবাদী। সেইবাবে এই আকৰ্ষনীয় বিষয়টোৰ ওপৰত অলপ মন্তব্য কৰাৰ লোভ সামৰিব নোৱাৰিলো। অৱশ্যেই মোৰ এই মন্তব্যবিলাক পৰীক্ষামূলক।

ফ্ৰয়েডে মোৰ আৰু নাৰীৰ মাজত নিৰ্মাণ কৰা যৌনতাৰ অভেদ্য প্ৰাচীৰখন খহিবলৈ আৰম্ভ হোৱাৰ লগে লগে মই এজনী ছোৱালীৰ লগত বন্ধুত্ব স্থাপন কৰিছিলোঁ। কিন্তু দুৰ্ভাগ্যজনকভাবে নাৰীৰ লগত প্ৰথম বন্ধুত্বটোত মই চূড়ান্তভাবে বিফল হৈছিলোঁ। তেতিয়া কৰা ভুলখিনি চালি জাৰি চাই, মই আকৌ এজনী ছোৱালীৰ লগত বন্ধুত্ব কৰিলোঁ। যদিও প্ৰথমাৱস্থাত এই বন্ধুত্ব মোৰ বাবে এক এক্সপেৰিমেণ্ট আছিল, তথাপিও ছোৱালীজনী এতিয়া মোৰ প্ৰকৃতাৰ্থত খুউব ভাল বন্ধু।

এই সমগ্ৰ পৰীক্ষাটোৰ পৰা মই এটা হাইপ'থেছিছ ভাবি উলিয়ালোঁ-

"নাৰী আৰু পুৰুষৰ প্ৰকৃত বন্ধুত্ব তেতিয়াহে সম্ভৱ, যেতিয়া পৰস্পৰে পৰস্পৰৰ পৰা এটা নিৰ্দিষ্ট ব্যৱধানৰ আঁতৰত থাকে। সমাজ, পৰিস্থিতি আৰু আমাৰ সমাজত নাৰীৰ স্থান- এই তিনিটা ফেক্টৰেই মূলত ঃ ইয়াৰ বাবে দায়ী।"

ইয়াৰ ক'ৰলেৰী (corollary) বিলাক হ'ল-

ক'ৰলেৰী ঃ এক ঃ- এনে বন্ধুত্বৰ দীৰ্ঘতা বা স্থায়িত্ব, পৰস্পৰৰ ওপৰৰ ফেক্টৰকেইটাৰ সম্পৰ্কে জ্ঞানৰ পৰিসৰৰ লগত

সমানুপাতিক ( directly proportional) ।

ক'ৰ'লেৰী ঃ দুই ঃ- ওপৰোক্ত ব্যৱধানটো, নাৰী আৰু পুৰুষ উভয়ৰে ওপৰোক্ত ফেক্টৰসমূহক উলংঘা কৰিবলৈ থকা সাহস আৰু পৰস্পৰৰ মনৰ বহলতাৰ লগত অসমানুপাতিক (indirectly proportional) ।

.... সেই ছোৱালীজনী মোৰ এতিয়া প্ৰকৃতাৰ্থত খুউব ভাল বন্ধু ।

----- পাঠকে হয়তো ইতিমধ্যেই বুজিবলৈ আৰম্ভ কৰিছে, মই কিছুমান বাবে-বিংকৰা কথাৰে উপন্যাসখনৰ দীৰ্ঘতা বঢ়াই আছোঁ । কিছুমান বস্তুৰ ৰসতে নাম থোৱা ভাল ।

সোতৰ ঃ- এক আশাবাদী সমাপ্তিৰ পথত উপন্যাসখন

উদ্দেশ্য আছিল এখন উপন্যাস লিখাৰ; কিন্তু অভ্যাস নাছিল। অন্তিম পৰ্য্যায়ত উপনীত হৈ এতিয়া উপলব্ধি কৰিছো, এইখন উপন্যাস নহ'ল। কিবা এটা হ'লগৈ, কিন্তু কি হ'লময়ো নাজানো। 'সাদিন'ত অলপদিনৰ আগতে এটা লিখনী পঢ়িছিলোঁ, যাৰ সংজ্ঞা দিছিল লিখকে 'এন্টি-নভেল' বুলি। তাৰেই আহিঁত ময়ো এই উপন্যাসখনক (প্ৰচেষ্টাটোক) অভিহিত কৰিম 'অ-উপন্যাস' হিচাপে ।

উপন্যাসখনৰ খচৰাটো প্ৰস্তুত কৰোতে সমাপ্তিৰ বিষয়ে একো ভবা নাছিলোঁ, কিন্তু এতিয়া ভবাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো। পাঠকক চিনিক্ এজনৰ দৰে এসোপামান তিতা কথা উপহাৰ দি প্ৰকৃততে মইও অসন্তুষ্ট । প্ৰকৃততে আৰম্ভণিতে মই উপন্যাসখনৰ ঘটনাৱাজিক এনেদৰে গতি দিম বুলি ভবা নাছিলোঁ; ইচ্ছা আছিল এখন বেলেগধৰণৰ উপন্যাস লিখাৰ । সেইবাবেই উপন্যাসখন আৰম্ভ কৰিছিলো এটি প্ৰেমৰ গল্পৰে । কিন্তু মানুহৰ চিন্তা আৰু অনুভূতিবোৰ হেনো পৰিস্থিতি আৰু পৰিবেশৰ ওপৰত নিৰ্ভৰশীল - a function of cricumstance and surroundings. সময়ো এটা উলংঘা কৰিব পৰা ফেক্টৰ নহয় । কিছুমান অবাঞ্চিত পৰিস্থিতিৰ পাকচক্ৰত পৰিহে উপন্যাসখনে এনে গতি ল'লে ।

জোৰ-জবৰদস্তি গোটেই কাহিনীবোৰৰ এটা সংগতি আনি উপন্যাসখন সমাপ্ত কৰিব পাৰো । কিন্তু পাঠকবৃন্দ কিমানদূৰ সন্তুষ্ট হ'ব সেয়া এটা সন্দেহৰ বিষয় । গতিকে এটা নতুনধৰণৰ সমাপ্তি দিয়াই ভাল হ'ব সম্ভৱ !

জীৱন ক্ৰমাৎ জটিল হৈ আহিছে। মানুহৰ ব্যক্তিসত্বা আজি খণ্ডিত। আধুনিক জীৱনৰ নিৰৱিচ্ছিন্ন হেঁচাত মানুহ আজি ক্লান্ত, অৱসন্ন । তথাপিও আমি জীয়াই আছো আৰু জীয়াই থাকিব লাগিব ।

দুজনমান বন্ধু যে উপন্যাসখন আধা পঢ়ি কমেণ্ট দিলে-" পেচিমিষ্টিক উপন্যাস ", "ফান্টু কথা কিছুমান লিখি সময় নষ্ট কৰিছ কিয় ?" ইত্যাদি ।

মই পেচিমিষ্টি নহয় । মনটো অলপমান নিৰাশাবাদী হ'লেই মই সাধাৰণ পৰিঘটনাৰে মনটোক প্ৰবোধ দিওঁ- বৰ্তমানৰ প্ৰকৃততে কোনো অস্তিত্ব নাই । এতিয়ালৈকে যিখিনি লিখিলোঁ, সেয়া অতীত আৰু যিখিনি লিখিবলৈ বৈ আছো সেয়া ভৱিষ্যত । মাজতে বৰ্তমানৰ অস্তিত্ব ক'ত ?- আছে যদিও, সেয়া 1 / 100 th of a second ৰ বাবেহে । গণিতত আমি সূক্ষ্ম সংখ্যা প্ৰায়েই অৱজ্ঞা নকৰো জানো ?- গতিকে এতিয়াও আমাৰ হাতত সময় আছে, অতীতৰ ভুলসমূহ নিৰ্মমভাৱে পৰ্য্যালোচনা কৰি ভৱিষ্যতক এক সুন্দৰ ৰূপত গঢ় দিয়াৰ বাবে ।

--- এতিয়াও মই মানুহৰ ওপৰতে আশাবাদী । মই পুনৰুত্থানৰ সপোন দেখো- জাগৰণৰ সপোন দেখো । সপোন দেখো আমাৰ ঘূণে ধৰা সমাজ-ব্যৱস্থাটোৰ এক মেটামৰফচিচ কৰাৰ । ....

অৱশ্যে মোৰ দৰে এজন যুৱকে সমাজ-সংস্কাৰৰ সপোন দেখাটো হয়তো বহুতৰ বাবে হাস্যকৰ । সপোন দেখিবলৈও সম্ভৱ প্ৰয়োজন অলপমান নিজস্ব 'কিবা-কিবি 'ৰ । হয়তো সেই 'কিবা-কিবি' খিনিও মোৰ নাই । কিন্তু তথাপিও মই সপোন দেখো ... ।

"সাহিত্য সাহিত্যহে, বাস্তৱ নহয় । ই জীৱনৰ কাষ চাপি যাব পাৰিলেও জীৱনৰ লগত মিলি যাব নোৱাৰে । মানুহৰ সুখ-দুখ, মহত্ব-নীচতা, মাধুৰ্য-কদৰ্য, সংকীৰ্ণ-বিশালতাৰ ৰূপেহি বাস্তৱ আৰু সাহিত্য বাস্তৱৰেই শিল্প-সম্মত প্ৰতিকৃতি ।"

মোৰ এই সপোনবোৰক কোনোবাই ক'ব পাৰে 'পেটি-বুৰ্জোৱাসুলভ উষ্মা অথবা বুৰ্জোৱাৰ স্থূলতা' বুলি । ময়ো বিশ্বাস কৰো- সাহিত্যিক বা লিখক এজন সমাজ-সংস্কাৰক হ'ব নোৱাৰে । যিদৰে ৰাসায়নিক বিক্ৰিয়া এটা মাথো প্ৰয়োজনীয় ৰাসায়নিক পদাৰ্থকেইটাৰ উপস্থিতিত সংঘটিত হ'ব পাৰে,' কিন্তু এটা অনুঘটকৰ উপস্থিতিত বিক্ৰিয়াটো দ্ৰুতগতিত সংঘটিত হয়; ঠিক সেইদৰে সমাজৰ মেটামৰফচিচৰ প্ৰক্ৰিয়াটোক এজন লিখকৰ উপস্থিতিয়ে অনুঘটকৰ দৰে দ্ৰুতগতি প্ৰদান কৰিব পাৰে বুলি মই বিশ্বাস কৰো ।

--- মই এই উপন্যাসখনৰ খচৰাটো নতুনকৈ প্ৰস্তুত কৰিম- এক আশাবাদী সমাপ্তিৰ বাবে আৰু সেই খচৰাটোৰে লিখিম এখন নতুন উপন্যাস-----

ওঠৰ :- সমাপ্তি- এটা উক্তিৰে

"--- শব্দৰ জৰিয়তে মই শক্তি আৰু বুদ্ধিৰ অহংকাৰত মানুহে পাহৰি যাবলৈ আৰম্ভ কৰা প্ৰেম, সততা আদি পুৰণি সত্যবোৰ নতুনকৈ আৱিষ্কাৰ কৰিব খোজো। শব্দক ৰূপান্তৰিত কৰিব খোজো অসত্যৰ প্ৰতি এক অফুৰন্ত প্ৰতিবাদলৈ।....." (ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী)

উনৈশ :- ক্ষমাভিক্ষা

প্ৰথমেই ক্ষমাভিক্ষা পাঠকৰ ওচৰত, উপন্যাসৰ নামত অলপমান ভেকো-ভাওনা উপহাৰ দিয়াৰ বাবে। ক্ষমাভিক্ষা লে... অন্যতম প্ৰিয় লেখক ধ্ৰুৱজ্যোতি বৰা আৰু দেবব্ৰত নাথক... (তেওঁৰ গল্পৰ নাম এটা হুবহু মাৰি দিছো) যাৰ লিখনীৰ প্ৰভা... হয়তো উপন্যাসখনত সুস্পষ্ট। ক্ষমাভিক্ষা অমৰদীপ, শৰ্মিষ্ঠা... নীলাঞ্জনালৈ- সিহঁতে বিচৰা ধৰণৰ উপন্যাস হয়তো এইখ... নহ'ল। উদ্ধৃতিৰ প্ৰাচুৰ্য্যই পাঠকক বিৰক্ত কৰিব পাৰে - সেইবাবে... পুনৰ ক্ষমাভিক্ষা বিছাৰিছো পাঠকৰ পৰা।

শেষত কবি অজিত বৰুৱাৰ ভাষাৰে কওঁ- হে' সহৃদ... পাঠক। কিবা লিখিলোঁ। □

● ● ●

কেৱল সংখ্যা বা আকাৰক লৈ দুশ্চিন্তা কৰাৰ কোনো কাৰণ নাই। এজন ক্ষীণ মানুহতকৈ এজন শকত মানুহক আমি বেছি শ্ৰদ্ধা নকৰোঁ। চাৰ আইজাক নিউটন জলহস্তীতকৈ বহুত বেছি সৰু আছিল; কিন্তু সেইবাবেই আমি তেওঁক জলহস্তীতকৈ কম গুৰুত্ব দিওঁনেকি ?

- বাৰ্ট্ৰাণ্ড ৰাছেল

● ● ●

১৯৮৮ চনৰ সাহিত্যত ন'বেল বঁটা বিজয়ী ইজিপ্তৰ উপন্যাসিক নাজিৰ মাহফৌজক এবাৰ সোধা হৈছিল - তেওঁৰ উপন্যাস ৰছনাৰ অন্তৰালত উদ্দেশ্য কি ? তেওঁ উত্তৰ দিছিল "মোৰ দুজনী জীয়ৰী আছে। সিহঁতক হাইহিলৰ জোতা কিনি দিব লাগে আৰু তাকে কৰিবলৈকে মই উপন্যাস লিখোঁ"।

● ● ●

অভিমত

# কবিতা আৰু পাঠক

❑ ৰূপজ্যোতি হাজৰিকা
পঞ্চম ষাণ্মাসিক

"A picture is an image which presents an intellectual and emotional compcex."- কথাষাৰ কোনে কৈছিল মনত নাই। কিন্তু সচাঁই এক উত্তম চিত্ৰকলা শিল্পীজনৰ উদ্বেগ আৰু বুদ্ধিমত্তাৰ পৰিচায়ক। লিওনাৰ্ডো-ডা-ভিঞ্চিৰ 'মনালিছা' ইয়াৰ এক অন্যতম নিদৰ্শন। চিত্ৰশিল্পীৰ দৰেই এজন সাৰ্থক কবিয়ে এটা উন্নত মানদণ্ডৰ কবিতা লিখিবলৈ দুই-এটা অতিৰিক্ত উপাদান ব্যৱহাৰ কৰে কবি তাৰ অনুভূত উপাদান যদি চিত্ৰই যোগাব পাৰে তেন্তে সি এক উত্তম ছবি; অন্যথাই সি সাধাৰণ। এটা চিত্ৰকল্প কেতিয়াবা কবিতা হ'ব পাৰে; কেতিয়াবা ই সংগীতৰো ৰূপ লাভ কৰে। এইবোৰ কবিতাৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰশীল।

একো একোটা কবিতা কাৰোবাৰ বাবে কবিতা হ'বও পাৰে নহ'বও পাৰে। বহুতে কয়- কবিতা ব্যাখ্যা কৰিব নোৱাৰি। পাৰিলে নোৱাৰি -তাৰ বিতৰ্কৰ জাল তৰি কি লাভ ? কিন্তু এষাৰ কথা সচাঁ-কবিতা উপলব্ধি কৰিব পাৰি। কবিতাক ভিন্নজনে ভিন্নদৃষ্টিৰে চায়। কবিতাত কোনোৱে বিচাৰে-অৰ্থসম্পদ, কোনোৱে বিচাৰে ধ্বনিশীলতা; কোনোৱে আকৌ বিচাৰে ব্যঞ্জনাময়তাৰ ঐশ্বৰ্য। পাঠক হিচাপে আমাৰ দৃষ্টিত ধ্বনি আৰু ব্যঞ্জনা কাব্যিক সৌন্দৰ্য সঁচা; কিন্তু অৰ্থ সম্পদবিহীন কেৱল ধ্বনিশীলতা ব্যঞ্জনাময় কবিতাই জানো সদায়ে পাঠকৰ মন যোগাবলৈ সক্ষম হ'ব ? আনহাতে ধ্বনি আৰু ব্যঞ্জনা আদি কাব্যিক সৌন্দৰ্যবিহীন কবিতা প্ৰৱন্ধৰ মাজত জাহ নাযাবনে ? ধ্বনি আৰু ব্যঞ্জনাৰে সৈতে অৰ্থ সম্পদৰ দ্ৰৱণ ঘটিলেহে কবিতা সঁচা অৰ্থত কবিতা হয় বুলি আমাৰ অনুভৱ।

কবিতা মনৰ সূক্ষ্মতম অনুভূতিৰ ভাষাশৈলী প্ৰযুক্ত অৰ্থপূৰ্ণ শব্দ-শৃংখল মাত্ৰ। মন আৰু দেহৰ মাজত সমন্ধ ৰাখি মানসিক চেতনাক জাগৃত কৰি তুলিব পৰা কোনো কবিতাৰ বিষয় বস্তুৱে যদি যিকোনো মানৱীয় স্তৰৰ বাৰ্তাবহন কৰি এক সাৰ্বজনীন আবেদন লাভ কৰিব পাৰে তেন্তে সি নিঃসন্দেহে এক উত্তম কবিতা। সেয়ে বিষয়বস্তুৱে কবিতাৰ আটাইতকৈ উল্লেখযোগ্য দিশ বুলি আমাৰ মত। কবিতাৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট ধৰা বন্ধা নিয়ম নাই (যে কবিতাসমূহ এনেদৰেই লিখিব লাগিব ) বাবেই বোধ হয় আধুনিক কবিতাৰ লিখকৰ সংখ্যা সৰহ। কনিষ্ঠ আংগিকৰ ওপৰত মাত্ৰাধিক গুৰুত্ব আধুনিক কবিতাৰ দোষ বুলি অভিযোগ কৰা দেখা যায়। বিষয়বস্তুৰ গভীৰতাৰ প্ৰতি গুৰুত্বহীনতা, মূলভাৱৰ ধাৰাবাহিকতাৰ অভাৱ, উদাসীন প্ৰতীকধৰ্মীতা আদিয়ে আধুনিক কবিতাক বিকলাংগ কৰি পোলোৱা দেখা যায়। বহুক্ষেত্ৰত কবিতা এটাৰ আচল ৰূপটো ধৰা পেলোৱাত বাধাৰ সৃষ্টি কৰে -বিষয়বস্তুৰ পৰোক্ষ উপস্থাপন আৰু শব্দ প্ৰয়োগৰ কাৰ্পন্যই। কিন্তু সেই বুলিয়েই ঐশ্বৰ্যশালী শব্দৰ অযথা প্ৰয়োগেৰে কবিতাৰ সৌন্দৰ্য নষ্ট কৰাত আমি পক্ষপাতী নহওঁ। আধুনিক কবিতা বোৰত প্ৰাকৃতিক বস্তুৰ আলমত প্ৰতীক ব্যৱহাৰ কৰাৰ ফলত তেনে কবিতা সহজবোধ্য হৈ পৰিছে যদিও তাত উপমা বা বিশেষণৰ ব্যৱহাৰ আৰু প্ৰতীক প্ৰয়োগৰ ক্ষেত্ৰত কিছু সাৱধানতা অৱলম্বনৰ প্ৰয়োজনীয়তাক নুই কৰিব নোৱাৰি। কিন্তু কবিতা এটা বুজিবলৈ যদি যথেষ্ট গৱেষণা কৰিব লগা হয়, তেন্তে তেনে জটিল কবিতা পাঠকে এৰাই চলিব বিচাৰে। সেয়েহে, কবিতাৰ বিষয়বস্তুক যদি গদ্যৰ আকাৰত প্ৰকাশ কৰিব পাৰি তেন্তে তাক কবিতাৰ ৰূপ দিয়াৰ চেষ্টা নকৰাই যুক্তিযুক্ত।

কবিতা অৰ্থশূন্য শব্দ-সম্ভাৰ নহয় সচাঁ; কিন্তু অৰ্থ বা বক্তব্যৰ বাবে কেইজন পাঠকে কবিতা পঢ়ে ? এককথাত, কবিতা বাচ্যাৰ্থৰ আঁৰৰ ব্যঞ্জনাৰ্থই কলাগুণধৰ্মী আৰু ৰসোত্তীন কৰি তুলিবলৈ সক্ষম হয়। কবি সকলে কবিতাৰ চিঞৱ, শব্দাংশ, বিষয়বস্তু আদিৰ প্ৰতি গুৰুত্ব দিয়াটো আমাৰ কাম্য।

বৰ্ত্তমানৰ যুৱ কবিসকলৰ কবিতাই বুজাই দিছে যে কবিতা এতিয়া একমাত্ৰিত হৈ উঠিছে। আধুনিক কবিতাৰ সম্পৰ্কত দুৰ্বোধ্যতাৰ অভিযোগ এতিয়া অৰ্থহীন হৈ পৰিছে। কিন্তু ভাৰতৰ বিভিন্ন ঠাইৰ যুৱ কবিৰ মাজত থকা এটা বস্তুৰ অভাৱ অসমীয়া যুৱ কবিসকলৰ মাজত দেখা যায়, সেইটো হৈছে - নতুন নতুন 'ফৰ্ম'ৰ কবিতা লেখাৰ স্পৃহা। নতুন 'ফৰ্ম'ৰ কবিতা লেখাৰ প্ৰয়াসে কবিতালৈ বৈচিত্ৰ্য অনাৰ উপৰিও পাঠক সকলকো আকৃষ্ট কৰি তুলিব বুলি আশা কৰিব পাৰি। অৱশেষই, আধুনিক অসমীয়া কবিতাই পৰীক্ষামূলক স্তৰৰ পৰা উত্তীৰ্ণ হৈছে। বিষয়বস্তু আৰু আংগিকৰ ক্ষেত্ৰতো বলিষ্ঠ ৰূপ ধাৰণ কৰিছে। সেয়ে, আধুনিক কবিতাৰ ভৱিষ্যত সম্পৰ্কে আমি আশাবাদী হ'ব পাৰো

## ঐতিহ্যমণ্ডিত তৈলচিত্ৰ

# 'মনালিছা'

◆ সুস্মিতা চক্ৰৱৰ্ত্তী
তৃতীয় ষাণ্মাসিক

'মনালিছা'- চাৰিটা আখৰেৰে গঠিত এটা অতি সাধাৰণ শব্দ। কিন্তু আজিৰ জনমানসত ই এক অসাধাৰণ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ কলামোদীসকলৰ মাজত বহুলভাৱে প্ৰচাৰিত আৰু সৰ্বজনসমাদৃত এই 'মনালিছা' শব্দটোৱে বিংশ শতাব্দীৰ হোটেল, ৰেষ্টুৰেন্ট, বানিজ্যিক কেন্দ্ৰৰপৰা আদিকৰি সকলোতে কৰা অবাধ ৰাজত্বই আমাক পুনঃ সোঁৱৰাই দিয়ে ইয়াৰ জনপ্ৰিয়তাৰ কথা ..... স্বীকীয় বৈশিষ্ট্যৰ কথা ....। এজনী ধুনীয়া, মৰমলগা, সুসজ্জিতা ছোৱালীক অনেক সময়ত বাষ্টাঘাটৰ বজৰুৱা ল'ৰাবোৰে এই নামেৰে জোকোৱাও পৰিলক্ষিত হয়। আনকি বিভিন্ন কবিতা আৰু গানতো ইয়াৰ বহুল ব্যৱহাৰ হোৱা দেখা যায়।



ইমানখিনি আলোচনা-বিলোচনাৰ পিছত এতিয়া স্বাভাৱিকতে আমাৰ মনত প্ৰশ্ন জাগে- কি এই 'মনালিছা'? কিহে ইয়াক জনপ্ৰিয়তাৰ তুঙ্গত প্ৰতিষ্ঠিত কৰিছে - প্ৰকট কৰি তুলিছে এক বিতৰ্কিত ৰূপত? 'মনালিছা' হৈছে একে নামৰ এগৰাকী মহিলাৰ প্ৰতিকৃতি-শিল্পী লিঅ'নাৰ্ড-'ডা-ভিন্সিৰ জীৱনৰ কীৰ্তিস্তম্ভ। 'মনালিছা'- এক আশ্চৰ্য ........ এক স্বপ্ন .... কলাজগতৰ এক আপুৰুগীয়া সম্পদ ....। সম্ভৱতঃ এই বিশাল বিশ্বচৰাচৰত নিজৰ অবিস্মৰণীয় ৰূপক অমৰত্ব প্ৰদান কৰিবলৈকে 'মনালিছা' বৰ্তমানে পেৰিছ চহৰৰ প্ৰখ্যাত আৰ্ট গেলেৰী 'LOUVRE' অত সু-সংৰক্ষিত হৈ আছে।

লিঅ'নাৰ্ড-ডা-ভিন্সি ইউৰোপৰ নৱজাগৰণৰ যুগৰ এগৰাকী উল্লেখনীয় কৰ্ণধাৰ। ষোড়শ শতিকাৰ প্ৰথম দশকৰপৰাই লিঅ'নাৰ্ড-ডা-ভিন্সিৰ এই তৈলচিত্ৰখনে জনমানসত প্ৰবল আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হয়, যাৰ মূলতে আছিল 'মনালিছা'ৰ মুখাবয়বত প্ৰস্ফুটিত হৈ উঠা সেই অনিন্দ্যসুন্দৰ হাঁহিটো। সময়ে সময়ে মনালিছাৰ মুখৰ এই আশ্চৰ্যজনক হাঁহিটোৰ বিভিন্ন ধৰণৰ ব্যাখ্যা চিন্তাশীল লোকসকলৰ দ্বাৰা উত্থাপিত হৈ আহিছে যদিও ইয়াৰ প্ৰকৃত অৰ্থ তথা তাৎপৰ্য আজিলৈকে অনাৱিষ্কৃত হৈয়ে থাকি গ'ল। লিঅ'নাৰ্ড-'ডা-ভিন্সিৰ মহৎ কলাসৃষ্টি 'মনালিছা' নিঃসন্দেহে পৃথিৱীৰ সৰ্বোত্তম প্ৰতিকৃতি।

ফ্লোৰেন্স চহৰৰ এগৰাকী ধনী ব্যৱসায়ী 'ফ্ৰান্সিস্ক' ডাচ জিঅ'কনডাৰ সহধৰ্মিনী মনালিছাক দবাচলতে অনন্যাসুন্দৰী বুলি কলে মিছা কোৱা হ'ব। কিন্তু তেওঁৰ মুখখন ইমান বেছি কমনীয় আছিল যে লিঅ'নাৰ্ড তেওঁৰ প্ৰতি প্ৰবলভাৱে আকৰ্ষিত হৈছিল আৰু ইতিমধ্যে ত্ৰিশটা বসন্ত গৰকা অন্তঃসত্ত্বা মনালিছাৰ প্ৰতিকৃতি নিৰ্মাণত গভীৰভাৱে নিয়োজিত

হৈছিল। প্ৰতিকৃতিখন দীঘলে ৭৭ চেণ্টিমিটাৰৰ আৰু বহলে ৫৩ চেণ্টিমিটাৰৰ হ'ব।

বাদ্যসংগীতৰ সুমধুৰ ধ্বনিৰ আবেশত লিঅ'নাৰ্ডই মনালিছাক বন্দনা কৰিছিল। এনে এক কমনীয় পৰিবেশত মনানন্দৰে পৰা মনালিছাই সময়ে সময়ে স্বকীয় সত্তাকো পাহৰি গৈছিল - যাৰ ফলস্বৰূপে তেওঁৰ মুখমণ্ডলত হঠাতে কেতিয়াবা প্ৰকাশিত হৈ উঠিছিল সেই আশ্চৰ্যজনক হাঁহিটো। লিঅ'নাৰ্ডই সেই হাঁহিটো নিজৰ মানসপটত আবদ্ধ কৰি লৈছিল। কিন্তু প্ৰতিকৃতিখনত ইয়াক প্ৰতিবিম্বিত কৰি তুলিবলৈ তেওঁক সৰ্বমুঠ ছয় বছৰ সময় লাগিছিল।

এইটো সঁচাকৈয়ে আশ্চৰ্যজনক কথা যে জীৱনৰ কিছুমান দুৰ্বল মুহূৰ্তত একমাত্ৰ নিজৰ মানসিক প্ৰশান্তিৰ বাবেহে লিঅ'নাৰ্ডই এই প্ৰতিকৃতিখন নিজৰ লগত ৰাখিছিল। মনালিছাৰ স্বামী জিঅ'কন্‌ডাৰে লিঅ'নাৰ্ডক এই প্ৰতিকৃতিখনৰ বিষয়ে সোধোতে লিঅ'নাৰ্ডই প্ৰতিকৃতিখনৰ অসম্পূৰ্ণতাৰ সুযোগ লৈ তেওঁক পুনৰ হাতে ঘূৰাই পঠাইছিল। পৰৱৰ্তীকালত ফ্ৰান্সৰ সম্ৰাটে 'মনালিছা' খন ক্ৰয় কৰিছিল যদিও প্ৰতিকৃতিখনৰ পৰা হোৱা বিচ্ছেদে লিঅ'নাৰ্ডৰ শাৰীৰিক অৱনতি ঘটোৱাৰ সন্দেহ পাই তেওঁ লিঅ'নাৰ্ডক পুনৰ প্ৰতিকৃতিখন ঘূৰাই দিছিল আৰু মৃত্যুৰ সময়লৈকে লিঅ'নাৰ্ডক প্ৰতিকৃতিখন নিজৰ কাষত ৰখাৰ ব্যৱস্থা কৰি দিছিল।

'মনালিছা' সম্পৰ্কে বিভিন্ন ধৰণৰ উৰাবাতৰি সময়ে সময়ে শ্ৰুতি গোচৰ হৈ আহিছে। কিছুমানে দাবী কৰিব খোজে যে মনালিছা কেতিয়াও জিঅ'কনডাৰৰ ধৰ্মপত্নী নাছিল। কাৰণ প্ৰতিকৃতিখনত তেওঁক বিধবাৰ সাজ পৰিধান কৰা দেখা যায়- লিঅ'নাৰ্ডে জীৱনকালত যিটো কাম তেওঁ কেতিয়াও নকৰিলেহেঁতেন। লগে লগে মনালিছাক কেন্দ্ৰ কৰি শুনা যায় অনেক ব্যৰ্থ প্ৰেমকাহিনী। কিছুমান আকৌ ক'ব খোজে যে 'মনালিছাৰ' স্ৰষ্টা লিঅ'নাৰ্ড' নহয় - অন্য কোনোবা এক অজ্ঞাত শিল্পীহে। তেওঁলোকে ক'ব খোজে যে প্ৰতিকৃতিখন জেলিয়ানোডা মেডিছিনৰ (GELIANODA MEDICINE) প্ৰভাৱ প্ৰেমিকহে আছিল। ঘৈণীয়েকৰ ভয়তেই হওঁক বা আন কিবা কাৰণতেই হওঁক, তেওঁ লিঅ'নাৰ্ডক এই প্ৰতিকৃতিখনৰ স্ৰষ্টা হিচাপে সৰ্বসাধাৰণৰ আগত ভাঙি ধৰিছিল। এই সকলোবোৰৰ উপৰিও সদ্যহতে ট'কিঅ' বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষ ড° হাবোৱা নাকাহোৰা আৰু তেওঁৰ সহযোগীসকলে 'মনালিছা'ৰ ওপৰত গভীৰভাৱে পৰ্যবেক্ষণ কৰি মনালিছাৰ বাওঁচকুৰ কোণৰ এটা টেবল হলদীয়া বৰ্ণৰ চিহ্ন আৱিষ্কাৰকৰিছে। যিয়ে দেখুৱায় যে বাল্যাৱস্থাৰ পৰা অতিৰিক্ত মেদযুক্ত খাদ্য গ্ৰহণৰ ফলত মনালিছাৰ শৰীৰত 'CHOLESTEROL' নামৰ এবিধ পদাৰ্থ জমা হ'বলৈ ধৰিছিল- যাৰ পৰিণতিস্বৰূপে তেওঁৰ অকাল মৃত্যু ঘটে।

মনালিছা নামৰ মহিলাগৰাকীৰ ব্যক্তিগত জীৱনৰ ওপৰত কৰা বৈজ্ঞানিক সমীক্ষা তথা মন্তব্যৰ বিষয়ে আমাৰ কবলগীয়া বিশেষ একো নাই, যিহেতু তেওঁৰ ব্যক্তিগত জীৱন আমাৰ জ্ঞানৰ পৰিসৰৰ বাহিৰত। কিন্তু 'মনালিছা' চিত্ৰখনৰ অতুলনীয় সৌন্দৰ্য বিশ্লেষণ তথা অন্তৰ্নিহিত হৈ থকা দাৰ্শনিক ৰহস্যৰ উদ্ঘাটনেই আমাৰ লিখনি আৰু পৰ্যবেক্ষণৰ মূল উদ্দেশ্য।

বৰ্তমান আমাৰ মাজত লিঅ'নাৰ্ড' অথবা মনালিছা -কোনোজনেই জীৱিত নাই। কিন্তু পাৰ্থিৱ শৰীৰৰ ওপৰত কৰা লিঅ'নাৰ্ড'ৰ অপূৰ্ব সৃষ্টিয়ে জনগণৰ মাজত অনন্ত কাললৈকে চিৰসুন্দৰৰ বতৰা বহন কৰি থাকিব- যাক হৃদয়ৰ গভীৰত ধাৰণ কৰাই আমাৰ প্ৰধান কৰ্তব্য হোৱা উচিত।

উৎস -ঃ (1) 'MASTERS OF MASTERS' (2) 'LEONARDO'S MONALISA' -আনন্দজ্যোতি বৰুৱাৰদ্বাৰা ৰচিত প্ৰবন্ধ। (3) অন্যান্য বাতৰি কাকত/আলোচনী।

* * *

কেৱল পুৰুষৰ সঙ্গত স্বৰ্গত থকাতকৈ মই ভালপোৱা তিৰোতাগৰাকীৰ লগত অশান্তিৰে ভৰা পৃথিৱীত থাকিব খোজোঁ।

-ৰবৰ্ট ইংগাৰছল

> কবিতা কি ধন, জানে কবিগণ
>
> \- কবিগুৰু ৰবিন্দ্ৰনাথ

# তুলাচনীত তুলি দিওঁ নিজস্বসত্ত্বা

● মণিদীপা দেৱী
অষ্টম ষাণ্মাসিক

নিদ্ৰাবিহীন মাতাল ৰাতি
স্পন্দিত মোৰ স্বপ্নভঙ্গৰ স্বপ্নত আতুৰ বিমৰ্ষ প্ৰাণ;
তোমাৰ তুলিকাত এতিয়া কিহৰ ৰং ??

হয়তো আত্মাটো শূন্যত বিলীন কৰি, উন্মাদন তোমাৰ অন্তৰ্দৃষ্টিৰে
কেনভাচত আঁকি দিছা বাস্তৱ;
সেইয়া যে বেদনাৰ বিভিন্ন স্কেছ।

তুমি সাৰে আছা এতিয়াও !
জানো, মাজৰাতি তুমি সাৰে থাকা
ভাবাক্ৰান্ত হৃদয়, বিবেক আৰু বেদনাৰ নীৰৱ আলাপৰ
আন্ধাৰ-গহীন মাজৰাতি।

সুন্দৰ সৃষ্টিৰ চেতনাৰে
ব্যৰ্থ সন্ধানী মই
তোমাৰ সুৰৰ মূৰ্চ্ছনাত উৰ্বৰ বন্ধ্যা হৃদয়;
আলোকযাত্ৰা আমাৰ অভিনৱ পৃথিৱী চোৱাৰ।

তুমিও কৰিলা প্ৰকট
"নাৰী আৰু পুৰুষ সংজ্ঞা।"
সপোন দেখিলা কিয় আকাশৰ ৰংসানি পখিলা অকাঁৰ !
বিৰহতে নে ব্যৰ্থতাত উলমি ৰ'লোঁ মই
আৰু ওলমি থাকিল তোমাৰ দুচকুৰ প্ৰতিশ্ৰুতি।
মই মাথো জানিছিলোঁ
মাজৰাতি তুমিও সাৰে থাকা, ঠিক মোৰদৰে।

সেয়েহে অনুতপ্ত হৃদয়েৰে আজি
তুলাচনীত তুলি দিওঁ নিজস্ব সত্ত্বা।

দুহাতেৰে আলফুলে সৌন্দৰ্য সাৱটি
পুলকিত হৰ্ষত আকুল হৃদয় মোৰ
প্ৰকৃতিয়ে গালেমুখে ফাঁকুৱা ঘঁহিলে;
জনাতো নাছিলোঁ
সাগৰৰ নীলা ইমানযে গভীৰ !!
বিৰহী চৰায়ে শুনায় আত্মন্তৰী গীত -।

নিষ্পেষিত কবিতাৰ তুমি দুৰন্ত পাঠক ;
বকুল বোটল সেই নিসংগ গধূলি
পদধ্বনিত বাজে বীণ
চঞ্চল হিয়াৰ।
মন্দিৰৰ প্ৰাঙ্গনত আৰম্ভ আমাৰ
বিশাল বহ্মপুত্ৰৰ দূৰ্দান্ত যাত্ৰা
নতুন প্ৰত্যয় আৰু একেটি আশাৰ
একেখনি পালতৰা নাও, একেটি বঠা ----
অদূৰত ৰিণি ৰিণি শুনি, মন্দিৰৰ কাঁহ ঘণ্টা ধ্বনি
হৃদয়ত কঁপি উঠে বন্তিৰ শিখা;
নীৰৱে নীৰৱে
তুলাচনীত তুলি দিওঁ নিজস্ব সত্ত্বা।



# নিবনুৱা

● কমলজিৎ কলিতা
স্নাতকোত্তৰ শ্ৰেণী

মই এখনি
ফুলনি কৰিছোঁ,
এজাক ভোমোৰাক
সংস্থাপন দিছোঁ।

মই এডৰা
ঘাঁহনি কৰিছোঁ,
কিছুমান নিয়ৰৰ টোপালক
সংস্থাপন দিছোঁ।

মই হৃদয়খন
খুলি দিলোঁ,
কিছুমান হৃদয়হীনক
সংস্থাপন দিবলৈ;
কিন্তু,
কোনোবাই মোৰ
হৃদয়খন আজুৰি
লৈ গ'ল,
আৰু মই নিজে
নিবনুৱা হ'লো ॥



# ৰেগিং

● সঞ্জীৱ সমৰ ডেকা
পঞ্চম সাম্মাষিক

অশান্ত আকাশ, অশান্ত সন্ধ্যা।
মোৰ মৃত শৰীৰত হিংস্ৰ পশুৰ
আঘাত।
মৃত হৈ শ্বাস লোৱা এক জটিল
অভিজ্ঞতা, এক জটিল মনোকষ্ট।
অনভিজ্ঞ সময়ৰ অনভিজ্ঞ
অভিজ্ঞতা।
এইবেলি মোৰ জন্ম দিনত
মৃত হৈ শ্বাস ললোঁ।

# ৰাজপথে আজি কয়

● ৰথীকান্ত গোস্বামী
অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ

জনতাৰ পিছে পিছে
ৰাজপথ যেতিয়া নিৰীক্ষণ কৰোঁ
আজিও মই দেখা পাওঁ
ফেনে-ফোটোকাৰে ফুঁপি উঠা
গৰ্জমান সমুদ্ৰ
বুলেটেৰে ক্ষত বিক্ষত
বিধ্বস্ত দেৱাল
ভোঙা বন্ধা তেজ
সেয়া যেন
বিশালতাত ব্যাপ্ত
যৌৱনক পণ কৰা
বহুবৰ্ণী জীৱন।

ৰাজপথৰ দৃষ্টিয়ে
মোৰ চকুত আঁকি দিয়ে
দৃঢ়তাত স্থিতপ্ৰজ্ঞ
উদ্বুদ্ধ স্বপ্নৰ তৰংগ
দেখিবলৈ পাওঁ
হিৰণ্যগৰ্ভ দিন
যৌৱন-উদ্দীপ্ত অহংকাৰত
প্ৰসাৰিত পোহৰৰ ঝৰ্ণা
স্বাধীনতাৰ বহুবৰ্ণ নিচান।



# সাম্প্ৰদায়িকতা

● ইছমাইল হোছেইন
তৃতীয় ষাণ্মাসিক



মোক পদাঘাত কৰা
যুগে যুগে তোমাৰ প্ৰজন্মৰ তেজত ঢালিছোঁ বিষ
মগজুত ৰোপন কৰিছোঁ বিভেদৰ বীজ
হে মানৱতা, মোক পদাঘাত কৰা

মোক দাহ কৰা
মই তোমাৰ ঘৰ আৰু বসতি জ্বলাইছোঁ
মন্দিৰ জ্বলাইছোঁ, মছজিদ জ্বলাইছোঁ
মন্দিৰৰ পৰা বিতাড়ণ কৰিছোঁ ‘হৰে কৃষ্ণ হৰে ৰাম’ নাম
মছজিদৰ পৰা ‘আজান’

মোক বেত্ৰাঘাত কৰা
মই ‘জামাত’ আৰু ‘সংঘ পৰিয়াল’ৰ প্ৰতিনিধি
মই ‘মুছলমান’ হৈ পৰিভ্ৰমণ কৰিছোঁ গাজীপুৰৰ পৰা পাকিস্তান
পাকিস্তানৰ পৰা থিতাপি লৈছোঁ ঢাকাত
আকৌ ‘হিন্দু’ হৈ সিন্ধু প্ৰদেশৰ পৰা আহিছোঁ অযোধ্যাত

মই মীৰাটত আছিলোঁ, মোৰাদাবাদতো আছিলোঁ
বোম্বাইতো খেলিছোঁ ধৰ্মৰ ৰণচালি
ৰামৰ কথা কৈ মহম্মদৰ বুকুত মাৰিছোঁ ছুৰী

বঙ্গ হৈ পৰিভ্ৰমণ কৰোঁতে মোক সোধা হৈছিল
শ্ৰীচৈতন্য আৰু কবীৰ কোন
অসমলৈ আহিব খোজোতে মোক সোধা হৈছিল
শ্ৰীশংকৰদেৱ আৰু আজান ফকীৰ কোন

মইতো এনে কোনো মহাপুৰুষৰ নাম নেজানো
যাৰে স্মৰণে কঢ়িয়ায় সম্প্ৰীতিৰ বতৰা
মইতো তেনে কোনো কথাই নেজানো
যাৰ বাবে অক্ষত থাকে মন্দিৰ অথবা মছজিদৰ চূড়া
মোৰ এটাই মাথোন কাম
‘সৃষ্টি সৌধবোৰ ধ্বংস কৰা।’

মই হত্যা কৰোঁ মাকৰ বুকুৰ শিশুৰ কথা
মই হত্যা কৰোঁ সেউজ-সপোন স্বাধীনতা

মোকো তুমি হত্যা কৰা হে মানৱতা
মোৰ নাম সাম্প্ৰদায়িকতা ॥

# তিনিটা অনুচ্চ স্বৰ

● ৰশ্মি ছেত্ৰী
পঞ্চম ষাণ্মাসিক

(এক)

আজি ৰাতি হেনো গুৱাহাটী মহানগৰীত
এটি পাৰৰই ৰুণ দিয়া সকলোৱে শুনিছিল
লগে লগে বিজুলী চাকিবোৰ নুমাই গৈছিল;
তুমি বোধহয় অৱগত
ইয়াত পাৰৰ সংখ্যানো কিমান !

(দুই)

তুমি যিমানেই নোকোৱা,
মোৰ কাৰণে যে দূৰ-দিগন্তৰ অনুভূতিয়েই প্ৰিয়
আৰু সেয়াই মোৰ জীৱন
মোৰ অস্তিত্ব তাৰ অবিহনে
এখনি মৰুভূমিৰ সমান।

(তিনি)

যোৱাৰাতি তাই হেনো বৰফৰ ঘৰ সাজিছিল
আজি তোমাক মাতিবলৈ নৌ-পাওঁতেই ঘৰটো ভাঙি থাকিল।
নিঠুৰ বতাহে আনকি তাইৰ আঁচল খনো
উৰুৱাই নিছিল !
আৰ চৌপাশৰ উৰুঙা গছজোপাই অতি আনন্দেৰে
সকলোবোৰ দৃশ্য উপভোগ কৰি আছিল।

# একাকীত্ব

● দীপিকা দেৱী
স্নাতকোত্তৰ শ্ৰেণী

মই নিজৰ মাজতে সম্প্ৰসাৰিত হ'ব খোজোঁ চিৰকাল
নিজৰ মাজতে গঢ়িব খোজোঁ এখন আকাশ, এখন পথাৰ, এখন নদী
মই নিজৰ ভিতৰতে গঢ়ি লব খোজোঁ মোৰ পৃথিৱী ।

মোৰ সুখ, মোৰ দুখ,
মোৰ হাঁহি, মোৰ চকুপানী;
অনুভৱৰ প্ৰতি দিন, প্ৰতি ৰাতি সামৰি
একান্ত নিজাকৈ গঢ়িব খোজোঁ এটি ঘৰ ।

মই কবৰ দিব খোজোঁ তোমাৰ স্মৃতি বিজড়িত
প্ৰতিটো তৰা, প্ৰতিটো নক্ষত্ৰ
লাগিলে আন্ধাৰতে থাকি ৰ'ম চিৰকাল
দুচকুৰ লুণীয়া হ্ৰদত ডুবাই থ'ম হৃদয় ।
মই নিজৰ মাজতে সংকুচিত-সম্প্ৰসাৰিত হ'ম চিৰকাল ।



# বয়ঃসন্ধি ঃ এক নষ্টালজিয়া

● কস্মী দাস
অষ্টম ষাণ্মাসিক

বতাহ, নুটুকুৰিয়াবা মোৰ দুৱাৰত
ৰূপালী ডাৱৰৰ সোণোৱালী পৰীৰ সাধু নুশুনাবা
বাস্তৱৰ ৰূঢ়তাত যে মই হেৰুৱালোঁ
কল্পনাৰ সোণালী চাবি কেছা
শৈশৱ যে এৰি আহিলো আইতাৰ বোকোচাত
এতিয়াতো- মই ৰাজকুমাৰৰ সপোন নেদেখো
কিহৰ বাবে কি হেৰুৱালোঁ মই !

# নিৰৱতাই মোক জোকায়

● জয়ন্ত কুমাৰ দাস
সপ্তম ষাণ্মাসিক

আকাশ খন যেতিয়া আন্ধাৰ আছিল
গোটেই পৃথিৱীখনেই শুই আছিল,
ৰাতিৰ এই নিস্তব্ধতাৰ মাজতে মই আহিছিলোঁ
আইৰ চিনাকি মুখখন চাবলৈ ।

মোৰ আজিকালি কোনো ঠিকনা নাই
আগৰ ঠিকনাটোও মোৰ পৰা বহু দূৰত,
এনে এক নিস্তব্ধতাৰ মাজতে মই উজাগৰে থাকি
সিহঁতজাকলৈ জুমি জুমি চাই আছিলোঁ
কিজানিবা সিহঁত আকৌ আহে ।

যোৱাৰাতিটো মোৰ বাবে ধুমুহাৰ দৰে আছিল
ঘূৰ্ণী বতাহজাকে মোৰ মূৰৰ চকৰিটো ঘূৰাবলৈ
বাৰে-বাৰে চেষ্টা কৰিও বিফল হ'ল ।
যোৱা ৰাতিৰ ডবা-পিটা বৰষুণ জাকত
তেজৰ শিলপৰা দেখিলোঁ,
আৰু এই শিলবোৰৰ মাজতে দুটোপাল চকুপানীয়ে
টল্‌বল্ কৰি থকা দেখি
প্ৰেয়সীলৈ মনত পৰিল ।
মনৰ নিভৃত কোণত হেঁচি ৰখা মৰমবোৰ
তোমাক যাচিবলৈও ভয় লগা হ'ল;
কিজানিবা সিঁহতজাক আকৌ আহে
মৰমবোৰ জুলাই দিবলৈ ॥

# যুদ্ধৰ সময়

● প্ৰশান্ত কুমাৰ বৰুৱা
সপ্তম ষাণ্মাসিক

(এক)

আৱৰ্তনৰ বাবে
মহাকালৰ গোপন গুহাৰপৰা
ওলাই আহে
যুদ্ধ বিধ্বস্ত সময়,

(দুই)

আমি চকু মেলি ৰৈ থাকোঁ,
হালধীয়া পোছাক পিন্ধি
আহিব বিশ্বাসী সময়,
আহি হাত পাতি ৰৈ থাকোঁ
প্ৰেমৰ নুপুৰ পিন্ধি
শিলনি ভাঙি
আহিব অনুভূতিৰ চেচাঁ সময়,

(তিনি)

আমি ৰৈ থাকোঁ
সময় আহিব
শিল ভাঙি
পানী ভাঙি,
সময় আহিব,
হাতে হাতে দি যাব
শ্ৰুতিময় নদীৰ ওঁঠ,
শিল্পৰ নিমজ্জ তুলিকা
জীৱনৰ মৃন্ময় ঠিকনা,

(চাৰি)

হাত পাতি, চকু মেলি
আমি যিমান পৰ ৰওঁ,
সৰা ফুলৰ সপোন লৈ
চাৰিওফালে দৌৰি ফুৰে
যুদ্ধ সন্ত্ৰস্ত বৰষুণ,
মাটি-বালি-শিল
একাকাৰ কৰি
বিয়পি পৰে
বুকুৰ ভিতৰৰ তেজ,

(পাঁচ)

আমি ৰৈ থাকোঁ,
চাঁকৈচকোৱা চৰাই উৰি আহে,
আমাৰ দেহৰ ডাল পাতলৈ,
বিষন্ন দিনৰ খেৰ-কুটাৰে
এটা বাহ সাজে ৰাতিৰ বাবে,
আমি ৰৈ থাকোঁ,
আমাৰ দেহৰ ডালে পাতে বগায়
সৰ্বনালী আকাশী লতা,

(ছয়)

আমাৰ ভৰিৰ তলুৱাৰ
শিপাই আগুৰি শিপাআগুৰি ধৰে
মাটিৰ ভিতৰৰ নিৰ্মোঘ আকাশ,
আৰু বিষাক্ত বৰষুণত
মাটিৰ ওপৰলৈ উঠি আহে,
আমাৰ বীৰ্য বিপাতিত সুবাস,

(সাত)

সাঁজ লগাৰ পিছত,
এন্ধাৰৰ সংকীৰ্ণ বাটৰ আঁৰত
চুৰী লৈ ৰৈ থাকে
হিংস্ৰ মহাকাল,
প্ৰেতাত্মাবোৰ ঘূৰি ফুৰে
গছবোৰৰ আঁৰে আঁৰে
আৰু প্ৰচণ্ড ধুমুহা বৰষুণ বাবে
সময়ে ডেইপুৰি নিয়া
আমাৰ কলিজাবোৰ
পলাই ফুৰে
গুহাই-গহ্বৰে,

(আঠ)

ধুমুহা আৰু বৰষুণৰ পিছত
নিৰ্মল আকাশ,
ফৰিংফুটা জোনাক,
আমি আমাৰ বহু ভিতৰলৈ জুমি চাওঁ,
আমি ক'ত ?
দেহৰ প্ৰতিটো কোণ বিচাৰি চলাথ
কৰোঁ -
আমি ক'ত,
কোনেও কাকো বিচাৰি নাপাওঁ;
এয়া কাল্পনিক জোনাক
বিশ্বাসঘাটক আকাশ,
আমি আমাৰ হাতবোৰ বিচাৰি নাপাওঁ
মাতবোৰ বিচাৰি নাপাওঁ
নাপাওঁ পোহৰৰ উজ্জ্বল চকু,
আৰু ভঙাপোহৰৰ টুকুৰাৰে
আমাৰ নগ্ন শৰীৰ,
যুদ্ধৰ বাবে,
আমাৰ ভিতৰৰ বহু নাক্ষত্ৰিক সময়
আমি নজনাকৈ সলনি হৈ যায়।



# তোমাৰ কথা

● বেঞ্জামিন কামান

এক

মোৰ হৃদয়ৰ কম্পনবোৰ
তুমি বুজি নাপালা
মোৰ সম্প্ৰসাৰিত হাত দুখনক
তুমি সহাঁৰি জনাব নোৱাৰিলা ।
পাছত জানিছিলোঁ -

দুই

তোমাৰ হাত দুখন শিকলিৰে বন্ধা ।
কাকতত বৰ বৰ হৰফেৰে
প্ৰকাশ পাইছিল
তোমাৰ মুক্তিৰ খবৰ,
মোৰ দুচকুত
তিৰ্‌বিৰাই উজ্বলি উঠিছিল
কেঁচামাটিৰ গন্ধ থকা
দুটি অশ্ৰুকণা ।



# গুৱাহাটীৰ ছবি

● নীলাঞ্জনা মহন্ত
পঞ্চম ষাণ্মাসিক

কিবা এটা উপলক্ষ্যত মেলিছিলোঁ
মোৰ বন্ধ দুচকু
দেখিছিলো - অতীতৰ একো নাই
উথলাবলৈ মোৰ বহল বুকু
কিন্তু, দোষিবওতো নোৱাৰো কাকো ।

সেয়াযে গুৱাহাটীৰে ছবি
ঠৰঙা পাহাৰৰ দাঁতিত ।
কাপোৰ সোলোকাই সিহঁতে
লাজমান পেলাইছে কাটি ।
সিহঁতৰ মাজতে দুটামান
নতুন যুগৰ পাহাৰ,
যেন, একোটাহঁত কংকাল,-
ছোমালিয়াৰ ৰূঢ় বাস্তৱ,
আমাৰ দুঃস্বপ্ন ।

সিহঁত এইখিনি পালেহিয়েই !
কোনোবাই কোৱাকুই কৰিছিল,
'এটা মৃত্যু মিছিল
কোনোবা নিশা
গুৱাহাটীলে' নামি আহিছিল ।।'

# ৰাম গঁগৈ

**(পথাৰৰ কবি ঁৰাম গঁগৈৰ স্মৃতিত)**

❑ কৃষ্ণ পেগু
অষ্টম ষাণ্মাসিক

কিবা এটা অঘটনলৈ বাটকুৰি বাই বৈ গৈছিল মানুহজন ।
মানুহবোৰে ইজনে সিজনলৈ চাই কথা পতা নাছিল
সকলোৱে জুমি চাইছিল পথাৰখনক ।
ঠিক তেতিয়াই যেন শুনিছিলোঁ পথাৰত
সেউজীয়া উৎসৱৰ ঝংকাৰ

তুমি মহণ্ডা হাতেৰে চহাইছিলা মাটি ।
আধা ৰোৱা কঠিয়াবোৰ ৰুৱাই নহ'ল ৰোৱনীৰ
চতুৰ্দিশে বিয়পি পৰিল স্মৃতিৰ 'কোমল গান্ধাৰ'
বহু কথা নোকোৱাকৈ পথাৰ এৰি গুছি গ'ল মানুহজন ।

কিবা এটা অঘটনলৈ বাট চাই, বৈ আছিল দিনৰ কবিতা
যন্ত্ৰণা ! আপোনজনৰ বিয়োগত
একো নোকোৱাকৈ ঘৰ এৰি গুচি যায়গৈ কবি !
চতুৰ্দিশে বিয়পি পৰে স্মৃতিৰ 'কোমল গান্ধাৰ' ।



# পৰিভ্ৰমণ

❑ কমলজিত মেধি
সপ্তম ষাণ্মাসিক



আমি খুপি খুপি পাৰ হওঁ মাটিৰ ঢাপবোৰ
মাটিৰ মানুহ মাটিলৈ উভতি যোৱাৰ বাবেই যেন আমাৰ এই পৰিভ্ৰমণ
আমি ইজনে সিজনৰ চকুলৈ চাওঁ
আৰু প্ৰত্যেকেই প্ৰত্যক্ষ কৰোঁ আস্থি-চৰ্মসাৰ আমাৰ কাঙাল ৰূপ
দূৰৰ নদীৰ পৰা বতাহ বলে, আহে বনৰীয়া ফুলৰ অচিন সুবাস
উপচি পৰে আমাৰ শৰীৰৰ বন্ধ্ৰবোৰ আৰু অনুভৱ কৰো
শিলবোৰ যেন গলিব ধৰিছে প্ৰাচীন এই নগ্ন উষ্ণতাত
এটা শিলৰ তোৰণৰ তলেৰে আমি পাৰ হওঁ-
ৰঙচুৱা বসন পিন্ধা এজন বৃদ্ধ ব্ৰাহ্মণ বৈ থাকে তাত
আৰু আমি প্ৰস্তুত কৰোঁ আমাৰ ইমানদিনৰ জীৱনৰ খতিয়ানবোৰ
আমাৰ সন্মুখত উদ্ভাসিত এই প্ৰাচীন শিৱ লিংগ
য'ত আমি নিক্ষেপ কৰোঁ বকুল ফুল আৰু বেলপাতবোৰ
প্ৰতিদানত উচ্চাৰিত হয় কেইটামান অস্পষ্ট ছন্দৰ
এক সুৰৰ ঝংকাৰে স্পন্দিত কৰে মোক
আৰু মই মুহূৰ্ততে নীৰৱ হৈ যাওঁ নিজৰেই একাকীত্বত
নিসংগতা আৰু আচৰিত এক বিষাদে ভৰাই তোলে মোক
যি নিসংগতা আৰু বিষাদ আছিল মোৰ কুৰিটা বছৰৰ সহপাঠী
খুপি খুপি মাটিৰ ঢাপবোৰেৰে পুনৰ নামি আহোঁ আমি
ওৰেবাটে পিন্ধি আহোঁ এৰি থৈ যোৱা আভৰণবোৰ
প্ৰিয় এই নিসংগতা আৰু বেদনাৰ পৰা এৰা এৰি হোৱাৰ বাবে আমি নিজক সাজু কৰো
আকৌ আহিম মই এই মদনাচলৰ বুকুলৈ
মই আকৌ সন্ধান কৰিম প্ৰিয় এই বিষাদৰ
আত্মাৰ শামুক আৰু কুমজেলেকুৱাবোৰৰ দীঘল শাৰীৰ সৈতে

*"মদনাচল" হাজোৰ এখন পবিত্ৰ পাহাৰ।

# প্ৰেম Love



● চিন্ময় Chowdhury
অষ্টম Semester

প্ৰিয়া, হঠাৎ বাঢ়িল কিয় তোমাৰ মনৰ acceleration
change হ'ল কিয় তোমাৰ মনৰ direction ?
নে হৈছে কোনোবাৰ প্ৰতি তোমাৰ magnetic attraction ?
তুমি নাজানা মই বদলাই দিব পাৰো সেই পুৰুষৰ cross-section,
ইয়েই প্ৰমাণ কৰে Newton's third law of motion.
যে Every action has an equal and opposite reaction.
প্ৰিয়া, আজি তোমাৰ আৰু মোৰ মাজত হৈছে constant friction.
মই জানো যে তুমি দিব নোৱাৰা ইয়াৰ কোনো contradiction.
heat evolve হৈ আমাৰ মনৰ হয় আজি expansion.
সেয়েহে দুখ বেদনাৰে সৈতে অজি মোৰ আহিছে heavy emotion.
কিয়নো -
যদি তুমি মোৰ হ'লা হয়, আমি হ'লোহেঁতেন এক balanced equation.
মোৰ মনত পৰে-
নিদ্ৰাহীন ভাৱে যেতিয়া ভাবিছিলোঁ, তোমাক কেতিয়া পাম
ক'ব নোৱাৰ কিয়ে এক অদম্য স্পৃহাই বঢ়াইছিল মনৰ momentum.
প্ৰিয়া, মই এদিন নহ'লেই কমিছিল তোমাৰ হিয়াৰ velocity.
কিন্তু হঠাৎ সলনি হ'ল কিয় ইয়াৰ density.
তোমাৰ প্ৰেম আজি মোৰ বাবে এখন concave mirror.
এনেলাগে যেন তুমি এটি object বহু দূৰৰ
আজি মোৰ মনত তুমি টেঙালগা এক acidic solution.
মোৰ শিৰা-উপশিৰাত তুমি হলাহল সদৃশ এটা Morphine injection.
শুনা প্ৰিয়া, মোক চিৰদিনৰ বাবে তুমি এৰি গুচি গ'লেও—
মই নিতৌ চাম তোমাক, মনৰ টেলিস্কোপেৰে, হৈ গেলিলিও ।





# নিষিদ্ধ গ্ৰন্থ

○ কল্যাণ নাথ
সপ্তম ষাণ্মাসিক

ত্ৰিছৰ দেওনা পাৰ হোৱা এগৰাকী মহিলাই এখন চহৰৰ এটি ঘৰত কটকটীয়া নিৰাপত্তাৰ মাজত জীৱন কটাব লগা হৈছিল। নিৰাপত্তাজনিত কাৰণত তেওঁক ঘৰৰ বাহিৰলৈ ওলাবলৈ দিয়া নহৈছিল। পেছাত চিকিৎসক এই মহিলাগৰাকীয়ে ৰোগী চাবলৈও যাব নোৱাৰা হৈ পৰে নিৰাপত্তাজনিত কাৰণৰ বাবে। অৱশেষত জীৱনৰ মোহত তেওঁ নিজৰ দেশ ত্যাগ কৰিবলৈ বাধ্য হ'ল। স্বাভাৱিকতে এটি প্ৰশ্নৰ উদ্ৰেক হয় যে কি কাৰণেনো তেওঁ ইমান ভাবুকিৰ সন্মুখীন হ'ব লগা হৈছে। এই মহিলাগৰাকী কোনো ৰাজনৈতিক বা দুষ্ট চক্ৰৰ নেতৃ নহয়, তেওঁ এগৰাকী সাধাৰণ লিখিকা, নাম তছলিমা নাছৰিণ। বাংলাদেশৰ এই লেখিকাগৰাকীৰ জীৱন সংকটাপন্ন হৈ পৰে তেওঁ লিখা এখন সৰু উপন্যাস 'লজ্জা'ৰ বাবে।

সমগ্ৰ বিশ্বতে চৰ্চাৰ বিষয় হৈ পৰা তছলিমা নাছৰিণৰ 'লজ্জা' ১৯৯৩ চনত প্ৰকাশৰ পিছত লেখিকা গৰাকীৰ নিজৰ দেশ বাংলাদেশত পঞ্চাছ হাজাৰতকৈ অধিক কপি বিক্ৰী হৈছিল। কিন্তু কিতাপখনৰ সাহিত্যিক মূল্য যিয়েই নহওক এই কথা অনস্বীকাৰ্য যে কিতাপখন সমগ্ৰ বিশ্বৰ চৰ্চাৰ বিষয় হৈ পৰে তেতিয়াহে যেতিয়া কিতাপখনৰ ওপৰত বাংলাদেশ চৰকাৰে নিষেধাজ্ঞা জাৰি কৰে। অকল সেয়াই নহয়, লেখিকা তছলিমা নাছৰিণক প্ৰাণে মৰাৰ ভাবুকি দিয়ে একাধিক মৌলবাদী সংগঠনে। মুছলিম মৌলবাদী-সকলৰ ৰোষৰ বলি হোৱা তছলিমা নাছৰিণৰ দোষ মাত্ৰ এয়ে যে তেওঁ কিতাপখনত ভাৰতৰ বাবৰি মছজিদ ধ্বংসৰ পিছত বাংলাদেশৰ সংখ্যালঘু হিন্দু সকলৰ ওপৰত চলা নিৰ্যাতন তেওঁৰ উপন্যাসৰ চৰিত্ৰৰ জৰিয়তে অংকন কৰিছিল। মৌলবাদীসকলৰ তুমুল বিৰোধিতা আৰু উৎকট প্ৰচাৰত সমগ্ৰ বাংলাদেশত তছলিমা নাছৰিণৰ বিৰুদ্ধে প্ৰতিবাদৰ ঢৌ উঠে আৰু মৌলবাদীসকলৰ হুমকিত তেওঁ দেশ এৰি পলাবলৈ বাধ্য হয়।

অৱশ্যে সাহিত্যৰ ইতিহাসত গ্ৰন্থ নিষিদ্ধ হোৱা আৰু সময়ে সময়ে একোখন গ্ৰন্থই পৃথিৱীত আলোড়ন সৃষ্টি কৰা আৰু নিষিদ্ধ গ্ৰন্থৰ লিখক বিভিন্ন নিৰ্যাতনৰ বলি হোৱা নতুন কথা নহয়।ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে বিভিন্ন কাৰণত গ্ৰন্থ ও লিখক যুগে যুগে নিৰ্য্যাতনৰ বলি হৈ আহিছে ; যদিও ৰাজনৈতিক আৰু ধৰ্মীয় কাৰণত নিষিদ্ধ হোৱা গ্ৰন্থৰ সংখ্যা বেছি। ৰাজনৈতিক নেতা আৰু ধৰ্মীয় মৌলবাদীসকলে নিজৰ গাত চেকা পৰা কোনো কাৰ্যই কেতিয়াও সহ্য নকৰে। পৃথিৱীৰ বহুতো বিখ্যাত লিখকৰ গ্ৰন্থ, আনহে নালাগে নবেল বটা বিজয়ী লিখকৰ গ্ৰন্থও, নিষেধাজ্ঞাৰ বলি হ'ব লগা হৈছে। ১৯৮৮ চনৰ নবেল বটা বিজয়ী ইজিপ্তৰ লেখক নেগিছ মাহফৌজৰ 'দি চিলড্ৰেন অৱ আৱাৰ ত্ৰলি' নামৰ গ্ৰন্থখনৰ বিৰুদ্ধে ইজিপ্তত ইমানেই হুলস্থুলৰ সৃষ্টি হৈছিল। সেইদৰে নবেল বটা বিজয়ী গেব্ৰিয়েল মিষ্ট্ৰাল আৰু পেবলো নেৰুদাৰ কিতাপ চিলিত নিষিদ্ধ হৈছিল। আন এজন নবেল বটা বিজয়ী লিখক গাৰ্চিয়া মাৰ্কুইজৰ কিতাপ কলম্বিয়াত নিষিদ্ধ হৈছিল।

পৃথিৱী বিখ্যাত বহু গ্ৰন্থকাৰৰ কিতাপ নিষিদ্ধিকৰণৰ কবলৰ পৰা হাতসৰা নাই। বিশ্ববিখ্যাত গ্ৰন্থকাৰ ডি এইচ্ লৰেণ্সৰ-'লেডী চাৰ্টেৰ্লিজ্ লাভাৰ' ইংলণ্ডত বহু বছৰ নিষিদ্ধ হৈ আছিল। দক্ষিণ আফ্ৰিকাত নেলচন মাণ্ডেলাৰ 'পাৰ্ট অৱ্ মাই চ'ল', ষ্টিভ বিকৰ 'আই ৰাইট হোৱাট আই লাইক্', পিটাৰ অব্ৰাহামৰ 'টেল ফ্ৰিদম' নিষিদ্ধতাৰ বলি হৈছিল। বিভিন্ন দেশত বিভিন্ন সময়ত নিষিদ্ধতাৰ বলি হোৱা আন কিছুমান বিখ্যাত গ্ৰন্থ হৈছে- চাৰ্লছ ডিকেঞ্চৰ 'অলিভাৰ টুইষ্ট', এডোৱাৰ্ড গিৱনৰ 'দিক্লাইন এন্দ ফল অৱ দ্য ৰোমান এম্পায়াৰ', ষ্টাইনবেকৰ 'গ্ৰে'পছ অভ ৰথ' আদি। ধৰ্মীয় বিশ্বাসৰ বিৰুদ্ধাচৰণ কৰা বুলি প্ৰখ্যাত কবি শেলীৰ 'কুইন মে' নিষিদ্ধ হৈছিল। বায়ৰণে 'ডনজুৱান' লিখি ককৰ্থনা খাব লগা হৈছিল। জয়েছে তেওঁৰ 'ইউলিছিছ' গ্ৰন্থৰ বাবে যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছিল। ৰাছিয়াত ষ্টেলিনৰ শাসনত বহু প্ৰখ্যাত লিখকৰ গ্ৰন্থৰ ওপৰত যি অত্যাচাৰ চলিছিল সি আন এক কলঙ্কৰ অধ্যায়ৰূপে ইতিহাসত পৰিগণিত হৈছিল। বিখ্যাত ৰাছিয়ান লিখক দস্তভয়েস্কিৰ গ্ৰন্থ ১৯৫৩ চন পৰ্য্যন্ত ৰাছিয়াত নিষিদ্ধ আছিল। ওঠৰ শতিকাত নিৰ্যাতনৰ বলি হোৱা আন এজন প্ৰখ্যাত লেখক হৈছে ফৰাছী লেখক ভল্টেয়াৰ। তেওঁৰ মুঠ নখন গ্ৰন্থ নিষিদ্ধ হৈছিল। ইয়াৰে ভিতৰত সবাতোকৈ আলোড়ণ সৃষ্টি কৰা তেওঁৰ গ্ৰন্থখন হৈছে 'কাঁদিদ'। এই গ্ৰন্থখন পৃথিৱীৰ বিভিন্ন দেশত অশ্লীলতাৰ বাবে নিষিদ্ধ হৈছিল। এইদৰে পৃথিৱীৰ বহুতো অখ্যাত-প্ৰখ্যাত লিখকৰ গ্ৰন্থ সময়ে সময়ে নিষিদ্ধতাৰ বলি

হৈছে আৰু কিমান লিখকে যে তেওঁলোকৰ লিখনিৰ বাবে অপদস্থ হ'ব লগা হৈছে তাৰ সীমা সংখ্যা নাই। নিষিদ্ধ গ্ৰন্থৰ ভিতৰত ১৯৮৮ চনত সমগ্ৰ বিশ্বতে আলোড়ণ সৃষ্টি কৰা ছলমান ৰুছদিৰ 'চাটানিক ভাৰ্ছেছ'ৰ কথা নিলিখিলে এই লিখনি নিশ্চয় আধৰুৱা হৈ ৰ'ব। গ্ৰন্থখনত ইছলাম ধৰ্মক অৱমাননা কৰা হৈছে বুলি ইয়াৰ বিৰুদ্ধে আৰু লেখক ছলমান ৰুছদিৰ বিৰুদ্ধে যি হুলস্থুলৰ সৃষ্টি হৈছিল সি সচাঁকৈ অভূতপূৰ্ব্ব। সমগ্ৰ বিশ্বৰে প্ৰায় সকলোবোৰ মুছলমান দেশ আৰু অন্যান্য কিছুমান দেশত নিষিদ্ধ হোৱা এই কিতাপখনৰ লেখক ছলমান ৰুছদিৰ ওপৰত মৃত্যুদণ্ড জাৰি কৰি সেইসময়ৰ ইৰাণৰ শাসক আয়াতুল্লা খোমেইনিয়ে ৰুছদিৰ হত্যাকাৰীলৈ ৩০ লক্ষ ডলাৰৰ পুৰস্কাৰ আগবঢ়াইছিল, যি এতিয়াও নিৰাপত্তাৰক্ষীৰ বেষ্টনিৰ মাজত জীৱন কটাব লগা হৈছে।

সমগ্ৰ বিশ্বতে বিভিন্ন দেশত কিতাপ নিষিদ্ধ হোৱাৰ দৰে ভাৰততো সময়ে সময়ে কিছুমান গ্ৰন্থই বিতৰ্কৰ জোৱাৰ তুলি আহিছে। ১৯২৪ চনত ভাৰতত আলোড়ণ সৃষ্টি কৰা এখন গ্ৰন্থ হৈছে পণ্ডিত চামুপণ্ডিৰ 'ৰংগিলা ৰচুল'। মুছলিম সমাজে প্ৰৱল বিৰোধিতা কৰা এই কিতাপখনৰ প্ৰকাশকে এজন মুছলীম আততায়ীৰ হাতত জীৱন দিব লগা হৈছিল। বিতৰ্কৰ ঢৌ তোলা আন এখন গ্ৰন্থ হৈছে নৰোকভৰ 'ললিতা'। তানন্তিন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ বিৰোধীতা সত্বেও গৃহমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ গৃহমন্ত্ৰালয়ে 'ললিতা'ক নিষিদ্ধ কৰিছিল। ধৰ্মীয় কাৰণত ভাৰতত নিষিদ্ধ হোৱা আন এখন উল্লেখযোগ্য গ্ৰন্থ হৈছে আব্ৰে মেনম ৰচিত 'ৰামা ৰিটেল্ড'। নিষিদ্ধ হোৱা আন এখন উল্লেখযোগ্য গ্ৰন্থ হৈছে আৰ্থাৰ কোৱেষ্টলাৰ 'ডা-লটাছ'। ধৰ্মীয় উত্তেজনাৰ সৃষ্টি কৰা ছলমান ৰুছদিৰ আন এক গ্ৰন্থ 'শ্বেম' পাকিস্থানত নিষিদ্ধ হৈছে যদিও ভাৰতত নিষিদ্ধ কৰা হোৱা নাই। ভাৰতত বিতৰ্কৰ জোৱাৰ তোলা আন দুখন গ্ৰন্থ হৈছে লেৰি কলিন্স আৰু ডমিনিক লেপিয়েৰৰ দুখন গ্ৰন্থ 'চিটি অৱ জয়' আৰু 'ফ্ৰীডম এট্ মিডনাইট্'। বিগত বছৰটোত ভাৰতবৰ্ষত আলোড়ণ সৃষ্টি কৰা দুখন গ্ৰন্থ হৈছে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামস্বামী ভেংকটৰমনৰ 'মাই- প্ৰেসিডেন্সিয়েল ইয়েৰছ' আৰু কে গোবিন্দ কোট্টীয়ে লিখা মুখ্য নিৰ্বাচনী আয়ুক্ত টি এন্ শেষানৰ জীৱনী গ্ৰন্থ 'শেষান- এন্ ইন্টিমেট্ ষ্টৰী'। প্ৰথমখন গ্ৰন্থত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী সম্বন্ধে বিৰূপ মন্তব্য কৰা বুলি এচাম কংগ্ৰেছ-ই নেতাই গ্ৰন্থখন নিষিদ্ধ কৰিবলৈ উঠিপৰি লাগিছিল যদিও সফল নহ'ল। আনহাতে দ্বিতীয়খন গ্ৰন্থত শেষানে তামিলনাডুৰ দুজন প্ৰখ্যাত প্ৰয়াত ৰাজনৈতিক নেতা চি এন্ আন্নাডুৰাই আৰু এম জি ৰামচন্দ্ৰৰ বিৰুদ্ধে অসত্য আৰু মনেসজা অভিযোগ আনিছে বুলি গ্ৰন্থখনৰ বিৰুদ্ধে তামিলনাডুত বিতৰ্কৰ ঢৌ উঠে আৰু অলপতে মাদ্ৰাছ উচ্চ ন্যায়ালয়ে গ্ৰন্থখনৰ প্ৰকাশ সাময়িক ভাবে স্থগিত ৰখাৰ নিৰ্দেশ দিয়ে।

এইখিনিতে প্ৰশ্ন হয় এইদৰে কিতাপ নিষিদ্ধ হোৱাটো আৰু নিষিদ্ধ কিতাপৰ লেখক নিৰ্যাতনৰ বলি হোৱাটো এক পৰম্পৰাত পৰিণত হৈছে নেকি ? নিষিদ্ধ কিতাপ এখন কি ভিত্তিত নিষিদ্ধ কৰা হয় ? নিষিদ্ধ কৰাৰ আগতে কিতাপখন সম্বন্ধে সকলো দিশ বিবেচনা কৰি চোৱা হয়নে ?

কিতাপ এখন নিষিদ্ধ কৰাৰ লগে লগে এটি কথা মনলৈ আহে যে কিতাপখন কি ভিত্তিত নিষিদ্ধ কৰা হ'ল। কাৰণ কিতাপ এখনত কেনেকুৱা পৰ্যায়ত লিখনি থাকিলে কিতাপখন নিষিদ্ধ কৰা হ'ব সেই সম্বন্ধে নিশ্চয় কোনো এখন দেশতে ধৰা-বন্ধা আইন-কানুন নাই। সাধাৰণতে দেখা

☆☆

এইখিনিতে প্ৰশ্ন হয় এইদৰে কিতাপ নিষিদ্ধ হোৱাটো আৰু নিষিদ্ধ কিতাপৰ লেখক নিৰ্যাতনৰ বলি হোৱাটো এক পৰম্পৰাত পৰিণত হৈছে নেকি ? নিষিদ্ধ কিতাপ এখন কি ভিত্তিত নিষিদ্ধ কৰা হয় ? নিষিদ্ধ কৰাৰ আগতে কিতাপখন সম্বন্ধে সকলো দিশ বিবেচনা কৰি চোৱা হয়নে ?

সাধাৰণতে দেখা যায় যে যিকোনো এখন কিতাপৰ বিৰুদ্ধে সমাজত বিতৰ্কৰ সূত্ৰপাত হলেই সম্ভাব্য বিপদৰ পৰা ৰক্ষা পৰিবলৈ দেশৰ শাসকসকলে কিতাপখন নিষিদ্ধ কৰি দিয়ে। বিশেষকৈ সেই বিতৰ্ক যদি ধৰ্মীয় হয় তেন্তে মৌলবাদীসকলৰ প্ৰৰোচনাত প্ৰায়েই অশান্তিৰ সূত্ৰপাত হয়।

☆☆



ছলমান ৰুছ্দি ঃ বিতৰ্কৰ অন্ত ক'ত ?

যায় যে যিকোনো এখন কিতাপৰ বিৰুদ্ধে সমাজত বিতৰ্কৰ সূত্ৰপাত হলেই সম্ভাব্য বিপদৰ পৰা ৰক্ষা পৰিবলৈ দেশৰ শাসকসকলে কিতাপখন নিষিদ্ধ কৰি দিয়ে। বিশেষকৈ সেই বিতৰ্ক যদি ধৰ্মীয় হয় তেন্তে মৌলবাদীসকলৰ প্ৰৰোচনাত প্ৰায়েই অশান্তিৰ সূত্ৰপাত হয়। আৰু বহুক্ষেত্ৰত দেখা যায় যে সমাজৰ এচাম মানুহক সন্তুষ্ট ৰাখিবলৈকে শাসকসকলে গ্ৰন্থ এখন নিষিদ্ধ কৰি দিয়ে। এনে কাৰ্যৰ দ্বাৰা এজন লিখকৰ মত-প্ৰকাশৰ অধিকাৰকেই যে কেৱল খৰ্ব কৰা হয় এনে নহয় ই আন এচাম গ্ৰন্থ প্ৰেমীকো হতাশ কৰে যিসকলে হয়তো গ্ৰন্থখন পঢ়িব বিচাৰিছিল বা পঢ়ি ভাল পাইছিল। আনহাতেদি যিকোনো এখন গ্ৰন্থৰ বিৰুদ্ধে প্ৰতিবাদ কৰাসকলে গ্ৰন্থখন সম্বন্ধে বিশদভাৱে জ্ঞাত হয়নে নহয় সেয়াও সন্দেহৰ বিষয়। বহুক্ষেত্ৰত ধৰ্মীয় আৰু ৰাজনৈতিক গোড়ামিৰ বাবে বহুলোকে গ্ৰন্থ এখনৰ সম্বন্ধে একো নজনাকৈয়ে ধৰ্মীয় বা ৰাজনৈতিক এনে এচাম লোকৰ কথা মানি লৈ এখন গ্ৰন্থ নিষিদ্ধ কৰাটো কিমানদূৰ সমীচিন সেয়া এক বিতৰ্কৰ বিষয়। এনে পৰম্পৰা যদি চলি থাকিবলৈ ধৰে তেনেহলে অদূৰ ভৱিষ্যতে বহু ভাল গ্ৰন্থ অকাৰণতে নিৰ্যাতনৰ বলি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। আনহাতে আন এচামে যুক্তি দৰ্শাব খোজে যে এখন গ্ৰন্থই যদি সমাজৰ অশান্তিৰ কাৰণ হয়, তেন্তে গ্ৰন্থখন নিষিদ্ধ কৰাত আপত্তি কি হ'ব পাৰে। এইসকলৰ মতে যিহেতু সমাজত অশান্তিৰ সৃষ্টি কৰা প্ৰত্যেক কাৰ্য আইনৰ শাসনৰ দ্বাৰা দমন কৰা হয়, তেনেদৰে সমাজত অশান্তিৰ সৃষ্টি কৰা কিতাপ এখন নিষিদ্ধ কৰাটো কোনো অযুক্তিকৰ কথা হ'ব নোৱাৰে।

যি উদ্দেশ্যৰ বাবে গ্ৰন্থ এখন শাসকসকলে নিষিদ্ধ কৰে বা যাক সন্তুষ্ট কৰিবলৈ গ্ৰন্থ এখন নিষিদ্ধ কৰা হয় সেয়া ফলপ্ৰসু হয়নে ? দেখা যায় যে বহুক্ষেত্ৰত গ্ৰন্থ এখন নিষিদ্ধ কৰি দিয়াৰ লগে লগে গ্ৰন্থখনে পূৰ্বতকৈও বেছিহে প্ৰচাৰ পায় আৰু পাঠকৰ সংখ্যাও পূৰ্বতকৈ বাঢ়ি যায়। চোৰাং বজাৰত এনে কিতাপৰ দাম আৰু জনপ্ৰিয়তা মন কৰিবলগীয়া। যিখন গ্ৰন্থ হয়তো এখন সমাজৰ মুষ্টিমেয় পাঠক কেইজনমানহে পঢ়িলেহেতেন, নিষিদ্ধ হোৱাৰ লগে লগে সেই একেখন গ্ৰন্থৰ পাঠকৰ সংখ্যা কল্পনাতীত ভাবে বাঢ়ি যায়। কৌতূহলৰ বশৱৰ্ত্তী হৈ সকলোৱেই এনে গ্ৰন্থ পঢ়িব বিচাৰে আৰু গ্ৰন্থ লেখকজনৰ জনপ্ৰিয়তা পূৰ্বতকৈও বৃদ্ধিহে পায়। গতিকে গ্ৰন্থ নিষিদ্ধ কৰা সকল বা কৰিবলৈ বিচৰাসকল যে তেওঁলোকৰ উদ্দেশ্যত সফল নহয়, সেয়া চিৰসত্য।

পৰিশেষত ক'ব পাৰি যে, যি কাৰণতেই গ্ৰন্থ এখন নিষিদ্ধ কৰা নহওক কিয়, নিষিদ্ধ হোৱাৰ আগতে গ্ৰন্থখনৰ সম্বন্ধে বিশদ পৰ্যালোচনা হোৱা উচিত আৰু এনে পৰ্যালোচনাৰ ভিত্তিতহে যিকোনো সিদ্ধান্ত লোৱা উচিত। ■






◆ ব্ৰজেন্দ্ৰ কুমাৰ তালুকদাৰ
অষ্টম ষাণ্মাসিক

তেতিয়া সন্ধিয়া প্ৰায় ৭-৩০ বাজিছিল। আজি কিছুদিনি ধৰি এই অঞ্চলত সন্ধিয়া ৭ বজাৰ পৰা ৮ মান বজালৈকে প্ৰায়ে এঘন্টা সময় ধৰি বিজুলী যোগান বন্ধ থাকে। শশাংক বৰুৱাৰ একমাত্ৰ ল'ৰা বাবা এতিয়াও ঘৰ আহি পোৱা নাই। বৰুৱাই উদ্বিগ্ন হৈ বাৰে বাৰে বাটলৈ ওলাই চাই আছে।

"বাবাই তোমাক সোনকালে উভতিব বুলি কোৱা নাছিল জানো ?" শশাংক বৰুৱাই ঘৈণীয়েকক ওচৰত গৈ সুধিলে।

"সি দেখোন বাৰ বজাত কলেজত নাম ভৰ্ত্তি কৰিয়েই পোনে পোনে ঘৰলৈ ওভোতাৰ কথা। ময়ো তাক বাৰে বাৰে সোনকালে উভতিবলৈ কৈছিলো।"

বৰুৱাৰ ঘৈণীয়েক মালতীয়ে ৰন্ধাৰ যা-যোগাৰ কৰি আছিল। তেওঁ কথাকেইষাৰ কৈয়েই আকৌ কামত ব্যস্ত হৈ পৰিল।

"সি এতিয়া আৰু সৰু ল'ৰা হৈ থকা নাই নহয়। অন্ততঃ আমি যে তাৰ বাবে চিন্তিত হ'ব পাৰো সেইখিনি সি বুজি পাব লাগে। আজিকালি যিহে দিনকাল, ক'ত কেতিয়া কি হয় কোনো জানে ? মইনো এতিয়া তাক ক'ত বিচাৰি যাওঁ ? দিনৰ দিনটো অফিচত, ঘৰখনলৈ আহিও অলপ শান্তি নাপাওঁ। চিন্তা কৰি মৰিলেহে হ'ব এতিয়া।"

বৰুৱাই কথা কেইটা একে উশাহতে কৈ পদূলি মুখলৈ চালে। নাই, সি এতিয়াও অহা নাই।

"এই গধূলিখন অমঙ্গলীয়া কথাবোৰ বলকিবলৈ আপোনাকনো কিহে পাইছে ? সি ইচ্ছা কৰিয়েই কিবা পলম কৰিছেনে ? গাড়ী মটৰত অহাৰ কথা, কিবা অসুবিধাও হ'ব পাৰে।

মালতীয়ে থিকেই কৈছে। গাড়ী-মটৰৰো কিবা অসুবিধা হ'ব পাৰে। কিন্তু বৰুৱাই মনটোক বাৰে বাৰে চেষ্টা কৰিও মনাব পৰা নাই। বৰুৱাৰ পৰিয়ালত হেমন্ত একমাত্ৰ ল'ৰা সন্তান। মৰমতে তাক ঘৰত আটায়ে বাবা বুলিয়ে মাতে। বৰুৱাৰ ছোৱালী তিনিজনী। ডাঙৰজনীক বিয়া দিয়াৰ বৰ বেছি দিন হোৱা নাই। বাকী দুজনীয়ে ওচৰৰে কলেজখনৰ স্নাতক মহলাত পঢ়ি আছে। বাবাই এইবাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। সি ওচৰৰে চহৰখনৰ ভাল কলেজ এখনত 'চিট' পাইছে। কলেজখনত নাম ভৰ্ত্তি কৰিবলৈ সি আজি তালৈ গৈছে।

শশাংক বৰুৱাই অশেষ চেষ্টা কৰিও মনটো দুশ্চিন্তাৰ পৰা

মুক্ত কৰিব নোৱাৰিলে। বৰুৱাই লাহে লাহে পদুলি মুখলৈকে গুলাই আহিল। বাহিৰত আন্ধাৰ ভালকৈয়ে হৈছিল। বৰুৱাৰ মনটো লাহে লাহে উভতি গৈছিল প্ৰথম যেতিয়া তেওঁ ইয়াত ঘৰ বন্ধা কাম আৰম্ভ কৰে সেই দিনবোৰলৈ তেতিয়া এই অঞ্চলটোত কেনে এক শান্তিপূৰ্ণ পৰিৱেশ আছিল! ৰাস্তাটো ঠেক আৰু খুব কম সংখ্যক মানুহৰহে আহ-যাহ আছিল। এতিয়া ৰাস্তাটো বহুত বহল হ'ল আৰু গাড়ী-মটৰ, মানুহ-দুনুহ আদিৰে ভৰি পৰিল। সময়ৰ লগে লগে সকলোৰে পৰিবৰ্তন হয়। তেওঁৰ বয়সো প্ৰায় ষাঠি বছৰমানেই হ'ল। চাকৰিটো যাবলৈও বৰ বেছি দিন নাই। জীৱনটোতনো তেওঁ কি কৰিলে? চাকৰি কৰাৰ প্ৰথমদিনবোৰত দৰ্মহা কম আছিল, কিন্তু এতিয়া বহুত বেছি হ'ল যদিও মাহটো কোনোমতেহে চলি যায়। বৰুৱাৰ লগত একেলগে কাম কৰা বহু কেইজন গাড়ী-মটৰো ললে। কিন্তু বৰুৱাৰহে আৰ্থিক অৱস্থাৰ তেনে কোনো পৰিবৰ্তন হোৱা নাই। ইয়াকে লৈ ঘৈণীয়েক মালতীৰ লগত মাজে সময়ে তেওঁৰ কাজিয়াও লাগে। কিন্তু বৰুৱা আদৰ্শত থকা মানুহ: তেওঁ কেতিয়াও দুৰ্নীতি নকৰে: কৰিব নোৱাৰে। সেইবাবেই তেওঁক অফিচত সকলোৱে ভয় আৰু ভক্তি সমানেই কৰে। অৱশ্যে দুই-এজনে পিছত ধাৰ্মিক যুধিষ্ঠিৰ বুলি উপলুঙাও নকৰাকৈ নাথাকে। আজিকালি মানুহবিলাকক বিশ্বাস কৰাই টান হৈ পৰিছে। হত্যা, ধৰ্ষন, বিভিন্নধৰনৰ অঘটন আদিৰ প্ৰকোপ ক্ৰমাৎ বৃদ্ধি পাই আহিছে। বাতৰি কাকত মেলিলেই এশ এটা দুৰ্ঘটনা। গুলীয়া-গুলী, পুলিচৰ অত্যাচাৰ, নাৰী নিৰ্য্যাতন, হোষ্টেলত ৰেগিঙত ল'ৰাৰ মৃত্যু, আদিৰে ভৰি থাকে। আজিকালি মানুহৰ মান-সন্মান, সম্পতি অথবা জীৱন একোৱেই নিৰপত্তা নোহোৱা হৈ পৰিছে। বৰুৱাৰ এইবোৰ সদায় পঢ়ি পঢ়ি অভ্যাসত পৰিনত হৈছে। আনকি বাতৰি কাকতত পোৱা অতি আশ্চৰ্য্যকৰ হিংস্ৰ আৰু অমানুষিক ঘটনটো পঢ়িলেও তেওঁ বিশেষ গুৰুত্ব নিদিয়ে। বৰুৱাই অকলশৰে পদুলি মুখত থিয় হৈ এইবিলাক ভাবি থাকিলেও তেওঁৰ মনৰ পৰা বাবাৰ চিন্তা আতৰ হোৱা নাছিল। সি যোৱাৰ সময়ত কৈছিল নামভৰ্তিকৰণৰ পিছত হোষ্টেলৰ ল'ৰাবোৰে ঘৰত আহিবলৈ বাধা দিয়ে হেনো। অৰ্থাৎ হোষ্টেল ললে হোষ্টেলত থাকিবই লাগিব। সি হোষ্টেলতে থাকিল নেকি বাৰু? শশাংক বৰুৱাৰ মনটো আকৌ স্বপ্নৰাজ্যলৈ গুছি গ'ল। কেইদিনমান আগতে বাতৰি কাকতৰ পঢ়া কিছুমান ঘটনাৰ ছবি তেওঁৰ মনত ভাঁহি উঠিবলৈ ধৰিলে। যেন এজন ল'ৰা, ঠিক তেওঁৰ ল'ৰা বাবাৰ সমানেই, প্ৰথম দিনৰ বাবে ছাত্ৰাবাসত ৰাতি থাকিবলৈ লৈছে। এনেতে কেইজনমান সুৰাসক্ত যুৱক তাৰ কোঠাত সোমাই পৰিল। এজনে চিঞৰি উঠিল - "ঐ কুকুৰ, তোৰ নাম কি?"

সি নামটো কলে।

তাৰ পিছত ল'ৰাজনক কিছুমান লাগ-বান্ধ নোহোৱা প্ৰশ্ন শুধি ব্যতিব্যস্ত কৰি তুলিলে। তাৰোপৰি প্ৰত্যেক প্ৰশ্নৰ শেষত তাৰ গাল আৰু পিঠিত যুৱক কেইজনৰ চৰ আৰু ঘোচা পৰিবলৈ ধৰিলে।

এনেতে ঢলংপলংকৈ আন এজন যুৱক সোমাই আহিল। মুখত চিগাৰেট। তেওঁ ল'ৰাজনক 'ঐ মক্কেল চিগাৰেট খা" বুলি চিগাৰেটটো মুখত গুজি দিলে। কিন্তু সি চিগাৰেটটো উলিয়াই পেলালে। লগে লগে ল'ৰাজনৰ গাত এটা গোৰ পৰিল আৰু সি মাটিত বাগৰি পৰিলে। আগন্তুকে অশ্লীল কিবা এটা কৈ জ্বলি থকা চিগাৰেটটো ল'ৰাজনৰ সোঁ চকুটোত গুজি ধৰিলে। লগে লগে ল'ৰাজনে "মৰিলো, মৰিলো" কৈ আৰ্ত্তনাদ কৰি উঠিল। ঠিক সেই মুহূৰ্ত্ততে বৰুৱাই "বাবা, বাবা" বুলি অস্বাভাবিক ধৰণে চিঞৰি দিলে।

"কি হ'ল দেউতা?"

বাবাই ৰিক্সাখনত বিদায় দি উঠিছিলেহে মাত্ৰ। ইফালে বিজুলী চাকিবোৰো ইতিমধ্যে জ্বলি উঠিছিল। শশাংক বৰুৱাই টোপনিৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে হেমন্তৰ অৰ্থাৎ বাবাৰ ভৰিৰ পৰা মূৰলৈ চালে। হয় ঠিকেই আছে; বাবাৰ একো হোৱা নাই। তেওঁ বাবাক কিবা এটা কব খুজিলে, কিন্তু একো নকৈ ভিতৰলৈ সোমাই গ'ল।

✠ ✠ ✠

লণ্ডনলৈ যাওঁতে মাৰ্কটোৱেইনে এবাৰ চিত্ৰ শিল্পী হুইচ্‌লাৰৰ ষ্টুডিঅ'লৈ গ'ল। হুইচলাৰে তেতিয়া ছবি আঁকি আছিল। সেই ছবিখনৰ সমুখত থিয় হৈ আনন্দত আত্মহাৰা হৈ টোৱেইনে কলে ঃ কি অপূৰ্ব! তুমি কেনেকৈ ইমান সুন্দৰ ছবি আঁকা?

"ছবিবোৰ নুচুবা, ৰং এতিয়াও কেঁচা হৈ আছে।" -হুইচ্‌লাৰে ক'লে।

"ভয় কৰিব নালাগে। মোৰ হাতত গ্লাভ্‌চ আছে। তোমাৰ ছবিৰ ৰঙে মোৰ আঙুলিবোৰ নষ্ট কৰিব নোৱাৰে।"

# বিপৰ্যস্ত শৈশৱ

☐ শ্ৰীশশাঙ্ক শেখৰ শৰ্মা
সপ্তম ষান্মাসিক



১৭ এপ্ৰিলৰ ৰাতিপুৱা। পাকিস্তানৰ এজন প্ৰতিভাবান শিশু শ্ৰমিকৰ উগ্ৰ প্ৰতিবাদ বন্দুকৰ গুলিৰ দ্বাৰা চিৰদিনৰ কাৰণে বন্ধ কৰি দিয়া হ'ল। ইকবাল মাজি (Iqbal Mashih) নামৰ এই বাৰ বছৰীয়া খৃষ্টিয়ান ল'ৰাজন সেইদিনা লগৰ দুজন বন্ধুৰ লগত চাইকেলত যাওঁতে লাহোৰৰ ওচৰৰ মাৰিটকে (Maritke) নামে ঠাইত কাৰ্পেট মাফিয়াৰ বহুদিনীয়া ষড়যন্ত্ৰৰ নিৰ্মম বলি হ'ল। ইকবালৰ দোষ হ'ল সি 'Bonded labour leberation front' নামৰ সংগঠনটোৰ সভাপতি এহচান উল্লা খাঁৰ সহযোগত পাকিস্তানৰ কাৰ্পেট মাফিয়াৰ বিৰুদ্ধে সৰৱ হৈ উঠিছিল। যোৱা নৱেম্বৰ মাহত চুইদেনত হোৱা আন্তৰাষ্ট্ৰীয় শ্ৰমিক সভাত (International Labour Conference) সি প্ৰকাশ কৰিছিল কেনেকুৱা নিঃকৃষ্ট পৰিৱেশত শিশু শ্ৰমিকক কাৰ্পেট গুঠিবলৈ ঘন্টা পিছত ঘন্টা ধৰি বাধ্য কৰোৱা হয়। কাৰ্পেট উদ্যোগত মালিক সকলে শিশু শ্ৰমিকৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়ে কাৰণ সিহঁতৰ সৰু সৰু আঙুলিৰ দ্বাৰা খুব ভাল কাৰ্পেট গুঠিব পাৰি। তদুপৰি কোমল শিশু এটাক কম পইচা দি অনুপযুক্ত পৰিবেশত বহু সময় ধৰি কামত খটুৱাব পাৰি। ৪ বছৰ বয়সতে বাপেকে বেচি দিয়া ইকবালে ১০ বছৰ বয়সলৈকে কাৰ্পেট উদ্যোগত কাম কৰিছিল। গতিকে তাৰ নিজা অভিজ্ঞতাৰে পুষ্ট সাহসিক ভাষণে বহুতৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তৃতীয় বিশ্বৰ এই সমস্যাটো ইমান নিখুঁত ভাৱে দাঙি ধৰাৰ কাৰণে আমেৰিকাৰ Action নামৰ জোতা কোম্পানীটোৱে ইকবালক $5,000ৰ 'Reebok Youth in Action Award' ৰে বিভূষিত কৰিছিল। তাৰ এই দুসাহসিক অভিযানৰ কাৰণে পাকিস্তানৰ কেইবাটাও কাৰ্পেট উদ্যোগ বন্ধ হৈ গৈছিল আৰু কাৰ্পেট মাফিয়াসকলে বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছিল। সেয়ে এই শিশুটোক বন্দুকৰ গুলিৰে নিৰ্মম ভাৱে হত্যা কৰা হ'ল।

পকিস্তানৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী বেনজিৰ ভুট্টোয়ে যদিও সেইদেশৰ ৬ মিলিয়ন (১৮ বছৰৰ বা তাৰ তলৰ) শিশু শ্ৰমিকৰ হকে কাম কৰাৰ অঙ্গীকাৰ কৰিছিল এতিয়াও তেওঁ শক্তিশালী ঔদ্যোগিক ঘৰৰ (Industrial house) পৰা তীব্ৰ বাধাৰ সন্মুখীন হৈছে। প্ৰধানমন্ত্ৰীগৰাকীক বুজোৱা হৈছে যে পাকিস্তানৰ পৰা ৰপ্তানি হোৱা প্ৰধান পণ্য হৈছে কাৰ্পেট আৰু সেই উদ্যোগৰ পৰা যদি কম মজুৰিত খটুৱা শিশু শ্ৰমিকক আতৰাই দিয়া হয় ই পশ্চিমীয়া বজাৰৰ তিষ্ঠিব নোৱাৰিব আৰু পাকিস্তান বিস্তৰ ক্ষতিৰ সন্মুখীন হ'ব।

পাকিস্তানৰ দৰে ভাৰতবৰ্ষৰ চৰকাৰেও একে নীতিকে অৱলম্বন কৰা দেখা গৈছে। যোৱা জুন মাহৰ ১ তাৰিখে SACCS (South Asia Coalition on Child Servitude)ৰ সভাপতি

কৈলাশ সত্যাৰ্থিক হাৰিয়ানাৰ পুলিছে গ্ৰেপ্তাৰ কৰিছে। Sheena Exports নামক পানিপটৰ ব্যৱসায় প্ৰতিষ্ঠানটোৰ মালিক ৰাম প্ৰকাশ চুগ ৰ অভিযোগ মতে অভিযুক্ত সত্যাথআমীয়ে জাৰ্মেনীৰ Stern TVৰ সহযোগত এটা News documentary প্ৰকাশ কৰিছিল যাৰ বাবে ইউৰোপৰ কাৰ্পেট ব্যৱসায়ৰ এটা প্ৰধান প্ৰতিষ্ঠান IKEA, (a Sweden- based group) এ ইয়াৰ লগত থকা ১০ কোটি টকাৰ (over 5 million Deutsche marks) চুক্তি ভঙ্গ কৰিছিল । যদিও চুগে কৈছে যে documentaryটোত দেখুৱা শিশু শ্ৰমিক বোৰ তেওঁৰ কাৰখানাৰ নহয়, প্ৰতিষ্ঠান টোৱে পোৱা orderৰ আৰ্হিত এজন শিশু শ্ৰমিকে কাৰ্পেট গুঠি থকাটো কেমেৰাত স্পষ্ট ভাবে ধৰা পৰিছে। SACCSৰ সভাপতি গৰাকীৰ মতে কাৰ্পেট মাফিয়া সকল anti child labour movementৰ বিৰুদ্ধে একগোট হৈ পৰিছে আৰু পুলিচ তথা চৰকাৰেও তেওঁলোকৰ লগত হাত মিলাইছে। ইয়াৰ বাবে শ্ৰীসত্যাৰ্থী মাফিয়াসকলৰ ৰোষত পৰিছে। তেওঁক কোৱা হৈছে হয় তেওঁ অভিযোগ উঠাই লওঁক নহয় ভয়ঙ্কৰ বিপদৰ সন্মুখীন হ'বলৈ সাজু হওঁক।

ভাৰতবৰ্ষত শিশু শ্ৰমিকৰ সমস্যাটো নতুন নহয়। স্বাধীন ভাৰতত শিশুসকলৰ এনে এখন পৃথিৱী আছে যি ঘনঘোৰ আন্ধাৰে আবৰা য'ত লুকাই আছে শিশুৰ উৎপীড়ন তথা শোষণৰ নিদাৰুণ কাহিনী। দৰিদ্ৰতা ৰেপেচৰ কৱলৰ পৰা উদ্ধাৰ পাবলৈ হয় শিশুটোৱে মৃত্যুক আকোৱালি লয়, নহয় তাৰ ফুল কুমলীয়া হাতেৰে নিজৰ তথা ঘৰখনৰ ভৰণ পোষণৰ কামত লাগি যায়। ভাৰতত প্ৰতি বছৰে ২ কোটি ৫৫ লাখ শিশুৰ জন্ম হয়, ইয়াৰ ভিতৰত ২৫ লাখতকৈও অধিক শিশুৱে প্ৰথম বছৰতে মৃত্যুক আকোৱালি লয়। শুনিলে আচৰিত হ'ব লাগে যে ভাৰতবৰ্ষৰ অৰ্ধেক শিশুৱেই স্কুললৈ নাযায়। স্কুলত প্ৰৱেশ কৰা শতকৰা ৬৩ ভাগ ল'ৰা-ছোৱালীয়ে প্ৰাথমিক স্তৰতে শিক্ষা জীৱনৰ সামৰণি মাৰে । শতকৰা ৭৮ ভাগ শিশুৱে মধ্যম শ্ৰেণী নাপায়গৈ। শতকৰা ৪৯.২ ভাগ শিশুৱেহে পঞ্চমমানত প্ৰৱেশ কৰে এঘাৰৰ পৰা চৈধ্য বছৰৰ ভিতৰৰ শিশুৰ মাত্ৰ এক চতুৰ্থাংশইহে অষ্টমমানৰ দেওনা পাৰ হয়। কঠোৰ শিশু শ্ৰমিক আইনৰ অবিহনে আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন নকৰাৰ ফলত আজি ভাৰতৰ ৬ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰৰ প্ৰায় ৮২.২ মিলিয়ন শিশুৱেই স্কুলীয়া শিক্ষা লাভ কৰা নাই। অলপতে ILO (International Labour Organisation)ৰ এটা ঘোষণাত কোৱা হৈছে ভাৰতবৰ্ষৰ এটা ডাঙৰ সমস্যা হৈছে যে শিশু শ্ৰমে শিশুক স্কুলৰ পৰা আতৰাই লৈ গৈ নিৰক্ষৰৰ সংখ্যা বৃদ্ধি কৰিছে।

প্ৰকৃতিয়ে এটা শিশুক আন এটাৰ পৰা পৃথককৈ চিনাক্তকৰন নকৰে। এইটো ধ্ৰুৱ সত্য যে এটা শিশুৱে তাৰ মাক-দেউতাকৰ তাৰ ইচ্ছামতে বাছনি কৰিব নোৱাৰে। সি জন্ম লোৱা ঘৰখনৰ অৱস্থা আৰু আজিৰ সমাজে ভাগ কৰি দিয়া অধিকাৰৰ সীমাবদ্ধতাই শিশু শ্ৰমিক, অৱহেলিত শিশু, পৰিত্যক্ত শিশু, শিশু ভিক্ষাৰী আদি শব্দবোৰৰ জন্ম দিছে। চহৰৰ ৰাস্তাত দেখা উল্লেখিত ল'ৰাছোৱালীবোৰ বৃহৎ ৫কোটিৰো অধিক শিশু শ্ৰমিকৰ এটি সৰু অংশ মাত্ৰ। 'সোণালী শৈশৱ' বুলি কৈ গৌৰৱ কৰা উচ্চ, মধ্যবিত্ত শ্ৰেণীৰ শিশুৰ পৰিৱৰ্তে ইহঁতৰ শৈশৱ বুলি কোনো বস্তুৱেই নাই। পোহৰ নথকা বন্ধ কোঠাত বহি অস্বাস্থ্যকৰ ঔদ্যোগিক পৰিৱেশত, অতিশয় কম মজুৰিত ধলপুৱাৰে পৰা শেষ ৰাতিলৈকে ইহঁতে কাম কৰে। কোনো পুষ্টিকৰ খাদ্য শিশু শ্ৰমিকে নাপায়। অৱশ হৈ পৰা তাৰ হাতখন তাৰ ইচ্ছাৰ বিৰুদ্ধে চলাবলৈ শিশুটোৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলোৱা হয়। ইয়াৰ বাহিৰেও এনে শিশু সঘনে উদ্যোগৰ লগত জড়িত বয়স্কলোকৰ যৌনবিকৃতিৰ চিকাৰ হয়। চুৰাট আৰু গুজৰাটৰ অন্যান্য ঠাইত হীৰা বা ৰাজস্থানত বিভিন্ন ঠাইত মূল্যবান পাথৰ চাফা কৰা কামত, অন্ধ্ৰপ্ৰদেশৰ মাৰ্কাপুৰৰ চিলঠ বনোৱা কাৰখানাত, তামিলনাডুৰ শিৱকাশীৰ জুইশলা উদ্যোগত উত্তৰ প্ৰদেশৰ মখুৰ্জাৰ কুমাৰৰ কাৰখানাত, ফিৰোজাবাদৰ কাঁচ উদ্যোগ সমূহত, উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ, ভাদই আৰু কাশ্মীৰ উপত্যকাৰ কাৰ্পেট উদ্যোগত আলিগড়ৰ তলাশিল্পত, তামিলনাডু আৰু ঝান্সীৰ ফট্‌কা উদ্যোগত আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ বিড়ি উদ্যোগ সমূহত শিশু শ্ৰমিকৰ সহায়তেই উৎপাদন চলাই থকা হৈছে। সচৰাচৰ দেখি থকা ধাবাবিলাকত কাম কৰাৰ পৰা আৰম্ভ কৰি ডাঙৰ ডাঙৰ হোটেল বিলাকত কাম কৰা 'বয়' নামধাৰী এই শিশু শ্ৰমিকবোৰৰ ভৱিষ্যত বুলি একোৱেই নাই। ঘৰত বন কৰা ল'ৰাটো বা ছোৱালী জনীয়ে লোকৰ চাকৰ খাটোতেই জীৱনৰ মূল্যবান বয়সবোৰ পাৰ হৈ যায় । তদুপৰি এৰেহা খিনি খাব দিয়া, গৃহস্থৰ ল'ৰাটোৱে বা ছোৱালী জনীয়ে পিন্ধিব নোৱাৰা ফটা চিতা কাপোৰখিনি পিন্ধিব দিয়া, অস্বাস্থ্যকৰ পৰিবেশত দুৰ্গন্ধময় ৰুম এটাত জন্তুৰ দৰে ইহঁতক গড়ালত সোমাৱাই ৰখা সচৰাচৰ দেখা যায়। বিতৃষ্ণাৰে ভৰা সি বা তাইৰ কোমলমনৰ বিৰূপ প্ৰতিক্ৰিয়াবোৰৰ খবৰ কেইজনে ৰাখে ? ইয়াৰোপৰি বনকৰা শ্ৰেণীৰ শিশু শ্ৰমিক ছোৱালীবোৰৰ অধিকাংশই মালিক বা তেওঁৰ ঘৰৰ আন পুৰুষৰ সহজ চিকাৰ হৈ পৰে।

এই ল'ৰা ছোৱালীবোৰ অতি কম বয়সতে শ্বাসযন্ত্ৰ বা নলীৰ বেমাৰ, যক্ষ্মা, মগজুৰ বিকৃতি বা ভয়ানক চৰ্মৰোগত ভোগে। ইহঁত কেতিয়াবা শোকাবহ ঔদ্যোগিক দুৰ্ঘটনাৰো বলি হয়। যোৱা বছৰৰ অক্টোবৰ মাহৰ ঝান্সিৰ ফটকা উদ্যোগ এটাত হোৱা বিস্ফোৰণত মৃত্যু হোৱা ৭০ জন শ্ৰমিকৰ ৩০ জনেই

আছিল শিশু শ্ৰমিক।

দৰিদ্ৰতা যদিও এই দুৰৱস্থাৰ এটা প্ৰধান কাৰণ, তথাপি ই একমাত্ৰ বা মুল কাৰণ নহয়। প্ৰকৃততে প্ৰচলিত সমাজ ব্যৱস্থা আৰু চৰকাৰকে ধৰি বুদ্ধিজীৱী সকলৰ উদাসীনতাই নিঃসন্দেহে এই ব্যৱস্থাটোক চলাই ৰখাত সহায় কৰিছে। নিম্নবৰ্গৰ শিশু ভাল স্কুললৈ যাব নোৱাৰে। কিতাপ-বহী তেওঁলোকে যোগাৰ কৰিব নোৱাৰে। অশিক্ষিত পিতৃ-মাতৃৰ বিদ্যাৰ প্ৰতি থকা অনাদৰে আৰু বহুক্ষেত্ৰত স্কুলৰ শিক্ষকে শিশুটোৰ সমস্যাবোৰ বিবেচনা নকৰি কঠোৰ ভাবে পাঠদান কৰিব যাওঁতে সি শ্ৰেণী বিমুখ হয়। হয় সি মাক-বাপেকৰ কথামতে কামত লাগে নহয় চহৰলৈ পলাই গৈ কেতিয়াবা অপৰাধ জগতত‌ো সোমাই পৰে। ইয়াৰোপৰি সাধাৰণতে দেখা যায় যে মাক-দেউতাকে বিয়া বা অন্য সামাজিক কামৰ বাবে লোৱা ঋণ পৰিশোধ কৰিবলৈ পেটৰ পোৱালিক উদ্যোগপতিৰ হাতত গিৰমিটিয়া কৰি ৰাখে। দৰিদ্ৰতা আৰু এনে কেৰোনে ধৰা সমাজ-ব্যৱস্থাৰ সম্পূৰ্ণ সযোগ অসাধু উদ্যোগপতিয়ে সদায় গ্ৰহণ কৰে। শিশু শ্ৰমিক অতি কম মজুৰিতে পোৱা যায়। ইহঁতক সকলো প্ৰকাৰে শোষণ কৰা সম্ভৱ। দৰিদ্ৰ পিতৃ-মাতৃয়ে অস্থায়ীভাবে হলেও আৰ্থিক সহায় পাই থাকে কাৰণে নিজৰ ল'ৰা-ছোৱালীক গেবাৰী খাটিবলৈ উদ্‌গণিহে দিয়ে। এইবোৰ কাৰণতে শিশু শ্ৰমিকৰ সমস্যাটোৱে আজি ভয়াবহ ৰূপ ধাৰণ কৰিছে। ১৯৮১ চনৰ তথ্য অনুসৰি ভাৰতত শিশু শ্ৰমিকৰ সংখ্যা আছিল ২৩.৫৯ মিলিয়ন। গাওঁ অঞ্চলত আছিল ৬.৩% আৰু চহৰৰ দাতি কাষৰীয়া অঞ্চলত আছিল .৫%। ১৯৭১ চনৰ লোকপিয়ল মতে ভাৰতবৰ্ষৰ অন্যান্য মজদুৰৰ ৫৯ শতাংশই ১৪ বছৰৰ তলৰ শিশু মজদুৰ। বৰ্তমানৰ পৰিসংখ্যা ইয়াতকৈ বহুগুনে বেছি। পৰিকল্পনা আয়োগৰ এক অনুমান অনুসৰি পাঁচবছৰৰ পৰা পোন্ধৰ বছৰ বয়সৰ মজদুৰৰ সংখ্যা অহা তিনি বছৰত এক কৌটি ৭৫ লাখৰ পৰা বাঢ়ি এক কৌটি ৮১ লাখ হোৱাৰ সম্ভাৱনা আছে। এইবোৰ চৰকাৰী তথ্য। বেচৰকাৰী তথ্যমতে বৰ্তমান ভাৰতত থকা শিশু মজদুৰৰ সংখ্যা ৮২.২ মিলিয়নৰো অধিক।

শিশু শ্ৰমিকৰ অধিকাৰ ৰক্ষা কৰিবলৈকে আমাৰ দেশত এতিয়ালৈ এক ডজনতকৈ অধিক আইন প্ৰণয়ন আৰু বলৱৎ কৰা হৈছে। ১৯৩০ চনৰ সৰ্বপ্ৰথম শিশু নিয়োজন অধিনিয়ম, ১৯৪৮ চনত কাৰখানা আইন কৰি ১৭ বছৰতকৈ কম বয়সৰ শিশুক কাৰখানাত কাম কৰোৱাত বাধা আৰোপ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰথম মহত্বপূৰ্ণ পদক্ষেপ আছিল ১৯৮৬ চনৰ শিশু শ্ৰমিক প্ৰতিবন্ধক আৰু নিয়ন্ত্ৰণ আইন। এই আইনে ১৪ বছৰৰ তলৰ শিশুক ভয়ানক উদ্যোগ আৰু খনিত কাম কৰা বাৰণ কৰে। ইয়াৰ বাহিৰেও শিশু শ্ৰমিক মকৰল কৰিবলৈ অনুমতি দিয়া উদ্যোগসমূহত সিহঁতৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা এই আইনে সুনিশ্চিত কৰিবলৈ গাত লয়। তদুপৰি এই আইন উলংঘা কৰোতা সকলক তিনি মাহ শাস্তি তথা দুহেজাৰ টকা জৰিমণা কৰাৰ বিধান আছিল।

১৯৮৭ চনত শিশু শ্ৰমিকৰ ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰা হয়। এই নীতিয়ে তিনিটা উপায়েৰে শিশু শ্ৰমিকৰ বৃহৎ সমস্যাটো সমাধানৰ চেষ্টা কৰিছে -

i) আইন সংশোধনৰ জৰিয়তে শিশু শ্ৰমিক আইন অমান্য কাৰীক কঠোৰ দণ্ড দিয়া হ'ব।

ii) শিশুৰ উন্নয়নমূলক আঁচনিৰ এই নীতি অধিক অৰ্থপূৰ্ণ কৰা হ'ব,

iii) উদ্যোগৰ পৰা উলিয়াই অনা শিশুক পুনৰ সংস্থাপিত কৰিবলৈ শিশুশিক্ষা, স্বাস্থ্য আৰু কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।

সংবিধানৰ ২৩ আৰু ৩৯ নং অনুচ্ছেদত শিশুৰ শ্ৰম বাধা দিয়া সম্বন্ধে লিপিবদ্ধ আছে। নীতি নিৰ্দেশত উল্লেখ আছে যে চৰকাৰে শিশুৰ শোষণৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিব আৰু শিশুৱে যাতে বিপদপূৰ্ণ কাম নকৰে তাক বাধা দিয়াৰ চেষ্টা কৰিব।

আইন প্ৰণয়নৰ উপৰিও চৰকাৰে শিশু সকলৰ দৈহিক তথা মানসিক বিকাশৰ কাৰণে প্ৰচুৰ অৰ্থও ব্যয় কৰিছে। ১৯৮৬-৮৭ চনৰ বাজেটত পৰিয়াল কল্যাণ আঁচনিৰ বাবে ৫৩৪ কৌটি টকা ধৰা হৈছে। ১৯৯৩-৯৪ চনৰ বাজেটত এই শিতানত ১২৮০ কৌটি টকা ধাৰ্য কৰা হৈছিল। ইয়াৰ বাহিৰেও জাৰ্মান চৰকাৰৰ আৰ্থিক সাহাৰ্যলৈ যোৱা বছৰৰ জানুৱাৰী মাহত আৰম্ভ কৰা হৈছে International programme for elimination of child labour. ইয়াৰ বাবে জাৰ্মানি চৰকাৰে পাঁচ কৌটি ড্ৰাকমাৰ অনুদান আগবঢ়াইছে। আন্তৰ্জাতিক শ্ৰম সংস্থাও শিশু শ্ৰম নিমূৰ্লকৰণৰ বাবে ইচ্ছুক। এই অনুষ্ঠানৰ জৰিয়তে প্ৰস্তুত কৰা আন এখন আঁচনি Child Labour Action And Support Project - (CLASP)ৰ কাৰণে জাৰ্মান চৰকাৰে ১.৩৮ লাখ ড্ৰাকমাৰ আন এটা অনুদানো আগবঢ়াইছে।

কিন্তু ভাৰতবৰ্ষৰ দৰে দেশএখনত আইন প্ৰণয়ন আৰু প্ৰচুৰ অৰ্থ ব্যয় কৰিও যে একো সমস্যা সমাধান কৰিব নোৱাৰি, সেইটো সকলোৰে বাবে জ্ঞাত। ৰুগ্ন নিশৰতীয়া, ধাৰা নঙঠা ল'ৰা ছোৱালীবোৰে ৰাস্তাৰ কাষৰ জাবৰৰ দমত পুনৰ বেচিব পৰা সামগ্ৰী বিচৰা, জোতা ৰং কৰা, তেল বা বাছত ফেৰীৱালাৰ কাম কৰা, হোটেলত বাচন ধোৱা আদিয়ে ওপৰত উল্লেখ কৰা সকেলাবোৰ আঁচনিৰে ব্যৰ্থ ৰূপটোকে স্পষ্ট ভাবে দাঙি ধৰে। খুব বেছি এটা সহানুভূতিৰ চাৱনিৰ বাহিৰে আমাৰ সৰ্বসাধাৰণ

জনসাধাৰণে এই সকলৰ বাবে একোৱেই কৰিব নোৱাৰে। শিশু মজদুৰ আমাৰ সামাজিক তথা আৰ্থিক জীৱনৰ অভিশাপ বুলি জানিও আমি চকু মুদি আছো, আমি আমাৰ অমানৱীয়তা, উদাসীনতাৰ পৰিচয় দিছো। ইয়াৰ বিপৰীতে ভাৰতীয় শিশুৰ এই দুভাগ্যজনক অৱস্থাৰ প্ৰকৃত স্বৰূপটো উদঙাই দেখুৱাই তাৰ সমাধানৰ পথ দেখুৱাইছে মাৰ্কিন অধ্যাপক মাইৰণ ৱেইনাৰে। এই অধ্যাপক জনে চল্লিছ বছৰে এনে দুৰ্ভগীয়া শিশুৰ মাজতে কটাই একাণ পতীয়াভাবে তেওঁলোক সমস্যাবোৰ অধ্যয়ন কৰি ১৯৯১ চনত প্ৰকাশ কৰে "The Child labour and the state of India : Child labour education policy in comperative".

কেৱল মাত্ৰ গ্ৰন্থ প্ৰকাশ কৰিয়েই এই অধ্যাপক জন শান্ত থকা নাই। ১৯৯২ চনৰ অক্টোৱৰ মাহত অধ্যাপক গৰাকীয়ে তামিলনাড়ু চৰকাৰৰ লগত যোগাযোগ কৰে। ৱেইনাৰে এই সমস্যাটো দূৰীকৰণৰ বাবে প্ৰথম পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী কুমাৰী জয়ললিতাক তামিলনাডুৰ ৰামানাথাপুৰম জিলাখন হাতত লবলৈ উপদেশ দিছে। তেওঁৰ মতে চাৰিটা ব্যৱস্থাৰে এই আঁচনিৰ সম্পূৰ্ণ সফলতা আশা কৰিব পাৰি।

i) প্ৰথমতে শিক্ষা বিভাগে খোজ কাঢ়ি পাব পৰা দূৰত্বৰ ব্যাসাৰ্দ্ধত এখন প্ৰাথমিক স্কুলৰ ব্যৱস্থা কৰিব লাগিব,

ii) শিক্ষক, পঢ়া কোঠালি অন্যান্য আহিলা-পাতি, খেলপথাৰ আদিৰে স্কুল সমূহ আকৰ্ষণীয় কৰি তোলাতো নিতান্ত প্ৰয়োজনীয় হ'ব,

iii) চৰকাৰে কিমান বয়সলৈকে শিক্ষা বাধ্যতা মূলক হ'ব সেইটো স্থিৰ কৰিব লাগিব। তেওঁৰ মতে চাৰিবছৰ একেৰাহে দিয়া শিক্ষাই জীৱনৰ বাবে নিৰক্ষৰতা দূৰ কৰে। সেয়েহে ছবছৰৰ বাবে শিক্ষা বাধ্যতা মূলক হোৱা উচিত।

iv) আইনৰ সহায়ত শিক্ষা বাধ্যতামূলক কৰি ইয়াক সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰী (Governmental) আৰু অনাচৰকাৰী (Non Governmental Organisation or NGO) দুয়ো ধৰণৰ অনুষ্ঠানে এই কামত সহায় কৰা উচিত।

তামিলনাড়ু চৰকাৰে অধ্যাপক জনৰ পৰামৰ্শ সমূহৰ প্ৰতি আশানুৰূপ সঁহাৰি জনাইছে। ৰাজ্য চৰকাৰে প্ৰাথমিক শিক্ষাবাধ্যতামূলক কৰিবলৈ এখন আইন প্ৰণয়ন কৰাৰ সিদ্ধান্ত ইতিমধ্যে ঘোষণা কৰিছে। এই আইনে দুবছৰৰ পৰা এঘাৰ বছৰৰ শিশুক বিনামূলীয়া প্ৰাথমিক শিক্ষা প্ৰদান কৰিব আৰু পিতৃ-মাতৃক ল'ৰা ছোৱালী স্কুললৈ পঠাবলৈ বাধ্য কৰিব, লগতে ছাত্ৰ-ছাত্ৰীক কিতাপ আৰু স্কুলীয়া সাজ পোছাক বিনামূলীয়াকৈ যোগান ধৰা হ'ব।

শিশু শ্ৰম এনে এটা অভিশাপ যাৰ ফলত বৃজন পৰিমানৰ শিশু আৱদ্ধ হৈ আছে সভ্য সমাজৰ অন্ধকাৰ গহ্বৰত। শিশু শ্ৰমে শিশু শ্ৰমিকসকলৰ সোনালী শৈশৱ কাঢ়ি লৈ তেওঁলোকক দৰিদ্ৰতা অৰ্ধহাৰাত জীৱন কটাবলৈ বাধ্য কৰি মানসিক উৎকৰ্ষ সাধনৰ সকলো পথ বন্ধ কৰি সমাজখনক খুটি খুটি খাবলৈ ধৰিছে। যিমানে শিশু শ্ৰমিকৰ সংখ্যা বাঢ়িব সিমানে দেশৰ প্ৰগতিত অপ্ৰতিৰোধ্য বাধা আহি পৰিব। কেৱল ইমানতে শান্ত নাথাকি শিশু শ্ৰমে সমাজৰ আৰু ২ টা প্ৰধান ক্ষতি কৰিবলৈ আগবাঢ়ি আহিছে -

১) যদিও দুখীয়া সকলে লাভৰ কাৰণে কম বয়সীয়া, কোমলীমতীয়া সন্তানক উদ্যোগত কাম কৰিবলৈ লগাইছে, প্ৰকৃতপক্ষেই প্ৰাপ্ত বয়স্ক শ্ৰমিকক উদ্যোগৰ পৰা আতৰাই আনিছে। কাৰণ উদ্যোগপতি সকলে শিশু শ্ৰমিক সকলক কম মজুৰিতে খটুৱাবলৈ পাই যোগ্য প্ৰাপ্তবয়স্ক শ্ৰমিকক আতঁৰাই পঠাই তেওঁলোকক অধিকাৰৰ পৰা বঞ্চিত কৰিছে তথা বহু লোকে নিবনুৱা হৈ পৰিছে।

২) শিশু শ্ৰমে পৰিয়াল পৰিকল্পণাৰ সকলোবোৰ আঁচনি ধ্বংস কৰি পেলাইছে কাৰণ যিমানে সন্তান বেচি হ'ব ঘৰখনৰ আয় সিমানে বাঢ়িব।

বন্ধ শিশু শ্ৰমিক (Bonded child labour) আৰু শিশু শ্ৰমিক (Child Labour) ৰ সমস্যাবোৰ বৰ্তমান ইমান জটিল হৈ পৰিছে যে অনতিপলমে শিশু শ্ৰম সম্পূৰ্ণ নিৰ্মূল কৰিব নোৱাৰিলে ভাৰতবৰ্ষৰ অৰ্থনীতিৰ গঢ়াখহনীয়া হোৱাটো নিতান্ত সত্য। কিয়নো পশ্চিমীয়া দেশ সমূহে হেঁচা দিছে যে তেওঁলোকে শিশু শ্ৰমিকৰ দ্বাৰা উৎপাদিত সকলো ভাৰতীয় বস্তুৰ আমদানি শীঘ্ৰেই বন্ধ কৰি দিব। ইতিমধ্যে পশ্চিমীয়া মাধ্যম সমূহ ভাৰতৰ শিশু শ্ৰমৰ বিৰুদ্ধে সোচ্চাৰ হৈ উঠিছে। অলপতে BBC. Television ত এটা অনুষ্ঠান পৰিবেশন কৰা হৈছিল। সেই অনুষ্ঠানটোত তামিলনাড়ুৰ তিৰুপুৰৰ (Tirupur) বস্ত্ৰ উদ্যোগত কাম কৰা শিশু শ্ৰমিক সকলৰ দুৰৱস্থা অতি কৰুণ ভাৱে দেখুওৱা হৈছিল। উল্লেখযোগ্য যে এই বস্ত্ৰ নগৰী খনৰ পৰাই ভাৰতবৰ্ষৰ সৰহভাগ কপাহী চাৰ্ট (Cotton T-shirt) বিদেশলৈ ৰপ্তানী কৰা হয়। সেইদৰে ভাৰতৰ কাৰ্পেট উদ্যোগ ভীষন বিপদৰ সন্মুখীন হ'ব লগাত পৰিছে। জাৰ্মেনীৰ Stern T.V.এ পৰিবেশন কৰা অনুষ্ঠানত কাৰ্পেট উদ্যোগত শিশু শ্ৰমিকসকলক কামত খটুৱাটো স্পষ্ট ভাৱে দেখুওৱা হৈছে। কোম্পানীটোৱে (Sheena Ex-ports) জাৰ্মেনীৰ পৰা পোৱা অৰ্ডাৰৰ এটা আৰ্হি অনুসৰি শিশু শ্ৰমিকে কাৰ্পেট গুঠি থাকোতে Stern T.V.ৰ কেমেৰাই এটা ফুটাইদি ধৰা পেলায় আৰু যোৱা ফ্ৰেব্ৰুৱাৰী মাহত জাৰ্মেনীত এটা ২০ মিনিটৰ অনুষ্ঠানত ইয়াক দেখুওৱা হয়। ইয়াৰ লগে লগে

ভাৰতীয় কোম্পানীটোৰে প্ৰায় ১০ কোটি টকাৰ আধিক (Over 5 milion Deutsche Marks) Contract টো হেৰুৱায়। ইতিমধ্যে জাৰ্মেনী আৰু আমেৰিকাই ঘোষণা কৰিছে যে শিশু শ্ৰমিকৰ দ্বাৰা উৎপাদিত নোহোৱা বুলি প্ৰমাণিত হ'লেহে ভাৰতীয় কাৰ্পেট তেওঁলোকে ক্ৰয় কৰিব। পশ্চিমৰ এই হেঁচা অব্যাহত থাকিলে যে ভাৰতবৰ্ষৰ অৰ্থনীতি দুৰ্বল হৈ পৰিব সি ধ্ৰুৱপ। এয়ে কাৰণত অনতিপলমে শিশু শ্ৰমিকৰ সমস্যাটো নিৰ্মূল কৰাটো ভাৰতবৰ্ষৰ কাৰণে অতিশয় জৰুৰী হৈ পৰিছে।

পশ্চিমীয়া দেশসমূহ ভাৰতবৰ্ষৰ দৰে প্ৰগতিশীল দেশসমূহৰ পৰা শিশু শ্ৰমিক নিৰ্মূল কৰণৰ ক্ষেত্ৰত কিমান আগ্ৰহী, সেই বিষয়টো অৱশ্যে সন্দেহৰ উৰ্দ্ধত নহয়। বহুতেই ইয়াৰ মাজত তেওঁলোকৰ নিজা স্বাৰ্থ জড়িত হৈ আছে বুলি ক'ব বিচাৰে। Cotton T-shint, Carpet আদিৰ ব্যৱসায়ত দেশবোৰৰ দ্বাৰা উৎপাদিত বস্তুৰ মূল্য ভাৰতীয় বস্তুতকৈ বেছি হয়, আৰু সেয়ে ভাৰতৰ লগত ফেৰ মাৰিব পৰা নাই। কিয়নো সেই ভাৰত আজিও একাধিপত্য চলাই গৈছে, কিন্তু পশ্চিমীয়া দেশসমূহে অত্যাধুনিক যন্ত্ৰপাতি ব্যৱহাৰ কৰিও এই ব্যৱসায়ত গ্ৰাহক ইয়াৰ প্ৰতি আকৰ্ষিত নহয়। ইয়াৰ বিপৰীতে ভাৰত, পাকিস্তান আদি উন্নয়নশীল দেশে শিশু শ্ৰমিকক কম মজুৰিত খটুৱাই কম মূল্যাতে T-shint, Carpet আদি সামগ্ৰী বজাৰত উলিয়াই দিব পাৰিছে। পশ্চিমৰ এই হেঁচাই ভাৰতৰ দৰে দেশক এই বজাৰৰ পৰা চিৰদিনৰ বাবেই বহিস্কাৰ কৰিব পাৰে। ইয়াৰ ফল ভাৰতৰ দৰে দুখীয়া দেশৰ বাবে কিমান দুখঃদায়ক হ'ব সি পাঠকৰ বাবে সহজেই অনুমেয়।

শিশু শ্ৰমিকৰ সমস্যাটো চিৰদিনৰ বাবে নিৰ্মূল কৰিবলৈ চৰকাৰৰ উপৰিও আৰু বহুতো বেচৰকাৰী অনুষ্ঠান (Non governmetal organisation) আগবাঢ়ি আহিছে। এই বিষয়টো বৰ্তমান ভাৰতৰ বাবে ইমান প্ৰাসঙ্গিক হৈ পৰিছে যে প্ৰতিজন সচেতন নাগৰিকে শিশু শ্ৰমৰ বিৰুদ্ধে জেহাদ ঘোষনা কৰিছে। যোৱা মে মাহৰ ১২ তাৰিখে অন্ধ্ৰপ্ৰদেশৰ প্ৰায় ৫০ খন গাৱঁৰ প্ৰায় ১,২০০ বন্ধক শিশু শ্ৰমিকক (Bonded Child Labour)ক M.V.. Foundation নামৰ এটা বেচৰকাৰী অনুষ্ঠানৰ কৰ্মকৰ্তাই উদ্ধাৰ কৰে। এই শিশু শ্ৰমিকবোৰক সিহঁতৰ অভিভাৱকক পইচা দি বছৰটোৰ এটা নিৰ্দিষ্ট সময়ৰ কাৰণে ফুলৰ বাগিছাৰ পৰা ফুল ছিঙা কামত ব্যৱহাৰ কৰা হৈছিল। তদুপৰি বহুতো কণ কণ শিশু ছাগলীৰ জাক ৰখা, বিস্কুট পেক কৰা আদি কামতো নিয়োজিত আছিল।

শিশু শ্ৰমিকক কেৱল কামৰ পৰা মুক্ত কৰিলেই যে এই সমস্যাটোৰ সমাধান নহয় সেই কথা সকলোৱে জ্ঞাত। কিন্তু হাজাৰ জন মুক্ত শিশু শ্ৰমিকক পৰিকল্পিতভাৱে শিক্ষা দি এটা সুন্দৰ জীৱন যাপন কৰিবলৈ আগবঢ়াই লৈ যোৱাটোও ইমান সহজ কথা নহয়। শিশু শ্ৰমিক সকলৰ শিবিৰ এটা সুচাৰুপে, পৰিকল্পিত ভাবে পৰিচালনা কৰিবলৈ প্ৰয়োজন হয় প্ৰচুৰ অৰ্থ তথা আশাশুধীয়া প্ৰচেষ্টাৰ। এনে এটা মহৎ কাম যথেষ্ট কষ্টৰ সন্মুখীন হৈও চলাই গৈছে হাইদৰাবাদৰ বেচৰকাৰী অনুষ্ঠান M.V. Foundationৰ কৰ্মকৰ্তাসকলে। ১৯৯৫ চনৰ মে মাহৰ ১২ তাৰিখে মখিলাকে (Mokhila) ধৰি ৫০ খন গাৱঁৰ পৰ M.V. Foundationৰ Volunter, R. Jagnnathan ৰ নেতৃত্বত উদ্ধাৰ কৰা ১২০০ শিশু শ্ৰমিকক সংগঠনটোৱে প্ৰতিষ্ঠা কৰা ৪০ টাতকৈও অধিক শিবিৰত ৰখা হৈছে। অন্ধ্ৰপ্ৰদেশৰ ২ খন জিলাত প্ৰতিষ্ঠা কৰা এই শিবিৰবোৰ পৰিচালনা কৰিবলৈ সংগঠনটোৰ ৪৫০ জন কৰ্মকৰ্তা আছে। এই শিবিৰবোৰত শিশু সকলৰ দৈহিক বিকাশৰ বাবে উপযুক্ত পুষ্টিকৃৰ আহাৰৰ যোগান ধৰা হয়। মানসিক উৎকৰ্ষ সাধনৰ বাবে সংগঠনটোৱে নিজাকৈ স্কুল পৰিচালনা কৰে। লগতে খেলা-ধূলাৰ মাজেৰে বিভিন্ন কাৰিকৰী শিক্ষা কৌশলগত ভাৱে শিশুসকলক শিকায় সংগঠনটোৰ অক্লান্ত কৰ্মীসকলে। সকলোতকৈ উৎসাহ জনক বিষয় হৈছে এনে দুঃসাহসিক কাম কৰিবলৈ আগবাঢ়ি আহিছে M. V. Foundationৰ Project director Shanta Sinha ; এগৰাকী মহিলা। অন্ধ্ৰপ্ৰদেশৰ প্ৰায় ১৭.৫ লাখ বন্ধক শিশু শ্ৰমিকক মুক্ত তথা উপযুক্ত শিক্ষাৰে আগবঢ়াই নিয়াৰ তেখেতৰ এই পদক্ষেপ সঁচাই অতিকে প্ৰশংসনীয়।

শিশু সকলেই দেশৰ ভবিষ্যতৰ আশা আৰু বিশ্বাসৰ আধাৰ। গতিকে দেশৰ ভবিষ্যত, এই শিশুসকলৰ ভবিষ্যতৰ কথা প্ৰতিজন নাগৰিকে চিন্তা কৰিব লাগিব। শিশু শ্ৰমিক দেশৰ পৰা নিৰ্মূল কৰি প্ৰতিজন শিশুকে দেশৰ সুনাগৰিক হিচাবে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে প্ৰতিজন নাগৰিকৰ পৰা প্ৰয়োজন হ'ব আশাশুধীয়া প্ৰচেষ্টাৰ, বিকাশ তথা পৰিণত কৰাৰ অদমণীয় উৎসাহৰ। দেশৰ আৰ্থিক বিকাশ তথা সামাজিক প্ৰগতিৰ স্বাৰ্থত আমি প্ৰতিজন নাগৰিকৰ পৰা শিশু শ্ৰম নিৰ্মূল কৰাৰ উদগ্ৰ আহ্বান বিচাৰো। ❑

---

দিনে আঠ ঘন্টাকৈ কঠোৰ পৰিশ্ৰম কৰি এদিন তুমি নিশ্চয় সকলোৰে ওপৰত 'বছ' হ'ব পাৰিবা। কিন্তু এবাৰ 'বছ' হোৱাৰ পিছত তুমি দিনে বাৰ ঘন্টাকৈ কাম কৰিব লাগিব।

-ৰবাৰ্ট ফ্ৰষ্ট




❑ ৰূপজ্যোতি হাজৰিকা
পঞ্চম ষান্মাসিক

**অৰুণোদয়াদিত্য**

বাতৰিকাকতখনত বোমা বিস্ফোৰণৰ বাতৰিটো দেখি চক্ খাই উঠিলোঁ। জগৰকেইটাইও তাকে আলোচনা কৰি আছে। বিভিন্নজনৰ বিভিন্ন মত। মনত বহুতো ঢৌৱে হেন্দোলনি তুলি গ'ল। সকৰে পৰা একে পৰিবেশত থকা সত্ত্বেও মানুহৰ মানসিকতা বেলেগ বেলেগ হয়, কিয় ? আজি ক'ত সেই উদয় ? ক'ত সেই আদিত্য ?? অৰুণ-উদয়-আদিত্য একেখন গাঁৱৰে ল'ৰা। সৰুৰে পৰা একেলগে পঢ়িছিল। সকলো কামতে সিহঁতৰ সমান সমান অংশ তিনিওটাক যদি একেলগে এটা মানুহ বুলি ধৰা যায় তেন্তে কোনোবাটো তাৰ হৃদয়, কোনোবাটো মগজু, কোনোবাটো শৰীৰ। কেতিয়াবা তাৰ ওলোটা চৰিত্ৰৰ। 'পাৰ্মুটেচন-কম্বিনেশ্বন' কৰিলে কিমানটা বিভিন্নৰূপ ! কি অদ্ভুত মিল !

**মই বা অৰুণ**

"অমিতাভ জ্ঞান জ্বলে, তোমাৰ শৰীৰ জ্বলে
মমৰ শিখা জ্বলে,
মৌমাখিৰ প্ৰেমৰ ক্লীৱতা জ্বলে --------------।"

নৱকান্ত বৰুৱাৰ এটা আচৰিত কবিতা। "বোধিদ্ৰুমৰ খৰি"। যিজোপা বৃক্ষৰ তলত বহি বুদ্ধদেৱে বোধ লাভ কৰিছিল সেইজোপা বৃক্ষই হ'ল বোধিদ্ৰুম। জ্ঞান আমাক কিহৰ বাবে লাগে ? যিমানেই জ্ঞানী হয় সিমানেই বৃদ্ধি হয় মানুহৰ অহংকাৰ। মানুহ যিমানেই সভ্য হ'ল, যিমানেই বিজ্ঞানৰ ক্ৰমোন্নতি হ'ল, সিমানেই মানুহ হৈ পৰিল অশান্ত। ইজনে সিজনক অনায়াসে আঘাত কৰিব পৰা হ'ল। মানৱীয় প্ৰমূল্যবোধ উপেক্ষিত হৈয়ে ৰ'ল। সেই আদিম মানুহতকৈয়ো ভয়ংকৰ হৈ পৰিল মানুহৰ সত্ত্বা ! এই মানুহৰ জঘন্যতম সত্ত্বা !!

ইমান জ্ঞান লৈ কি কৰিম ? কৰিছোৱেই বা কি ? 'হায়াৰ ছেকেণ্ডাৰী' পাচ কৰাৰ পিছত ইয়ালৈ গুছি আহিলোঁ। এইখন মহানগৰলৈ। মহানগৰ- মানুহে সহজতে পাব পৰা মৰুভূমি। এইখন গুৱাহাটী মহানগৰ। 'বি ক্লাচ চিটি'। এতিয়া ইঞ্জিনিয়াৰিঙৰ তৃতীয় বৰ্ষ পালোহি আৰু অলপ দিনৰ পিছত পাচ কৰি ওলাই যাম। হয়তো দেউতাৰ জমা টকাৰে এটা চাকৰি পাম। হুঁ ! কিন্তু ক'ত মোৰ জ্ঞান ? মোৰ মূল্যবোধ ? চব টকাৰ কোবত ধূলিসাৎ। টকাক কেন্দ্ৰ কৰি ঘূৰিছে ভূ-মণ্ডল; আমাৰ জ্ঞান, মূল্যবোধ, প্ৰেম সকলো। মেথিউ আৰ্ণল্ডে কৈছিল- 'ধন আৰ্জন জীৱনৰ মুখ্য উদ্দেশ্য নহয়। মানুহৰ জীৱনত বুদ্ধি আৰু জ্ঞানৰ প্ৰসাৰ, সৌন্দৰ্যৰ প্ৰতি স্পৃহা, সামাজিক চেতনা আৰু এখন আনন্দপূৰ্ণ মধুৰ সমাজ গঠন, এই সকলো অন্তৰৰ সত্য উপলব্ধি কৰি সন্তুষ্টি লাভ কৰাই জীৱনৰ মুখ্য উদ্দেশ্য।' চাকৰি পোৱাৰ পিছত মোৰ জীৱনৰ উদ্দেশ্য কি হ'ব বাৰু ?

**উদয়**

"বিফল যৌৱনা কোনো গাভৰুৱে নাভাবেনে
কোন সেই কবি
ছন্দৰ তুলিৰে আঁকে অশ্ৰুক্লান্ত জীৱনৰ
সোণোৱালী ছবি ?" - দেৱকান্ত বৰুৱা।

সিদিনা উদয়ক লগ পালো। বহুদিনৰ মূৰত তাক লগ পাইছোঁ। চেহেৰা সলনি হৈ গৈছে। দুই এডাল চুলিও পকিছে। মূৰত এবোজা চিন্তা কঢ়িয়াই ফুৰা যেন লাগিল তাক। গণেশগুৰিৰ বজাৰৰ পৰা 'মেইন' ৰাস্তালৈ বুলি খোজ কাঢ়ি কাঢ়ি বহু কথাই পাতিলো। হঠাৎ সি ৰৈ গ'ল।

"আৰে, ৰ'লি কিয় ?"

"ন'ৰম ? দেখা নাই উজুতি খাই তেজ ওলাইছে ! আচৰিত ইমান তেজ জানো মোৰ আছে ? মোৰ তেজবোৰ ইমান ৰঙা

কেনেকৈ হ'ল ?" "হেৰৌ, তোৰ মোৰ তেজ ৰঙা নহয়, মন্ত্ৰী-MLAৰ হ'ব নেকি ? সিহঁতৰ তেজ নীলা বুজিছ ? দেখা নাই সিহঁতে গোটেই পৃথিৱীখনকে নীলা দেখে।"

অলপদূৰ যোৱাৰ পিছত সি আকৌ বৈ গ'ল। মই তাৰ ওচৰলৈ চালো। সি কাষৰ ৰেচনৰ দোকানখনলৈ চাই আছে।

"মই বাৰু পাগল হ'লো নেকি ?"

"কিয় ? কি হ'ল ??" মই সুধিলোঁ।

"ৰেচনৰ দোকানৰ চাউল নিবলৈ আহিছোঁ বন্ধৰ দিনা ? আজি বোলে কিবা 'ষ্ট্ৰাইক', চব বন্ধ।" আকৌ খোজ ললোঁ। সি ক'লে- "ষ্ট্ৰাইক কৰি এই পেটৰ ভোকটো বন্ধ কৰিব নোৱাৰিনে ? পেটৰ চিন্তা নাথাকিলে কলপাত পিন্ধিও লাজ ঢাকিব পাৰি দে চোন।"

"এইটো কুৰি শতিকা। যিমানেই কম কাপোৰ পিন্ধিবি সিমানেই ভদ্ৰ সমাজত স্থান পাবি।"

"একেবাৰে নিপিন্ধিলে কি হ'ব বাৰু ?"

"কি হ'ব আৰু ? তোক-মোক পাগল বুলি ফাটেকলৈ নিব আৰু মন্ত্ৰী, MLAৰ জীয়েক পুতেকহঁতে তেনে কৰিলে ভদ্ৰ সমাজে অনুকৰণ কৰিব।" "কিবা উপায়েৰে জেলত সোমাব নোৱাৰিনে ? অন্ততঃ পেটৰ চিন্তাটো কমিব।"

"মাৰে ইমান কষ্ট কৰি পঢ়ালে হাকিম মুন্সিফ হ'বি বুলি। এতিয়া আকৌ তই জেলত সোমোৱাৰ কথা চিন্তা কৰিছ ?"

উদয়ৰ শৈশৱতে দেউতাক ঢুকাল। দেউতাকৰ সা-সম্পত্তি কিছু আছিল। মাকে মাটি-বাৰী বিক্ৰী কৰি পঢ়ালে। "হায়াৰ ছেকেণ্ডাৰী"টো পাচ কৰিলে। তাৰ পিছত আৰু নোৱাৰিলে। চাকৰি বিচাৰি চকীদাৰৰ চাকৰি এটাও নাপালে। ধনীৰ দুলাল আৰু চকীদাৰৰ চাকৰি ? হুঁ ! এতিয়া গণেশগুৰিত আদা-নহৰুৰ দোকান দিছে। কোনোৰকমে যাতে ঘৰখন চলে ? ভায়েক-ভনীয়েক কেইটাৰ মুখলৈতো চাবই নোৱাৰি।

মানুহৰ কিয় এনে হয় ? ভগৱান ইমান নিষ্ঠুৰ নে ? ক'ৰবাত পঢ়িছিলোঁ - লিছবনত এটা ধৰ্মীয় উৎসৱৰ দিনত বোলে প্ৰাৰ্থনাৰ বাবে সমবেত হৈছিল শ শ মানুহ ; হঠাতে অহা ভূমিকম্পই বোলে গীৰ্জাৰ ভিতৰতে প্ৰাণ ললে শ-শ আবাল বৃদ্ধ বনিতাৰ; মাকৰ কোলাতে মাংসপিণ্ডত পৰিণত হ'ল একো একোটি শিশু। ভগবান সঁচাকৈয়ে দয়াময় নে ?

## আদিত্য

"Youth is the wonderful luxurious spring.
The time of activity and bubbling strength"

--ভিচাৰিয়ান বিলেনস্কি

নিজৰা পাৰ-চাপৰাৰী পথ। অকলে খোজ দিছোঁ। ভাবিছো-ক'ত বিলেনস্কিৰ youth ? ক'ত আজিৰ যুৱশক্তি ? উপযুক্ত তদাৰকতাৰ অভাৱে-পাশ্চাত্য সংস্কৃতিৰ অন্ধ-অনুকৰণে আজি আমাৰ জাতীয় কলা-কৃষ্টিক টেটু চেপি ধৰিছে। বিভিন্ন বিজ্ঞাপন, VIDEO, VCR আদিৰে অৰ্দ্ধনগ্ন, অৰ্দ্ধাবৃত নাৰী নানা 'ফাইট'ৰ সমাহাৰে আজি যুৱসমাজক- যি পথলৈ লৈ গৈছে তাতে সৃষ্টি হৈছে কিছুমান অসামাজিক কাৰ্যৰ। ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ বাবেও কিবা এটা কৰাৰ পৰা বিৰত হোৱা অনেক যুৱক-যুৱতীয়ে অবাবত সময় নষ্ট কৰি মানসিক স্থিৰতা হেৰুৱাইছে। তাতে জন্ম হৈছে- যুৱশক্তিৰ ডাঙৰ ব্যাধিটোৰ। অপসংস্কৃতিৰ পয়োভৰে আমাৰ মোহনীয় জাতীয় জীৱনক কলুষিত কৰিছে। চাৰিওফালে উত্তেজনাময়, বিশৃঙ্খল পৰিবেশ- সমাজৰ বাবে এটা প্ৰত্যাহ্বান।

"অৰুণ।" - কাৰোবাৰ মাতত উচপ্ খাই উঠিলোঁ। দাড়িৰে ভোবোকাৰ মুখৰ এটা ল'ৰা। চকুত টোপনি খতিৰ স্পষ্ট চিন। মোৰ চিনিবলৈ বেছি পৰ নালাগিল। আদিত্য। সেই আদিত্য-মোৰ, উদয়ৰ আদিত্য।

দেউতাকে দিন হাজিৰা কৰি পঢ়ুৱাইছিল। 'হায়াৰ ছেকেণ্ডাৰী' পাছ কৰাৰ পাছতে দেউতাক ঢুকাল। আদিত্যৰ হাকিম হোৱাৰ স্বপ্ন কেনিবা হেৰাল। তাৰ ঘৰখন সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হ'ল। মাকৰ অকাল বিয়োগ ঘটিল। ভনীয়েককো কোনোবা দুৰ্বৃত্তই ধৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰিলে। আৰু সি ? সমাজৰ উচ্চ পদস্থ মুখা পিন্ধা কিছুমানৰ অমানৱতাৰ বলি হ'ল সি যি মুখা পিন্ধা ব্যক্তিয়ে দিনত সমাজৰ, দেশৰ উন্নতিৰ, একতাৰ বাবে মৌসনা ভাষণ দিয়ে আৰু ৰাতি হ'লে সাম্প্ৰদায়িক সংঘৰ্ষৰ অগ্ৰণী হৈ পৰে, তাৰ ভনীয়েকৰ নিচিনা নিষ্পাপ কিশোৰীক ধৰ্ষণ কৰি সমাজত বিভীষিকাৰ সৃষ্টি কৰে। ক্ষোভ আৰু বেদনাৰে জৰ্জৰিত মন এটা লৈ সি গাঁও এৰি গুচি গ'ল; এতিয়া সি কোনোবা সন্ত্ৰাসবাদী সংগঠনৰ সদস্য। কথাবতৰাৰ পৰা গম পালোঁ সি গণেশগুৰিলৈ আহিছে- কিবা সংগঠনৰ কামত। কামটো হেনো এতিয়াও secret হৈ আছে, কালিলৈ open হৈ যাব। তাৰ কথাবোৰ মোৰ কিবা ৰহস্যময় যেন লাগিল। চাহ খাবলৈ বুলি দুয়ো ওচৰৰে এখন ধাবাত সোমালোঁ। চাহ কাপত চুমুক দি দি সি বহু কথাই ক'লে- তাৰ সংগঠনৰ কথা, জাতীয়তাবাদৰ কথা, স্বাধীন অসমৰ কথা--।

"আদিত্য, 1946 তে বৃটিছে জৱাহৰলালক সুধিছিল" আমি গুচি গ'লে তোমালোক কেনেকৈ চলিবা ? তোমালোকৰ মাজত তয়াময়া ৰণ হ'ব ----।" এতিয়া মই তোক সুধিছো- অসমক ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন কৰি আনিলে সাম্ৰাজ্যবাদী শক্তিৰ হাতোৰাৰ পৰা আমাৰ স্বাধীনতা ৰক্ষা কৰা সম্ভৱ হ'বনে ?"

"অসমীয়াক কি লাগে ? কিহৰ বাবে আমাৰ সেনানীয়ে যুঁজিছে, মৰিছে ? আমাক লাগে বাচি থকাৰ এটা উপায়; নিজৰ মাটি জলবায়ুৰ ওপৰত সাৰ্বভৌমত্ব ।" মোৰ প্ৰশ্নৰ উত্তৰত সি বেলেগ কথাহে ক'বলৈ ধৰিলে "যিখন দেশত বিদেশী নাগৰিকে ভোট দান কৰিব পাৰে; সেই দেশৰ সংবিধানৰ কিবা মূল্য আছে বুলি তই ভাব নেকি ? এজন প্ৰবাসী ভাৰতলৈ আহিবলৈ 'ভিছা' লাগে কিন্তু লাখ লাখ বিদেশী নিৰ্বিবাদে অসমলৈ আহিব পাৰে । এয়াই তোৰ দেশৰ সংবিধানৰ ৰক্ষণাবেক্ষণ ? আমাৰ তেলৰ কথাকে চা- এখন অংগ ৰাজ্যক এনেকৈ নগ্ন আৰু নিৰ্লজভাৱে শোষণ কৰাৰ নজিৰ আৰু ক'ৰবাত আছে ?"

"কিন্তু তোৰ যি দাবী তাৰ কথা কৈছো - ৰাজনৈতিক সাৰ্বভৌমত্ব মানি ল'লেও অৰ্থনৈতিক ভাবে 'স্বাধীন অসম' সাম্ৰাজ্যবাদৰ বহতীয়া হৈ নপৰিবনে ? ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ ঔপনিবেশিক চৰিত্ৰৰ পৰা মুক্তি পাবলৈ কৰা 'স্বাধীন অসম'ৰ দাবী কাৰ্যকৰী হ'লে অসমত সাম্ৰাজ্যবাদৰ পোহাৰ নেমেলিবনে ?"

সি নীৰৱে ৰ'ল । মই তাৰ মুখলৈ চালোঁ । সি চকু কেইটা ডাঙৰকৈ মেলি দিছে । চকুৰ মণিৰ ভিতৰত ধাবাৰ পিছফালৰ সক খিড়িকিখন; তাৰ ফাঁকেৰে দূৰত ডুবিব ধৰা বেলিটো । জাপিৰ মাজতো তাৰ মুখখন ৰঙা হৈ উঠা যেন লাগিল । তাৰ চকুৰ মণিৰ ভিতৰত জ্বলি থকা বেলিটো যেন ৰঙা- যেন মদাৰ ফুলৰ ৰঙকো চেৰ পেলাব ।

**উপসংহাৰ**

বাতিপুৱা বাতৰি কাকতখনৰ 'হেড্‌লাইন' । গণেশগুৰিৰ বজাৰত বোমা বিস্ফোৰণ- কেইবাজনো নিহত । মই নবালৰিকৈ মৃত ব্যক্তিৰ তালিকাখনলৈ চকু দিলোঁ । প্ৰথমতেই আছে -উদয় তালুকদাৰ (২১), হাজো । মই আৰু চাব নোৱাৰিলোঁ । এখন বিভংস ছবি মোৰ চকুৰ আগত ভাঁহি উঠিল । মোৰ আৰু বুজিবলৈ বাকী নাথাকিল - পৰহি আদিতাই 'এতিয়ালৈকে secret হৈ আছে,, কালিলৈ open হ'ব বুলি' কি কামৰ কথা কৈছিল । ছিঃ । সিহঁতে উদয়হঁতৰ দৰে আদা-নহকৰ বেপাৰী কেইটাৰ হত্যা কৰি দেশ উদ্ধাৰিব খুজিছে ? মোৰ মূৰটো আচন্দ্ৰাই কৰা যেন লাগিল । আৰে, উদয়ৰ মাক-ভায়েকহঁতে হাত মেলি মোৰ ফালে আহিছে; ইহঁতে মোক টেটুত চেপি মাৰিবচোন এতিয়া ! মই পলাইছো, দৌৰিব ধৰিছো । মই ঘামিছো; আঃ ইমান গৰম !

● ● ●

নৱেম্বৰ, ১৯৬৩ চন । ত্ৰিশ হাজাৰ মানুহৰ উপযোগী মস্কোৰ চাইকোভস্কী হলত লাখ লাখ মানুহৰ সমাগম, এখন কবিতা আবৃত্তিৰ সমাবেশ অনুষ্ঠিত হৈছে । ডেকা কবি আন্দ্ৰেই ভজনেচেনস্কীয়ে তেওঁৰ "খহিপৰা তৰা" শীৰ্ষক কবিতাত পপীয়া তৰাক "শান্তিদূত"- "Messenger of peace" বুলি অভিহিত কৰি কবিতাৰ বক্তব্যৰে ক'ব ধৰিছে- 'অলেখ তৰালিৰে - া তৰা বছা সুবিমল আকাশখনৰ পৰা মই আহিছোঁ । আমি আকাশৰ পৰা পৃথিৱীত কোনটো মানুহ, কোনটো অমানুহ চাই ছোঁ । কিন্তু দূৰ্ভাগ্যবশতঃ আমাৰ চকুত খুব কম সংখ্যক মানুহে ধৰা পৰিছে । বাকীবোৰ মানুহৰূপী দৈত্য । পাপ, হিংসা, কূৰ্চ্চুট, কপট, বিদ্বেষ আদি পিশাচৰ গুণবোৰেৰে সিহঁত বিভূষিত । পৃথিৱীয়ে তীব্ৰভাৱে উন্নতি কৰিছে বুলি মানুহে গৰ্ব কৰে । কিন্তু ক'তা, পৃথিৱীৰ দিনে দিনে নৈতিক অৱনতি হোৱাহে আমি দেখিবলৈ পাইছোঁ আৰু সেইকাৰণেই মই আকাশৰপৰা সাৱধানবাণী লৈ নামি আহিছোঁ । ইমানতে তোমালোকে হিংসা-হিংসি আৰু যুদ্ধং দেহিভাববোৰ পৰিত্যাগ কৰি পৰস্পৰে ভাই-ভাই ভাব লোৱা, নহ'লে আমাৰ খং উঠিব লাগিলে আকাশৰ পৰা বজ্ৰপাতেৰে তোমালোকক সমূলি শেষ কৰি পেলাম ।" তেওঁৰ কবিতাটি শুনি লীনা নামৰ এগৰাকী গাভৰুৱে সুধিলে- "পুৰণি গতানুগতিক কবিতাৰ পৰা আঁতৰি গৈ নতুন বস্তুৰ সন্ধান দিবলৈ তুমিও এটা খহি পৰা তৰা নেকি ? ডেকা কবি আন্দ্ৰেই হাঁহি মাৰি তপৰাই উত্তৰ দিলে- "তোমালোকৰ গেলেৰীত বহি ইমানবিলাক তৰাই তিৰবিৰাই আছা, কিন্তু তাৰ ভিতৰতে তুমিয়েই কেৱল নতুন কথাৰ সন্ধানত তাৰ পৰা খহি পৰি প্ৰশ্ন সুধিলা, এতেকে তুমিও খহি পৰা তৰা নহয় জানো ?"

—— ৰামধেনুৰ পৰা

● ● ●

নেহেৰু পাৰ্কৰ গোলাপ কেইজোপাৰ মাজৰ বেঞ্চখনত ৰাজীৱে এঘণ্টা-দুঘণ্টাকৈ তিনিঘণ্টা চন্দনাৰ অপেক্ষাত পাৰ কৰিলে। নাই, চন্দনাৰ দেখা দেখিয়েই নাই। চন্দনাক কথা দিয়া মতে সি ঠিক দুই বজাত পাৰ্কলৈ আহিছিল। চকীদাৰজন পাৰ্কত তেতিয়া অকলে আছিল। বতাহত হালিজালি থকা ৰঙা-বগা গোলাপৰ ফুলবোৰে হাঁহি-হাঁহি তাক যেন স্বাগত জনাইছিল। তালপাতবোৰক লৰিবলৈ এৰি দি দেৱদাৰু গছবোৰে সশব্দে হাঁহিছিল।




◆ প্ৰতাপ হাজৰিকা
অষ্টম ষাণ্মাসিক

পাৰ্কখন এতিয়া বিভিন্নজনেৰে ভৰি পৰিছে। অথনি নীৰৱ হৈ থকা নেহেৰু পাৰ্কখন এতিয়া ল'ৰা-ছোৱালী বোৰৰ হাঁহিৰ শব্দত মুখৰ হৈ পৰিছে। সি মন কৰিলে, তাৰ সন্মুখৰ বেঞ্চখনত বহা যুৱক-যুৱতীহালে গাতে গা লগাই বহি নিজৰ কথাত মচগুল হৈ খিলখিলাই হাঁহিছে। চন্দনা যদি এতিয়া তাৰ কাষত থাকিলহেঁতেন! ক'ব নোৱাৰাকৈয়ে এটা দীঘল হুমুনিয়াহ ৰাজীৱৰ বুকুৰ ভিতৰৰ পৰা ওলাই আহিল। তাৰ মানে চন্দনা এতিয়া ঘৰখনৰ মানুহবোৰৰ লগত মিলিবলৈ আৰম্ভ কৰিছে। তাইৰ ঘৰখনৰ মানুহবোৰে বিচৰাৰ দৰে তাই তেন্তে তাক এৰি অন্য কাৰোবালৈ যোৱাত মত দিছে। তেনে হলেও আচৰিত হ'বলৈ একো নাই। তাৰদৰে এটা সাধাৰণ চাকৰিয়াললৈ .......। ফিৰ ফিৰকৈ বলা চেঁচা বতাহ জাকৰ দৰে ভাৱবোৰে ৰাজীৱৰ দেহত বিন্ধি গ'ল।

সি ঘড়ীলৈ চালে। পাঁচ বাজি পোন্ধৰ মিনিট। তাৰমানে সি চন্দনালৈ পূৰা তিনিঘণ্টা পোন্ধৰ মিনিট বাট চালে। কেৰাচিন তেল ঢলা খৰিত ডমৰুকৈ জুই জ্বলাৰ দৰে হঠাতে ৰাজীৱৰ খং উঠি আহিল। আৰু সি বহি থকা বেঞ্চখনৰ পৰা উঠি গজং গজংকৈ পাৰ্কৰ পৰা ওলাই আহিল। নাই, সি আৰু চন্দনাৰ বাবে ৰৈ নাথাকে। অপেক্ষাৰো এটা সীমা আছে। চন্দনাক হয়তো সি মিছাতে বেছি ওপৰলৈ তুলিছে। মিছাতে হিয়াৰ মনিকূটত ঠাই দিছে। চকু দুটা ঢুলঢুলীয়া কৰি তাই কালি তাক যেনেদৰেহে কৈছিল,- "মই আহিম ৰাজীৱদা। ঠিক দুইবজাত। কোনেও বাধা দি মোক ৰাখিব নোৱাৰে।" কথাবোৰ ভাবি ভাবি ৰাজীৱে খৰকৈ ৰঙাগড়া পথেদি খোজ আগবঢ়ালে। ঘৰলৈ এতিয়াই যাবলৈ তাৰ মন নাই। চন্দনাৰ অনুপস্থিতিয়ে তাৰ মনৰ ঘৰ-দুৱাৰ ইতিমধ্যে ভাঙি পেলাইছে। সি নিবেদিতাহঁতৰ ঘৰলৈ খোজ আগবঢ়ালে। কিজানি নিবেদিতাই তাৰ ভাঙি চিঙি যোৱা ঘৰ-দুৱাৰ পুনৰ নিৰ্মাণৰ ভাৰ লয়। এতিয়া যদি চন্দনাক সি বাটত লগ পায়, তেন্তে তাইৰ গালত এটা চৰ সোধাই ক'ব- এঘণ্টা নহয়, দুঘণ্টা নহয় তিনিঘণ্টা পোন্ধৰ মিনিট অপেক্ষা কৰোৱালি! ৰাজীৱে ভোব ভোবালে।

গান্ধীপাৰ্কৰ ওচৰত ৰাজীৱ থমকি ৰ'ল। কেইছেকেণ্ডমানৰ বাবে তাৰ হৃৎপিণ্ডটোও স্তব্ধ হ'ল! আলিবাটৰ পৰাই সি ঠিক দেখিলে আমজোপাৰ তলৰ বেঞ্চখনৰ এচুকত চন্দনা বহি আছে। ঘনে ঘনে ৰুমালেৰে গাল মচিছে। হয়তো চকুপানী! ৰাজীৱৰ তেতিয়াহে মনত পৰিল সি চন্দনাক গান্ধীপাৰ্কত লগ পোৱাৰহে কথা কৈছিল। আজি আগবেলা টিভিটোত নেহেৰুৰ কথা শুনি শুনি সি গান্ধীৰ নাম পাহৰিয়েই গৈছিল।

OOO

# নাট্যাভিনয়ত ট্ৰেজেডি বিচাৰ

◆ দেৱকুমাৰ মহন্ত
সপ্তম ষাণ্মাসিক

সুৰাৰ দেৱতা ডায়'নিচাচ, যাৰ আন এটা নাম বেক্কাচ। চিমিলিৰ পুত্ৰ ডায়'নিচাচেই হ'ল ট্ৰেজেডি প্ৰধান উৎস। থীব্‌চৰ প্ৰতিষ্ঠাতা কদমুচৰ কন্যা চিমিলি। এওঁৰে প্ৰেমত পৰিল দেৱতা প্ৰধান জিউচ। এই কথা জিউচৰ পত্নী জুনোই গম পাই স্বাভাৱিকতে চিমিলিৰ প্ৰতি ঈৰ্ষান্বিত হ'ল আৰু সেই ঈৰ্ষাৰ জুইত জাহ গ'ল চিমিলি। জিউচে চিমিলিক হেৰুৱালে হয় কিন্তু চিমিলিৰ গৰ্ভজাত সন্তানক, তেওঁৰ ঔৰসজাত পুত্ৰক জুনোৰ ঈৰ্ষাগ্নিৰ পৰা ৰক্ষা কৰিলে। আগতীয়াকৈ জন্মহোৱা এই সন্তানক জিউচে নিজৰ কৰগুণ ফালি তাৰ ভিতৰত সুমুৱাই থ'লে। জিউচৰ এই সন্তানেই হ'ল ডায়'নিচাচ। জীৱনৰ প্ৰাৰম্ভিক সময়খিনি এন্ধাৰত কটোৱা ডায়'নিচাচৰ জীৱন সদায় আনন্দ মুখৰ নাছিল। জীৱনত তেওঁ বহুতো অলিে আহুকাল বাধা বিপৰ্য্যয়ৰ সন্মুখীন হ'ব লগা হৈছিল। ডায়'নিচাচৰ জন্ম মৃত্যুৰ কথা সুৱৰি তেওঁৰ ভক্তসকলে যি প্ৰশস্তি আৰু বিলাপগীত গাইছিল তাৰ পৰাই উৎপত্তি হয় ট্ৰেজেডিৰ। ট্ৰেজিডিৰ উৎস বিচাৰি গ'লে আন কিছুমান কাহিনী আৰু ভাৱধাৰাৰ সৈতে আমাৰ পৰিচয় ঘটে কিন্তু এই ক্ষুদ্ৰ লিখনিত তাক প্ৰতিফলিত কৰা সম্ভৱপৰ নহয়।

নাটবোৰত সাধাৰণতে দুই ধৰণৰ পৰিণতি দেখা যায় এবিধ মিলনান্তক বা কমেডি আনবিধ বিয়োগান্তক বা ট্ৰেজেডি। আমাৰ বহুতৰে ধাৰণা যে, দুখবিপৰ্য্যয়ৰ কাহিনী এটাক নাটকীয় ৰূপ দিলেই ট্ৰেজেডি হৈ উঠে, আচলতে ই তেনে নহয়। ইয়াৰ ভিত্তি অইনহে। ই ভয় আৰু সহানুভূ... উদ্ৰেক কৰা দেখা যায়। ইয়াৰ উদ্দেশ্য বিস্ময় ভাব জগোৱা। ট্ৰেজেডিত যি ৰসৰ সৃষ্টি হয় সি ভয় আৰু শোচনা জগাই তোলে। প্ৰকৃততে ট্ৰেজেডি কোনো মানুহৰ অনুকৰণ নহয়, ঘটনাৰহে। একো সময়তে ভালেমান চিত্ৰই প্ৰাধান্য লাভ কৰা কমেডিৰ বিপৰীতে ট্ৰেজেডিক একক চৰিত্ৰৰ নাটক বুলি ক'ব পৰা যায়। কিয়নো ট্ৰেজেডিত এটা বা দুটা চৰিত্ৰই প্ৰাধান্য লাভ কৰা দেখা যায়। ট্ৰেজেডিত আকৰ্ষণৰ কেন্দ্ৰ হ'ল নায়ক বা নায়িকা। ট্ৰেজেডিৰ নায়ক বা নায়িকাৰ গাত এক বিশেষ ধৰণৰ অসাধাৰণত্ব পৰিলক্ষিত হয় আৰু এই কেন্দ্ৰীয় চৰিত্ৰৰ অসাধাৰণত্বই নাটকীয় সুবিধা প্ৰদান কৰে। ট্ৰেজেডিৰ সংজ্ঞা নিৰূপণ কৰিবলৈ গৈ এৰিষ্টটলে লিখিছে যে- ট্ৰেজেডি হ'ল জীৱনৰ গহীন গুৰুত্বপূৰ্ণ আৰু যথেষ্ট পৰিমানে ব্যাপক, স্বয়ংসম্পূৰ্ণ কাৰ্যাৰ অনুকৰণ। এৰিষ্টটলে ট্ৰেজেডিক ছটা ভাগত ভাগ কৰিছে। ভাগ কেইটা হ'ল- কাহিনী, চৰিত্ৰ, চিন্তাধাৰা, ভাষা, সংগীতআৰু দৃশ্যসজ্জা। কাহিনীতেই ট্ৰেজেডিৰ উৎস নিহিত থাকে আৰু সেইবাবেই কাহিনীয়ে ট্ৰেজেডিৰ প্ৰাণ। মঞ্চসজ্জা কৌশলে যি দৰে দৰ্শকৰ আবেগক তৰংগায়িত কৰিবলৈ সমৰ্থ হয় সেইদৰে সুৰ, চন্দ, লয় আদি সাংগীতিক সুষমাই ট্ৰেজেডিৰ আকৰ্ষণীয় গুণ বৃদ্ধি কৰে। ভাষা হ'ব লাগে বিষয়বস্তুৰ গুৰুত্ব আৰু গাম্ভীৰ্যৰ সতে খাপ খোৱা। আকৌ ডঃ সাধন কুমাৰ ভট্টাচাৰ্য্যই ট্ৰেজেডিৰ শ্ৰেণী বিভাগত বৈজ্ঞানিক শৃঙ্খলাবোধৰ পৰিচয় দিবলৈ গৈ বিশেষ বিষয়ৰ ভিত্তিত ট্ৰেজেডিৰ শ্ৰেণী বিভাগ কৰিছে।

১। ভাৱ প্ৰাধান্যৰ ভিত্তিত -
- বিস্ময় প্ৰধান বা হাই ট্ৰেজেডি
- ভয় প্ৰধান বা হৰ'ৰ ট্ৰেজেডি
- শোচনা প্ৰধান বা পেথেটিক ট্ৰেজেডি

২। কাহিনী উৎসৰ ভিত্তিত-
- পৌৰাণিক
- ঐতিহাসিক
- সামাজিক
- গাৰ্হস্থ্য

৩। বিষয়বস্তুৰ ভিত্তিত
- 'পেচন' ট্ৰেজেডি
- ''ৰিলিজিয়াচ'' ট্ৰেজেডি
- 'ৰিভেঞ্জ' ট্ৰেজেডি
- 'কন্‌স্‌পিৰেচন' ট্ৰেজেডি

৪। বৃত্ত গঠন বৈশিষ্টৰ ভিত্তিত
- ক্লাচিকেল ট্ৰেজেডি
- ৰোমান্টিক ট্ৰেজেডি

৫। উপস্থাপন ৰীতিৰ বৈশিষ্টৰ ভিত্তিত
- ৰিয়েলাচ্‌টিক ট্ৰেজেডি
- আয়দিয়ালিচটিক ট্ৰেজেডি
- চিম্বলিক ট্ৰেজেডি

৬। উপসংহাৰৰ ভিত্তিত

- বিয়োগাত্মক ট্ৰেজেডি
- মিলনাত্মক ট্ৰেজেডি

ট্ৰেজেডিৰ কাহিনী গ্ৰন্থনক এৰিষ্টটলে দুই শ্ৰেণীত ভাগ কৰিছে। সৰল ট্ৰেজেডিৰ কাহিনী পোনপটীয়াভাৱে পৰিণতিৰ ফালে আগবাঢ়ে আৰু জটিল গ্ৰন্থনত কাহিনীক পৰিণতিৰ ফালে আগবঢ়াই নিয়া হয় শ্লেষ আৰু ঢাক খাই থকা সত্য উদ্ঘাটনৰ যোগেদি। অভিনেতাই ট্ৰেজেডিত মানুহৰ বেদনাভৰা জীৱনৰ অভিজ্ঞতাৰ ৰূপায়ন সাৰ্থক কৰি তুলিবলৈ হ'লে কাৰ্য্যৰ অনুকৰণৰ যোগেদি তাৰ কৰুণ আৰু ভয়ংকৰ পৰিণতি প্ৰতীয়মান কৰিব লগা হয়। যদিও কাৰ্য্যই চৰিত্ৰটো সাঙুৰি লয়, চৰিত্ৰ মুখ্য নহয় গৌণহে হৈ পৰে। ট্ৰেজেডিত কাহিনীৰ পৰিসৰ নিৰ্দ্দিষ্ট হোৱা দেখা যায়। কিয়নো ই বেছি চুটি বা দীঘল হ'লে প্ৰকৃত ৰস সৃষ্টিত ব্যাঘাত জন্মে। এৰিষ্ট'টলৰ মতে কাহিনী গ্ৰন্থন জটিল হোৱাটো বাঞ্ছনীয়, কাৰণ এনে গ্ৰন্থনতহে ভয় আৰু পুতৌ উদ্ৰেক কৰিব পৰা গুণ বেছি থাকে ফলত সংবেদন গভীৰ হয়। ট্ৰেজেডিৰ নায়ক অসৎ হ'ব নোৱাৰে, কাৰণ জানি শুনি, ইচ্ছা কৰি বেয়া নীতি বা গৰ্হিত কাম কৰিলে স্বাভাৱিকতে তেওঁ দৰ্শকৰ সহানুভূতিৰ পৰা বঞ্চিত হয়। আনহাতে মৃত্যু ট্ৰেজেডিৰ বাবে অপৰিহাৰ্য্য নহয়। মৃত্যুতকৈ বেছি তাৎপৰ্য্যপূৰ্ণ হৈছে মৃত্যুক গ্ৰহণ কৰিবলৈ নায়ক কিভাবে আগবাঢ়ি গ'ল সেইটোহে। ট্ৰেজেডিত নায়াক নিষ্ঠাৰে জীৱনৰ এন্ধাৰ ফালটোৰ সন্মুখীন হয় পোহৰৰ সন্ধানত, যাৰ ফলত নায়কে বহুতো বিপৰ্য্যয়ৰ সন্মুখীন হ'ব লগা হয়। এই বিপৰ্য্যয়ে নায়কক সমবেদনাৰ পাত্ৰ কৰি তোলে। এই সমবেদনাৰ ভাৱে আমাক ট্ৰেজেডিৰ নায়কৰ ওচৰ চপাই তেওঁৰ অভিজ্ঞতাৰ অংশীদাৰ কৰে। নায়কক আপোনা যেন লগাৰ পিছত তেওঁৰ দুখত সমভাগী হৈ পৰিণতি সম্বন্ধে শংকিত হৈ উঠাটোৱেই ট্ৰেজেডিয়ে উদ্ৰেক কৰা ভয়ৰ প্ৰকৃত ৰূপ।

প্ৰাৰম্ভিকতে নাট্যকাৰ সকলে ট্ৰেজেডিৰ নায়ক ৰজা বা সম্ভ্ৰান্ত পৰিয়ালৰ হব লাগিব এই মনোভাৱেৰে নাট ৰচনা কৰিছিল, কিন্তু সময়ৰ লগে লগে আমাৰ চিন্তাধাৰাৰ পৰিবৰ্ত্তন হৈছে। এই পৰিবৰ্ত্তিত চিন্তাধাৰাই আমাৰ সংস্কৃতিলৈ বাস্তৱৰ ঢল নমাই আনিছে যাৰ ফলত নাট্যকাৰ সকলে, সাধাৰণ শ্ৰেণীৰ মানুহকো নায়কৰ আসনত বহুৱাবলৈ আগবাঢ়ি আহিছে। ইয়ে নায়কক আৰু অধিক দৰ্শকৰ ওচৰ চপাই আনিছে যাৰ ফলত সাম্প্ৰতিক কালতো নাট্যাভিনয়ত ট্ৰেজেডিয়ে এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে।



# যেতিয়া আবেলি নামে

◆ জ্যোতিস্মিতা ঠেঙাল
স্নাতকোত্তৰ শ্ৰেণী

গো টেই দীঘলীয়া বাটছোৱাৰ দুযোকাষে শাৰী শাৰী কৃষ্ণচূড়া। বাছৰ পৰা খিৰিকিৰে লাহেকৈ মূৰটো উলিয়াই ওপৰলৈ চালোঁ। কৃষ্ণচূড়াৰ ৰঙা ৰঙা ফুলবোৰে যেন আকাশৰ নীলাৰ লগত লুকা-ভাকুহে খেলিছে। দূৰৈত সেউজীয়া পাহাৰটো। দুই এজোপা সোণাৰু গছ ফুলেৰে ওপচি হালধীয়া হৈ পৰিছে। এনেকুৱা এটা মনোৰম পৰিবেশত মনটো পাতল পাতল লাগিল। বাছত অহা প্ৰায়বোৰ মানুহেই টোপনিয়াই আছিছে। অৱশ্যে ইমান দীঘলীয়া ভ্ৰমণটোত প্ৰায়বোৰ মানুহেই ভাগৰুৱা হৈ পৰিছে। মই কিন্তু সিমান ভাগৰ অনুভৱ কৰা নাছিলোঁ। আজি এবছৰৰ মূৰত ঘৰলৈ আহিছোঁ। প্ৰতিটো মুহূৰ্ত্ততে চকুৰ আগত ভাঁহি উঠিছে মা-দেউতা, দাদা-নবৌ আৰু অকণমানি ভতিজাটোৰ মুখখন। বিশেষকৈ মোৰ ভাবি স্বামীজনৰ কথা ভাবি মনৰ কোনোবা এটা চুকত অজান পুলক অনুভৱ কৰিছোঁ।

আজি এসপ্তাহ আগতে মাৰ পৰা চিঠি এখন পাইছিলো। মাযে লিখিছিল, মোৰ কাৰণে হেনো ল'ৰা এজন ওলাইছে-গতিকে পোন্ধৰ দিনমানৰ ছুটী লৈ যেনেতেনে ঘৰলৈ আহিব লাগে। সন্ধিয়া ছটা বজাতহে ঘৰ পামগৈ- এতিয়াও দুঘন্টা বাকী। চকুদুটা মুদি দিলোঁ। মনত পৰিল বহুদিনৰ আগৰ এনেকুৱা এটা আবেলিৰ কথাই। এৰা, ঠিক এনেকুৱা এটা আবেলিয়েতো অনুপম আহিছিল মোক লগ ধৰিবলৈ। সেইদিনা ফুলৰ ভৰত দোঁৰাই থকা ৰাধাচূড়া জোপাৰ তলত অনুপমৰ প্ৰস্তাৱটো শুনি মোৰ হাঁহি উঠি গৈছিল। জানি-শুনিয়েই তাক মিছা কথা কৈছিলোঁ- "অনুপম, মোৰ বিয়া ঠিক হৈ আছে।" তাৰ চলচলীয়া চকু দুটা দেখিও কিয় জানো মোৰ অলপো অনুকম্পা জগা নাছিল। অনুপম মোৰ সহপাঠী আছিল। সেয়ে পঢ়া-শুনাৰ ক্ষেত্ৰত তাৰপৰা কিছু সহায় লৈছিলোঁ। কিন্তু এনেকৈ সি মোক প্ৰস্তাৱ দিব বুলি কেতিয়াও ভবা নাছিলোঁ। মই উচ্চবংশৰ ছোৱালী। মোৰ দেউতাৰ সমাজত এটা উচ্চস্থান আছে। কিন্তু তাৰ কি আছে? সি এটা সাধাৰণ পৰিয়ালৰ ল'ৰা আৰু বিশেষকৈ তাৰ caste মোৰ লগত নিমিলে। গতিকে দেউতাই তাক কেতিয়াও সহজভাবে গ্ৰহণ কৰিব নোৱাৰিব। অৱশ্যে সি ভাষণ intelli-gent মানিব লাগিব। কিন্তু সেই বুলিয়েই মই মা-দেউতাৰ মনত কেতিয়াও দুখ দিব নোৱাৰোঁ। তাৰপিচৰ পৰাই সি মোৰ লগত মাত-বোল কমাই দিছিল। হয়তো সি গম পাইছিল মই তাক মিছা মাতিলোঁ বুলি। কিন্তু ক'তা মোৰতো এতিয়াও বিয়া হোৱা নাই। মা-দেউতাই মোৰ কাৰণে বহুঠাইতে দৰা বিচাৰিছে। হয়তো কিছু ভাগৰিও পৰিছে। হঠাৎ অনুপমৰ চলচলীয়া চকুদটা মনত ভাহি উঠিল। সি বাৰু বিয়া পাতিলেনে নাই........। যাঃ কিবোৰ যে ভাবিছোঁ। নিজৰ ওপৰতে খং উঠি গ'ল। চকু মেলি দেখিলো বাহিৰৰ শাৰী শাৰী দোকানবোৰ লাইটৰ পোহৰত জলমলাই উঠিছে।

দাদা বাছষ্টেণ্ডত বৈ আছিল। ঘৰ পায়েই ভতিজাটোৰ লগত ব্যস্ত হৈ পৰিলোঁ। মা আৰু নবৌ পিছদিনাৰ আলহী সংকাৰৰ বাবে আয়োজনত লাগিছিল। যিয়েই নহওঁক আলহীকতো সন্তুষ্ট কৰিবই লাগিব। ভাত খাই উঠি মা আৰু নবৌৰ লগত বহুত সময় কথা পাতিলো। নবৌয়ে জোকাইছিল, "কাইলৈ কিন্তু ভালকৈ কথা পাতিবা দেই। অন্ততঃ হাঁহিটো ধুনীয়াকৈ .... " কিয় জানো মোৰ লাজ লাগি গৈছিল। কলেজত পঢ়োতে লগৰ ছোৱালীবোৰে প্ৰায়েই কৈছিল মোৰ হেনো হাঁহিটো ধুনীয়া। আনকি অনুপমেও এদিন কৈছিল। বিছনাত পৰি বহুদেৰিলৈকে টোপনি যোৱা নাছিলোঁ। খেলিমেলি ভাববোৰে মনটো আৱৰি ধৰিছিল। চন্দন বৰুৱা - নামটো বাৰে বাৰে মনলৈ আহি আছিল। হঠাৎ মিতালীবালৈ মনত পৰিল। মিতালীবাই ভালপোৱা ল'ৰাজনৰ নামতো চন্দন বৰুৱাই আছিল। University-ত পঢ়ি থাকোতে মিতালীবা মোৰ ৰুমমেট আছিল। প্ৰায় প্ৰত্যেক দিনাই বাইদেউ চন্দনদাৰ লগত ফুৰিবলৈ ওলাই গৈছিল আৰু উভতি আহি চন্দনদাৰ কথা কৈ কৈ মোৰ কান ঘোলা কৰিছিল। কেতিয়াবা কেতিয়াবা কথাবোৰ শুনি ভাল লাগিছিল। কিন্তু প্ৰায়েই মই বিৰক্তি বোধ কৰিছিলোঁ। আচলতে এই প্ৰেম বোলা বস্তুটোৰ ওপৰত মোৰ অলপো আস্থা নাছিল। কেতিয়াবা সেয়ে মিতালীবালৈ পুতৌ অনুভৱ কৰিছিলোঁ। ভাবিছিলোঁ, প্ৰেম ! যদি চন্দনদা বেকাৰ হৈ বহি থাকে দেখিম তোমাৰ প্ৰেমৰ দৌৰ ! মিতালীবাই এদিন চন্দনদাৰ লগত মোক চিনাকীও কৰি দিছিল। ওখ-পাখ অমায়িক কথা-বতৰাৰে চন্দনদাক সিদিনা মোৰ ভালেই লাগিছিল। পাছ কৰি ওলাই যোৱাৰ পিছতো কিছুদিনলৈ বাইদেৱে চিঠি পত্ৰৰে মোৰ লগত যোগাযোগ ৰাখিছিল। প্ৰতোখন চিঠিয়েই চন্দনদাৰ কথাৰে ভৰ্ত্তি আছিল। শেষৰ ফালে বাইদেৱে দুখ কৰিছিল চন্দনদাই হেনো চাকৰি পোৱা নাই। তাৰপিছত বাইদেউৰ লগত মোৰ যোগাযোগ নোহোৱা হৈ গ'ল। হঠাতে ভাব হ'ল, সেই চন্দনদাই এই চন্দন

নহয়তো ! মনটো কঁপি উঠিল। ধেৎ ! কিবোৰ যে ভাবিছোঁ। দুমান বছৰ হৈ গ'ল, মিতালীবা আৰু চন্দনাদাৰ নিশ্চয়ই বিয়া হ'ল। চকুদুটা মুদি জোৰকৈ টোপনি যাবলৈ চেষ্টা কৰিলোঁ।

ৰাতিপুৱা উঠিয়েই মুৰ তিয়াই গা ধুই দিলোঁ। আগদিনাৰ মেলিমেলি ভাববোৰ মনৰ পৰা আঁতৰি গ'ল। বুলবুলক কোলাত লৈ আগফালৰ ফুলনি পালোঁগৈ। কচুমচু, ইন্দ্ৰমালতীবোৰ ফুলি জকমকাই আছে। নবৌৰ এইবোৰত খুব চখ। বিভিন্ন ৰঙৰ গোলাপবোৰৰ গোন্ধত মনটো ভাল লাগি গ'ল। দীঘলীয়াকৈ উশাহ টানি ললোঁ। দুপাহমান ছিঙি ললোঁ- ড্ৰয়িংৰুমত সজাব লাগিব। মৌ-মাখিবোৰে ইপাহ-ফুলৰপৰা সিপাহত পৰি মৌ চুহি ফুৰিছে। বুলবুলক কোলাৰ পৰা নমাই দিলোঁ। পখিলা এটা দেখি সি ধৰিবলৈ দৌৰ দিলে। বুলবুলটো বৰ মৰমলগা হৈছে। কালিৰপৰাই মোক আমনি কৰি আছে, সি বোলে পাইলট হ'ব, তাক এৰোপ্লেন এখন কিনি দিব লাগে। আবেলি ঘৰৰ আগত গাড়ী এখন ৰোৱাৰ শব্দ শুনি সচকিত হৈ উঠিলোঁ। বুকুখন দুৰু দুৰু কঁপি উঠিল। দেউতা আগবাঢ়ি গ'ল দুৱাৰ খুলি। নবৌ ব্যস্ত হৈ উঠিল মোক লৈ। নবৌৰ নিৰ্দেশতেই যোৱাবাৰ পূজাত লোৱা দামী শাৰীখন পিন্ধিলোঁ। অনিচ্ছাসত্বেও কিছু সাজ-সজ্জা কৰিব লগা হ'ল। এটা সময়ত ড্ৰয়িং ৰুমৰ পৰ্দা ঠেলি চাহৰ প্লেটখন লৈ সোমাই গলোঁ। দাদাই চিনাকি কৰি দিলে- এয়া চন্দন বৰুৱা। মুৰ তুলি চালোঁ - হঠাৎ যেন মোৰ ভৰিৰ তলৰ পৃথিৱীখন আঁতৰি গ'ল। কিহবাই যেন ভিঙিত সোপা দি ধৰি মোক বোবা কৰি পেলালে। যন্ত্ৰবৎ নমস্কাৰ দি কাষৰ ছোফাখনত বহি পৰিলোঁ। মা-দেউতা দাদা সকলোৱে আমাৰ দুজনক অকলে থৈ ভিতৰলৈ গ'ল। কিছুসময়ৰ নীৰৱতাৰ পাছত চন্দনদাই কিছু আড়ষ্ট কণ্ঠেৰে ক'ল, "তুমি বুলি জনাহ'লে মই নাহিলোহেঁতেন নীলাক্ষি"। কোনোমতে হাঁহি মাৰি সুধিলোঁ, "মিতালীবাৰ কি হ'ল চন্দনদা ?" "মিতালীয়ে ডাঃ অৰুণাভ দত্তক বিয়া কৰালে।" আৰু পাতিবলৈ একো কথাই বিচাৰি নেপালোঁ। এক নীৰৱতাই ৰুমটো আগুৰি ধৰিলে। এটা সময়ত আলহীয়ে বিদায় ল'লে। দৌৰি গৈ ৰুমত সোমাই দুৱাৰখন মাৰি দিলোঁ। ওলাই অহা চকুপানীখিনি কোনোমতে বাধা দিব নোৱাৰিলোঁ। আঃ এতিয়া যদি অনুপম আহিলেহেঁতেন !

***

এই পৃথিৱীত তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথমজন পুৰণিকলীয়া গ্ৰীছ দেশত আছিল। তেওঁৰ নাম এৰিষ্ট ফেনছ। দ্বিতীয় জন স্পেইনত আছিল। তেওঁৰ নাম ছৰ্ভোন্‌টিছ। তৃতীয়জন জনবুলৰ দেশত আছিল। তেওঁৰ নাম জনাথন চুইফ্‌ট। চতুৰ্থ জনৰ নাম নক'লেও হ'ব। কাৰণ তেওঁ তোমালোকে হাতে ঢুকি পোৱাতে অৰ্থাৎ তেওঁৰ নিবাস জকাইচুকতে।"

-কৃপাবৰ বৰবৰুৱা

আপুনি যদি সমাজৰ পৰা আতঁৰত থাকি অকলশৰীয়া জীৱন যাপন কৰিব খোজে তেন্তে মহানগৰত আশ্ৰয় লওক। আজিৰ দিনত সহজতে পাব পৰা মৰুভূমি হ'ল এই মহানগৰবোৰেই।

-আলবেয়াৰ কেমু

# EMPLOYMENT SCENARIO OF ENGINEERING STUDENTS IN ASSAM

❑ Dr. P.K. Bordoloi
Sri B. Goswami,
NTMIS, Nodal Centre
Assam Engineering College

WITH painfully slow industrial development in the state, the employment prospects of engineering and technology students within the state is grim for a number of disciplines. A few corrective steps, if implemented, may enhance the employability of the outgoing students.

## 1. INTRODUCTION

Engineering education is one of the key elements of human resource development which in turn is one of the supporting pillars of national economy. With the opening up of the Indian economy to global environment, all sorts of responsibilities and challanges are being thrown upon the technical education system of the country, the supplier of technical knowhow and manpower to the nation. What matters most is the quality of the end product of technical education & its optimal utilization in national building.

Since the days of the first technical institute established at Guindy, Madras, during the first decade of this century, technical education in India has come a long way and the volume of growth, to say the least, is spectacular. Today, India boasts of having the third largest technical manpower in the world. However, in quality, accountability and excellence, there is much to be desired and accomplished.

In our country, as elsewhere, the technology and knowhow mostly flows out of the technical institutions in the form of students getting employed in industries and technical organizations after successful completion of a defined curriculum. Other modes of transfer of technology, knowhow and manpower from technical institutions are institute-industry interaction, continuing education, consultancy services etc. The employment opportunities of engineering and technology students and the salaries and perks offered to them by the employing agencies are the prime indicators of the robustness and health of an economy. The present article examines the employment scenerio of engineering and technology students in the state of Assam over the years. The information is based on date routinely collected by the National Technical Manpower Information System (NTMIS) Nodal Centre at Assam Engineering College.

## 2. A BRIEF HISTORY OF THE NTMIS NODAL CENTRE

In order to review the present and future status of the nation's need with regard to the technical manpower during the coming decades and to suggest re-orientation and improvement to the existing programmes, the Ministry of Education and Social Welfare, Government of India set up a working group in November 1977. The committee suggested the establishment of a National Technical Manpower Information System (NTMIS) with a lead centre in the Institute of Applied Manpower Research (IAMR), New Delhi and a number of Nodal Centres distributed over the country.

The Nodal Centre at Assam Engineering College is one of seventeen similar Nodal

Centres established in the country since the inception of NTMIS and was established in 1983. Its jurisdiction is the state of Assam. One other Nodal Centre in the N.E. Region is located at North Eastern Regional Institute of Science and Technology (NERIST) in Naharlagun of Arunachal Pradesh and covers the other states of the region. The Nodal Centre at Assam Engineering College collects data on various aspects of technical education from the Universities and institutions in the state, imparting technical education from the diploma level upwards. These data are supplemented with additional ones for the industries obtained from the Board of Practical Training, Calcutta, which again comes under the framework of NTMIS. It may be mentioned at this point that with the All India Council for Technical Education (AICTE) becoming a statutory body acquiring near absolute control of technical education in the country, the NTMIS with all the Nodal Centres and Boards of Apprenticeship Training has come under direct administrative control of the AICTE.

## 3. A BRIEF HISTORY OF TECHNICAL EDUCATION IN ASSAM

In comparision to the national level, the history and development of technical education in Assam is both brief and low key. In Assam, before independence, there were only a couple of technical institutions providing junior level courses in selected field. In 1920, the maiden institution, later name as the Assam Textile Institute was established in Guwahati. In the year 1927, the other pioneering institution, which came to be known as Prince of Wales Institute of Engineering and Technology (POWIET) was set up at Jorhat. Both of these institutions were established against the backdrop of national awakening and awareness for rejuvenation of the home industries. Till independence, there was no further development or facilities available in technical education. Seats, which were few and inadequate in number were allocated to Assam at institutions located outside the state.

With the launching of the five-year plans for socio-economic regeneration, the dearth of technical manpower began to be increasingly felt with the establishment of the Assam Engineering Institute in Guwahati in 1948 which provided a diploma course in Civil Engineering, a path was laid for technical education in the state. In the same year diploma courses in Electrical Engineering, Mechanical Engineering and Automobile Engineering were introduced at the POWIET, abolishing the trade courses in engineering offered by it earlier. In 1956, these institutions were upgraded to Polytechnics with conventional course in Civil, Mechanical and Electrical engineering. The courses were remodelled under the pattern laid down by the AICTE. This was followed, over a period of two and a half decades, by opening of four more polytechnics including a Girls' Polytechnic at Guwahati. The proposed Government Polytechnics approved by the AICTE, to be established at Tezpur and Diphu, have not yet materalised.

Opening of a school of Arts and Crafts and upgrading of Assam Textile Institute with the introduction of a diploma course in Textile Technology took place in 1973. The former was upgraded to College of Art and Crafts in 1987. Under the Ministry of Textiles, the Institute of Handloom Technology was established at Guwahati in 1982.

At higher level, the first engineering college, namely the Assam Engineering College was established in Guwahati in 1955. This was followed by Jorhat Engineering College at Jorhat in 1960 and the Regional Engineering College at Silchar in 1977. Classes in the sixth Indian Institute of Technology, to be set up in North Guwahati got started from the 1995 academic session. In addition to these technical institutions, the university departments also offer courses, both undergraduate (UG) and postgraduate (PG) in some technical subjects/disciplines.

## 4. EMPLOYMENT AGENCIES/SECTORS IN THE STATE

The engineering students after obtaining their diploma or degree seek employment in a number of activities and sectors of employment. For the state of Assam, the important industrial and commercial activities required to be performed in course of employment are mainly-

* Exploration,
* Mining and quarrying,
* Manufacturing,
* Processing
* Maintenance/repairing,
* Construction,
* Agriculture/Plantations,
* Electricity, gas, water and Senitary services,
* Administration,
* Health,
* Transportation,
* Storage,
* Education and other services,

The employers of engineering and technology students may be categorised into the following agencies or sectors.

* Central Government,
* State Government,
* Central Government undertakings,
* State Government undertakings,
* Local bodies,
* Public sector,
* private sector,
* Partnership firms,
* Co-operative sector/socities,
* Autonomous/Semi autonomous bodies.

Recruitment to the jobs may take place just prior to or after the completion of the final examinations depending on the attitude priorities and methodology adopted by the employment agencies. The recruitment and or appointment is normally chanalised through the

* Employment exchanges,
* Assam Public Service Commission (APSC)
* Selection Boards constituted by the employers,
* Training and Placement office.

## 5. THE INDUSTRIAL SCENERIO

One need not go for to see that Assam and the North Eastern region as a whole is left far behind industrially and commercially by the rest of the country. Even after 40 years of independence and eight five-year plans, this part of the country failed to achieve in the industrial front particularly in the manufacturing sector. Things are not looking up even after opening up of the economy and the market, in the form of inflow of investment either foreign or domestic. A number of factors may have contributed to this stalemate.

1. Geographical location and topography.

(a) Assam does not provide an easy gateway for the industrial products to reach the major consumers or the export market.

(b) Assam is land-locked and with a narrow bottleneck created by Bangladesh, the access to a sea port is difficult.

(c) many parts of the state are hilly and floodprone.

2. Poor transport and telecommunication facilities.

3. There are serious problems of illegal immigrants, insurgency and general law and order.

4. The industrial infrastructure is poor.

5. There are no strategic planning and sincere effort on the part of the state govermment to woo industrialists to set up business in the state.

6. There is a shortage of skilled labour and management personnel.

Assam thus provides a very dismal picture of the organised industrial sector. Excepting minor expansions or diversifications of the existing industries like the BRPL or the Numaligarh Oil Refinery is in the process of implementation. The much publicized Gas Craker project at Tengakhat is still on paper.

Assam is devoid of large manufacturing industry. Although, small- scale manufacturing units are comming up, they are mostly in the private sector. They are unorganized, offering poor employment potential and carrier prospects. They fail to provide job security and attract the bright and smart engineering students to their fold.

## 6. THE ABSORPTION PATTERN OF GRADUATE AND DIPLOMA ENGINEERING STUDENTS

The absorption or employment pattern of engineering students of degree and diploma levels in different employment sectors within Assam is indicated in Tables 1,2 and 3. The informations are presented for a maximum of five years for dearth of space. The following points are worth noting.

* The number of student follow-up years is two-and-a-half. Thus the year of passing of 1992 covers students employed up to the middle of 1995.

* The term 'rate of absorption' refers to the sped of securing employment for the employed students. It should in no way be confused with the actual number of students getting employed.

* The P.G. degree/diploma holders passing out from the engineering colleges and university departments are excluded from this review for lack of reliable data due mainly to poor feedback.

The following important observations can be made from the available data.

1. Over the passing-out years 1988-92 (Table-1) the employment opportunities are generally bright for Chemical Engineering, Electronics and Telecommunication Engineering, Computer Science and Pharmaceutical Science in the degree level. This is followed by Electrical and Mechanical Engineering. The Civil engineers have the worst prospect of employment. For diploma holders Textile Technology and Pharmacy have been consistently doing well, followed by Handloom Technology and Secretarial Practice. In other disciplines, the absorption is generally poor.

2. Over the passing out years of 1990-92, among the employment sectors, the private, public and state government sectors contribute significantly towards employment of graduate engineers. While Electronics and Telecommunication engineering graduates are mainly absorbed in the private sector, the civil engineering graduates find employment mainly in the state government departments and undertakings. The contribution of the central government sector is not so encouraging. The picture is similar for diploma holders whose absorption is highest in the state government sector.

3. The speed of employment (Table-3) is best for Electronics & Telecommunication engineering students among engineering graduates. The rates are not consistent with the other branches. Although the chemical engineering graduates have the highest prospect of getting employed, their absorption rate is the lowest.

In the diploma level the picture is hazy. While no discipline is emerging as the outright winner, Pharmacy, Computer Engineering, Textile Technology and Chemical Engineering are leading the way.

## 7. ENHANCING EMPLOYMENT PROSPECTS

With rapid advances in the field of engineering and technology as well as diverse needs of the modern industries and society, a number of steps may be incorporated in the technical education system of Assam to

TABLE - 1

OUTTURN AND PERCENTAGE OF ABSORPTION OF DEGREE AND DIPLOMA HOLDERS
FROM 1988 to 1992
( Absorption within 2½ years from year of passing out )

| Year of passing out / Subject code | DEGREE 1988 O | PA | 1989 O | PA | 1990 O | PA | 1991 O | PA | 1992 O | PA | DIPLOMA 1988 O | PA | 1989 O | PA | 1990 O | PA | 1991 O | PA | 1992 O | PA |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 01 | 178 | 55.6 | 175 | 44.6 | 197 | 51.3 | 189 | 33.9 | 209 | 30.6 | 379 | 24.5 | 541 | 14.6 | 457 | 17.3 | 378 | 14.0 | 353 | 10.8 |
| 02 | 85 | 60.0 | 80 | 72.5 | 110 | 55.5 | 96 | 50.0 | 135 | 46.7 | 152 | 17.8 | 192 | 10.9 | 91 | 20.9 | 130 | 6.2 | 108 | 7.4 |
| 03 | 160 | 68.1 | 167 | 57.5 | 170 | 75.3 | 166 | 46.9 | 188 | 42.6 | 153 | 18.9 | 196 | 10.7 | 112 | 32.1 | 98 | 15.3 | 88 | 28.4 |
| 04 | 25 | 60.0 | 23 | 52.2 | 19 | 78.9 | 16 | 66.7 | 15 | 86.7 | 12 | 50.0 | 24 | 20.8 | 17 | 29.4 | 16 | 12.5 | 22 | 9.1 |
| 05 | 26 | 88.5 | 44 | 70.5 | 45 | 91.1 | 43 | 51.6 | 59 | 72.9 | 18 | 55.6 | 34 | 44.1 | 30 | 40.0 | 39 | 12.8 | 39 | 15.4 |
| 06 | - | - | - | - | - | - | - | - | 57 | 85.9 | - | - | - | - | - | - | - | - | - | - |
| 07 | - | - | - | - | - | - | - | - | - | - | - | - | 7 | 71.4 | 5 | 60.0 | 9 | 22.2 | 12 | 16.7 |
| 08 | - | - | - | - | 13 | 100.0 | 15 | 66.7 | 7 | - | - | - | - | - | - | - | - | - | - | - |
| 09 | - | - | - | - | - | - | - | - | - | - | 84 | 73.8 | 72 | 33.3 | 55 | 100.0 | 38 | 78.9 | 38 | 100.0 |
| 10 | - | - | - | - | - | - | - | - | - | [illegible] | 16 | 68.8 | 21 | 76.2 | 37 | 67.6 | 30 | 100.0 | 29 | 75.9 |
| 11 | - | - | - | - | - | - | - | - | - | - | 21 | 61.9 | 26 | - | 15 | 26.7 | 35 | 42.9 | 17 | 41.2 |
| 12 | - | - | - | - | - | - | - | - | - | - | 13 | 61.5 | 14 | 28.6 | 12 | 33.3 | 11 | 63.6 | 17 | 35.3 |
| 13 | - | - | - | - | - | - | - | - | - | - | 51 | 25.5 | 18 | 66.7 | 25 | - | 2 | - | 19 | 36.8 |
| Total | 474 | 62.7 | 489 | 55.6 | 554 | 64.8 | 524 | 44.3 | 670 | 46.6 | 899 | 30.3 | 1145 | 17.6 | 856 | 28.3 | 786 | 21.2 | 742 | 22.2 |

Code used in Tables

O- Outturn of students, PA- Percentage of absorption, 01- Civil Engineering , 02- Electrical Engg.
03- Mechanical Engineering, 04- Chemical Engineering, 05- Electronics & Telecommunication,
06- Computer Science, 07- Computer engineering, 08- Pharmaceutical Science, 09- Pharmacy,
10- Textile Technology, 11- Handloom Technology, 12- Secretarial Practice,
13- Architectural Assistantship.

TABLE- 2: ABSORPTION OF ENGINEERING STUDENTS PASSING OUT FROM STATE INSTITUTIONS BY VARIOUS AGENCIES

| Sector | Central Govt. | | | State Govt. | | | Local Body | | | Public Sector | | | Private Sector | | | Co-operative Sector | | | Others | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Year of Passing out / Subject Code | 90 | 91 | 92 | 90 | 91 | 92 | 90 | 91 | 92 | 90 | 91 | 92 | 90 | 91 | 92 | 90 | 91 | 92 | 90 | 91 | 92 |
| **A. DEGREE** | | | | | | | | | | | | | | | | | | | | | |
| 01 | 7 | 4 | 2 | 47 | 15 | 30 | 2 | 9 | 4 | 11 | 10 | 7 | 23 | 22 | 17 | - | - | - | 11 | 4 | 4 |
| 02 | 6 | 10 | - | 13 | 7 | 9 | - | 4 | 6 | 19 | 15 | 23 | 19 | 10 | 17 | 2 | - | 6 | 2 | 2 | 2 |
| 03 | 4 | 5 | 6 | 19 | 3 | 14 | - | 2 | - | 54 | 23 | 29 | 43 | 36 | 29 | - | 2 | - | 8 | 7 | 2 |
| 04 | 2 | - | - | - | - | 3 | - | - | 3 | 10 | 8 | 4 | 3 | 2 | 3 | 3 | 3 | - | - | - | - |
| 05 | 7 | - | 10 | 7 | 2 | - | - | 2 | - | 7 | 3 | 7 | 20 | 13 | 20 | - | - | - | - | 2 | 8 |
| 06 | - | - | 5 | - | - | 3 | - | - | 10 | - | - | 16 | - | - | 10 | - | - | - | - | - | 5 |
| 08 | - | - | - | 8 | 7 | - | - | - | - | - | 2 | - | 2 | 1 | - | - | - | - | 3 | - | - |
| Total | 26 | 19 | 23 | 94 | 34 | 59 | 2 | 17 | 23 | 101 | 61 | 86 | 110 | 84 | 96 | 2 | 2 | 6 | 24 | 15 | 13 |
| **B. DIPLOMA** | | | | | | | | | | | | | | | | | | | | | |
| 01 | 8 | 5 | 6 | 51 | 27 | 16 | 2 | 3 | 4 | 4 | 5 | 6 | 10 | 9 | 4 | - | 2 | - | 4 | 2 | 2 |
| 02 | 2 | 3 | 3 | 3 | - | - | - | - | - | 9 | 5 | 3 | 3 | - | 2 | - | - | - | 2 | - | - |
| 03 | 5 | - | - | 7 | 3 | 8 | - | 2 | - | 5 | 5 | 2 | 14 | 5 | 13 | - | - | 2 | 5 | - | - |
| 04 | 2 | - | 2 | - | 2 | - | - | - | - | 3 | - | - | - | - | - | - | - | - | - | - | - |
| 05 | 2 | 2 | - | 2 | - | - | - | - | - | 5 | 2 | 6 | 2 | - | - | - | 1 | - | 1 | - | - |
| 07 | - | - | - | 2 | - | - | - | - | - | - | 2 | - | - | - | 2 | - | - | - | 1 | - | - |
| 09 | - | - | - | 40 | 19 | 38 | - | - | - | 4 | 4 | - | 11 | 7 | - | - | - | - | - | - | - |
| 10 | - | - | - | 3 | 10 | 7 | - | - | - | 8 | 8 | 4 | 8 | 5 | 2 | 6 | 7 | 7 | - | - | 2 |
| 11 | - | - | 2 | 4 | 12 | 5 | - | - | - | - | 3 | - | - | - | - | - | - | - | - | - | - |
| 12 | - | - | 2 | 2 | 4 | 2 | 2 | - | - | - | 3 | - | - | - | 2 | - | - | - | - | - | - |
| 13 | - | - | - | - | - | 2 | - | - | - | - | - | - | - | - | 2 | - | - | - | - | - | 3 |
| Total | 19 | 10 | 15 | 114 | 77 | 78 | 4 | 5 | 4 | 38 | 37 | 25 | 48 | 26 | 27 | 6 | 10 | 9 | 13 | 2 | 7 |

TABLE NO. – 3

DISCIPLINEWISE ABSORPTION SCENARIO IN DEGREE & DIPLOMA LEVELS (IN DECENDING ORDER) FROM ( 1988 to 1992) (RATE OF ABSORPTION OVER 2 ½ YEARS FROM YEAR OF PASSING OUT )

| SL. NO. | SUBJECT CODE | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | DEGREE LEVEL | | | | | DIPLOMA LEVEL | | | | |
| | 1988 | 1989 | 1990 | 1991 | 1992 | 1988 | 1989 | 1990 | 1991 | 1992 |
| 1 | 05 | 05 | 05 | 05 | 05 | 04 | 07 | 09 | 09 | 07 |
| 2 | 01 | 01 | 03 | 08 | 01 | 05 | 10 | 10 | 04 | 04 |
| 3 | 02 | 03 | 08 | 01 | 03 | 12 | 12 | 11 | 07 | 10 |
| 4 | 03 | 04 | 02 | 03 | 02 | 01 | 13 | 12 | 11 | 09 |
| 5 | 04 | 02 | 01 | 02 | 06 | 02 | 04 | 01 | 10 | 13 |
| 6 | - | - | 04 | 04 | 04 | 03 | 01 | 03 | 02 | 02 |
| 7 | - | - | - | - | - | 13 | 09 | 02 | 01 | 01 |
| 8 | - | - | - | - | - | 09 | 02 | 04 | 12 | 05 |
| 9 | - | - | - | - | - | 10 | 05 | 07 | 05 | 11 |
| 10 | - | - | - | - | - | 11 | 03 | 05 | 03 | 02 |
| 11 | - | - | - | - | - | - | - | - | - | 12 |

enhance the employability of the engineering students. These are-

1. Advance studies/specialization,
2. Diversification of engineering courses,
3. Industrial Training,
4. Entrepreneurship development.

Data available with the authors indicate that the percentage and the rate of absorption significantly increase for post-graduate degree holders among engineering students. Therefore, a graduate student can significantly enhance his job prospects by acquiring a P.G. degree or diploma in an appropriate specialization. Introduction of post-graduate programmes in various disciplines/organizations in the engineering colleges of Assam should not only benefit the students but also the institutions in matters of staff and institutional developments. Of special importance and relevance will be the diversification of the engineering courses presently offered at the technical institutions of the state. To bypass the resource crunch and to avoid straining the existing infrastructural facilities, some of the existing and less prospective disciplines in some of the institutions may have to be closed down and replaced with new ones. Some of the new subjects/disciplines suggested for diploma level are :

* Plastic technology,
* Tea plantation and manufacture,
* TV/Video Engineering and Production,
* Oil exploration and drilling,
* Construction technology,
* Wood plantation & Technology,
* Hospital machinery and Medical Instrumentation,
* Leather Processing and Products.

The following disciplines will be particularly attractive for girls.

* Food preservation and Processing,
* Costume design and Dressmaking,
* Interior decoration,
* Office Management

Some of these disciplines may also open up new avenues for selfemployment which is gaining momentum among the young technocrats. The subjects are also in conformity with the present and possible future trends in the industrial activities in the state.

At degree and higher (Post graduate degree/diploma) levels the following disciplines are expected to ensure a better and faster absorption.

* Financial Administration,
* CAD/CAM
* Instrumentation & Control,
* Man-made Fibre Technology,
* Information Technology,
* Advanced Construction Technology,
* Safety and Reliability,

Engineering and technology involve the implemention of scientific ideas and methods into reality. Special emphasis should, therefore, be given to practical and laboratory works and field training of students.

Industrial training may also be made an integral part of the course curriculum. A close co-operation between industry and technical institutions would be essential to implement such a scheme and make it a success. The benefits to the students will be in a number of ways.

* The students will be exposed to the industrial work culture,

* They will be able to appreciate the interdependence of theory and practice.

* They will be familiar with the current technological trends and developments.

The industries themselves will discharge an important social obligation and at the same time spot the real talents among students for future employment.

Self-employment is also an important aspect of absorption of engineering students. It can relieve pressure from the near-saturated job market, open up new and challanging avenues for the self-employed and create new job opportunities. Right attitude, courage, technical skill, financial support, managerial abilities are some of the important parameters required for success in entrepreneurship. The technical institutions can contribute significantly by establishing 'Entrepreneurship Development Cells' in the institutions and creating awareness and motivation among the outgoing students. A few selected students may be properly trained and made familiar with the intricacies of entrepreneurship development like planning, project preparation, feasibility studies institutional finance, marketing etc. The umbilical cords should be maintained between the institution and the budding entrepreneurs as they progress in their endeavour.

## 8. CONCLUSION

Due to a painfully slow industrial development of the state, the employment prospects of engineering and technology students in most of the disciplines, excepting Chemical engineering, Electronics & Telecom. Engg., Pharmacy, Pharmaceutical Science, Textile Technology & Handloom Technology are poor. Among employment sectors, private, public & State government sectors are the major employers. The employability of the outgoing students can be enhanced if a number of steps suggested are initiated in right earnest. □




☹ Miss Suranjeeta Khound
Seventh Semester

MY sister's birth snatched away the aura of single child pampering & catering that I had come to regard as my exclusive privilege.

Warm within its coocoon, now & then I did wish for a little kid brother to lord over and pull ears, but a girl ! Never ! That meant sweet pigtails and cuddling ! And trouble !

And, Omigosh ! There she was, a perfectly cherubic face and to top it an angelic expression with pink cheeks ? Unfortunately, the effect was a scene stealer and everybody fell in love with her at first sight.

I had known it ! That a girl would topple over my serene reign, that too an unflinching one of total supermacy, over the household. A SISTER ! Bah !

The first time I saw her, she was lying besides mum in that spick & span mission hospital where papa & I went to see her. She was no larger than a folded newspaper & pa said no, I couldn't hold her, she might fall. As if -------- !

An strange sense of trembling emotions I experienced, the foremost among them awe & wonder, as she curled her tiny fist around my ring finger. Had I also been that tiny when the stork brought me, I wanted to know.

And placing the coin Pa handed me, beside her, for luck, we came back home, still bowled over by that vulnerable hundle of baby clothes.

At home, once I had time to reflect, out of the spell of her charms, I decided that she was okay. But once she came home, everyone said she would soon, I would firmly put her in her place and not give her even a second glance. If she dared to worry me,

